# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৫/০৩/২০২২ মঙ্গলবাৰ

---

**(অসম বিধান সভাৰ বাজেট অধিবেশন, ২০২২ চনৰ ইং ১৫-০৩-২০২২ তাৰিখৰ কাৰ্য্যক্ৰমণিকা পুৱা ৯.৩০ বজাৰ লগে লগে আৰম্ভ হয় )**

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্বন নং- ১ নজৰুল হক ।

**শ্ৰীৰঞ্জিত দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সমূহ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীনজৰুল হক, (ধুবুৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২০-২১ চনৰ বিত্তীয়বৰ্ষত আৰ চি চি পাৰ্কুপাইনৰ ১০৭৫ টা কামৰ চেংশ্যন দিয়া হৈছিল, মই তাৰ ওপৰত এটা কোৱেশ্যন দিছিলো। উত্তৰত কৈছে আঁচনিৰ অনুমোদন দিয়া হ'ল। গৌৰীপুৰ উন্নয়নখণ্ডত ২৩৯ টা আঁচনিৰ অনুমোদন দিয়া হৈছে। ২১৬ টা আঁচনি অনগোয়িং প্ৰ'চেচত আছে। ২৩ টা কাম এতিয়াও আৰম্ভ হোৱা নাই। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছো যিহেতু চেংশ্যন দিয়া হৈছিল, ৱৰ্ক অৰ্ডাৰ আছে , মানুহখিনি কাম কৰিছিল, অনগোয়িং প্ৰ'চেচ - গতিকে ইয়াৰ বিল কেতিয়া পাব ?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, উত্তৰ দিব ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু সন্মানীয় বিধায়ক নজৰুল হক ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে, এই ক্ষেত্ৰত তেখেতক ধন্যবাদ জনাইছো এই কাৰণে যে ধুবুৰী জিলাৰ গৌৰীপুৰ ব্লকৰ পৰা আমি কেইবাটাও আভিযোগ পাইছিলো । তাত ২৩৯ টা স্কীম ২০২০-২১ চনত আবন্টন দিছিল। আবন্টন দিয়াৰ পিচত সেই স্কীমসমূহৰ এতিয়া প্ৰায় ২১৬ টা স্কীম অনগোয়িং আছে বাকী ২৩ টা স্কীম আৰম্ভনি হোৱা নাই । অনগোয়িং থকাৰ মূল কথাটো হৈছে- অধ্যক্ষ মহোদয় যিহেতু আমি জানো যে, আমাৰ অসম খন বান আৰু খহনীয়া আক্ৰান্ত এখন ৰাজ্য। কিন্তু আমি এম জি এন ৰেগাৰ কামত পাৰ্কুপাইন আৰু জিঅ' বেগ ব্যৱহাৰ কৰিব নোৱাৰো। সেইটো কাৰণে আমাৰ বিভাগৰ পৰা ভাৰত চৰকাৰক পত্ৰ প্ৰেৰণ কৰা হৈছিলে কিন্তু তেওঁলোকে এতিয়াও আমাক সন্মতি দিয়া নাই কাৰণে আমি পেমেন্টবোৰ দিব পৰা নাই। তাত পাৰ্কুপাইন আৰু জিঅ' বেগ ব্যৱহাৰ কৰা হৈছিলে।

**শ্ৰীনজৰুল হক, (ধুবুৰী) ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কৈছে -তদন্ত কৰি পাৰ্মিচেবল নহয়, মন্ত্ৰী মহোদয়, ধুবুৰী জিলাৰ guardian মিনিষ্টাৰ মই তেখেতক অনুৰোধ কৰিছো - যিহেতু আপুনি কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াইছে যাতে অনতিপলমে দিয়া হয় কাৰণ যোৱা বানপানীত আমি বাংলাদেশ বৰ্ডাৰ এৰিয়াত ভিজিট কৰিছিলো তাত তাৎক্ষনিকভাৱে কাম কৰিবলৈ আমি নিৰ্দেশ দিছিলো। ভেণ্ডৰসকলে যথেষ্টখিনি পাৰ্কুপাইন যোগান ধৰিছে । তেওঁলোকে পেমেন্ট পোৱা নাই, অনুগ্ৰহ কৰি আপুনি সোনকালে ব্যৱস্থা ল'ব।

অধ্যক্ষ মহোদয়, যিহেতু পাৰ্মিচেবুল নহয়, ইয়াৰ কাৰণে এক্সিকিউটিভ ডাইৰেক্টৰ, উপায়ুক্ত, তেতিয়াৰ চি ই অ' তেখেতসকলে যে যধেমধে এইবিলাক কামৰ চেংশ্যন দিলে তাৰ ওপৰত কিবা বিহীত ব্যৱস্থা ল'ব নেকি, আপুনি অনুগ্ৰহ কৰি জনাব ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ... ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে এই বিষয়টো লৈ গৌৰীপুৰত আমি বিভাগৰ পৰা এনকোৱাৰী কৰিছিলো। যিহেতু টেকনিকেল চেংশ্যনটো - কাৰিকৰী বিষয়া বা ইঞ্জিনিয়াৰসকলে বা জে ই সকলে দিয়ে, গতিকে উপায়ুক্তগৰাকী বা চি ইঅ' গৰাকী টেকনিকেল অফিচাৰ নহয়। তেখেতসকলে এম জি এন ৰেগাত পাৰ্কুপাইন বা জিঅ' বেগ গ্ৰহণযোগ্য নহয় বুলি জানে যদিও গৰাখহনীয়া আৰু বানপানীৰ ভয়াৱহতা আৰু ৰাইজৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি আঁচনিত ব্যৱহাৰ কৰিছিল। আমি এতিয়াও আশাবাদী যে, মই এচেম্বলীৰ পিচত দিল্লীত গৈ নিজে ভাৰত চৰকাৰৰ বিভাগৰ লগত কথা পাতিম। আমাক যদি পাৰ্মিশ্যনটো দিয়ে তেতিয়াহ'লে আমি দিব পাৰিম, এইটো ঠিক যে মাননীয় মুখ্যমন্ত্ৰী শৰ্মা চৰকাৰৰ নেতৃত্বত আমি দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গ্ৰহণ কৰিছো। বিভাগৰ ফালৰ পৰা বিভিন্ন দুৰ্নীতিৰ অভিযোগত আমি চাচপেনশ্যন পৰ্য্যন্ত কৰিছো। আমি ১৩ জনক টাৰ্মিনেট কৰিছো। বিভাগীয় নীতি নিয়মৰ মাজেৰে আগুৱাই গৈ আছো, এইক্ষেত্ৰত সন্মানীয় বিধায়কসকলৰ সহায়-সহযোগ আমি কামনা কৰিছো। তেখেতে কোৱাখিনিৰ ক্ষেত্ৰত যদি পাৰ্মিচিবুল হয় আমি পেমেন্ট সোনকালে দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ.... এতিয়া নিজানুৰ ৰহমান ।

**শ্ৰীনিজানুৰ ৰহমান, (গৌৰীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি চৰকাৰৰ নিয়ম বৰ্হিভূত হোৱা নাই, চেংশ্যন কেনেকৈ পালে এইটো মূল কথা। কিছুমান সমষ্টিত চেংশ্যন পালে ,কিছুমানত পোৱা নাই। যেনেকৈ মোৰ সমষ্টিত এটাও পাৰ্কুপাইনৰ চেংশ্যন পোৱা নাছিলো। ইয়াৰ ভিতৰত কিবা নেক্সাচ জড়িত হৈ আছে নেকি,এই কথাখিনি ক্লিয়েৰ কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, নেক্সাচ থাকিব নোৱাৰে। আপুনি জানে মই ধুবুৰীত যেতিয়া যাওঁ তেতিয়া মোকো অভিযোগ দিছিলে আৰু সেই কাৰণে যাৰ বাবে স্পেচিয়েলী গৌৰীপুৰ ব্ল'কত তদন্ত কৰিবলৈ দিছিলো । আমাৰ সন্মানীয় বিধায়ক ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াও এনেধৰনৰ অভিযোগ দিছিলে যিটো আমি তৎকালীনভাৱে এনকোৱাৰী দিছিলো। যদি নেক্সাচ আছে নিশ্চিতভাৱে তদন্ত কৰি আমি ব্যৱস্থা ল'ম। যিখিনি তদন্তৰ প্ৰতিবেদন আমি ইতিমধ্যে পাইছো সেইখিনিৰ ব্যৱস্থা আমি লৈছো। আগন্তুক দিনত কিবা অভিযোগ থাকিলে, আমাক নিৰ্দ্দিষ্টভাৱে দিলে আমি ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় ৰাজেদ আলী চৌধুৰী ।

**শ্ৰীৰাজেদ আলী চৌধুৰী, (শালমাৰা দক্ষিণ)ঃ** অধ্যক্ষ মহোদয়, ১ নং কোৰেশ্যনৰ যিটো ৰিপ্লাই মন্ত্ৰী মহোদয়ে দিছে, প্ৰটেকশ্যনৰ বাবে পাৰ্কুপাইন যদি পাৰ্মিচিবুল নহয় তেনেহ'লে এম জি এন ৰেগাৰ পৰা আমি প্ৰটেকশ্যনৰ বাবে কি আঁচনি গ্ৰহণ কৰিব লাগিব কাৰণ জি অ' বেগো পাৰ্মিচিবুল নহ'য়। প্ৰটেকশ্যনৰ কামৰ বাবে ৰাটাৰ ৰিৰ্চোছ ডিপাৰ্টমেন্টেই চাফিচিয়েন্ট নহয়। সৰু-সুৰা নদীবিলাক আছে, সেইবিলাক ৰাটাৰ ৰিৰ্চোছে চাব নোৱাৰে গতিকে এম জি এন ৰেগাৰ পৰা প্ৰটেকশ্যনৰ কাম কৰিব লাগিব। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, জি অ' বেগটো চেংশ্যন কৰাই প্ৰটেকশ্যনৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ....।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** এই বিষয়টোৰ ক্ষেত্ৰত মন্ত্ৰী একমত- বিধায়কসকলো একমত কাৰণ আমি জানো যে আমাৰ অসম বান অধ্যুষিত অঞ্চল। কেন্দ্ৰীয়

চৰকাৰ বা বিষয়াসকলে ৰাষ্ট্ৰীয় দৃষ্টিভঙ্গীত গুজৰাট - মধ্যপ্ৰদেশ ইত্যাদিৰ দৃষ্টিভঙ্গীত এইবিলাক কথা চোৱা বাবে আমাৰ বাস্তৱ কথাষাৰ উপলব্ধি কৰিব পৰা নাই। কাৰণ আমি জানো যে মধ্যপ্ৰদেশ আৰু গুজৰাটৰ মাজেৰে এখনেই নদী বৈ যায়, অকল নৰ্মদা নদী। কিন্তু আমাৰ ১০০খন মান নদ-নদী আছে তাৰ বাবে আমি কিমান সমস্যাৰ সন্মুখীন হৈছো এইটো কেন্দ্ৰীয় চৰকাৰৰ বিষয়াসকলে অনুভৱ কৰিব পৰা নাই। গতিকে যদি সদনে সন্মতি দিয়ে এইটো এটা সদনৰ প্ৰস্তাৱ হ'ব লাগে যে এম জি এন ৰেগাত পাৰ্কুপাইন আৰু জি অ' বেগ পাৰ্মিচিবুল হ'ব লাগে। এইটো বিষয় পাৰচিউ কৰাৰ বাবে মোৰ বাবে সুবিধা হ'ব । আমাৰ নিজৰ সমস্যা আমি সমাধান কৰিব লাগিব, এইটো বিষয় লৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীৰ লগত কেইবাবাৰো কথা পাতিছে। গতিকে আগন্তুক দিনত মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু আপোনালোকক লৈ যদি আগবাঢ়ি যাব পাৰো তেতিয়া হ'লে ভাল হ'ব কাৰণ তেওঁলোকে একচেপ্ট কৰিব বিচৰা নাই। আমাৰ সৰু-সৰু সমস্যা আছে যিটো ৱাটাৰ ৰিচোৰ্চ ডিপাৰ্টমেন্টৰ আওতাত নপৰে। তেওঁলোকে কয় যে আমি ৫০ মিটাৰ ১০০ মিটাৰ দুৰত্বত মথাউৰি বনাব পাৰো। ইফালে আমি যদি সৰু সৰুবিলাক নোৱাৰো তেনেহ'লে অসমখন তেনেকৈয়ে থাকিব। গতিকে এইটো মোৰো ইচ্ছা যে ভাৰত চৰকাৰে যদি পাৰ্মিশ্যন দিয়ে তেতিয়া হ'লে সকলোৰে বাবে মঙ্গল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

এতিয়া কোৱেশ্যন নং -২ আমিনুল ইছলাম ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীআমিনুল ইছলাম, (মানকাচাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিছো যে, আমাৰ এন আৰ চিৰ যিটো প্ৰক্ৰিয়া এই প্ৰক্ৰিয়াৰ মাজত ক্লেইম এণ্ড অৱজেকশ্যনত প্ৰায় ১৯ লাখ মানুহৰ নাম অহা নাই ।এই ১৯ লাখ মানুহৰ ক্লেইম এণ্ড অৱজেকশ্যন বন্ধ হৈ আছে। এই বন্ধ হোৱা মানুহখিনিৰ বাইঅ'মেট্ৰিক লোৱা হৈছে, আধাৰ কাৰ্ড প্ৰদান কৰা হোৱা নাই। এই আধাৰ কাৰ্ডখিনি নোপোৱাৰ কাৰণে যিখিনি চৰকাৰী আঁচনি , আই এ ৱাইৰ ঘৰে হওক, পি ডি এচৰ চাউল- দালিয়ে হওক বা অনাময় আঁচনিৰ টয়লেটেই হওক যিমানখিনি সুবিধা পাব লাগিছিল তাৰ পৰা আজি বঞ্চিত হৈ আছে। ইয়াৰ আগৰবাৰো মই একে কোৱেশ্যন আনিছিলো যে অসমৰ ১৯ লাখ মানুহে এই সুবিধাৰ পৰা বঞ্চিত হৈ আছে আধাৰ কাৰ্ড নোহোৱাৰ বাবে । যি সুবিধা পাব লাগিছিল সেই সুবিধাৰ পৰা বঞ্চিত হৈ আছে। ইয়াত আগৰবাৰো একে প্ৰশ্নকে আনিছিলোঁ যে, অসমৰ ১৯ লাখ মানুহে এই সুবিধাৰ পৰা বঞ্চিত হৈ আছে, আধাৰ কাৰ্ডখন নোহোৱাৰ কাৰণে। কাৰণ one biometric যিটো লৈ ল'লে আৰু সেইটো দ্বিতীয়তে নাহে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াক প্ৰশ্ন কৰক।

**শ্ৰীআমিনুল ইছলাম, (মানকাচাৰ) ঃ** এইখিনিৰ কাৰণে আগৰবাৰ তেখেতে কৈছিল যে expert team আনি ব্যৱস্থা কৰাই আছোঁ, সোনকালে হৈ যাব। সেইটো কিমানখিনি হ'ল, কিমানখিনি আগবাঢ়িল?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া, এই বিষয়টোক লৈ আমাৰ চৰকাৰ চিন্তিত। কাৰণ কি আমি নিজে উপলব্ধি কৰিছোঁ, দেখিছোঁ যে, এন আৰ চি ত নাম অহাৰ পিছতো বহু মানুহক biometric কৰাৰ পিছতো তেওঁলোকে যি সুবিধা

পাব লাগিছিল, সেই সুবিধা পোৱা নাই। নোপোৱাৰ কাৰণটো হৈছে কি যে, আমাৰ ভাৰত চৰকাৰে ০১-১১-২০১৮ তাৰিখে চুপ্ৰিম কোৰ্টৰ নিৰ্দেশৰ আধাৰত এখন চিঠি প্ৰস্তুত কৰিছিল। সেই এচ ও পি ত এনেকুৱা কথা লিখা আছিল যে, biometric সমূহ, তেওঁলোকৰ তথ্য সমূহ লক কৰি থ'ব লাগে। সেই লক কৰি থোৱাৰ বাবে বহু মানুহৰ এন আৰ চি ত নাম অহাৰ পিছতো সেই সকল মানুহে যি সুবিধা পাব লাগিছিল, পোৱা নাই বা পোৱাৰ পৰা বঞ্চিত হৈ আছে। সেই কথাষাৰ উপলব্ধি কৰি ২০২০ চনৰ ৪ নৱেম্বৰ তাৰিখে মুখ্য সচিব ডাঙৰীয়াই অজয় কুমাৰ ভাল্লা কেন্দ্ৰীয় গৃহ মন্ত্ৰীলৈ এখন চিঠি লিখিছিল। তাৰ পৰৱৰ্তী সময়ত আকৌ পুনৰ ২০২১ত পত্ৰ এখন প্ৰেৰণ কৰিছিলোঁ ভাৰত চৰকাৰলৈ যে যি সকলৰ এন আৰ চি ত নাম আহিছে তেওঁলোকৰ biometric খিনি খুলি দিব লাগে, যাতে তেওঁলোকে প্ৰাপ্য সন্মানটো পায়। কাৰণ কিয় এন আৰ চিত নাম অহাৰ পিছত তেওঁলোকক যদি লক কৰি ৰখা হয়, এইটো খুব এটা উপলব্ধি হৈছে, কিন্তু তথাপি মহামান্য চুপ্ৰিম কোৰ্টে যিহেতু ভাৰত চৰকাৰক কৈছিল আৰু এচ অ' পি খন যিহেতু আছে আমি এচ অ' পি খন ভাইলেট কৰি একো কাম কৰিব নোৱাৰোঁ, কেন্দ্ৰীয় চৰকাৰৰ আওতাৰ বিষয়।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**শ্ৰীআমিনুল ইছলাম, (মানকাচাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কথাটো হ'ল যে আজি যি খিনি মানুহৰ আধাৰ কাৰ্ড অহা নাই বা হৈ থকা নাই এই এন আৰ চি ৰ কাৰণে, আমি দেখিছোঁ সেই মানুহখিনিয়ে কিন্তু এতিয়ালৈকে কোনো বেংক একাউন্ট কৰিব নোৱাৰে, পান কাৰ্ড বনাব নোৱাৰে, কোনো ধৰণৰ কাম তেখেত সকলে কৰিব নোৱাৰে। এতিয়া আমাৰ কথাটো হ'ল যে ১৯ লাখ মানুহক চৰকাৰী সকলো সা-সুবিধাৰ পৰা আমি বঞ্চিত ৰাখিছোঁ। মেটাৰটোতো সমাধান হোৱা নাই যে তেখেত সকলে এন আৰ চি ৰ পৰা পাৰ্মেনেন্ট বাদ পৰিছে। মেটাৰটোতো সম্পূৰ্ণভাৱে শেষ হৈ যোৱা নাই যে তেওঁলোকে কোনোদিনে ভাৰতীয় নাগৰিক হ'ব নোৱাৰিব। Matter is pending. ইয়াত যিটো Claim and objection হ'ব লাগে এইটোতকৈও এইটো নহ'ল। ইয়াৰ কাৰণে কিবা ব্যৱস্থা ল'ব পাৰে নেকি বা আজিৰ দিনটোত বিধান সভাৰ পৰা কিবা ৰিজলিউচন ল'ব পাৰিম নেকি যে এইখিনি মানুহৰ কাৰণে টেম্পৰাৰী হ'লেও অন্য সুবিধাখিনি চৰকাৰৰ পাব লাগে আৰু যেতিয়ালৈকে এইটো নহয় তেখেত সকলৰ যে এন আৰ চিত নাম নাই সেইটো চুপ্ৰিম কোৰ্টে কি ভাবত লয় বা চিচ্‌টেমে কি কৰে সেইটো কৰিব। কিন্তু ১৯ লাখ মানুহক টোটেলি বেনিফিচাৰীৰ পৰা বঞ্চিত ৰখাটো অন্যায় হৈছে, তাৰ কাৰণে এটা ব্যৱস্থা আজিৰ বিধান সভাই এটা Resolution adopt কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Question hour ত Assembly ত Resolution adopt কৰিব নোৱাৰে। কিন্তু এই বিষয়ত মন্ত্ৰী ডাঙৰীয়াই উদ্বেগ লৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি আপোনালোকৰ লগতো আলোচনা কৰি এটা সিদ্ধান্ত লৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিব পাৰে। Next Supplimentary Biswajit Phukan. বিষয় এটাই, কিবা যদি option আছে আপোনাৰ তাত, মন্ত্ৰী ডাঙৰীয়াক প্ৰশ্ন কৰক যে সেইটো কৰিব পাৰে।

**শ্ৰীবিশ্বজিৎ ফুকন, (সৰুপথাৰ) ঃ** অধ্যক্ষ মহোদয়, এন আৰ চি বিষয়টোক লৈ আধাৰ কাৰ্ড নোহোৱা কথাটো সমগ্ৰ অসমতে যথেষ্ট জটিল আৰু মোৰ সৰুপথাৰ সমষ্টিতো দেখিছো বহু লোক, যি সকল আনকি খিলঞ্জীয়া লোক তেওঁলোকেও আধাৰ কাৰ্ড পোৱা নাই আৰু কথাটো এন আৰ চি ৰ লগত সংলগ্ন হৈছে। এতিয়া কথা হ'ল আধাৰ কাৰ্ড দুদিন দেৰিকৈ পালে দুদিন তেওঁলোকে বেনিফিচাৰী আঁচনিত যিখিনি বস্তু পাব লাগে সেইখিনি নাপাব। মই এটা কথা অনুৰোধ জনাম যে আমি যিটো

criteria দিছো যে আধাৰ কাৰ্ড হলেহে বেনিফিচাৰীয়ে তেওঁলোকৰ সুবিধাখিনি পাব, তাৰ সলনি যেতিয়ালৈকে আধাৰ কাৰ্ড নহয়, তেতিয়ালৈকে যাৰ এন আৰ চি ত নাম আছে সকলোৱে এই সুবিধাখিনি পাব লাগে, এনেকুৱা এটা সিদ্ধান্ত চৰকাৰে ল'ব লাগে। যাতে এন আৰ চি ত নাম থকা লোক সকলক আমি খিলঞ্জীয়া বুলি ধৰি লও, তেওঁলোকে যাতে সকলো সুবিধাৰ পৰা বঞ্চিত নহয় তাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক বিশ্বজিৎ ফুকন ডাঙৰীয়াৰ যিটো মনৰ কথা সেইটো মনৰ কথা আমাৰো। সেই কাৰণে এই বিষয়টো লৈ এদিন আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেবিনেটত এই কথাখিনি উল্লেখ কৰিছে। যিহেতু মানুহ সকল বঞ্চিত হৈ আছে গতিকে এইটো সমাধান কৰিব লাগিব, নহ'লে এইখন অসমত থাকি এন আৰ চি ত নাম আছে, আধাৰ কাৰ্ড পোৱা নাই। সেই কাৰণে সেইদিনাখন মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে পৰ্য্যালোচনা কৰাৰ কাৰণে বিভিন্ন দল সংগঠনৰ লগত আলোচনা কৰাৰ কাৰণে আমাৰ মাননীয় মন্ত্ৰী অতুল বৰা ডাঙৰীয়া আমাৰ মাননীয়া মন্ত্ৰী অজন্তা নেওগ ডঙৰীয়ানী আৰু পিয়ুষ হাজৰিকা ডাঙৰীয়াকলৈ আলোচনাত বহাৰ কাৰণে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেওঁলোকক নিৰ্দেশ দিছিল, গতিকে নিশ্চিতভাৱে এইটো বিষয়ক লৈ যিহেতু আমিও চেন্‌চিটিভ, গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আগন্তুক দিনত নিশ্চিত ভাৱে হয়তো সকাহ পোৱাৰ আশা এটা আছে।

**মাননীয় অধ্যক্ষ ঃ** জাকিৰ হুছেইন সিকদাৰ আৰু কিবা আছে?

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, আধাৰ কাৰ্ডকলৈ মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিখিনি উত্তৰ ইয়াতে দিলে নিশ্চিত ভাৱে বুজিব পাৰিছো তেখেতে উপলব্ধি কৰিছে যে আধাৰ কাৰ্ডৰ পৰা বঞ্চিত হোৱা মানুহখিনিৰ আজি কি অৱস্থা হৈছে। অধ্যক্ষ ডাঙৰীয়া, মই কব বিচাৰিম যে সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া যেতিয়া মুখ্যমন্ত্ৰী আছিল তেতিয়াৰ পৰা এই বিষয়ে আমি এই পবিত্ৰ বিধান সভাত সময়ে সময়ে উত্থাপন কৰি আহিছোঁ। মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া মুখ্যমন্ত্ৰী হোৱাৰ পিছত, ইয়াৰ আগৰ বিধান সভাতো আধাৰ কাৰ্ডৰ সম্পৰ্কত বিভিন্ন সময়ত প্ৰশ্ন উত্থাপন কৰি আহিছোঁ আৰু চৰকাৰৰ ফালৰ পৰা এনেকুৱা উত্তৰবোৰ দিয়ে। কিন্তু আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি অসম চৰকাৰৰ প্ৰতি প্ৰশ্ন হয় যে আধাৰ কাৰ্ড লৈ যিখিনি সমস্যা হৈছে, সেই সমস্যা সমাধান কেতিয়া হ'ব, নে প্ৰত্যেকবাৰ বিধান সভা আহিব অধিৱেশন হ'ব আমি এনেকৈ প্ৰশ্ন সুধিম, তেনেকৈ উত্তৰবোৰ দিব। গতিকে স্পষ্টভাৱে চৰকাৰে জনাব লাগে যে আধাৰ কাৰ্ডৰ সমস্যা কেতিয়া সমধান হ'ব, অতিকৈ গুৰুত্বপূৰ্ণ বিষয় যে প্ৰধান মন্ত্ৰী আৱাস যোজনা ঘৰ নাপায়, বেংক একাউন্ট কৰিব নোৱাৰে, ৰেচন কাৰ্ডত আধাৰ কাৰ্ড নহ'লে মাল নিদিয়ে। গতিকে এনেকুৱা প্ৰত্যেকটো সমস্যাই গোটেই অসমত বহুত মানুহ ভুগিব লগা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কৈছে।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** চৰকাৰে এই বিষয়ে স্পষ্টভাৱে দিনবাৰ দি ইয়াৰ সমাধান কেতিয়া কৰিব জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই আলোচনা কৰিছে, এই সমস্যাটোও সমাধানৰ প্ৰয়োজন, তাৰে

প্ৰাকমুহূৰ্তত আমাৰ মন্ত্ৰী পৰিষদৰ এখন সমিতি বনাই দিছে। যিহেতু চুপ্ৰিম কোৰ্টে বনাই ভাৰত চৰকাৰৰ জৰিয়তে বনাই দিয়া এখন এচ অ' পি আছে। এচ অ' পি খন এখন চৰকাৰে violate কৰিব নোৱাৰে। গতিকে এইটোৰ আকৌ সমধানৰ কাৰণে আমি নিশ্চিত ভাৱে অগ্ৰসৰ হৈ আছো। নহ'লে আমি কেবিনেটত সেই কথা আলোচনাই নকৰিলো হেতেন গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদিচ্ছাৰে এই কামটো কৰি আছে। নিশ্চিত ভাৱে মই ভাৱো ইয়াতে এটা ফল পাম।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, সমাধান লাগিব, কেতিয়াৰ ভিতৰত হ'ব সেইটো লাগে।

**মাননীয় অধ্যক্ষ ঃ** সমাধানটো লাগিব, ব্যৱস্থা লৈছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** ভাৰতীয় নাগৰিকৰ এন আৰ চি ত নাম থকাৰ পিছতো যদি মানুহে সুবিধা বা আঁচনি নাপায়, সেইটো ক্লিয়াৰ হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন কালীন সময়। তেনেকৈ আমি সময় নষ্ট কৰিব নালাগে।

**শ্ৰীপদ্ম হাজৰিকা, (চতিয়া) ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে, যে কেবিনেট মন্ত্ৰী দুগৰাকীক দায়িত্ব দিছে, আলোচনা কৰি খুব সোনকালে সিদ্ধান্ত ল'ব বুলি মন্ত্ৰী ডাঙৰীয়াই আশ্বাস দিছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মানুহে সৰু এটা আঁচনি নাপাই, সেইটো কথা হ'ল নেকি?

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এইটো প্ৰশ্নকালীন ঘন্টা, এইটোত debate নহয়।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** সদনত হুলস্থূল......... আমাৰ মুখ্যমন্ত্ৰী জ্ঞাত।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদি) ঃ** আমাৰ ৰঞ্জিৎ দাস ডাঙৰীয়াই কৈছে তথাপিও মই যোগ কৰিছো। আমাৰ শেষৰ কেবিনেটত এই বিষয়টোৰ ওপৰত ১৫ মিনিটতকৈ বেছি আলোচনা হৈছে। অতুল বৰা ডাঙৰীয়া, অজন্তা নেওগ ডাঙৰীয়ানী আৰু মোক লৈ এখন আমাৰ কমিটি আছে আৰু আমি সময়ে সময়ে ছাত্ৰ সংগঠন সমূহৰ লগত আলোচনা কৰো। কিন্তু বিষয়টো যিহেতু চেনচিটিভ আৰু গুৰুত্বপূৰ্ণ সেই কাৰণে ১৫ মিনিটতকৈ বেছি সময় বিষয়টো সমাধানৰ বাবে আলোচনা কৰিছো । অহা ২১ মাৰ্চ, ২০২২ আছুৰ লগত আমাৰ বৈঠক আছে আৰু পিছত দুদিন অসমৰ গোটেই ছাত্ৰ সংগঠন সমূহৰ লগত এই বিষয়টোৰ ওপৰত বৈঠক আছে । গতিকে গুৰুত্ব সহকাৰে আমি কাম কৰি আছো ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নোত্তৰ সময়ত বিতৰ্ক হৈ থাকিব নালাগে। আমাৰ ৰুলত আছে যিটো মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব ইয়াত আৰু অন্য অভিযোগ আনিব নোৱাৰে । এইটো প্ৰশ্নোত্তৰ কাল, গতিকে ৰুলত আমাৰ স্পষ্টভাবে আছে কেনেকৈ চলিব লাগে । যদি আমি ৰুলখন মানি নলও তেন্তে বিধায়ক হোৱাৰ কি অৰ্থ আছে । এতিয়া ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়া।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ক মই অৱগত কৰিব বিচাৰিছো যে মোৰ সোণাৰী সমষ্টিত, ইয়াত প্ৰিন্টিং মিষ্টেক হৈছে ২২ বুলি দিছে কিন্তু ২১ টা পঞ্চায়ত হয়। মোৰ ২১ টা পঞ্চায়তত মাত্ৰ ৬ জনহে পঞ্চায়ত সচিব আছে । কিন্তু এই ৬ জনৰ পৰা ২১ টা আমি পঞ্চায়ত চলাবলৈ আমাৰ অসুবিধা হৈছে। গতিকে এজনে চাৰিটাকৈ পঞ্চায়ত চলাবলগীয়া হৈছে, গতিকে এই সকলোখিনি কাম আটাই কেইটা পঞ্চায়তত কৰিবলৈ এই কৰ সংগ্ৰাহক আৰু গ্ৰাম সেৱক সকলক দ্বায়িত্ব অৰ্পণ কৰি থৈছে।

তাৰ বিষয়ে আমাৰ মন্ত্ৰী মহোদয়ে কিমানখিনি অৱগত মই সেইটো নাজানো, তেখেতে সেইখিনি অৱগত কৰিলে ভাল হ'ব । আৰু এনেকুৱা হোৱাৰ কাৰণে পঞ্চায়তত কাম খিনি কৰিবলৈ বহুতো অসুবিধাত পৰিছো । গতিকে আমাৰ পঞ্চায়তৰ সভাপতি সকলে এই বিষয়ত মোক অৱগত কৰিছে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা এই বিষয়টো জানিব বিচাৰিছো ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াক ধন্যবাদ জনাইছো । এই বিষয়টো অকল তেওঁ আক্ৰান্ত নহয়, মই নিজে বিভাগৰ মন্ত্ৰী হিচাপেও আক্ৰান্ত। কাৰণ আমাৰ ২১৯৭ টা জি. পি. আছে । জিপিৰ ভিতৰত আমাৰ ১৩১১ জনহে পঞ্চায়তৰ সচিব আছে আৰু এই ১৩১১ টা সচিব থকাৰ পিছত বাকী সমূহ সচিব আমি হয়তো দুয়েল চাৰ্জত দিছো অথবা টেক্স কালেক্টৰৰ দ্বায়িত্ব দিছো। তেনেকুৱাকৈ আমি পঞ্চায়ত সমূহ চলাই আছো আৰু এই কথাখিনি উপলব্ধি কৰি যোৱাবাৰ আমাৰ বিভাগৰ পৰা ২০২০ চনৰ ২৭ আগষ্ট তাৰিখে আমি প্ৰায় ৫৭৮ সচিবৰ পদৰ কাৰণে বিজ্ঞাপন দিছিলো, তাৰ পিছত ক'ৰোণা আহিলে তাৰ পিছত নিৰ্বাচন আহিলে আৰু নিৰ্বাচন অহাৰ পিছত নতুনকৈ চৰকাৰ গঠন হ'ল । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিহেতু কৈছে যে ১ লাখ পদত একেলগে আমি এ পিএছ চি ৰ যোগেদি হওঁক বা আমাৰ ষ্টেট ৰিক্ৰুইটমেন্ট বৰ্ডৰ জৰিয়তে হওক আমি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছিলো আৰু সেইটোৰ লগত সংগতি ৰাখি আমাৰ পৰৱৰ্তী যি বিজ্ঞাপন দিছিলো সেইটো বাতিল কৰি এই পদ সমূহ আমি ষ্টেট লেভেল ৰিক্ৰুইটমেন্ট বৰ্ডক অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিছো আৰু তেওঁলোকে যাৱতীয় প্ৰস্তুতি চলাই আহিছে। মই ভাবো যে তেওঁলোকে অতিশীঘ্ৰে বিজ্ঞাপন দিয়াৰ পিছত আমাৰ যি ৫৭৮ যি পঞ্চায়ত চেক্ৰেটাৰী আমি নিযুক্তি দিব পাৰিম ।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিজ্ঞাপনটো যে বাতিল কৰিলে পিছত কিমান দিনত আকৌ এই বিজ্ঞাপনৰ জৰিয়তে এই নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব তাৰ বিষয়ে আমাৰ মন্ত্ৰী মহোদয়ে অৱগতনে? তেখেতে ক'ব পাৰিবনে ? গতিকে এই উত্তৰটো বিচাৰিছো ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ বিভাগৰ পৰা যোৱা ২৮ ফেব্ৰুৱাৰী তাৰিখে আমাৰ যিখন ষ্টেট লেভেল ৰিক্ৰুইটমেন্ট কমিচন আছে ইতিমধ্যে আমি অতিশীঘ্ৰে বিজ্ঞাপন দি আমাক মানুহ দিয়াৰ কাৰণে পঞ্চায়ত চেক্ৰেটাৰী দিয়াৰ কাৰণে জনাইছো । গতিকে মই ভাবো যে বাজেটৰ পিছতে ষ্টেট লেভেল ৰিক্ৰুটমেন্ট বৰ্ডে এইটো হয়তো বিজ্ঞাপন দিব । এ পি এছ চি যেনেকুৱা এখন কমিচন ঠিক তেনেকুৱা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এখন কমিচন বনাই দিছে আৰু এই খনৰ কাৰণে একেলগে এবাৰেই এপ্লাই কৰিব পাৰিব, যাৰ যিটো বিভাগত কাম কৰাৰ ইচ্ছা আছে। অনাহকত মানুহৰ সময়ো নষ্ট হয়, টকা-পইছাও নষ্ট হয়। গতিকে মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো ব্যৱস্থা কৰিছে সেইটো ব্যৱস্থাৰ আধাৰত পঞ্চায়তৰ সচিব সমূহৰ নিযুক্তি হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-৪ শ্ৰী চিৰাজুদ্দিন আহমেদ ।

**শ্ৰী চিৰাজুদ্দিন আজমল, (যমুনামুখ) ঃ** Respected Speaker Sir, thank you very much for giving me an opportunity to speak on this very very vital and important issue.

I consider, paddy procurement to be the sensitive and important issue for the farmers in the State whether we like it or not, 80%

of farmers in the villages are in a very poor state. If you look at our entire country, the Assam's farmers are almost at the last stage of the table, as far as their income is concern, even though they are providing food grains for people of Assam and of course rest of India is also goes out even it is exported. Majority of our farmers are marginal farmers Sir, they have zero or little storage capability. Our farmers usually sales their paddy during pick harvesting period i.e. during December to January to pay of the debts of their family.

**Hon'ble Speaker :** Please ask the question, what is supplementary question.

**Md. Sirajuddin Ajmal, (Jamunamukh) :** Yes Sir, I am asking that only and I am going to finish it very fast so that he can answsr it quickly because it is a very imporant question relating to one subject and you know Sir, usually I don't speak too much. So, when I speak, I want to present it completely.

**Hon'ble Speaker :** But you explain elaborately like this know, so it will take time.

**Md. Sirajuddin Ajmal, MLA :** .Now, they sell it before the starting point , because they can not wait till the MSP is given to them. So, by February and March, other States of the country, other rice growing State of country, like MP, Telangana, Bihar, Chattisgarh, West Bengal where farmers are not dependent on FCI,but the State Procurement Agencies. Our FCI has got very abysmally low and bad record of procurement. Not even point 5% of the paddy is being procured by FCI and there is no State Agency inward or active in our State of Assam unfortunately. A closure look at the documents reveals that how inactive is this.

**Hon’ble Speaker :** You have second supplementary also where you can ask.

**Md. Sirajuddin Ajmal (Jamunamukh) :** No Sir, I don’t need the second supplementary Question. It is one composite subject. Please allow me.

Now highest purchase was in 2019-20 where 6.32% of the paddy was procured by the Government or FCI. These are on record. I am not saying anything on my own. My concern is magnified by the

fact that I come from Hojai district which is rice grower of Assam. Now would the Hon'ble Minister be please to said –(1) If the Government really wants to benefit the farmers, will it take all initiative to procure paddy during the pick threshold from next year onwards? (2) Would the Government take step to activate all state procurement agencies for relying on FCI ?

**माननीय अध्यक्ष ঃ** মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, আমাৰ অসমৰ কাৰণে অতি গুৰুত্বপূৰ্ণ বিষয় এটা চিৰাজউদ্দিন আজমল ডাঙৰীয়াই অসমৰ কৃষকৰ স্বাৰ্থত উত্থাপন কৰিছে। অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব গ্ৰহণ কৰাৰ পিছত তেখেতে উপলব্ধি ßÁ1 åÃ Ëü Õü÷ àòßÁ1±eËü÷ ýÃ éÂÂÂî Â11 Â1±৫ নম্বৰৰ ভিতৰত আনিব লাগিব। তেখেতে কেবিনেটৰ মিটিঙত বাৰম্বাৰ কৈছিলে যে আমি মুখেৰে কৈ থাকিলে একো নহ'ব যেতিয়ালৈকে এম,এছ,পিৰ বেনিফিট আমাৰ কৃষকক দিব নোৱাৰিম। তেনেকৈ অসমৰ জিডিপি বৃদ্ধি নহ'ব। যাৰ ßÁ1Ë ÷±òòÏûþ÷ÅÉ LëËüþçüX±Ľ™ ù Ëü Ëü Õ±ç ১০ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিম। বিভিন্ন এজেঞ্চিৰ জড়িয়তে এফ,চি,আই বা মাৰ্কেটিং বোৰ্ডেই হওক এইবোৰৰ জৰিয়তে ১০ লাখ মেট্ৰিকটন ধান আমি ক্ৰয় কৰাৰ সিদ্ধান্ত অকল লোৱাই নহয়,মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা অভুতপূৰ্ব নিদৰ্শন ডাঙি ধৰিছে, অসমত প্ৰতিটো পঞ্চায়তত একোখনকৈ গাঁওসভা কৰিব দিছে। কাৰণ আমাৰ মানুহখিনি যেতিয়ালৈ সজাগ নহওঁ, আমি তেওঁলোকক যদি চিষ্টেমটো বুজাই দিব নোৱাৰো তেন্তে আমি সফল হ'ব নোৱাৰিম। সেইবাবে প্ৰত্যেকটো পঞ্চায়তত গাঁও সভা পতাই নহয়, প্ৰত্যেকজন ডিচিৰ লগত, এগ্ৰিকালচাৰৰ ডি,এৰ লগত ৪বাৰকৈ ভিডিঅ' কনফাৰেঞ্চ কৰি পেলাই যাতে আমি সফলতা লাভ কৰিব পাৰো তাৰ চেষ্টা কৰা হৈছে। সফলতা চৰকাৰৰ কাৰণে নহয়, অসমৰ কৃষক সকলৰ কাৰণে সফলতা। কাৰণ কেন্দ্ৰীয় চৰকাৰে ১৯৪০ টকা দি থকাৰ পিচত আমাৰ কৃষকক আমি সেই ধানৰ মূল্য দিব পৰা নাই, আমাৰ কৃষকে ১১শ-১২শ টকাত ধান বিক্ৰী কৰিবলগীয়া হয়। অধ্যক্ষ মহোদয়,বহুত মধ্যভোগীৰ কাৰণে ১১শ ১২শ টকাত বিক্ৰী কৰিবলগীয়া হয়। কঠিয়া পাৰাৰ সময়তে তেওঁলোকে কৃষকক আগধন দি থয় যাৰ কাৰণে তেওঁলোকে কম দামতে ধানবোৰ তেওঁলোকক বিক্ৰি কৰিবলগীয়া হয়। সেইকাৰণে মধ্যভোগী সকলক সমাপ্ত কৰি পেলাই আমি অসমৰ প্ৰতিজন কৃষকক লাভান্বিত কৰিব পাৰো, তাৰ কাৰণে বৃহৎ ব্যৱস্থা লোৱা হৈছিলে আৰু আমি সফলতাৰ ফালে গৈ আছো। এই ক্ষেত্ৰত মই বিধায়ক সকলৰ সহযোগীতা কামনা কৰিছো। কাৰণ আমি দেখিছো অন্ধ্ৰপ্ৰদেশে ইতিমধ্যে ১২ লাখ মেট্ৰিকটন, ছট্টিচ গড়ে ৬১ লাখ মেট্ৰিকটন কিনে, আমি অকল ১০ লাখ মেট্ৰিকটন লৈছো। তাৰ মানে তেওঁলোকৰ কৃষকৰ অৰ্থনৈতিক অৱস্থা ভাল হোৱা মানে সেই ৰাজ্যখনৰ জিডিপি ভাল হৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উদ্দেশ্য এইটো যে অসমৰ জিডিপি ভাল কৰিব লাগিলে, অসমৰ কৃষকে ১৯৪০ টকা দৰত ধান বিক্ৰী কৰিব পাৰিব লাগিব। সেইকাৰণে আমি প্ৰচেষ্টা চলাইছো। ধান ৰুলেই নহ'ব, ধান কিনিলেই নহ'ব, মিলিং কৰিব লাগিব। মিলিং যদি কৰিব নোৱাৰো সেইটো এফ চি আইক দিব নোৱাৰিম। সেই কাৰণে আমাৰ চৰকাৰখনে যোৱা বছৰ ১১টা ৰাইচ মিল খোলাৰ কাৰণে ৰাইজক আহ্বান জনাইছিলো আৰু সেই ৰাইচ মিল যিসকলে খুলিব যাৰ কেপাচিটি বেছি থাকিব ১৫ লাখ টকাকৈ চাবচিডি আৰু

যাৰ কেপাচিটি ২কোটি টকাতকৈ কম, তেওঁলোকক ১০ লাখ টকাৰ চাবচিডি দিয়া হ'ব। ইতিমধ্যে ১০০টা ৰাইচমিলৰ কাম চলি আছে , গোটেইখিনিৰ কাম সম্পূৰ্ণ হোৱা নাই। ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হোৱাৰ পিছত উপলব্ধি কৰিলে যে আমি যদি ধান ষ্টোৰ কৰি ৰাখিব নোৱাৰো তেতিয়া মিলাৰবোৰ বন্ধ হৈ থাকিব। তাৰ বাবে আমাৰ চৰকাৰখনে ১১০টা গুডাম নিৰ্মাণ কৰাৰ কাৰণে আবেদন দিছিলে আৰু এই ১১০ টা গুডাম নিৰ্মাণ কৰাৰ কাৰণে ৪০ লাখ টকা চাবচিডি আমাৰ অসম চৰকাৰৰ পৰা দিম বুলি কৈছিল। আমাৰ সদিচ্ছাটো আপোনালোকে চাওক। আগন্তুক দিনত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি প্ৰচেষ্টা, তাত আমি সফলতা লাভ কৰিব পাৰিম বুলি দৃঢ় বিশ্বাসী। State Procurement Agencies বিলাকত আমাৰ বিধায়কসকলে যাতে across the politics, across the religion, across the language সহায় কৰে।

**Md. Sirajuddin Ajmal (Jamunamukh) :** Sir, the middleman has to be eliminated, then 99% of the problem will be solved.

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে আমাৰ কাৰণে এটা সুখৰ খবৰ আছে যাৰ কাৰণে আজি আচলতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব লাগে। কিয়নো আমি এতিয়ালৈকে প্ৰায় ৯০০০০ লাখ ধান ক্ৰয় কৰিছো আৰু পোনপটীয়াকৈ একাউন্টত টকা সোমাইছে, এজনো মধ্যভোগী নাই। এইয়া কিজানি অসমত পোন প্ৰথমবাৰৰ বাবে মধ্যভোগী অবিহনে ধান কিনা হৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** প্ৰথম নহয়। অধ্যক্ষ মহোদয়, তেখেতে ভুল তথ্য দিছে। ২০১২ চনৰ পৰাই এনেদৰে কিনি আছে। আগতে কম হৈছে, এইবাৰ বেছি হৈছে।

**মাননীয় অধ্যক্ষঃ** আপুনি বহক। আপুনি মন্ত্ৰী ডাঙৰীয়াক স্পেচিফিক লিখি দিয়ক যে ক'ত মধ্যভোগীয়ে কিবা কৰি আছে। এতিয়া ভাস্কৰ জ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ) ঃ** অধ্যক্ষ মহোদয়, মই ব্যক্তিগত ভাৱে সুখী যে অনুৰোধ কৰাৰ পিছত গাঁৱৰ ৰাইজে ১৯৪০ টকাকৈ দাম পাইছে। কিন্তু, বিভিন্ন সময়ত দেখা গৈছে যে আমাৰ চেণ্টাৰ সমূহ বহুত দূৰত হোৱাৰ বাবে অসুবিধা হৈছে। এই ক্ষেত্ৰত মই মাননীয় কৃষি মন্ত্ৰীৰ লগত আলোচনাও কৰিছো। মোৰ এটাই প্ৰশ্ন যে প্ৰতিটো পঞ্চায়তত‍ে যেনেকৈ গাঁওসভা পতাৰ কথা কৈছে, তেনেকৈ আমি যদি প্ৰতিটো পঞ্চায়তত‍ে ধানখিনি লোৱাৰ সুবিধা কৰিব পাৰো, তেতিয়া গএগ্ৰা ৰাইজৰ সুবিধা হ'ব। গাঁৱৰ মানুহে ফাগুন মাহত ধান খিনি চপোৱাৰ পিছত একেলগে বিক্ৰী কৰি নিদিয়ে কাৰণ যেতিয়া টকাৰ প্ৰয়োজন তেতিয়াহে বিক্ৰী কৰে। গতিকে, বহুত দূৰ যাবলৈ অসুবিধা হৈছে। দ্বিতীয়তে, ৰাইচ মিলৰ ক্ষেত্ৰত ক'ব বিচাৰিছো যে তাত চাউল দুই-এটা ভাগি যায়, গতিকে চাউল লোৱাটো অকণমান সৰলীকৰণ কৰিলে আমাৰ নিবনুৱা ল'ৰাবিলাকৰ ৰাইচ মিলৰ পৰা চাউল লোৱাটো সুবিধা হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ সন্মানীয় বিধায়ক শ্ৰী ভাস্কৰজ্যোতি বৰা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। প্ৰথম কোনো ধৰণৰ মধ্যভোগী নোহোৱাকৈ শৰ্মা চৰকাৰৰ দিনত ধান বিক্ৰী কৰাত বেলেগক সোধা প্ৰয়োজন নাই। স্বয়ং বৰা ডাঙৰীয়াই যে, প্ৰথম ধান বিক্ৰী কৰিছে আমাৰ তাত আৰু তিতাবৰৰ পৰা। আমি সেই কাৰণে তেওঁলোকৰ দক্ষতাক আঁদৰণি জনাইছো। আগন্তুক দিনত যেতিয়া যথেষ্ট পৰিমাণে

গুদাম হ'ব তেতিয়া নিশ্চিত ৰূপত আমি ১০ লাখ মেট্ৰিক টন নহয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে, আগন্তুক দিনত ২০ লাখ মেট্ৰিক টন ক্ৰয় কৰাৰ বাবে ইতিমধ্যে এটা মনত সিদ্ধান্ত লৈছে, তেতিয়া অসমৰ GDP বহুত আগবাঢ়ি যাব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী দুৰ্গা দাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মধ্যভোগীৰ যিটো কথা কোৱা হৈছে, চেন্টাৰটো আৰু আমাৰ কিনাৰ কাৰণে যি কেইটা এজেন্সি আছে আপোনালোকে জানে ইয়াৰ আগতে Statefed য়ে ধান কিনিছিল। পঞ্চায়তে পঞ্চায়তে কিনিছিল আৰু আমাৰ প্ৰয়োজনতহে ধান ক্ৰয় কৰে। ধানটো ব্যৱসায় বুলি ধৰাতকৈ খাই লৈ উঠাৰ পিছত যিখিনি বিক্ৰী কৰিম বুলি ভাবে, মন্ত্ৰী মহোদয়ক মই সুধিব বিচাৰিছো আপোনাৰ জৰিয়তে যে, আটাইতকৈ ডাঙৰ কথাটো হৈছে ধান কিনাটো সৰলীকৰণ কৰক চাৰ। সৰলীকৰণ কৰাৰ এই কাৰণে প্ৰয়োজন আছে, ধান বিক্ৰী কৰি ১৫ দিন পিছত আহিব পইচা নিবলৈ, তেনেকুৱাকৈ কয়। আমাক বিক্ৰী কৰিয়ে পইচা লাগে। সৰলীকৰণ কৰাৰ কাৰণে আপুনি ব্যৱস্থা লওক চাৰ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মদোদয়, ইতিমধ্যে ১৫ দিনৰ প্ৰয়োজন নাই। আজি কালি ৩ দিন পিছত বেংকৰ একাউন্টত নিজে নিজে সোমায়। আগৰ কথাটো মই নাজানো। দ্বিতীয় কথাটো হৈছে যে, এইবাৰ আৰু এটা ডাঙৰ সিদ্ধান্ত লোৱা হৈছে, সাধাৰণতে FCI ৰ চাউলবোৰ খাবলৈ অসমৰ মানুহে বেছি ভাল নাপায়। গতিকে অহাবাৰ বা ভৱিষ্যতত। আমি Open Procurement system কৰিম। আমি ধান কিনিম আৰু চাউলো বনাম। বিতৰণ আমি সমবায় সমিতিৰ জৰিয়তে কৰিম। FCI ৰ ওপৰত নিৰ্ভৰশীল হ'ব নালাগে। সেইটোৰ কাৰণে ভাৰত চৰকাৰে আমাক কৈছে, যদি Open Procurement system কৰিব পাৰে তেতিয়া হ'লে তেওঁলোকে অতিৰিক্ত প্ৰতি কুইন্টলত আৰু আমাক ৭০০ টকাকৈ দিম বুলি কৈছে, অসম চৰকাৰে দিম বুলি কৈছে। কাৰণ তেওঁলোকৰ গুদামৰ খৰচ কমি যাব, পৰিবহণৰ খৰচ কমি যাব। আমি এটা বোনাচ হিচাবে ৭০০ টকাকৈ পাম। মই সকলোকে এটা আহ্বান জনাইছো। You all are stakeholders, kindly আপোনালোকে Procurement Center বিলাক Visit কৰিব। অফিচাৰ বিলাকক মাতিব, কৃষকক মাতি আলোচনা কৰক, তেতিয়া নিশ্চিত ৰূপত অসমৰ GDP অসমৰ কৃষকৰ যোগেদি বঢ়াব পাৰিম বুলি মই দৃঢ় বিশ্বাসী।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নম্বৰ ৫। শ্ৰী নিজানুৰ ৰহমান ডাঙৰীয়া আপোনাৰ যিখিনি কথা আছে আপুনি মাননীয় মন্ত্ৰী মহোদয়ক লিখিত ভাবে কথাখিন দি দিব। এতিয়া মাননীয় সদস্য শ্ৰী আব্দুল আজিজ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীআব্দুল আজিজ, (বদৰপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বদরপুর সমষ্টির অন্তর্গত ১৭ টি গ্রাম পঞ্চায়েতে কতগুলি আত্ম সহায়ক গোষ্ঠী (SHG) আছে? তার নাম সহ তথ্য জানানোর জন্য অনুরোধ রইলো। দ্বিতীয়ত বিগত ২০১৯ -২০, এবং ২০২০-২১ সালে আর্থিক বৎসরে বদরপুর উন্নয়ন খণ্ডের অধীনে কতগুলো আত্ম সহায়ক গোষ্ঠীকে সরকারী আর্থিক সহায়তা, কি কি যোজনার অধীনে প্রদান করা হয়েছে তা বিস্তারিত জানাবেন।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়,

বদৰপুৰ সমষ্টিৰ আব্দুল আজিজ ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে সেইটো ভালে কৰিছে। আমি ইতিমধ্যে বদৰপুৰ সমষ্টিত ২০১৮ চনৰ পৰা এতিয়ালৈ ৭৩৫ টা আত্ম সহায়ক গোট ২৫ হাজাৰকৈ টকা দিছো আৰু ইতিমধ্যে ১০২ টা নিৰ্বাচিত কৰা হৈছে। এই যে কৰিছো এইটো কৰাৰ কাৰণ হ'ল অসমত ৩ লাখ আত্ম সহায়ক গোট আছে। প্ৰত্যকটো গ্ৰুপৰ লগত ১০ গৰাকীকৈ সদস্যা আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সদিচ্ছা আছে। যিহেতু ৩ লাখ আত্ম সহায়ক গোট আছে, সেই ৩ লাখ আত্ম সহায়ক গোটক যদি ১০ ৰে পূৰণ কৰো ৩০ lakhs member of the self help groups. ৩০ lakhs member of the self help groups য়ে যদি ১ লাখ কৈ টকাকৈ প্ৰতি বছৰে উপাৰ্জন কৰে, তেতিয়া হ'লে ৩০ হাজাৰ কোটি টকা আমাৰ মহিলা আত্মসহায়ক গোটৰ সদস্যা সকলে কৰিব পাৰিব। এইটো যদি হৈ যায় তেতিয়া হ'লে অসমৰ GDP কৃষকে যেনেকৈ আগবঢ়াই লৈ যাব, আমাৰ মহিলা সকলেও আগবঢ়াই লৈ যাব। আপনার সমষ্টিতে কোন সমস্যা নেই। আমি কাল জিজ্ঞাসা করেছি। যতগুলো আপনার Self Help Group আছে সবগুলো টাকা পেয়েছে, ২৫ হাজার করে। আগামী দিনে যখন বাকীগুলো রেজিষ্টার হবে, তখন উনারাও টাকা পাবে। কারণ কেন টাকা পাবে? উনাদের আমি উৎপাদনমূখী করার জন্য চেষ্টা করছি।

মাননীয় অধ্যক্ষ ঃ প্ৰশ্ন নম্বৰ ৬। মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নত এটা কথা সোধা হৈছিল যে এতিয়া লৈকে কোন সমষ্টিত কিমান মডেল অংগনবাদী কেন্দ্ৰ দিছে। মই সমষ্টি ভিত্তিক তালিকা বিচাৰিছিলো, কিন্তু মন্ত্ৰী মহোদয়ে সমষ্টি ভিত্তিক নিদি ইয়াত জিলা ভিত্তিক কিবা তথ্য দিছে তাকো Website ত upload কৰিছে তাৰ পৰা চাই ল'ব লাগিব। সমষ্টি ভিত্তিক মডেল অংগনবাদী কেন্দ্ৰৰ লিষ্ট মই এই কাৰণে বিচাৰিছিলো যে, সাংঘাটিক বৈষম্য এটা দেখা পাইছো। কোনো কোনো সমষ্টিত যদি ১২, ১৩ ৰ পৰা ১৫ টা লৈকে হৈছে। কোনো সমষ্টিত দুটা লৈকে হৈছে। গতিকে ইয়াত কৌশল ভাবে সমষ্টি ভিত্তিক তালিকাখন নিমিলে। গতিকে মোৰ 'ঘ' নম্বৰ প্ৰশ্নটো যিটো আছিল, প্ৰতিটো সমষ্টিত সমান সংখ্যক মডেল অংগনবাদী কেন্দ্ৰ দিব নে নাই, এই কথাটো স্পষ্ট কৰিব লাগে।

**শ্ৰী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই গোটেই কথাখিনি আচলতে স্পষ্টকৈ ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। কথা হ'ল, যোৱাবাৰ বাজেটত আমি ঘোষণা কৰিছিলো যে ১০০০ টা অংগনবাদী কেন্দ্ৰ দিয়া হ'ব। তেনেকুৱা ধৰণে বিধায়ক সকলে তালিকা দিছিল আৰু পিছৰ পৰ্য্যায়ত আমি অফ্ বাজেট বা এনেকুৱা ধৰণে আৰু ২০০০ অংগনবাদী কেন্দ্ৰ ল'বলৈ আমি প্ৰস্তাৱ দিছো। সেই কাৰণে আমি গাইড লাইন ধৰি দিছিলো। বিশেষ ভাবে প্ৰত্যেকটো এলেকা সামৰিব পাৰো। অংগনবাদী কেন্দ্ৰ নিৰ্মাণৰ জৰিয়তে এটা কথা স্পষ্ট আছিল আমি শিশু আৰু প্ৰসুতিৰ মৃত্যু হাৰ কমাব লাগে। এই দুটা উদ্দেশ্য কৰি আমি আচলতে এই অংগনবাদী কেন্দ্ৰবোৰ আমি দিছো। এই ৩০০০ কেন্দ্ৰৰ ভিতৰত আমি চাহ বাগান বিলাকক অগ্ৰাধিকাৰ দিছো। অসমত যিমান ৮০০ সৰু বৰ চাহ বাগান আছে, তাত আমাৰ কোন বিধায়ক আছে অধ্যক্ষ মহোদয়ে চোৱা নাই। প্ৰত্যেকখন চাহ বাগানত অন্ততঃ এটা মডেল অংগনবাদী কেন্দ্ৰ স্থাপন হ'ব লাগে। সেইটো আমাৰ অগ্ৰাধিকাৰ আছে। পিছত আমাক বিধায়ক সকলে দিছে।

যোৰাবাৰ আমি বাজেটত ১০০০ টা দিছিলো, সেইখিনি অনুমোদন হৈ আহিছে। তাত আমি ২০০০ অংগনবাদী কেন্দ্ৰ চাহ বাগান আৰু বিধায়ক সকলৰ সকলো লিষ্ট আছে। আজি ৰাতিপুৱা মোৰ টেবুললৈ ফাইলটো আহিছে। তাত দুই হাজাৰ অংগনবাড়ী কেন্দ্ৰৰ স্পষ্ট লিষ্টখন আহিছে আৰু অহা সপ্তাহত এইখন আমি চাবমিট কৰিম। আমাৰ সমগ্ৰ অসমত তিনি হাজাৰ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ হ'ব আৰু মই সন্মানীয় বিধায়ক সকলক বিশেষভাৱে অনুৰোধ জনাইছো প্ৰত্যেকটো এলেকাত যিবোৰ অংগনবাড়ী কেন্দ্ৰ আমি নিৰ্মাণ কৰিম আৰু সেই নিৰ্মাণৰ তত্বাৱধায়ক হিচাপে আপোনালোকক দিছো। সেই কেন্দ্ৰবোৰ কোনে নিৰ্মাণ কৰিব সেইটো মোৰ দৃষ্টিগোচৰ নহয়। মোৰ লক্ষ্য হৈছে এই অংগনবাড়ী কেন্দ্ৰবোৰ আপোনালোকে পৰ্য্যবেক্ষণ কৰিব লাগিব যাতে প্ৰত্যেকটো অংগনবাড়ী কেন্দ্ৰ এটা সুন্দৰ মডেল অংগনবাড়ী কেন্দ্ৰ হিচাবে গঢ় লৈ উঠে। এই ক্ষেত্ৰত বিশ্বনাথ সমষ্টিৰ বিধায়ক মাননীয় শ্ৰী প্ৰমোদ বৰঠাকুৰ ডাঙৰীয়াক মই ধন্যবাদ দিছো, কিয়নো এই বিশ্বনাথ সমষ্টিতে অসমৰ প্ৰথমটো মডেল অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ হৈছে। গতিকে মই আশা কৰিছো যে বাকী সমষ্টি সমূহত নিৰ্মাণ হ'ব লগীয়া এই মডেল অংগনবাড়ী কেন্দ্ৰবোৰে যাতে প্ৰতিযোগীতা মূলক ভাৱে আগবাঢ়ি যাব পাৰে আৰু মই কথা দিছো যিবোৰ বিধায়কৰ সমষ্টিত ভাল আৰু গুণগত অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ হ'ব তাত আমি আৰু অধিক অংগনবাড়ী কেন্দ্ৰ স্থাপন কৰিবৰ কাৰণে গুৰুত্ব দিম।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ইয়াত যিটো কথা কৈছে যে চাহ জনগোষ্ঠী এলেকাত অংগনবাড়ী কেন্দ্ৰ স্থাপনৰ কাৰণে যি ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো আমি ভাল পাইছো। আঁচলতে চাহ জনগোষ্ঠীৰ অঞ্চল সমূহৰ ল'ৰা-ছোৱালীবোৰে পুষ্টিহীনতাত ভোগে আৰু ইয়াৰ লগে লগে যিবোৰ ল'ৰা-ছোৱালী ল' লাইন এৰিয়াত বসবাস কৰে যেনে - চৰ-চাপৰি বা নৈ পৰীয়া অঞ্চলত বসবাস কৰে যাৰ ফলত সেই অঞ্চলৰ ল'ৰা-ছোলাৰীবোৰে অধিক পুষ্টিহীনতাত ভোগে। গতিকে এই অঞ্চল সমূহত অংগনবাড়ী কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত যাতে অধিক গুৰুত্ব দিয়ে তাৰ বাবে মই অনুৰোধ জনাইছো। যোৱা বছৰটোত মাত্ৰ ১৮৭ দিনৰ পৰিপূৰক পুষ্টি দিয়া হৈছে। কিন্তু তাৰ আগৰ বছৰত ২২৩ দিনৰ পৰিপূৰক পুষ্টি দিয়া হৈছিল। যিহেতু আগৰ বছৰতকৈ এই বাৰ পৰিপূৰক পুষ্টিৰ দিনৰ পৰিমাণটো কমি গৈছে গতিকে চৰকাৰে এইক্ষেত্ৰত পৰিপূৰক পুষ্টিৰ দিনৰ সংখ্যাটো যাতে বৃদ্ধি কৰে তাৰবাবে বাবে অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবছৰৰ পৰা দিনপঞ্জীৰ যিখন তালিকা আছে সেইখন বৃদ্ধি কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন শিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মন্ত্ৰী ডাঙৰীয়াণীয়ে উত্তৰ দিছে আৰু মডেল অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ কথা কৈছে। কিন্তু যেতিয়া মাননীয় বিধায়ক সকলৰ পৰা অংগনবাড়ী কেন্দ্ৰ স্থাপনৰ কাৰণে লিষ্ট বিচাৰিছিল তেতিয়া বিভাগৰ ফালৰ পৰা আমাক কোনো ধৰণৰ গাইড লাইন দিয়া নাছিল। আচলতে বিভাগৰ ফালৰ পৰা আমাক গাইড লাইনৰ লিষ্ট দিব লাগিছিল। অংগনবাড়ী কেন্দ্ৰৰ এটা চাৰ্ভে এলেকা থাকে আৰু সেই চাৰ্ভে এলেকাৰ ভিত্তিত অংগনবাড়ী কেন্দ্ৰ সমূহ নিৰ্মাণ কৰা হয়। যাৰ ফলত এই চাৰ্ভে এলেকাৰ শিশু সকলে তাত লিখা-পঢ়া কৰিব পাৰে। মাননীয় মন্ত্ৰী ডাঙৰীয়াণীয়ে মডেল অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ কথা কৈছে এইক্ষেত্ৰত কোনে নিৰ্মাণ কৰিব সেইটো আমাৰ চাবলগীয়া বিষয় নহয়। আমাৰ কথাটো হৈছে মডেল অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ ক্ষেত্ৰত এখন কমিটি গঠন কৰি দিছে। এই কমিটিৰ সদস্য

সকলক চাৰ্ভে এলেকাৰ লোকৰ দ্বাৰাই গঠন কৰিব লাগে কিন্তু দেখা গৈছে যে এই কমিটিৰ সদস্য সকলক চাৰ্ভে এলেকাৰ বাহিৰৰ পৰা নিৰ্বাচিত কৰিছে। অভিভাৱক মন্ত্ৰী সকলে বেলেগৰ পৰা আনি এই কমিটিৰ চেয়াৰমেনৰ, মেম্বাৰৰ পদবী দিছে। মোৰ সমষ্টিৰ বৰপেটা জিলাৰ কেন্দ্ৰত বেলেগ জিলাৰ পৰা মানুহ আনি চেয়াৰমেনৰ পদবী দিছে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়ানীলৈ আহ্বান জনাম যে যিহেতু বিধায়ক সকলক এই অংগনবাড়ী কেন্দ্ৰ সমূহ চোৰা-চিতাৰ কাৰণে দায়িত্ব দিছে কিন্তু কোনে এই অংগনবাড়ী কেন্দ্ৰ সমূহ নিৰ্মাণ কৰিব আৰু কোন কোন অংগনবাড়ী কেন্দ্ৰৰ সমিতিত থাকিব আৰু সেই চাৰ্ভে এলেকাৰ ব্যক্তি সকল, সেই চাৰ্ভে এলেকাৰ ব্যক্তি হয়নে নহয় এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে খবৰ ৰাখিছেনে নাই এই বিষয়টোৰ ওপৰত গুৰুত্ব দিবৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়াক ইয়াৰ কাৰণে বিশেষ ব্যৱস্থা ল'বৰ কাৰণে অনুৰোধ জনাইছো।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইক্ষেত্ৰত মাননীয় বিধায়ক সকলক স্পষ্টভাৱে জনাব বিচাৰিছো যে আমি দুখন কমিটি ইতিমধ্যে গঠন কৰি দিছো। এখন হ'ল District Level Monitoring Committee য'ত আপোনালোক সকলো থাকিব আৰু বিষয়বিলাক আপোনালোকে নিজে পৰ্য্যবেক্ষণ কৰিব। আনখন কমিটি হৈছে Construction Level Committee আৰু মই কেইমাহমান আগতে Renotify কৰি আমি Constituency Level ত আমি দিছো আৰু যিটো লেভেলত এই কেন্দ্ৰ সমূহ স্থাপন হ'ব, সেই এলেকাৰ লোকৰ দ্বাৰাই কমিটিখন গঠন হ'ব। ইয়াৰ বাবে আমি কিছুমান স্পেচিফিক গাইড লাইন দিছো। ইয়াৰ বাবে আমাৰ জিলা অভিভাৱক মন্ত্ৰী সকলৰ এটা ৰেক'মেণ্ডেশ্যন লাগে। বৰ্তমান সদনত আমাৰ মাননীয় মন্ত্ৰী সকলে বহি আছে আৰু আপোনালোকৰ কথা বিলাক শুনি আছে গতিকে আপোনাৰ যিটো বিষয় সেই বিষয়টো নিশ্চয় মাননীয় মন্ত্ৰী সকলৰ দৃষ্টিগোচৰ হৈছে। যদিহে আপোনালোকৰ কোনো স্পেচিফিক গোচৰ আছে সেই বিষয়খিনি মোক দিব মই নিশ্চয় সমাধান কৰিবলৈ চেষ্টা কৰিম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে এই অংগনবাড়ী কেন্দ্ৰৰ লিষ্টখন ওলাই গ'ল আৰু এই Construction Level Committee ৰ বাহিৰৰ মানুহক সদস্য হিচাপে নিযুক্তি দিছে।

**..................................সদনত হুলস্থুল................................**

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ হাতত তথ্য আছে আৰু অভিভাৱক মন্ত্ৰী সকলে যি ইচ্ছা তাকে কৰিব আৰু বিধায়ক সকল মনে মনে বহি থাকিব সেইটো হ'ব নোৱাৰে।

**..................................সদনত হুলস্থুল................................**

**Hon'ble Speaker :** The House is adjorned for 10 minutes.

**মাননীয় অধ্যক্ষ ঃ** মোৰ এটা ঘোষণা আছে ।

কাৰ্য্যসূচী নং - **২**

কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নং **২৩০** ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সুচক প্ৰস্তাৱৰ সম্পৰ্কত বিতৰ্কৰ সময় নিৰ্দ্ধাৰণ কৰিবলৈ আৰু পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত অগ্ৰাধিকাৰ ভিত্তিক কি কি বিভাগ (গ্ৰান্ট) লোৱা হ'ব সেইটো আলোচনা কৰিবলৈ যোৱা ইংৰাজী **১৪** মাৰ্চ, **২০২২** তাৰিখে সদনৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে অধ্যক্ষৰ কাৰ্য্যালয় সভা কক্ষত অনুষ্ঠিত কৰা হয়।

বৈঠকত সমিতিয়ে সৰ্ব্বসন্মতিক্ৰমে নিম্নলিখিত দল সমূহৰ বিপৰীতে ইংৰাজী **১৫** মাৰ্চ, **২০২২** তাৰিখে মাননীয় ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ সম্পৰ্কত বিতৰ্কৰ সময় তলত দিয়া ধৰণে আৱন্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে।

| | | | |
|---|---|---|---|
| ১) | ভাৰতীয় জনতা পাৰ্টি | - | **১৬৮** মিনিট (মুখ্যমন্ত্ৰীৰ উত্তৰ সহ) |
| ২) | ভাৰতীয় জাতীয় কংগ্ৰেছ | - | **৭১** মিনিট |
| ৩) | অসম গণ পৰিষদ | - | **২৩** মিনিট |
| ৪) | সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | - | **৩৯** মিনিট |
| ৫) | ইউ. পি পি এল. | - | **১৮** মিনিট |
| ৬) | বড়োলেণ্ড পিপলচ্ ফ্ৰন্ট | - | **০৮** মিনিট |
| ৭) | চি. পি. আই (এম) | - | **০৩** মিনিট |
| ৮) | নিৰ্দলীয় | - | **০৩** মিনিট |

ইয়াৰ উপৰিও সমিতিয়ে ইংৰাজী **১৬** মাৰ্চ, **২০২২** তাৰিখে পৰিপূৰক দাবী মঞ্জুৰীৰ সম্পৰ্কত গ্ৰাণ্ট নং. **৭১** - শিক্ষা আৰু গ্ৰান্ট নং **৬৪** - লোক নিৰ্মাণ (পথ আৰু দলং) বিভাগ অগ্ৰাধিকাৰ ভিত্তিক সদনত আলোচনাৰ বাবে ল'বলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে উপৰোক্ত দাবী মঞ্জুৰীৰ সম্পৰ্কত আলোচনা কৰিবলৈ তলত দিয়া ধৰণে সময় আৱন্টন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে।

| | | | |
|---|---|---|---|
| ১) | ভাৰতীয় জনতা পাৰ্টি | - | **১০৪** মিনিট (বিত্তমন্ত্ৰীৰ উত্তৰ সহ) |
| ২) | ভাৰতীয় জাতীয় কংগ্ৰেছ | - | **৪৪** মিনিট |
| ৩) | অসম গণ পৰিষদ | - | **১৪**মিনিট |
| ৪) | সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা | - | **২৪** মিনিট |
| ৫) | ইউ. পি পি এল. | - | **১১** মিনিট |
| ৬) | বড়োলেণ্ড পিপলচ্ ফ্ৰন্ট | - | **০৪** মিনিট |
| ৭) | চি. পি. আই (এম) | - | **০৩** মিনিট |
| ৮) | নিৰ্দলীয় | - | **০৩** মিনিট |

আশা কৰো এই প্ৰতিবেদনত মাননীয় সদনৰ অনুমোদন আছে।

(point of order)

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সদন চলি আছে, অতি গুৰুত্বপূৰ্ণ কথা এটা মই উৎথাপন কৰিব বিচাৰিছোঁ। আজি মেট্ৰিক পৰীক্ষা আৰম্ভ হৈছে। আমি সদনৰ ফালৰ পৰা মই ভাৱো যি সকলে মেট্ৰিক পৰীক্ষাৰ গোটেই ব্যৱস্থাৰ লগত জড়িত, সকলোকে

আমি শুভেচ্ছা দিব লাগে। এই সময়তে এটা কথা আপোনাৰ জৰিয়তে চৰকাৰক দৃষ্টি গোচৰ কৰিব বিচাৰিছোঁ। এই সময়ত গাঁও বিলাকত বিদ্যুতৰ বিল দিয়া লোকসকলৰো লাইন কাটি দিয়া হৈছে। মেট্ৰিক পৰীক্ষা চলি আছে। ৰাজহুৱা জৰিমনাৰ নিচিনা, লাইন বিলাক কাটি দিছে, লৰা-ছোৱালি বিলাকৰ পঢ়াৰ ক্ষেত্ৰত অসুবিধা হৈছে। এই কথা প্ৰত্যেকটো পৰিয়ালৰ লগত জড়িত, বিল দিয়া, নিদিয়া সকলোৰে কাটি দিছে, এই সময়ত যাতে লাইনটো কাটি নিদিয়ে। চহৰত বিল নিদিয়াখিনিৰ হে লাইনটো কাটিছে। কিন্তু গাঁৱত সকলোৰে কাটিছে। বিশেষকৈ চাহ বাগিছা অঞ্চলবিলাকত বহুতো অসুবিধা হৈছে। এই ক্ষেত্ৰত এটা নিৰ্দেশ দিব লাগে যে এই সময়ত অন্ততঃ গাঁও অঞ্চল বিলাকত লাইনটো কাটিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীবিমল বৰা, (মন্ত্ৰী, শক্তি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো যিটো cluster meter আৰু এনে ধৰণৰ ব্যৱস্থা আছে। Transformer ৰ against ত যিমান গ্ৰাহক থাকে, তেওঁলোকৰ বেছিভাগে যদি সময়মতে বিল নিদিয়ে তেতিয়া লাইনটো কাটি দিয়া হয়। সন্মানীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে, সেইটো অতি গুৰুত্বপূৰ্ণ কথা। এই বিষয়ে মই বিভাগীয় কৰ্তৃপক্ষক জনাম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীহাফিজ বছিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এটা সভা স্থগিত প্ৰস্তাৱ আছে। আমি শিক্ষাৰ ওপৰত বৰ্তমানৰ যিটো ব্যৱস্থা তাৰ ওপৰত আনিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** হয়, মই notice পাইছিলো। কিন্তু Adjournment Motion ৰ admissibility মই নাভাৱো যে আজিৰ বাকী গুৰুত্বপূৰ্ণ বিষয় বাদ দি এই বিষয়ত আলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে।

**শ্ৰীহাফিজ বছিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে আলোচনা হ'ব। যিহেতু শিক্ষাৰ ক্ষেত্ৰত যি পৰিস্থিতি উদ্ভৱ হৈছে, যিটো national & local news paper ত ওলাইছে, এই ক্ষেত্ৰত আমি যদি গুৰুত্ব নিদিওঁ আমাৰ দায়িত্বহীনতাৰ পৰিচয় দিয়া হ'ব। মই ভাৱো যে এই বিষয়ৰ ওপৰত আলোচনা হ'ব লাগে। কমেও ইয়াৰ admissibility ৰ ওপৰত আলোচনা হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** admissibility ৰ ওপৰত মই সেই কাৰণে কৈছো যে এখন বাতৰি কাকতত শিক্ষাৰ ওপৰত publish হোৱা বিষয় লৈ আছে। কিন্তু এই বিষয়ত আলোচনা কৰিবৰ কাৰণে এই বিধান সভাত ইতিমধ্যে যথেষ্ট device আছে। Supplementary Demand ত শিক্ষা বিভাগৰ ওপৰত আলোচনা হ'ব, তেতিয়া এই বিষয়টো আনিব পাৰে। বাজেট আলোচনা আছে, তাতে আলোচনা কৰিব পাৰে। cut motion ত যদি শিক্ষা বিভাগটো লয়, তাতে আলোচনা কৰিব পাৰে। গতিকে, Adjournment Motion ৰ কাৰণে দিনটোৰ কাৰ্য্যসূচী স্থগিত ৰাখি আলোচনা কৰিব লাগে বুলি মই নাভাৱো।

**শ্ৰীহাফিজ বছিৰ আহমেদ (পশ্চিম বিলাসীপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো বিষয়ৰ ওপৰত আমি Adjournment Motion আনিছোঁ, সেইটো Practice & Procedure of Parliament ৰ Rule মতে আনিছোঁ, সেই কাৰণে আলোচনা হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble House ত মই জনাইছোঁ যে Motion Education ৰ ওপৰত আছিলে আৰু এই বিষয়ত আলোচনা কৰিবলৈ ইতিমধ্যে agenda ত দিয়া আছে। সদনত

সকলো বিষয়-বস্তু rule ৰ মতে চলে। আজি যিটো আলোচনা কৰিব বিচাৰিছে, সেইটো agenda মতে আলোচনাত আনিলে হ'ল। সেই কাৰণে আজিৰ Adjournment Motion admit নকৰিলো।

**শ্ৰীৰফিকুল ইছলাম, (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ ওপৰত বহু আলোচনা কৰিছোঁ। কিন্তু সমাধান নহয়। ২৫, ৩০ হাজাৰ শিক্ষকৰ পদ খালী হৈ আছে। একোটা বিষয়ত চাৰি, পাচঁ বছৰ ধৰি শিক্ষক নাই। হায়াৰ চেকেণ্ডাৰী স্কুলসমূহত বিষয় শিক্ষক নাই, এই বিষয়ে চৰকাৰে গুৰুত্বসহকাৰে লোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ হ'ব, মই গুৰুত্বসহকাৰে লৈছো।

**শ্ৰীৰফিকুল ইছলাম, (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি বিভিন্ন device ত আনিছোঁ, আলোচনা কৰিছো, কিন্তু সমাধান নহয়। সেইকাৰণে আমাৰ দাবী যে সকলো কাৰ্য্যসূচী বাদ দি এই বিষয়ত আলোচনা হ'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ Rule মতে admissibility Speaker ৰ power। মই ইতিমধ্যে বৰ্ণনা কৰিছোঁ কিয় admit কৰা নাই। মই কৈছো বেলেগ এদিনত এই বিষয়ে আলোচনা কৰা হ'ব।

**শ্ৰীআমিনুল ইছলাম, (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো হ'ল ৩১৪ খন বিদ্যালয়ত শিক্ষক এজনো নাই। সেই কাৰণে আলোচনা হোৱাতো বিচাৰিছিলোঁ। আজি সদনত শিক্ষা মন্ত্ৰী মহোদয়ো উপস্থিত নাই। যিদিনা Cut Motion হ'ব, সেইদিনাখন যাতে শিক্ষা মন্ত্ৰী মহোদয় উপস্থিত থাকে আৰু চৰকাৰে বিষয়টো গুৰুত্বসহকাৰে লয়, এই আশা ৰাখি আজিৰ Adjournment Motion টো withdraw কৰি লৈছোঁ।

**মাননীয় অধ্যক্ষ** ঃ হ'ব, মই সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যাতে সেইদিনাখন শিক্ষা মন্ত্ৰী ডাঙৰীয়া সদনত উপস্থিত থাকে।

**শ্ৰীশ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ Hon'ble Speaker Sir, before you enter into another agenda of the House, I would like to bring to your kind notice a very important issue. Sir, I have submitted a Breach of Privilege notice on 20th of September, 2021 as per rule you may give consent or reject it. I have waited for three months neither you have rejected not given consent.

I can raise a matter only after you given consent, I have waited for three months, this is important, this is regarding Breach of Privilege of the Member. I was waiting that either you will reject or you will give consent. If you reject, I cannot raise, if you give consent, I can raise the issue. Now, I would reqeust you kindly given consent to this Breach of Privilege and allow me to raise the matter. This is very important issue.

**মাননীয় অধ্যক্ষ** ঃ Yes, what you are raising here, this is regarding privilege. The thing is that our Assembly does not sit here continuously. The Assembly sit from time to time. What rule says, any issue related with the breach of privilege, it should be current occurance.

But, you have submited on September during that time there was no Session and today this is March. So, the instance was three months back. This is not a current occurance. There is nothing for rejection or acceptance. I have also consulted with my senior.

**Shri Sherman Ali Ahmed, ( Baghbar )** : Just one point.You have mentioned about the recent occurrence. This is our Rule Book.Sir, there are three conditions.Conditions for the admissibility of a question of privilege: 1. Not more than one question shall be raised at the same sitting. 2. The question shall be restricted to a specific matter of recent occurrence. 3. The matter requires the intervention of the House. There is nothing mention about of recent occurrence. and although you have mention that it was in September, and now I am raising. I can not raise until and unless under Rule 161 you give concent or otherwise. I was waiting for your concent sir. Another thing, kindly allow me. This is a very important issue regarding breach of privilege of the House, regarding breach of privilege of the Member. Supose, there is a intervening gap between the occurence of the incident and the sitting of the Session.Does it mean that the breach of privilege of the Member or of the House shall not be taken into concideration by the House. I don't think sir. You are the guardian of the House. আজি তোমাক মাজতে কোনোবা সন্মানীয় সদস্যক এচেম্বলীৰ ভিতৰত কোনোবাই অপমান কৰিলে আমি দিন পাৰ হৈ যোৱাৰ কাৰণে অপেক্ষা কৰিম নেকি? নকৰিম নহয় চাৰ আৰু ইয়াত recent occurence কথাটো নাই চাৰ।

মাননীয় অধ্যক্ষ ঃ-আছে, আছে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ-Sir, this is your guidebook sir, this is page 79. Conditions for the admissibility of a question of privilege.আজি চাৰ নিউজ পেপাৰবোৰে ইয়াতে এটা কথা কওঁ, বেলেগ ধৰণে পাব্লিচ কৰিব। আমি যদি চাৰ ষ্ট্ৰিক্ট নহওঁ এই ধৰণৰ চলি থাকিব।This breach of privilege is against the paper.আমি অলপ সতৰ্ক হোৱা ভাল, ইয়াত কোনো ৰাজনীতিৰ কথা নাই। এচেম্বলীত যিটো কথা হৈছেwrongly তেওঁলোকে পেপাৰত প্ৰেজেন্ট কৰিছে।This should not happened. It does not relate to any politics. I am talking about what happened in the Assembly.

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া আপোনাৰ যিটো question of privilege ৰ Rule 160 অলপ পঢ়ি চাওক। ইয়াত আছে The right to raise a question of privilege shall be governed by the following conditions: 1. Not more than one question shall be raised at the same sitting. 2. The question shall be restricted to a specific matter of recent occurrence. আপুনি সেইটো

নপঢ়াকৈ আধাটো পঢ়ি কেনেকৈ ক'লে, 3. The matter requires the intervention of the House. এটা টো হ'ল recent occurrence কথা। দ্বিতীয়টো হ'ল হাউচত এইটো চৰ্চ্চা কৰিব পাৰে। এতিয়া হাউচে যদি ভাবে যে সেইটো ঠিক আছে, তেতিয়া privilege কমিটিত হাউচে দি দিব পাৰে। ঠিক আছে, এতিয়া (২) ত আছে, আমাৰ এচেম্বলীবিলাক প্ৰতি ২-৩ মাহৰ ভিতৰতহে বহে। এচেম্বলী বহাৰ লগে লগে ৰুলখনৰ কথা আছে, সেয়ে মই কৈছো এইটোৰ ওপৰত dicision directly লোৱা নাই, এইটোৰ ওপৰত মই এতিয়া কনচাল্ট কৰি আছো যে privilege মোশ্যনটো আনিবলৈ current occurrence যিটো কথা আছে, সেইটোৰ ক্ষেত্ৰত অভিযোগ আহিব যে, হোৱাৰ লগে লগে হ'ব লাগিছিল তেনেকুৱা ধৰণৰ বিভিন্ন ইছ্যু বিলাক আহি যায়। গতিকে তাত যাতে কনফিউজন নহয়। সেই কাৰণে আপুনি আপোনাৰ মনৰ কথা ক'লে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ- Yes, recent occurrence is a very comparative term আপুনি এই হাউচৰ গাৰ্জেন recent occurrence বুলি ক'লে আপুনি ৩ মাহো ধৰিব পাৰে, ৬ মাহো ধৰিব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ- সেইটোত মোৰ কনফিউজন হৈ আছে, কোনটো ধৰিম।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ- Important question টো হ'ল যিহেতু হাউচ ৩ মাহৰ পিছত বহে, তাৰ অৰ্থ এইটো নেকি যে ৩ মাহৰ মাজত কোনোবাই যদি breach of privilege বিশেষাধিকাৰ ভঙ্গ কৰিলে তাৰ বিচাৰ নহ'ব, আৰু মই যিটো বিষয় আনিছো এইটো কোনো ৰাজনৈতিক কথা নহয়, এয়া হাউচত যিটো কথা আলোচনা হৈছিল, এখন পেপাৰে wrongly present কৰিলে গতিকে I would like to request you sir, please give concent and send it to the Breach of Privilege Committee so that it becomes a lesson. Privilege Committee য়ে কি শাস্তি দিয়ে সেইটো বেলেগ কথা so that it becomes a lesson to all the media Houses.

**মাননীয় অধ্যক্ষ** ঃ- হ'ব। মই বুজি পাইছো, এতিয়া আমি দুয়োজনে কথা পাতি থাকিলে হাউচে কি কৰিব? মই এটা কথা কৈ আছো যে মই এনেকুৱা বস্তুটো নিবিচাৰো য'ত মানুহৰ সন্দেহ হৈ থাকে। মই ক্লিয়াৰলি কৈ আছো, যে আমাৰ ৰুল আৰু আমাৰ চেচনৰ সময়ত মোশ্যন অনা ইয়াৰ লগত বহুতখিনি পাৰ্থক্য আছে। মই সিদ্ধান্ত ল'ব পৰা নাই আৰু সেইটো মই মোৰ চিনিঅ'ৰ বিলাকৰ লগত আলোচনা কৰি আছো, এইবোৰ বিষয় কেনেকৈ কৰা যায়। আপোনাক এতিয়াও মই reject কৰা নাই।

**শ্ৰী শ্বেৰমান আলি আহমেদ, (বাঘবৰ)** ঃ- Thank you sir .

**মাননীয় অধ্যক্ষ** ঃ- যেতিয়া সিদ্ধান্ত হ'ব তেতিয়া আপোনাক অৱগত কৰা হ'ব।

**মোঃ নুৰুল হুদা, (ৰূপহীহাট)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অৱ অৰ্ডাৰ আপোনাক দিছিলো, আমাৰ প্ৰশ্নৰ উত্তৰ বিলাক লবীত যে দিয়া হয়, তাৰ পৰা বুটলি বুটলি ল'ব লাগে তাত অসুবিধা হয়।

**মাননীয় অধ্যক্ষ** ঃ- বিধায়ক এজনে প্ৰশ্নৰ উত্তৰ বিলাক বুটলি লৈ যোৱাত কি অসুবিধা হয়? এইটো বহুত দুখৰ কথা যে আমাৰ বিধায়কক লবীৰ পৰা প্ৰশ্নৰ উত্তৰ এটা বুটলি কোনোবা এজন বেলেগ মানুহে আনি দিব লাগে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আপুনি কওক যে এগ্ৰী হয় নে নহয়।

**माननीय अध्यक्ष** ঃ- আপোনালোকে কওক যে আপোনাৰ টেবুলত কোনোবাই আনি দিব লাগিব। যাৰ প্ৰব্লেম আছে তেওঁলোকে লিখি দিব। টেবুলতো যাব, ঘৰতো যাব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)**ঃ- পইন্ট অৱ অৰ্ডাৰ টো আপুনি নুশুনে কিয়? পইন্ট অৱ অৰ্ডাৰত আমি ক'ব পাৰো আপুনি নুশুনে কিয়?

**माननीय अध्यक्ष** ঃ- বিষয়টো ৰিলেটেড নহয়। অখিল গগৈ আপুনি ইমান দিন চিএঞৰি আছে, আপুনি যিটো কথা য'ত ক'ব লাগে ত'ত ক'ব ।

(সদনত হুলস্থুল)

ময়ো আনিব খুজিছো পইন্ট অৱ অৰ্ডাৰত, যে হাউচত কাজিয়া কৰিবলৈ আহিব নালাগে। আপুনিতো কাজিয়া কৰি ভাল পায়। কিন্তু হাউচটো কাজিয়াৰ কাৰণে নহয়।

(মাননীয় বিধায়ক অখিল গগৈ ডাঙৰীয়াই আঙুলি টোৱাই মাননীয় অধ্যক্ষ মহোদয়ক কথা কৈ থকাত সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

আপুনি আঙুলি টোৱাই অধ্যক্ষক কথা ক'ব নোৱাৰে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ- কাজিয়া শব্দটো আপুনি ব্যবহাৰ কৰিব পাৰেনে, নোৱাৰে, আপুনি কাজিয়া শব্দটো ব্যবহাৰ কৰিব পাৰেনে নোৱাৰে। এইটো unparliamentary নহয় জানো?

**माननीय अध्यक्ष** ঃ- কাজিয়া কৰিলে কাজিয়া বুলি ক' বই লাগিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ-আপুনিহে ব্যৱহাৰ কৰিছে মই কৰা নাই। কাজিয়া শব্দটো আপুনিহে ব্যৱহাৰ কৰিছে। মই ক'ব খুজিছিলো যিজনৰ প্ৰশ্নটো আহিব, সেইজনৰ উত্তৰটো অন্ততঃ তেখেতৰ টেবুলত ৰাখিব লাগে। তেতিয়া তেখেতৰ চাপ্লিমেন্টৰীটো কৰিবলৈ সুবিধা হয়। ন'হলে নে'টত চাই এইটো কৰাটো সম্ভৱ নহয়।

( সদনত হুলস্থুল)

**माननीय अध्यक्ष** ঃ- অখিল গগৈ, চাওক মই হাউচক জনাই দিছো, মই তেনেকুৱা অধ্যক্ষ নহয়, যিটো অধ্যক্ষই কোনোবাই কিবা react কৰিলে, একো গাত নালাগে। মোৰ গাত লাগে। যদি কোনোবা গৰম হয় ময়ো গৰম হ'ম, এইটো চিধা কথা। মই তেনেকুৱা অধ্যক্ষ নহয়, যিজন অধ্যক্ষৰ কোনো এটা বস্তুৱে গাত নালাগে আৰু কিয় নালাগিব গাত আপুনি যিটো ঢঙত কৈ আছে।

(সদনত হুলস্থুল) যদি কোনোবা গৰম হয়, ময়ো গৰম হ'ম। চিধা কথা। মই তেনেকুৱা অধ্যক্ষ নহয়। যিজন অধ্যক্ষৰ কোনো এটা বস্তুৱে গাত নালাগে। কিয় নালাগিব গাত। আপুনি যি ঢঙত কৈ আছে, মই কৈছো ইয়াত ৰুল আছে। কাৰ সংস্কৃতি এইটো এজন বিধায়কৰ এই ব্যৱহাৰ কাৰ সংস্কৃতি।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** আপুনি নিৰপেক্ষ মানুহ। এনেকৈ প্ৰতিশোধ পৰায়ণভাৱে এজন মানুহক টাৰগেট কৰি থাকিলে নহ'ব।

**माननीय अध्यक्ष ঃ** মই নিৰপেক্ষ হৈ আছো। কাৰো কথাত একো কিবা কৰা নাই অখিল গগৈ এনেকৈ সদন নচলে। এনেকৈ Spesker নচলে।

**শ্ৰী অখিল গগৈ , (শিৱসাগৰ) ঃ** আপুনি একদম অন্যায়ৰ কথা কৈছে।

**माननीय अध्यक्ष ঃ** ন্যায় অন্যায়ৰ কথা আপুনি ক'ব নোৱাৰে ।এনেকুৱা বিধায়কৰ লগত সদন কেনেকৈ চলিব। এই প্ৰশ্ন মোৰ নহয়।

**শ্ৰী অখিল গগৈ ,(শিৱসাগৰ) ঃ** আপুনি যেনেকৈ চলাইছে, তেনেকৈয়ে চলাওক।

**माननीय अध्यक्ष ঃ** House adjourned for 10 minits.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Zero Hour. শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম বাতৰি কাকতত ৮ মাৰ্চত এটা বাতৰি প্ৰকাশ হৈছিল, সেইটো "অসমৰ সমৰ্থকৰ তামোলবাৰী কাটি তহিলং সমবায় দোকান লণ্ড-ভণ্ড অসম মেঘালয় সীমান্তত শালবাৰীত পুনৰ উত্তেজনা " আৰু এই বিষয়টো আজি সদনৰ মজিয়াত উত্থাপন কৰিব দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ, মেঘালয় সীমান্ত বিবাদৰ চূড়ান্ত নিষ্পত্তিৰ বাবে অসম চৰকাৰে যি ইতিবাচক আৰু বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে, আৰু সেই পদক্ষেপক মই ধন্যবাদ জনাইছো। এই সীমা সমস্যাটো সমাধান কৰাৰ কাৰণে অসম চৰকাৰৰ, মেঘালয় চৰকাৰৰ কিছু মন্ত্ৰী লগতে বিভাগৰ বিষয়-ববীয়া লগতে স্থানীয় বিধায়কক লৈ যি regional committee গঠন কৰা হৈছিল, সেই সমিতিখনৰ ময়ো সদস্য। ৰেষ্ট খাচী হিল্‌চ ক লৈ যিখন সমিতি হৈছিল, সেই regional committee লগত কেইবাখনো মিটিং কৰিছিলো আৰু বিভিন্ন ঠাইত যিবোৰ area of defines আছিল, যিবোৰ ২০১১ চনত মেঘালয়ে ডিমাণ্ড কৰি আহিছিল, ক্লেইম কৰি আছিল, সেই অঞ্চল বিলাকত সমিতিৰ লগত মই গৈছিলো। এই সীমা সমস্যাটোৰ ক্ষেত্ৰত কিছুমান criteria ধাৰ্য্য কৰা হৈছিল, যিবোৰক কোৱা হৈছিল five mitually agree principle যিবোৰ criteria তাৰ ভিতৰত আছে administrative convenience ethenicity of local population, peoples opinion, histiorical perspective and contiguity with the boundary. এই ৫ টা পঞ্চসূত্ৰলৈ যিবিলাক আলোচনা হৈছিল, আমিও ৰাইজৰ ওচৰত গৈ তেওঁলোকৰ মতামত লৈছিলো আৰু সকলো বিলাকৰ ক্ষেত্ৰত মই জড়িত আছিলো আৰু এইক্ষেত্ৰত মেঘালয়ৰ যিখিনি ক্লেইম এৰিয়া আছিল, তেওঁলোকে এখন মেপ দিছিল আৰু সেই মেপখনত তেওঁলোকে দিয়া জাগাবোৰ, তেওঁলোকে ক্লেইম কৰা জাগাবোৰ অসমৰ মেঘালয়ৰ যিবিলাক constitution boundrary আছিল, তাৰ বাউণ্ডেৰীৰ ভিতৰত পৰে নে বাহিৰত পৰে, সেইবিলাক চাবৰ কাৰণে GPS Codinate কৰা হৈছিল আৰু সেই ক্ষেত্ৰত মই নিজেও ভালকৈ জানো যে, মালাং খালবাৰী যিটো অঞ্চল,য'ত এই ঘটনাটো সংঘটিত হৈ গ'ল, সেই অঞ্চলটো, সেই গাঁৱখন GPS Codinate ত বা মেঘালয়ৰ যিটো original claim আছিল, সেই ক্লেইমৰ ভিতৰত সেই গাঁৱখন নাছিল। original claim ত ২৫ খন গাঁও আছিল আৰু ২৫ খন গাঁৱৰ ভিতৰত মালাং খালবাৰী নাছিল আৰু সেই কাৰণে আমাৰ যিবিলাক visit হৈছিল, visit বিলাকত এই কথা clearly আলোচনা হৈছিল যে, constitution boundrary ৰ ভিতৰত যিবিলাক গাঁও পৰিব, সেইবিলাকৰ বিষয়ে আমি আলোচনা নকৰো। দ্বিতীয়তে হৈছিল যে যিবিলাক claim আছিল, original claim ৰ বাহিৰত যিবিলাক গাঁও তেওঁলোকে পুনৰ আকৌ নতুনকৈ claim কৰিছিল সেইবিলাক আমি আলোচনা নকৰো। সেইক্ষেত্ৰত কিছুদিন আগতে মেঘালয়ত যিটো বাজেট অধিৱেশন হৈ গ'ল, মেঘালয়ৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেওঁৰ বক্তব্যত অসমৰ তিনিটা বিবাদমান অঞ্চল তাৰাবাৰী, গিজাং আৰু হাইম এই তিনিটা অঞ্চলৰ ভিতৰত তাৰাৰবাৰী অঞ্চলৰ ৮ খন গাঁও তেওঁ উল্লেখ কৰিলে আৰু এই গাঁওকেইখনৰ ভিতৰত মালাং খালবাৰীখন পৰিছিল। সেই কাৰণে ৰাইজৰ মাজত এটা উত্তেজনা হ'ল কাৰণ যি সময়ত আমি ৰাইজৰ ওচৰত গৈছিলো, public opinion লৈছিলো, তেতিয়া strictly তেওঁলোকক ভালকৈ বুজাই দিয়া হৈছিল যে, constitution boundary ৰ ভিতৰত আপোনালোক আছে আৰু আপোনালোকক কেতিয়াও মেঘালয়ত চামিল হ'বলৈ জোৰ নকৰো আৰু সেই হিচাপে আমি

তেওঁলোকৰ view বিলাক লৈছিলো। সেই কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়, এগৰাকী স্থানীয় বিধায়িকা হিচাপে মইও চৰকাৰক অনুৰোধ কৰো, মইও নিবিচাৰো যে ৰাইজে যাব নিবিচাৰে মেঘালয়ত, তেওঁলোকক আমি বাধ্য কৰিব নালাগে তেওঁলোকে মেঘালয়ত যাওক। এইক্ষেত্ৰত চৰকাৰে MoU এখন কৰা হৈছিল। অসম চৰকাৰ আৰু মেঘালয় চৰকাৰৰ মুখ্যমন্ত্ৰী মহোদয় দুজনৰ মাজত। সেই MoU খন এতিয়াও ৰাজহুৱা হোৱা নাই। কিন্তু MoU খন ৰাজহুৱা নোহোৱাৰ পাছতো কি কাৰণে মেঘালয়ৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাখিনি তেওঁলোকৰ মেঘালয়ৰ সদনত ক'লে যাৰ ফলত আজি মালাং খালবাৰীত এটা খেলি-মেলি বা গণ্ডগোলৰ সৃষ্টি হ'ল। ৰাইজৰ মাজত আতংকৰ সৃষ্টি হ'ল। MoU খনত এটা sentence আছিল যিটো মই পাইছো, সেইটো হৈছে It was decided that any other area /villages situated outside the area of difference shown in the map submitted by Meghalaya will not be considered এই বাক্যশাৰী তাত আছিল। মেঘালয়ত যিখন মেপ দিছিল, তাতে এই অঞ্চলবোৰ যদি constitution ৰ বাহিৰত অসমৰ ভিতৰত আছে, এইবিলাক consider নহ'ব। এই কথাটো মেঘালয়ৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াইয়ো কৈছে বা অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখন MoU কৰিছে, তাতে আছে। তাৰ পাছতো কি কাৰণে মালাং খালবাৰীৰ দৰে এখন সুন্দৰ ঠাই য'ত সম্পূৰ্ণ জনজাতীয় লোক বসবাস কৰে, তেওঁলোকৰ অনিচ্ছা স্বত্বেও যে আজি মেঘালয়ৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেওঁৰ বাজেট অধিৱেশনে কথাষাৰ ঘোষণা কৰিলে এইক্ষেত্ৰত অসম চৰকাৰৰ পৰা এটা reply বিচাৰিছো। কাৰণ ৰাইজৰ ওচৰত যেতিয়া মই গৈছিলো, ৰাইজে কৈছে যে, আমি মেঘালয়ত নেযাওঁ বুলি আমি আগতে কৈছো। হয়তো তাতে কিছু শতাংশ মানুহে যাব বিচাৰে, সেইটো এটা বেলেগ কথা। মাননীয় অধ্যক্ষ মহোদয়, এইটো ক্ষেত্ৰত এটা সঠিক reply বিচাৰিছো।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত আমাৰো সমৰ্থন আছে। জোৰ কৰি মানুহৰ ইচ্ছাৰ বিৰূদ্ধে যাতে দিয়া নহয় মেঘালয়ত।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয়া সদস্যা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে যিটো কথা উপস্থাপন কৰিছে, তাতে তেখেতে কৈছিল বাতৰিটোত এটা particular case ৰ কথা আছিল। অসমৰ সমৰ্থকৰ তামোলবাৰী কাটি তহিলং, সমবায়ৰ দোকান লণ্ড-ভণ্ড। তেখেতে এটা আনুসংগিক গুৰুত্বপূৰ্ণ কথা কৈছে। মই অলপ এই বিষয়টোৰ বিষয়ে অৱগত। কাৰণ এখন আমাৰ কমিটিৰ ময়ো অধ্যক্ষতা কৰো আৰু ময়ো কিছু কিছু অঞ্চলত আমাৰ কমিটিখন আৰু আমাৰ Counter Part মেঘালয়ৰ কমিটিখনৰ লগত কিছু কিছু অঞ্চল ভ্ৰমণ কৰিছো। অধ্যক্ষ ডাঙৰীয়া, এই ইচ্ছুটো বহু পুৰণা। মেঘালয়ৰ লগত সীমা-বিবাদ আমাৰ এই ইচ্ছুটো বহুত পুৰণা। এই সীমা-বিবাদৰ ইচ্ছুটো আমি নাইকিয়া কৰিবলৈকে আমাৰ দুয়োখন চৰকাৰ কেন্দ্ৰীয় চৰকাৰৰ তৎপৰতাত অগ্ৰসৰ হৈছে। এই সীমা সমস্যাটো কিয় সমাধান হ'ব লাগে বুলি আমি ভাৱো। সীমান্তত বসবাস কৰা মানুহখিনিয়েহে ইয়াৰ কু-ফল ভুগে। আমি সীমান্তৰ লগত related নহয়। আমি কেতিয়াবা ভোট বিচাৰি যাও মোৰ সমষ্টিটো মেঘালয়ৰ সীমান্ত আছে মইও ভোট বিচাৰি যাওঁ। তাত আমি থাকি নলওঁ। তাত থাকি লোৱা মানুহখিনিয়েহে উপলব্ধি কৰে যে, এই সীমান্তৰ সমস্যাটো সমাধান নোহোৱাৰ কাৰণে কিমান অসুবিধা। আমি যদি কেতিয়াবা development ৰ কাম কৰো, তেতিয়া কি কৰে মেঘালয়ৰ চৰকাৰে সেইটো বন্ধ কৰে আৰু মেঘালয়ৰ চৰকাৰে যদি কেতিয়াবা কাম কৰে, আমি বন্ধ কৰো। গতিকে এই জাগাবিলাকত কি হয়, development ৰ কামবিলাক বন্ধ হৈ যায়। তাত স্কুল নাইকিয়া হয়, কলেজ নাইকিয়া

হয় ৰাস্তা নাই, কাৰেণ্টৰ তাৰ নাই। বিভিন্ন সমস্যা আছে। গতিকে কেন্দ্ৰীয় চৰকাৰৰ তৎপৰতাত আমাৰ দুইখন চৰকাৰে মেঘালয় আৰু অসম চৰকাৰে এই সমস্যাটো সমাধান কৰিবলৈকে অগ্ৰসৰ হৈছে বুলি মই ইতিমধ্যে উল্লেখ কৰিছো। অধ্যক্ষ ডাঙৰীয়া, আমি এইক্ষেত্ৰত আন্দোলনো কৰিব পাৰো কিন্তু সিদ্ধান্ত ল'ব নোৱাৰো। ভাৰতবৰ্ষৰ আমি অসম মেঘালয়ৰ অংগ ৰাজ্য। গতিকে আমাৰ সীমা সমস্যাৰ সমাধান আৰু সীমা যদি এইটো হয়, এইটো নহয়, এইটো নতুন সীমা, সেইটো কেন্দ্ৰীয় চৰকাৰে সংসদৰ অনুমোদন লৈহে সিদ্ধান্ত ল'ব পাৰে। গতিকে এই কথাখিনি ভৱিষ্যতে ল'ব কেন্দ্ৰীয় চৰকাৰে চৰকাৰৰ অনুমতি সাপেক্ষে। কিন্তু আমি কি ক'ব খুজিছো যে disputed area পৰিভ্ৰমণ কৰি আমাৰ সমস্যাটো সমাধান কৰিবলৈকে চেষ্টা কৰিছো। তাতো কিছু অসুবিধা আছে। আজি মেঘালয়ত মোৰ যিটো, মোৰ দুটা পাৰ্ট পৰে তাৰে এখন জিমিৰি গাঁও বুলি এখন গাঁও আছে। পশ্চিম গুৱাহাটী সমষ্টিত পৰে। জিমিৰি গাঁওখন মেঘালয়ৰ সম্পূৰ্ণ ভিতৰত। আমি যদি মেপখন কেতিয়াবা দেখুওৱাব পাৰিলো হয়, জিমিৰি গাওঁখন ভৌগোলিকভাৱে আমি ডিমাণ্ড কৰিব নোৱাৰো। আমি যেতিয়া তাত গৈছিলো, জিমিৰি গাঁওৰ এশ শতাংশ যিখিনি গাঁওত মানুহ আছিল, এশ শতাংশ মানুহে কৈছিল যে আমি থাকিব খোজো অসমৰ লগত। সেই সকলোখিনি ৰাভা সম্প্ৰদায়ৰ মানুহ। আমাৰ কাউণ্টাৰ পাৰ্ট যিখন কমিটি আছিল তাত মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী ডাঙৰীয়া আছিল। মই আকৌ কৈছো যদি আমি মেপখন চাও সেইটো এটা দ্বীপৰ নিচিনা হ'ব। পানীৰ মাজত থকা হ'লে দ্বীপ বুলি ক'লোহেঁতেন। কিন্তু পাহাৰৰ মাজত থকা বাবে দ্বীপ বুলি ক'বলৈ অসুবিধা হৈছে। গতিকে এইখন Totally isolated area from State of Assam. আমি যেতিয়া মেপ চাই মিটিঙলৈ গৈছিলো, তেওঁলোকে ক'লে যে আপোনালোকে এইখন কেনেকৈ ডিমাণ্ড কৰিব? এইখন ডিমাণ্ড কৰিবলৈ হ'লে আপোনালোকে মেঘালয়ৰ ভিতৰত সোমাই যাব লাগিব। মই তেতিয়া তেওঁলোকক ক'লো যে আমাক এটা ১২-১৫ ফুটৰ ৰাস্তা দিয়ক। কাৰণ আমি সাধাৰণ লোকৰ ইচ্ছা মষিমূৰ কৰিব নোৱাৰো। তেতিয়া মেঘালয়ৰ মাননীয় উপ-মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ কথা মানিলে আৰু ক'লে যে ঠিক আছে জিমিলি গাঁও আপোনালোকে লওক, লাগিলে ১৫ ফুটৰ ৰাস্তা এটা সুমুৱাই দিম। মই আকৌ কৈছো যদি মেপখন কেতিয়াবা দেখুৱাও আ পোনালোকে দেখিব যে ২ কিলোমিটাৰমান মেঘালয়ৰ ভিতৰত সোমাই গৈছে আৰু দ্বীপৰ নিচিনা হৈ গ'ল। গতিকে কথাবোৰ তেনেকুৱা ধৰণৰ। যদি ক'ৰবাত গ'লে তাৰে ৯০ শতাংশ বা সকলোখিনি মানুহে যদি কয় যে তেওঁলোকে মেঘালয়ৰ লগত থাকিব বিচাৰে, তেতিয়া বলপূৰ্ব্বক ভাৱে সেইলোক সকলক ধৰি ৰাখিব পাৰিম নেকি? যেনেকৈ জিমিলি গাঁৱৰ এশ শতাংশ মানুহে ক'লে যে আমাৰ ভৌগোলিক সংযোগ নথকাৰ পিছতো তেওঁলোকে অসমৰ লগত থাকিব বুলি ক'লে। Meghalaya Govt. has almost given. মই almost শব্দটো কৈছো কাৰণ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ফাইনেল সিদ্ধান্তটো লোকসভা আৰু ৰাজ্যসভাত অনুমতি লৈ গ্ৰহণ কৰা হ'ব। গতিকে আমাৰ সমাস্যাটো ক'ৰবাত ক'ৰবাত আছে। কিছুমান ঠাইত ৯০ শতাংশ মানুহে ক'লে যে অসমৰ লগত থাকিব আৰু ১০ শতাংশ মানুহে ক'লে যে তেওঁলোকে মেঘালয়ৰ লগত থাকিব। সেই ১০ শতাংশ মানুহৰ আমি সমস্যাটো চাই আছো আৰু ৯০ শতাংশ মানুহক আমি আওকাণ কৰি আছো। এনেকুৱা ধৰণৰ কিছুমান সমস্যা হৈছে আৰু এটা সমস্যা হৈছে যে অসমৰ অসমীয়া ভাষা কোৱা মানুহৰ.........

**শ্ৰী নন্দিতা দাস (বকো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই মালাং শালবাৰীৰ কেচটোৰ উত্তৰটো দিলে ভাল হয়।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** বাইদেউ, আপুনি এটা কেচৰ কথা

কৈ আছে। মই এইটো কম। কেচটোৰ বৰ্তমান তদন্ত চলি আছে। মালাং শালবাৰী গাঁৱৰ জছপিচ এ মাৰাকৰ কেচটোৰ তদন্ত চলি আছে। সেইটো সীমা বিবাদৰ লগত ৰিলেটেড নে ব্যক্তিগত আখেজ, সেইটো এতিয়ালৈকে establish হোৱা নাই। সেইটোৰ উত্তৰ দিয়া হৈ গ'ল। আপোনাৰ যি আনুষংগিক কথা সেইখিনিৰ ওপৰতহে ক'লো। মই আৰু এটা কথা ক'ব বিচাৰিছো যে সমস্যাটো হৈছে যে কিছুমান মানুহে মনে-প্ৰাণে অসমৰ লগত থাকিব খোজে। কিন্তু তেওঁলোকৰ খেতিবাতি কৰা সকলো মাটি মেঘালয়ৰ লগত আছে। সেয়েহে তেওঁলোকে শক্তিশালীভাৱে ক'ব নোৱাৰে যে অসমৰ লগত থাকিব। এনেকুৱা ধৰণৰ সমস্যা হৈ আছে আৰু এই সমস্যাসমূহৰ মাজতেই আমি এইবোৰ সমাধান কৰিব লাগিব। মই আকৌ কৈছো যে মোৰ সমষ্টিতো বোৰ্ডাৰ আছে কিন্তু মই হয়তো মোৰ সমষ্টিত বছৰত দুবাৰমান যাওঁ আৰু প্ৰকৃততে সমস্যাসমূহ সেই বোৰ্ডাৰৰ লোকসকলে ভুগি আছে। কাৰণ তাত স্কুল, দলং আদি নাই। গতিকে মোৰ ভোটতকৈ এই লোকসকলৰ সমস্যাসমূহ বেছি দৰকাৰী বুলি ভাৱি এই দুয়োখন চৰকাৰে এই কামখিনি কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য দিগন্ত কলিতা ডাঙৰীয়াই কওঁক।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুদিন আগতে " নিয়মীয়া বাৰ্তা" বাতৰি কাকতত এটা খুব দুখ লগা বাতৰি প্ৰকাশ পাইছিল-"কোঠাত বন্দি কৰি অকথ্য নিৰ্য্যাতন আৰবীয়ানৰ, হোজাইৰ যমুনামুখৰ যুৱতী ওমানত বিক্ৰী নৰপিশাচ ইমাৰাণৰ।" ঘটনাটো এনেকুৱাধৰণৰ যে ইয়াৰ পৰা ছোৱালী এজনী ওমানলৈ গৈছিল আৰু সেই দেশৰ কোনোবা এজন ব্যক্তিয়ে তেওঁক নিৰ্য্যাতিত কৰিছিল। আমাৰ ইয়াৰে ছোৱালী এজনী বিদেশলৈ গৈছে। আমি আশা কৰো যে ছোৱালীজনী ভালে থাকক। কিন্তু ছোৱালী জনীক নিৰ্য্যাতিত কৰা বুলি বাতৰি কাকতত প্ৰকাশ পাইছে। এই বিষয়টোত মই অলপ অসম চৰকাৰৰ দৃষ্টি গোচৰ কৰিছো আৰু অসম চৰকাৰৰ গৃহ বিভাগে নিশ্চয় ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব। মই ইয়াৰ মাজত কি কথা আছে, নাজানো। কিন্তু আমাক সদায় বিৰোধীয়ে কৈ থাকে যে আমি চেকুলাৰ হ'ব লাগে। সেয়েহে মই ধৰ্মনিপেক্ষভাৱে এই কথাটো সদনত উপস্থাপন কৰিছো। নিশ্চয় অসম চৰকাৰে ইয়াৰ ওপৰত ব্যৱস্থা লৈছে বা এই ক্ষেত্ৰত কি কৰা হৈছে সেই বিষয়ে অৱগত কৰাব। ধন্যবাদ।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ পৰা কেইদিনমান আগতে এখন বাতৰিকাকতত ওলাইছিল-"কোঠাত বন্দী কৰি অকথ্য নিৰ্য্যাতন আৰবীয়ানৰ, হোজাইৰ যমুনামুখৰ যুৱতী ওমানত বিক্ৰী নৰপিশাচ ইমাৰাণৰ।" ঘটনাটো দুটা ভি ডি অ' ক্লিপক কেন্দ্ৰ কৰি হৈছিল। ৰেচমিনা বেগম নামৰ যুৱতী এগৰাকীয়ে মধ্যপ্ৰাচ্যৰ দেশ ওমানত কাম কৰিবলৈ গৈছিল আৰু তাত যোৱাত সহায় কৰিছিল ইমৰান নামৰ এজন ব্যক্তিয়ে। ১১-০৩-২০২২ তাৰিখে মহিলা গৰাকীয়ে এটা ভি ডি অ' ক্লিপ দিলে। The video was sent by Rasmina Begum, claiming that she was been tortured in Oman. ওমানৰ কোনোবা এজন ব্যক্তিয়ে অত্যাচাৰ কৰিছে আৰু ইমৰান নামৰ লোকজনে তেওঁক ২ লাখ টকাত বিক্ৰী কৰি দিয়া বুলি অভিযোগ কৰিছিল। কেইদিনমান পিছত পুনৰ এটা ভি ডি অ' কৰি স্পষ্টীকৰণ দিলে যে এনেকুৱা ধৰণৰ কোনো ঘটনা হোৱা নাই আৰু তেওঁৰ আগৰ ভি ডি অ' টো ভুল আছিল। মানুহ গৰাকীয়ে কিয় এনেধৰণে ক'লে মই নাজানো। প্ৰথম দিনাখন তেওঁ এটা ভি ডি অ' ক্লিপ কৰি তেওঁকে অত্যাচাৰ কৰা বুলি ক'লে আৰু ইমৰান নামৰ ব্যক্তিগৰাকীয়ে তেওঁক তাত বিক্ৰী কৰা বুলি অভিযোগ কৰিলে। কিন্তু ১২-০৩-২০২২ তাৰিখে অৰ্থাৎ পিছদিনাখন পুনৰ ক'লে যে 12-

03-2022 an another video of Rasmina Begum, has been surfing in the social media platform where she has stated that she has not been tortured by any one and she has made false alligation in her earlier video. তেওঁ এনেধৰণে কিয় কৰিলে মই নাজানো। প্ৰথমদিনাখন তেওঁ ইমৰানৰ বিৰুদ্ধে অভিযোগ আনিলে আৰু দ্বিতীয় দিনাখন নিজে অস্বীকাৰ কৰিলে। গতিকে নিজে অস্বীকাৰ কৰাৰ পিছত কেচ হোৱাৰ কোনো কথা নাথকে। তথাপিও এইক্ষেত্ৰত পুলিচ প্ৰশাসনে মহম্মদ আহমেদক প্ৰশ্ন কৰিছে আৰু পুলিচ প্ৰশাসনে মহিলা গৰাকীৰ লগত সংযোগ স্থাপন কৰিব পাৰিছে। মহিলা গৰাকী ইতিমধ্যে মুম্বাই হৈ গুৱাহাটী আহি পাইছে। সেয়েহে এইক্ষেত্ৰত আমাৰ ক'বলগীয়া একো নাই। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমাৰ ৰুল-৫৪ আছে। এতিয়া মাননীয় সদস্য আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াই কওক।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৪ মাৰ্চ তাৰিখৰ "দৈনিক জনমভূমি" কাকতত প্ৰকাশিত "চলিত মাহত অন্ত পৰিব এ পি এছ চিৰ এজনীয়া তদন্ত সমিতিৰ কাৰ্য্যকাল ঃ ২০১৪ ৰ কেলেংকাৰীক চৰকাৰৰ ৰক্ষণাবেক্ষণ ঃ ৰাজ্য চৰকাৰে কেৱল ২০১৩ বৰ্ষত সংঘটিত কেলেংকাৰীৰহে তদন্তত অনুমতি দিছে" শীৰ্ষক বাতৰিটো অতি স্পৰ্শকাতৰ আৰু এই বিষয়ে বক্তব্য ৰাখিবলৈ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমি দেখা পাইছো বিগত চৰকাৰে ২০১৬ চনত চৰকাৰ গঠনৰ পিছৰ পৰা এটা কথা কৈ আছিল দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা আৰু চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি এটা উদাহৰণ দিছিল যে আমি এ পি এছ চিৰ নায়ক আৰু ৰথী-মহাৰথী সকলক গ্ৰেপ্তাৰ কৰিছো। গতিকে দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা আৰু বিগত পাঁচ বছৰত এই উদাহৰণটোৱেই চৰকাৰে বাৰে বাৰে দিছিল যে আমি দুৰ্নীতিৰ বিৰুদ্ধে আপোচ বিহীন। কিন্তু ২০১৩ আৰু ২০১৪ বৰ্ষৰ এই দুই বছৰত যিটো এ পি এছ চিৰ কেলেংকাৰী হৈছিল, ডিব্ৰুগড় আৰক্ষীয়ে তেতিয়া কেচটো লৈ তদন্ত কৰি বহু তথ্য লাভ কৰিছিল আৰু নিযুক্তি প্ৰাপ্ত বা যিসকল এ পি এছ চিত নিযুক্তি প্ৰদান কৰাত জড়িত আছিল, তেওঁলোকৰ বিপক্ষে বৃহৎ পৰিমাণৰ লেনদেনৰ প্ৰমাণ পাইছিল। সেই মতে বহু লোক গ্ৰেপ্তাৰো হৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ দেখা গ'ল যে যিমানখিনি অভিযোগ পোৱা গৈছিল আটাইখিনিকে কিন্তু সামৰি লোৱা হোৱা নাই। কিছুমান selected মানুহক target কৰি গ্ৰেপ্তাৰ কৰা হ'ল আৰু বহুতৰে অভিযোগ থকা স্বত্বেও তেওঁলোকক তদন্তৰ আওঁতালৈ অনা নাই। এগৰাকী প্ৰাক্তন বিধায়কৰ পৰিয়ালৰ নামো উত্থাপন হৈছিল। সি যি কি নহওক, অৱসৰ প্ৰাপ্ত ন্যায়াধীশ ড° বি.কে. শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত যি এজনীয়া তদন্ত সমিতি গঠন কৰি দিছিল, সেই সমিতিয়ে তদন্ত কৰি ডিব্ৰুগড় আৰক্ষীয়ে তদন্ত কৰি নোপোৱা আন কিছুমান তথ্যও উদ্‌ঘাটন কৰিছিল, ফলস্বৰূপে, এই ক্ষেত্ৰত লেন-দেন কৰা অন্য কিছুমান লোককো গ্ৰেপ্তাৰ কৰা হৈছিল। এই এজনীয়া তদন্ত সমিতিয়ে ২০১৩ চনৰ কেচবোৰ তদন্ত কৰাৰ বাবে পিছত ২০১৪ চনৰ কেচবোৰো তদন্ত কৰিব লাগে বুলি উচ্চ ন্যায়ালয়ত আপীল কৰা হ'ল। উচ্চ ন্যায়ালয়ে চৰকাৰৰ পৰা স্পষ্টীকৰণ বিচাৰি order ও দিছিল যে ২০১৪ চনত APSC ৰ যি কেলেংকাৰী হৈছিল, সেইখিনি তদন্ত কৰিবলৈও এজনীয়া তদন্ত অয়োগক কৰ্তৃত্ব দিব লাগে। এইক্ষেত্ৰত চৰকাৰে পিছত জনাব বুলি কৈ আছে আৰু উচ্চ ন্যায়ালয়েও বাৰে বাৰে reminder দি আছে । কিন্তু, ২০১৪ চনৰ কেলেংকাৰীও তদন্তৰ আওঁতাত অনা হ'ব বুলি চৰকাৰে আজিলৈকে clearance দিয়া নাই। চৰকাৰে clearance নিদিয়াৰ বাবে ড° বি.কে. শৰ্মা নেতৃত্বাধীন এজনীয়া তদন্ত সমিতিয়ে ২০১৪ চনৰ কেলেংকাৰীৰ তদন্ত কৰিব নোৱাৰিলে।

উচ্চ ন্যায়ালয়ে বাৰে বাৰে বিচৰাৰ পিছতো চৰকাৰে কিয় এতিয়ালৈকে clearance দিয়া নাই, এই কথাটো ৰহস্যজনক হৈ আছে। Zero Tolerance against Corruption বুলি কেবল ক'লেই নহ'ব, হাতে-কামে কৰি দেখুওৱাটোও আমি বিচাৰিছো। অধ্যক্ষ মহোদয়, ন্যায়াধীশ ড° বি.কে. শৰ্মাৰ নেতৃত্বত যি এজনীয়া সমিতি গঠন হৈছিল, এই সমিতিখনৰ কাৰ্য্যকাল চলিত মাহৰ শেষৰটো দিন অৰ্থাৎ ৩১ তাৰিখে অন্ত পৰিব। কিন্তু, এতিয়ালৈকে চৰকাৰে ২০১৪ চনৰ কেলেংকাৰীৰ তদন্ত কৰিবলৈ উচ্চ ন্যায়ালয়ক Affidavit বা NOC দিয়া নাই। গতিকে, এই বিষয়টো ৰহস্যজনক। চৰকাৰে যেতিয়া দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ কথা ঘোষণা কৰিছিল, তেতিয়া আমি শুনি ভাল পাইছিলো। কিন্তু, চৰকাৰৰ এনেবোৰ কাৰ্য্যই ১০০ % সহনশীলতাৰহে এক ইংগিত বহন কৰিছে। যদি এনে হয় তেন্তে ই এক বুমেৰাঙৰ নিচিনা হ'ব। আনহাতে, ন্যায়াধীশ ড° বি.কে. শৰ্মাৰ তদন্ত সমিতিৰ কাৰ্যকাল আজিৰ পৰা ৩ মাহ আগতেই উকলি গৈছিল, পিছত উচ্চ ন্যায়ালয়ক কৈ ৩ মাহ extension কৰা হৈছিল কিন্তু চৰকাৰে তেতিয়াও ২০১৪ চনৰ কেলেংকাৰী তদন্তৰ বাবে কোৱা নাছিল। গতিকে, আমাৰ দাবী হ'ল যে ২০১৪ চনৰ APSC কেলেংকাৰীত জড়িত যি সকল Tabulator, Store Keeper, Compiler আছিল আৰু আলমাৰীৰ পৰা উত্তৰ বহী উলিয়াই কোনে over writing কৰিছিল ইত্যাদি বিষয়ৰ স্বচ্ছ তদন্ত হ'ব লাগে আৰু দুৰ্নীতিৰ বিৰুদ্ধে ১০০% সহনশীল নহৈ শূন্য সহনশীলতাৰ প্ৰমাণ দিব লাগে। ইয়াৰ লগতে, কেৱল ২০১৪ চনৰ কেলেংকাৰীৰ তদন্তই নহয়, ২০২০ চনলৈকে যদি কিবা কেলেংকাৰী হৈছে সকলো কেলেংকাৰীৰে তদন্ত কৰিবলৈ চৰকাৰে অনুমতি দিব লাগে আৰু চৰকাৰ যে দুৰ্নীতিৰ বিৰুদ্ধে আছে সেইয়া প্ৰমাণ কৰিবলৈ মই আপোনাৰ জৰিয়তে চৰকাৰক দাবী জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, ২০১৩ চনত অনুষ্ঠিত হোৱা APSC ৰ মূল পৰীক্ষাৰ বিসংগতি তদন্ত কৰিবলৈ ২০১৯ চনত ড° বি.কে. শৰ্মাৰ নেতৃত্বত যিখন Commission গঠন কৰা হৈছিল, তেতিয়া ২০১৪ চনৰ APSC পৰীক্ষাও এই তদন্তৰ আওঁতালৈ অনাৰ বাবে ৩ গৰাকী ব্যক্তিয়ে উচ্চ ন্যায়ালয়ত আপীল কৰিছিল। অধ্যক্ষ মহোদয়, আমাৰ বিগত চৰকাৰখনে অতি কঠোৰতম সিদ্ধান্ত লৈছিলো আৰু অসমত নজিৰবিহীন ভাৱে এনেকুৱা দৃষ্টান্ত ৰাখিছিলো যে APSC কেলেংকাৰীত যিসকল জড়িত, কাৰো লগত কোনো ধৰণৰ কম্প্ৰমাইজ নকৰি সকলোকে শাস্তিৰ ব্যৱস্থা কৰা হৈছিল, চাকৰিৰ পৰা নিলম্বিত কৰাৰ লগতে কিদৰে চাকৰিৰ পৰা একেবাৰে terminate কৰি দিব পাৰি তাৰ ব্যৱস্থাও কৰা হৈছিল। কিন্তু, এতিয়া এনেধৰণে স্বচ্ছ ভাৱে চাকৰি দিয়া হয় যে হয়তো প্ৰাৰ্থীগৰাকীৰ পিতৃ-মাতৃয়ে APSC, ACS, APS, Allied আদি কি হয় সেই সম্পৰ্কত নাজানেই। গতিকে, এতিয়া তেনে ঘৰৰ ল'ৰা-ছোৱালীয়ে APSC ত চাকৰি পোৱাৰ পৰিৱেশ অসমত হ'ল। এনে পৰিৱেশ আমাৰ বিগত চৰকাৰখনে বা আমি গঢ়ি তুলিবলৈ সক্ষম হৈছো। APSC ৰ চাকৰি বা অন্যান্য চাকৰি দুৰ্নীতিমুক্ত কৰাত আমাৰ যি প্ৰয়াস বা পদক্ষেপ তাত কোনেও সন্দেহ কৰিব নালাগে, এই সদনক মই আশ্বস্ত কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ২০১৪ চনৰ APSC পৰীক্ষাৰ যি তদন্ত কৰাৰ কথা কৈছে, এই ক্ষেত্ৰত আমি পদক্ষেপ হাতত ল'ব পৰা নাই কাৰণ এতিয়ালৈকে ড° বি.কে. শৰ্মা কমিশ্যনে ২০১৩ চনৰ APSC কেলেংকাৰীৰ তদন্ত প্ৰক্ৰিয়াই সম্পূৰ্ণ কৰা নাই। ই বৰ সহজ নহয় আৰু কমিশ্যনৰ ওপৰত কথা কোৱাৰ মোৰ যোগ্যতাও নাই আৰু ধৃষ্টতাও নাই।

সেয়েহে, ২০১৪ চনৰ তদন্ত কৰাৰ অৱস্থা এই মূহুৰ্তত নাই। কিন্তু, ২০১৪ চনৰ তদন্ত নকৰে বুলি চৰকাৰে কোৱাও নাই। দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা সদায় অব্যাহত থাকিব। চাকৰিৰ নামত কোনো ধৰণৰ কেলেংকাৰী নহ'ব। ২০০১ চনৰ পৰা ২০১৬ চনলৈ যদি মই মনত পেলাও, মোৰ জাগীৰোড সমষ্টিৰ এজন ল'ৰাই এ.চি.এছ. হিচাপে চাকৰি পাইছিল। যোৱা বছৰ এনে দুজন ল'ৰা-ছোৱালীয়ে APSC ত চাকৰি পাইছিল যাৰ পিতৃ-মাতৃয়েও নাজানে APSC কি। গতিকে, এনে পৰিৱেশ আমাৰ চৰকাৰৰ দিনত কৰা হ'ল। এই ক্ষেত্ৰত যে আমি কোনো ধৰণৰ কম্প্ৰমাইজ নকৰো সেইয়া সদনক আশ্বাস দিছো। ২০১৩ চনৰ তদন্তই যিহেতু সম্পূৰ্ণ হোৱা নাই, সেয়েহে আমি ২০১৪ চনৰ তদন্তলৈ অগ্ৰসৰ হ'ব পৰা নাই। আমি নিশ্চিত ভাৱে অগ্ৰসৰ হ'ম তাত কোনো কম্প্ৰমাইজ কৰা নহ'ব। লগতে, প্ৰয়োজন সাপেক্ষে এই কমিশ্যনৰ কাৰ্য্যকালো আগুৱাই দিয়া হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া নিয়ম ৩০১ - শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ):** মাননীয় অধ্যক্ষ মহোদয়, 'নিয়ম ৩০১'ৰ অধীনত " শ্ৰী শ্ৰী মহাপুৰুষ মাধৱদেৱৰ ইতিহাস প্ৰসিদ্ধ বৈঠাপোতা ঘাট সত্ৰস্থিত বাঘবৰ পাহাৰক পৰ্যটন থলী হিচাপে গঢ়ি তোলা হওক" এই প্ৰস্তাৱটো আজি সদনত উত্থাপন কৰিবলৈ আপুনি অনুমোদন দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সাহিত্য-সংস্কৃতি, ধৰ্মৰ পুৰোধা ব্যক্তি আমাৰ সকলোৰে নমস্য শ্ৰী শ্ৰী শংকৰদেৱৰ অতি প্ৰিয় শিষ্য শ্ৰী শ্ৰী মাধৱদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে ব্ৰহ্মপুত্ৰ নদী নাৱেৰে ভটিয়াই যাওঁতে বাঘবৰ পাহাৰৰ পাদদেশত বঠা পুতি তাত জিৰণি লৈছিল। সেয়েহে, কালক্ৰমত সেই ঠাইডোখৰক বাঘবৰ পাহাৰৰ পাদদেশত বৈঠাপোতা ঘাট সত্ৰ নামেৰে এটি সত্ৰ স্থাপিত হয় আৰু তেতিয়াৰ পৰাই এই সত্ৰলৈ অসম তথা অসমৰ বাহিৰৰ বিভিন্ন ঠাইৰ পৰা সহস্ৰাধিক বৈষ্ণৱ ভক্ত প্ৰত্যেক বছৰে শ্ৰী শ্ৰী মাধৱদেৱক শ্ৰদ্ধা জনাবৰ কাৰণে ভ্ৰমণ কৰিবলৈ যায়। সেই সত্ৰৰ লগতে বাঘবৰ পাহাৰ আছে আৰু তাৰ কাষেৰে ব্ৰহ্মপুত্ৰ নদী বৈ গৈছে। ব্ৰহ্মপুত্ৰ নদীৰ সিপাৰে vast expansion of sand, large agricultural field আছে । মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ ইয়াৰ পৰা পৰ্যটকসকলে গোৱালৈ যায়, "Sun Land and Frolic"বুলি যিটো কথা আছে আমি বাঘবৰ পাহাৰ আৰু বৈঠাপোতাঘাট সত্ৰক কেন্দ্ৰ কৰি যদি পৰ্য্যটক স্থলী হিচাপে গঢ় দিওঁ আৰু ব্ৰহ্মপুত্ৰ নদীৰ সিপাৰে যি বালি আছে আৰু বৃহৎ এলেকা জুৰি সেউজীয়া কৃষি ক্ষেত্ৰ আছে তেতিয়াহ'লে দেশৰ বিভিন্ন ঠাইৰ পৰা যেনেকৈ পৰ্য্যটক গোৱাত যায় তেনেকৈ পৰ্য্যটক বাঘবৰ পাহাৰলৈও আহিব। সেইকাৰণে মই বৈঠাপোতাঘাট আৰু বাঘবৰ পাহাৰক সাঙুৰি এটি পৰ্য্যটক স্থলী হিচাপে গঢ়ি তুলিবৰ কাৰণে চৰকাৰৰ ওচৰত আবেদন জনাইছো এই প্ৰস্তাৱৰ যোগেদি।

মাননীয় অধ্যক্ষ মহোদয়, আন এটা ঐতিহাসিক কথা নক'লে মোৰ আজি বক্তব্য সম্পূৰ্ণ নহ'ব। আজি আমি সকলোৱে পাহৰি গৈছো যে আহোম আৰু মানৰ মাজত শেষ যুদ্ধ হৈছিলে হাদিৰা চকীত। চন্দ্ৰকান্ত সিংহক আমি পাহৰি যোৱা নাই। চন্দ্ৰকান্ত সিংহ আৰু মানৰ মাজত শেষ যুদ্ধ হৈছিলে হাদিৰা চকীত। এতিয়া হাদিৰা চকী মানাহ নদীৰ সিপাৰে আছিলে আৰু এই হাদিৰা চকীতেই ফুলৰা পাহাৰ অৱস্থিত। ফুলৰা পাহাৰটোকে হাদিৰা চকী বুলি কোৱা হয়। তাৰ নাতিদূৰত আছে চতলা পাহাৰ। বাঘবৰৰ পৰা অতি কম দূৰত্বত এই মান আহোমৰ শেষ যুদ্ধস্থলী হাদিৰা চকী, ফুলৰা, চতলা আদি অৱস্থিত। মাননীয় অধ্যক্ষ মহোদয়, খুব সম্ভৱ ১৯৩৭ চনতেই শৈলধৰ ৰাজখোৱা ডাঙৰীয়া, তেতিয়া তেখেত গোৱালপাৰাত মাটিৰ হাকিম আছিল। গোৱালপাৰাৰ পৰাও

এই বাঘবৰ, ফুলৰা, চতলাৰ এক নৈসৰ্গিক দৃশ্য আমি দেখিবলৈ পাওঁ। তেখেতে গোৱালপাৰাৰ আই বি ত বহি সেই তেতিয়াই বাঘবৰ, ফুলৰা, চতলাক উদ্দেশ্য কৰি কবিতা লিখিছিলে যে- "উঠা হে ফুলৰা, উঠা হে চতলা, সৌভন্য জুগি বাঘবৰ বহিছে দানব নবহে তাৰ মন।"

মাননীয় অধ্যক্ষ মহোদয়, এই যিটো ইতিহাস বিজৰিত কথা , আজি আমি অতীতক লৈ গৌৰৱ কৰো কিন্তু মান আহোমৰ শেষ যুদ্ধস্থলী হাদিৰা চকী পাহৰণিৰ গৰ্ভত। আমি চন্দ্ৰকান্ত সিংহৰ স্মৃতি যুগমীয়া কৰিবলৈ আমাৰ চিৰ নমস্য শ্ৰী শ্ৰী মাধবদেৱৰ স্মৃতি বিজৰিত বৈঠা পোতাঘাট সত্ৰ, ফুলৰা, চতলা, বাঘবৰ পাহাৰক লৈ আমি অনাগত দিনত tourism ৰ কাৰণে এটা চতুৰ্ভূজ আকৃতিৰ এটা tourism quadrilateral নিশ্চয় গঠন কৰিব পাৰো। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি সদনক জনাব খুজিছো যে এটা সময়ত যাতায়াতৰ যথেষ্ট আহুকলীয়া পৰিৱেশ আছিল। আজি বৰপেটাৰ পৰা বাঘবৰলৈ ১০০ কোটি টকাৰে double lane ৰাস্তা হৈছে। গতিকে মই আপোনাৰ যোগেদি অনুৰোধ কৰিব খুজিছো আমাৰ পৰ্যটন মন্ত্ৰীয়ে যাতে অতি গুৰুত্ব সহকাৰে এই বৈঠা পোতাঘাট ফুলৰা, চতলা, বাঘবৰ পাহাৰ, মান আহোমৰ শেষ যুদ্ধস্থলী হাদিৰা চকী আৰু গোৱালপাৰাক লৈ কেনেদৰে tourism develop কৰিব পাৰে তাৰ ওপৰত এটা ব্যৱস্থা ল'ব। ইয়াৰ লগতে মই মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াকো এটা কথা ক'ব খুজিছো আমাৰ এই বৈঠা পোতাঘাট সত্ৰ নদীৰ বুকুত জাহ যোৱাৰ অৱস্থা হৈছে। অহা ছমাহলৈ এই সত্ৰ নদীৰ বুকুত তিষ্ঠি থাকিবনে নাই সেয়া সন্দেহ হৈছে। এই বৈঠা পোতাঘাট, সত্ৰ ৰক্ষণাবেক্ষণৰ কাৰণে SDRF ৰ পৰা ৩কোটি ৩৯ লাখ টকাৰ এটা প্ৰস্তাৱ দিছিল, সেইটো sanction হোৱা নাই। এই বাৰিষাৰ আগতে যদি আমি বৈঠা পোতাঘাট protection নকৰো হয়তো এই ঘাট নদীৰ বুকুত বিলীন হৈ যাব। গতিকে মই জলসম্পদ আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যাতে আপোনালোকে এটা joint visit কৰি চাওক যে মই কোৱা কথাটো সত্য হয় নে নহয়। বৈঠা পোতাঘাট নদীৰ বুকুত জাহ যোৱাৰ কালিমা যাতে মোৰ গাত নপৰে তাৰকাৰণে মই আপোনালোকক বৈঠা পোতাঘাট ৰক্ষণাবেক্ষণ দিবলৈ ৩কোটি ৩৯ লাখ টকা অতি সোনকালে SDRF ত যাতে sanction দিয়ে তাৰকাৰণে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী বিমল বৰা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্বেৰমান আলী ডাঙৰীয়াই অতি গুৰুত্বপূৰ্ণ বিষয় এটা উত্থাপন কৰিছে। বৈঠা পোতাঘাট সত্ৰই গুৰুজনাৰ যি চিন্তা সেয়া প্ৰতিফলিত কৰিছে। সত্ৰীয়া সংস্কৃতিৰ অন্যতম পীঠস্থান বৰপেটা জিলা বুলি আমি সকলোৱে জানো। মহাপুৰুষ শ্ৰী শ্ৰী শংকৰ দেৱ, মাধৱদেৱ আৰু দামোদৰদেৱৰ উপৰিও নাৰায়ণ দাস ঠাকুৰ আতাই মুঠ ৮ খন সত্ৰ এই জিলাত স্থাপন কৰিছিল। ইয়াৰে এখন হৈছে মহাপুৰুষ মাধৱদেৱে প্ৰতিষ্ঠা কৰা বৈঠা পোতাঘাট সত্ৰ। এই সত্ৰখন বৰপেটা জিলাৰ ৪৫ নং বাঘবৰ সমষ্টিৰ মন্দিয়া মৌজাৰ অন্তৰ্গত আৰু ব্ৰহ্মপুত্ৰ নদীৰ পাৰত, বাঘবৰ পাহাৰৰ দাঁতিত অৱস্থিত।ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ কাৰণে সত্ৰখনে আগতে দুবাৰ স্থান পৰিৱৰ্তন কৰিবলগীয়া হৈছে। জনশ্ৰুতি অনুসৰি মহাপুৰুষ মাধৱদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে তীৰ্থ নগৰী হাজোৰ পৰা কোচবিহাৰলৈ ব্ৰহ্মপুত্ৰ নদীৰে নৌকা যাত্ৰা কৰিছিলে। আপোনালোকে জানিবলৈ পাই সুখী হ'ব যে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গুৰুজনাই তীৰ্থ ভ্ৰমণ কৰিবলৈ অসমৰ যি সমূহ ঠাইলৈ গৈছিল সেই প্ৰতিখন ঠাইকে তীৰ্থস্থান হিচাপে চিহ্নিত কৰাৰ উপৰিও একো একোটা নামঘৰ নিৰ্মাণ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। ভৱিষ্যতৰ প্ৰজন্মৰ কাৰণে গুৰুজনাৰ স্মৃতি বিজড়িত এই ঠাই সমূহ সদায় স্মৰণীয় হৈ থাকিব তাৰবাবে

আমাৰ অসম চৰকাৰে এই ডাঙৰ আয়োজন কৰিব। মই ভাৱো আমাৰ শাসক বিৰোধী সকলোৱে তাৰবাবে সমৰ্থন জনাব। সেই নৌকা যাত্ৰা কৰোতে এন্ধাৰ হোৱা বাবে মহাপুৰুষ মাধৱদেৱে বৈঠাপুতি বৈঠাৰ ওপৰত চাকি জ্বলাই তাত নাম কীৰ্তন কৰিছিল। ঘাটত বৈঠাপুতি বৈঠাৰ ওপৰত চাকি জ্বলাই নাম কীৰ্তন কৰা হেতুকে সত্ৰখনৰ নাম বৈঠা পোতা ঘাট সত্ৰ বুলি নামাকৰণ কৰা হয়। ব্ৰহ্মপুত্ৰ নদী বিস্তাৰিত হোৱাৰ কাৰণে প্ৰথমতে কোনখিনি ঠাইত সত্ৰ স্থাপন কৰা হৈছিল সেয়া জনাটো সম্ভৱ নহয়। ১৯১০ চনত বাঘবৰৰ ৰাইজৰ সহযোগত বাঘবৰ পাহাৰৰ দাঁতিত সত্ৰখন পুনৰ স্থাপন কৰা হৈছিল। শ্ৰী শ্ৰী মাধৱদেৱে বাঘবৰৰ পৰা প্ৰস্থান কৰাৰ সময়ত বৈঠা আৰু চাকিগছি স্থানীয় ৰাইজক অৰ্পণ কৰিছিল। খুব ধুনীয়া এটা জনশ্ৰুতি আছে। এই সত্ৰখনত বছৰেকত কেইবাটাও উৎসৱ পালন কৰা হয়। শ্ৰীকৃষ্ণৰ দৌল উৎসৱ, শ্ৰী শ্ৰী শংকৰদেৱৰ জন্মোৎসৱ, শ্ৰী শ্ৰী মাধৱদেৱৰ জন্মোৎসৱ, শ্ৰী শ্ৰী শংকৰদেৱৰ তিৰোভাৱ তিথি, শ্ৰী শ্ৰী মাধৱদেৱৰ তিৰোভাৱ তিথি, শ্ৰী শ্ৰী মথুৰা দাস বুঢ়া আতা তিৰোভাৱ তিথিকে আদি কৰি অন্যান্য বহু অনুষ্ঠান হয়। প্ৰতি বছৰে ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা এই ঠাইত ভক্তৰ সমাগম হয়। গতিকে ইয়াত পৰ্য্যটনৰ যথেষ্ট সম্ভাৱনা আছে। ইয়াৰ উপৰিও ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াই জনাইছে যে আহোম আৰু মানৰ শেষ ৰণখন এই হাদিৰা চকীত হৈছিল আৰু ব্ৰহ্মপুত্ৰ নদী আৰু বাঘবৰ পাহাৰে এই সত্ৰখনক যি অনাবিল সৌন্দৰ্য্য প্ৰদান কৰিছে,এই যি ঐতিহ্য আৰু সৌন্দৰ্য্য দুয়োটাকে সংমিশ্ৰণ কৰি নতুন প্ৰজন্মৰ কাৰণে আকৰ্ষণৰ এটা পৰ্য্যটনস্থলী হিচাপে আমি নিৰ্মাণ কৰিব পাৰো। ঐতিহাসিক এই সত্ৰখনৰ চৌপাশে এটা জলপ্ৰপাত আছে। গতিকে treking ৰ পৰা আদি কৰি বিভিন্ন adventure sports কে ধৰি বিভিন্ন ধৰণৰ পৰ্য্যটকক আকৰ্ষণ কৰিবলৈ আমি চেষ্টা কৰিম। ইয়াৰ কাৰণে কিছু কাম তাত আৰম্ভ হৈছে। এই ঠাইখিনিৰ ঐতিহাসিক গুৰুত্বৰ অন্যতম কাৰণ হৈছে হাদিৰাচকীৰ ৰণ। গতিকে ট্ৰেকিঙৰ পৰা আৰম্ভ কৰি বিভিন্নধৰণৰ এডভেঞ্চাৰ স্পৰ্টছকে ধৰি এটা পৰ্য্যটনস্থলীলৈ উন্নীত কৰিবলৈ আমি আগন্তুক দিনত চিন্তা কৰিম। অৱশ্যে ইয়াৰ বাবে কিছু কিছু কাম তাতে হৈছে। এই ঠাইখিনিৰ ঐতিহাসিক গুৰুত্বৰ অন্যতম কাৰণ হৈছে হাদিৰা চকীৰ ৰণ।

উপাধ্যক্ষ মহোদয়, ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি হৈছিল। হাদিৰা চকীত আহোম আৰু মানৰ মাজত যিটো ৰণ হৈছিল, সেই ৰণথলী বৰ্তমান বাঘবৰ থানাৰ পৰা ১২ কি.মি দূৰত্বত অৱস্থিত। তাতে ১৩৫৫ চনতে কছাৰী ৰজা আৰিমত্তই মা বাঘেশ্বৰী মন্দিৰ নিৰ্মাণ কৰিছিল। গতিকে আপোনাৰ সমষ্টি বহুতো ঐতিহাসিক সমলেৰে সমৃদ্ধ। বাঘবৰ পাহাৰত কেইবাটাও গুহা আছে। এই গুহাবিলাকত এতিয়া যথেষ্ট অজগৰ সাপ আৰু কেটেলা পহু আছে। এই গুহাবোৰত এতিয়া মানুহ সোমোৱাটো অসুবিধাজনক হৈছে। গতিকে এই গোটেই কথাবিলাকৰ ওপৰত নিৰ্ভৰ কৰিয়েই অসম পৰ্য্যটন বিভাগৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ পৰ্য্যটন বিভাগৰ দ্বাৰা ২০২০-২১ চনত আমি এটা চাৰ্কিট হাউচ কৰিছিলো- সৰ্থেবাৰী- বৰপেটা, পাটবাউসী, কনৰা, সৰভোগ আৰু বৰভাগ এই সমষ্টিবিলাকৰ ক্ষেত্ৰত আমি বহু আঁচনি লৈছিলো। তাত প্ৰায় ৫৫ লাখ টকাৰে এটা অতিথি গৃহ নিৰ্মাণ কৰিছিলো, আদৰণি তোৰণ নিৰ্মাণ কৰিছিলো, ৰিটেইনিঙ ৱাল আৰু ইন্টাৰনেল পথ নিৰ্মাণ কৰিছিলো। ধৰ্মীয়, ঐতিহাসিক, প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ লগতে জলক্ৰীড়া, পৰ্ব্বত আৰোহণ আদি সমলয়েৰে জড়িত বৈঠাপোতা সত্ৰক কেন্দ্ৰ কৰি এই ঠাইখিনি পৰ্যটন মানচিত্ৰত আগন্তক দিনত আমি নিশ্চিতভাৱে তুলি ধৰিম। গতিকে, এই ক্ষেত্ৰত আপোনাৰ সহযোগিতা আমি কামনা কৰিছো। মই পৰ্য্যটন বিভাগ, সাংস্কৃতিক বিভাগ আৰু ক্ৰীড়া বিভাগ এই তিনিটা বিভাগৰ বিষয়াসকলক লগত লৈ বৈঠাপোতা অঞ্চল ভ্ৰমণ কৰিম। আপুনিও তাত সহযোগ কৰিব ।

গোটেইখিনি আমি চৰজমীন তদন্ত কৰিম আৰু আগন্তুক দিনত এই অঞ্চল আগবাঢ়ি যোৱাৰ বাবে উদ্যোগ গ্ৰহণ কৰিম।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** অধ্যক্ষ মহোদয়, মোৰ ফালৰ পৰা মই তেখেতক ধন্যবাদ জনাইছো । মই আশা কৰিছো আমাৰ দুই এজন মন্ত্ৰীয়ে তাত এটা জইন্ট ভিজিট কৰিব লাগে। এইটো মোৰ অনুৰোধ।

**শ্ৰীবিমল বৰা, (মন্ত্ৰী, পৰ্য্যটন ইত্যাদি) ঃ** নিশ্চয় আপোনাৰ সমষ্টি বাঘবৰত যাম। ৰঞ্জিত দাস ডাঙৰীয়া, পিয়ুষ হাজৰিকা ডাঙৰীয়া আৰু মই আটাই কেইজনে যাম। চলিত বিধান সভাৰ পিছতে তাৰিখ এটা সিদ্ধান্ত কৰি আমি তালৈ যাম ।

**শ্ৰীপিযুষ হাজৰিকা ,(মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** উপাধ্যক্ষ মহোদয়, শ্বেৰমান আলী ডাঙৰীয়াই যদিও মূল প্ৰশ্নটো ৱাটাৰ ৰিৰ্চোচ ডিপাৰ্টমেন্টৰ কথা অনা নাছিলে- তেখেতে ভাষণত কৈছে । কিন্তু তেখেতে ভাষণত কোৱা কথাখিনি মই গ্ৰহণ কৰিছো। এচ ডি আৰ এফৰ কথাখিনি তেনেকুৱা নহয়। এচ ডি আৰ এফৰ এখন কমিটি থাকে । এই বিষয়ত ডিষ্ট্ৰিক্ট লেভেলত মিটিং হয়, ষ্টেট লেভেলত মিটিং হয় সেইখন ইতিমধ্যে হৈ গ'ল। আপুনি মোক যেতিয়া দিছিল , মিটিঙ হোৱাৰ পিচত দিছিল , সেইটো কাৰণে কমিউনিকেশ্যন গেপ হ'ল। কিন্তু যিহেতু আপুনি সত্ৰৰ কথা ক'লে গতিকে আমি নিশ্চয় সত্ৰখন কেনেকৈ সংৰক্ষণ কৰিব পাৰো নিশ্চয় কথা পাতিম আৰু একেলগে গৈ আমি এই সত্ৰখন চাই আহিম।

**মাননীয় উপাধ্যক্ষ ঃ** বিষয়টো খুব সুন্দৰ । মই প্ৰশ্নকৰ্ত্তা আৰু উত্তৰ দিয়া মন্ত্ৰী দুগৰাকীকো ধন্যবাদ জনাইছো। যেতিয়া ভিজিটত যায় আমাকো নিমন্ত্ৰণ কৰিব আমিও তাৰ অংশীদাৰ হ'ব বিচাৰো। এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৩০১ এ অবৈধ কয়লা বন্ধ করতে গিয়ে বৈধ কয়লা বন্ধ করায় সরকার যে ভাবে রাজস্ব হারাচ্ছে সমহারে মানুষ ভূক্তভোগী। এই বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য ধন্যবাদ জ্ঞাপন করছি। উপাধ্যক্ষ মহোদয় "বাণিজ্যে বসতি লক্ষ্মী তদ্ধং কৃষি কর্মাণি, তদ্ধাং রাজসভাং, বৃক্ষাসয়ং নৈবচ নৈবচ" অর্থাৎ অধ্যক্ষ মহোদয় একটি রাষ্ট্র এবং একটি দেশ বা একটি রাজ্যে মানুষ নির্ভরশীল ব্যবসার মাধ্যমে। কিন্তু বাস্তব চিত্রটি হচ্ছে ২০ ও ২২ তারিখ আমাদের মাননীয় মুখ্যমন্ত্রী এই বিধান সভায় সগৌরবে ঘোষণা করেছিলেন যে স্থানীয় সুপারি এবং কয়লার জন্য একটি এসওপি তৈরি করা হবে। আমি প্রশ্ন করেছিলাম তার উত্তরে মুখ্যমন্ত্রী বলেছিলেন যে ১২ জানুয়ারির মধ্যে এই এসওপি তৈরি করা হবে। অধ্যক্ষ মহোদয়, সেই সুবাদে মাননীয় মন্ত্রী বিমল বরা ও মাননীয় মন্ত্রী যোগেন মহনকে পাঠানো হয়েছিল করিমগঞ্জে। সব রাজনৈতিক দল অর্থাৎ আমরা সবাই বলেছিলাম আমাদের সেই কয়লা এক্সপোর্ট লিগেলি চলুক। তাতে আমাদের কোন আপত্তি ছিল না। মন্ত্রী মহোদয়কে জানিয়ে দিয়েছিলাম কিন্তু এক্সপোর্টা ররা, যারা ন্যশনের জন্য রাজস্ব সংগ্রহ করে অর্থাৎ ইউ এস ডলার সংগ্রহ করে । গত বছর প্রায় ৩০০ কোটি টাকা ইউএস ডলার সংগ্রহ করা হয়েছিল। কিন্তু উপাধ্যক্ষ মহোদয়, কয়লা ইস লাইক এ স্মাগলিং প্রডাক্ট। বর্তমানে স্মাগলিং প্রডাক্ট হয়ে গিয়েছে। যারা লিগেলি এক্সপোর্ট করবে, যারা জিএসটি দেবে,টেক্স দেবে ওরা এক্সপোর্ট করতে পারছে না। পক্ষান্তরে আমরা দেখছি, দিনের বেলা ১০০-২০০ গাড়ি ডিগড়খাল এলাকার রাস্তায় দাঁড়িয়ে থাকে, রাত্রিবেলা সেই গাড়িগুলো ক্লিয়ার হয়ে যায়। আমার জানা মতে মোটা অঙ্কের টাকা নেওয়া হয়।

উপাধ্যক্ষ মহোদয়, আমার প্রশ্ন হচ্ছে, যারা টেক্স দেবে, যাদের জন্য বলা হয় 'বানিজ্যে

বসতি লক্ষ্মী'। সে ব্যপারে সরকারের উদ্দেশ্য কি ? যে আমরা ব্যবসা- বানিজ্যের মাধ্যমে মানুষকে প্রতিষ্ঠিত করব। ব্যবসার মাধ্যমে যদি সমাজ প্রতিষ্ঠিত হয়, রাষ্ট্র প্রতিষ্ঠিত হয়। আমাদের রাজ্যের জন্য যাতে টেক্স কালেকসন হয়, রাষ্ট্রের জন্য টেক্স কালেকশন হয় সেইদিকে মনোনিবেশ করতে হবে। কিন্তু দেখা যাচ্ছে সেইদিকে মনোনিবেশ দেওয়া হচ্ছেনা। উপাধ্যক্ষ মহোদয়, সমহারে আমরা বলেছিলাম যে বার্মিস সুপারি স্টক করা হোক। লকেল সুপারি যেগুলো আছে সেগুলোর জন্য এসওপি তৈরি করা হোক। কিন্তু আজ অবধি এসওপি তৈরি করা হয়নি। ঘরে ঘরে সুপারি নষ্ট হয়ে যাচ্ছে। কিন্তু সরকার সেই লোকেল সুপারির উপর কোন ব্যবস্থা নিচ্ছেনা। উপাধ্যক্ষ মহোদয়,যেহেতু মুখ্যমন্ত্রী বিধান সভায় বলেছেন সেটাই ফাইনেল কথা। কিন্তু মুখ্যমন্ত্রী বিধানসভায় বলেছেন সেটার উপরে যদি এসওপি তৈরি করা হয় না তাহলে মুখ্যমন্ত্রীর ভাবমূর্তির উপর কথা আসবে। যে মুখ্যমন্ত্রী কেনই বা এই সদনে বললেন আর সদনে বলার পর মুখ্যমন্ত্রীর কথাগুলো কেন ইমপ্লিমেন্ট করা হচ্ছেনা। অধ্যক্ষ মহোদয়, গোলকগঞ্জ লেণ্ড কাস্টম দিয়ে শত-শত গাড়ী এক্সপোর্ট করা হচ্ছে, সেখানে রাজস্ব সংগ্রহ করা হচ্ছে। কিন্তু আমাদের এখানে সেই এক্সপোর্টগুলো বন্ধ করে রাখা হয়েছে। উপাধ্যক্ষ মহোদয়, তাতে লোকেল সুপারি নষ্ট হয়ে যাচ্ছে, বিশেষ করে যে দোকানগুলোতে লোকেল সুপারির ব্যবসা করে সেই দোকানগুলো তালা দেওয়া হচ্ছে। সেই দোকানগুলো বন্ধ করা হচ্ছে। কি চলছে ? সরকারের যদি উদ্দেশ্য থাকে যে আমরা ব্যবসার মাধ্যমে সমাজকে প্রতিষ্ঠিত করব, ব্যবসার মাধ্যমে মানুষকে প্রতিষ্ঠিত করব। বর্তমান সময়ে দেখা যাচ্ছে বহু কথা, কিন্তু আলটিমেটলি আজ ব্যবসাগুলো বন্ধ করার যে প্রক্রিয়া চলছে এতে কিন্তু আমি মনে করি, আমাদের সামাজিক ভাবে মানুষ লোসার হচ্ছে। পক্ষান্তরে,আমরা দেখি যদি শত শত গাড়ী থেকে কালেকশন করা হচ্ছে, শত শত গাড়ি আটক করে রাখা হয়। এখন রাখা হচ্ছে না, মাননীয় পিযুষ হাজারিকা মহাশয় এখানে আছেন। এখন গাড়ী রাখা হচ্ছে না, রাস্তা বন্ধ থাকায়। কিন্তু রাস্তা যখন খোলা থাকে তখন দিনের বেলায় শত -শত গাড়ী দাঁড়িয়ে থাকে, বিকেল বেলায় সেই গাড়ীগুলো ক্লিয়ার হয়ে যায়। যদি সরকারের সদিচ্ছা থাকে তাহলে এসওপি তৈরি করা হোক। মুখ্যমন্ত্রী বলেছেন,এসওপি তৈরি করা হবে। মন্ত্রীদের পাঠানো হয়েছে, সব পলিটিক্যাল পার্টিও বলল। কিন্তু তার পরেও কেন এসওপি তৈরী করা হচ্ছে না। আমি মনে করি সরকারের সদিচ্ছার কিছুটা অভাব আছে। আমরা পজেটিভ, আপনারা অবৈধ কয়লা বন্ধ করুন, আপনারা বার্মিস সুপারি বন্ধ করুন। কিন্তু লোকেল সুপারি, যেগুলো লিগেলি টেক্স দিয়ে এক্সপোর্ট ইমপোর্ট হয় এবং যেখান থেকে আমাদের রাজ্য সরকার, কেন্দ্র সরকার ইউ এস ডলার আর্ন করছে সেগুলো বন্ধ করে রাখা হচ্ছে। এতে কিন্তু অসমের লস হচ্ছে। অসমের আত্ম-সামাজিক উন্নয়নও লস হচ্ছে। এতে অসমের অর্থনৈতিক ভাবে লস হচ্ছে। অসমের মানুষের উন্নতির ক্ষেত্রে বিরাট একটি কষ্টের সম্মুখীন হয়ে দাঁড়িয়েছে। তাই আমি মনে করি মুখ্যমন্ত্রী যেহেতু বলেছেন, আর মুখ্যমন্ত্রীর কথা যেহেতু শেষ কথা, বিধানসভায় ও বলেছেন এবং মুখ্যমন্ত্রীর কথায় যদি এসওপি তৈরি করা হয়না তাহলে বোঝা যাবে যে মুখ্যমন্ত্রীর কথার কোন দাম নেই। তাই বিধানসভায় যদি বলা হয়ে থাকে, আমার দাবি থাকবে এসওপি তৈরি করা হোক, লকেল সুপারির ব্যবসা করতে দেওয়া হোক। এক্সপোর্ট ইমপোর্ট হোক, এবং ইললিগেল কয়লা এবং বার্মিস সুপারি বন্ধ করার অনুরোধ জানিয়ে বিশেষ করে সরকারের সদিচ্ছা এবং আমাদের তরফ থেকে সহযোগীতার আস্বাস জানিয়ে আমার বক্তব্য শেষ করছি।

**শ্রীপিযুষ হাজৰিকা ,(মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** Export ৰ ক্ষেত্ৰত কিছু সমস্যা আছে।

Export ৰ কাৰণে legal coal extraction হ'ব লাগিব আৰু লিগেল কৰিলেহে পঠাব পাৰি। এই মুহূৰ্তত অসমত Sufficient legal coal extraction নাই হোৱা। মেঘালয়ৰ কয়লা সেইখিনি লিগেল নে ইল্লিগেল তাত disclude আছে। গতিকে export কৰিবলৈ আমাৰ হাতত যথেষ্ট কয়লা নাই মই যিমানখিনি জানো। কিন্তু, আমাৰ লোকেল এৰিয়াত বৰাকভেলীৰ কাৰণে কয়লা এই মুহূৰ্তত transportation চলি আছে। এইকেইদিন এখন দলং বন্ধ হৈ থকাৰ কাৰণে কয়লাৰ transportation বন্ধ। অন্যহাতে সাধৰণতে চলি আছে। কিন্তু বৰাকভেলীত অলপ সমস্যা আছে। বৰাকভেলীত লিগেল কয়লাক ইল্লিগেল বুলি কয়, ইল্লিগেল কয়লাক লিগেল বুলি কয়। মই বৰাকভেলীৰ ৰাইজক সন্মান কৰো। বৰাকভেলীত মই ১৯৯৯ চনৰ পৰা গৈ আছো, বাচত উঠি যোৱাৰ দিনাৰ পৰা গৈ আছো। বৰাকভেলীৰ মানুহৰ লগত মোৰ খুব ভাল সম্পৰ্ক। মই মানুহক কাকো অসন্মান কৰি কোৱা নাই, কিন্তু তাতে ৰৌ টোকে টৌ টো কৰা অলপ বেছি হয়। গতিকে তাত কেতিয়াবা লিগেল কাম কৰিবলৈও চৰকাৰ বা মন্ত্ৰী বা বিধায়কে ভয় খাই যায়। আজি মই আকৌ কৈছো লিগেল, ইল্লিগেলৰ হিচাপটো কৰিবলৈ তাত অলপ গণ্ডগোল। আমি যদি অভাৰলোড দিও, ইল্লিগেল বুলি ধৰো, তেতিয়া সবেই ইল্লিগেল হৈ যাব। কিন্তু আমি যদি কওঁ যে অভাৰলোডটো ইল্লিগেল নধৰো, তেতিয়া তাত সব লিগেল। গতিকে সেই লিগেল ইল্লিগেলৰ আমাৰ পৰি প্ৰথানিটো আমি কেনেকৈ বাছি উলিয়াম, তাত dispute হয় কাৰ ক'ত আমাৰ বৰাকভেলীত। আমাৰ বহ্মপুত্ৰভেলীত যিটো নহয়। বৰাকভেলীত সেইটোকে লৈ হুলস্থূল হয়। গতিকে তাৰ কাৰণে চৰকাৰে কিছু কিছু ক্ষেত্ৰত নিজক কণ্ট্ৰোল কৰিবলৈ বাধ্য হয়। কাৰণ লিগেল কাম কৰিবলৈ গৈ যদি কমলাক্ষ দে পুৰকায়স্থই কৈ দিব ইল্লিগেল কৰি আছে বুলি। ইল্লিগেল চলি থকা নাই লিগেলে চলি আছে। মই দৃঢ়তাৰে কওঁ বৰাকভেলীত যাৰ লিগেল পেপাৰ্চ আছে তেওঁলোকেহে কয়লা সোমাব পাৰিছে, ইল্লিগেল কোনোৱে পৰা নাই, কিন্তু মই আকৌ কৈছো।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ , (উত্তৰ কৰিমগঞ্জ) ঃ** তেনেহলে এইখিনি export কিয় নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** Please. কথাখিনি শুনক।

**শ্ৰীপিযুষ হাজৰিকা ,(মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** Insufficient, আপোনাৰ প্ৰশ্নটোত কি আনিছে, আপুনি শুনক, insufficient sufficient মই শব্দকেইটা কৈছো নে নাই? আপুনি কৈছে যে আপোনাৰ তাত ইটাভাটাৰ কাৰণে কয়লা নাই আৰু আপুনি export ৰ কথা কৈ আছে। মই কৈ আছো যে প্ৰথমে ইটাভাটা কেইটাত কয়লা দিব লাগে, আমাৰ বাগান কেইখনত কয়লা দিব লাগে। তাৰপিছতহে আমি export ৰ কথা লৈ আহিম। প্ৰথমে নিজৰ ঘৰখন ঠিক নকৰো, আমি গৈ বাংলাদেশ ঠিক কৰিবলৈ যাম।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** Legal ৰ কথা।

**মাননীয় উপাধ্যক্ষ ঃ** Please, শুনক।

**শ্ৰীপিযুষ হাজৰিকা ,(মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** আপুনি প্ৰশ্নটোত কৈছে যে ইটাৰভাটা চলিবলৈ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** Export ৰ কথা আছে।

**শ্ৰীপিযুষ হাজৰিকা,(মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** Export ক'ৰ পৰা কৰিম, আপোনাৰ ঘৰত বস্তু নাই, Export ক'ৰ পৰা কৰিব। কৈ আছো দেখো মই।

**মাননীয় উপাধ্যক্ষ ঃ** উত্তৰটো শুনক।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** আপোনালোকৰ এইটোৱে সমস্যা, এই সদনৰ গোটেইখিনিয়ে যেনেকৈ কথা কয় আপুনি তেনেকৈ নকয়। আপোনাৰ সমস্যাটো সেইটো। আপুনি

যেতিয়া কৈ আছিল মই কিবা শব্দ কৈছিলো নেকি? শুনাৰ ধৈৰ্য্য নাই। মই কৈ আছো যে আমাৰ যেতিয়া Sufficient product over হ'ব, আমি export কেতিয়া কৰো, যেতিয়া আমাৰ ইয়াত available আমি বাহিৰত পঠিয়াব লাগে। মোৰ ঘৰত খাবলৈ আধা আছে, মই বেলেগলৈ কেনেকৈ পঠামঙ্গ গতিকে ইল্লিগেল কয়লাটো export নহ'ব। গতিকে লিগেল কয়লা চাফিচিয়েন্ট এমাউন্টতকৈ যদি ওপৰত যায় definitely export ৰ কাৰণে ব্যৱস্থা কৰা হ'ব। তেখেতে চুপাৰিৰ কথা যিটো কৈছে হয়, এই মুহূৰ্তত যিকোনো চুপাৰি পৰিবহণ বৰাকভেলীত বন্ধ আছে। বৰাকভেলীত কি হয় মিজোৰাম বা মণিপুৰৰ পৰা ইল্লিগেল চুপাৰি সোমাও সোমাও কৈ থাকে। গতিকে যদি খুলি দিয়া যায় লগে লগে বাৰ্মিজ চুপাৰি তাত সোমাই যায়। বাৰ্মিচ চুপাৰিৰ গাড়ীত কি হয় ড্ৰাগ্‌চ আহে, আৰ্মচ্‌ আহে বুলি সকলোৱে স্বীকাৰ কৰে। কাৰণ আপোনালোকে দেখিছে যে আমি ইয়াতে যিমান ড্ৰাগ্‌চ ধৰি থাকো বেছিভাগ ৰুটটো ক'ত, ম্যানমাৰ। ম্যানমাৰৰ পৰা অহা ট্ৰাক বা সীমান্তৰ পৰা অহা ট্ৰাক আমি গুৱাহাটীত ধৰো, অসমত ধৰো তাত ড্ৰাগ্‌চ ওলায়। গতিকে সেই কাৰণে চৰকাৰে এইবিষয়ে চিন্তাচৰ্চা কৰি আছে। কিন্তু আমাৰ যিখিনি স্থানীয় মানুহ আমাৰ যিখিনি স্থানীয় প্ৰডাক্ট সেইখিনিকটো আমি অসুবিধাত পৰিব দিব নোৱাৰোঁ। গতিকে চৰকাৰে এই ক্ষেত্ৰত চিন্তা চৰ্চা কৰি আছে। যাতে স্থানীয় চুপাৰীৰ নামত বাৰ্মিচ চুপাৰী আহিব নোৱাৰে তাৰ কাৰণেহে আমি কিছু চিন্তা চৰ্চা কৰি থকাৰ কাৰণে অকমান দেৰি হৈছে। মই অস্বীকাৰ কৰা নাই। কিন্তু ইল্লিগেল চলাব দিয়া নাই কাৰণেটো লিগেলে অলপ ক'ৰবাত কষ্ট পাই আছে। গতিকে নিশ্চয় এই ক্ষেত্ৰত আমি সোনকালে এই সমস্যাটো সমাধান কৰিবলৈ যত্ন কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ , (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা বস্তু জানিব বিচাৰিছো।

**শ্ৰীনিজামুদ্দিন চৌধুৰী ঃ** উপাধ্যক্ষ মহোদয়।

**মাননীয় উপাধ্যক্ষ ঃ** Please sit down. বেলেগ ডিভাইচত আনিব আপোনালোকে আলোচনা কৰিব। ৩০১ নিয়মটো পঢ়ক। আপুনি এটেনচন দ্ৰ কৰিব পাৰে, কৰিছে মন্ত্ৰীয়ে উত্তৰ দিছে, ৩০১ সমাপ্ত। এতিয়া মাননীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়া।

**শ্ৰীমৃণাল শইকীয়া, (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰী বিষয়া-কৰ্মচাৰীৰ কৰ্ম সংস্কৃতি, এই বিষয়বস্তুটো আগুৱাৰ ৩০১ ত আলোচনা কৰিব দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, এখন ৰাজ্যৰ দ্ৰুত উন্নয়নৰ কাৰণে আটাইতকৈ গুৰুত্বপূৰ্ণ অস্ত্ৰপাত হৈছে চৰকাৰী যিসকল বিষয়া-কৰ্মচাৰী থাকে, তেওঁলোকৰ কৰ্মসংস্কৃতি। তেওঁলোকৰ কাম কৰাৰ আগ্ৰহ জনসাধাৰণৰ কাৰণে যি বোৰ চৰকাৰে আঁচনি তৈয়াৰ কৰে সেই আঁচনিবিলাক ক্ষীপ্ৰ গতিত আগবঢ়াই নিয়াৰ মনৰ ইচ্ছা। কিন্তু আমি বেছি ভাগ চৰকাৰী বিষয়া- কৰ্মচাৰীৰ ক্ষেত্ৰত দেখা পাওঁ যে তেওঁলোকৰ কৰ্মৰ প্ৰতি অৱহেলাৰ বাবে আজি আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মিচন সদ্‌ভাৱনাৰ দৰে আঁচনি আৰম্ভ কৰিব লগীয়া হৈছে। কিহৰ কাৰণে যে আমাৰ সচিবালয়ত লক্ষাধিক ফাইল দম দম হৈ পৰি আছে। এইবিলাক কেৱল ফাইল নহয়, ইয়াত অসমৰ জনসাধাৰণৰ হা-হুমুনিয়াহ, দুখ-কষ্ট, বেদনা সব সোমাই আছে। বহুলোকে ফাইলৰ পিছত দৌৰি দৌৰি হয়তো ইহলীলা সমৰণ কৰিছে, হয়তো নিজৰ সমগ্ৰ হেৰুৱাইছে। কাৰণ গুৱাহাটীলৈ অহা-যোৱাত, ইয়াত থকা মেলাৰ খৰচ। এইটো হৈছে কিয় আমাৰ যিধৰণে চৰকাৰী বিষয়া-কৰ্মচাৰী বিলাকৰ এটা কৰ্মসংস্কৃতি থাকিব লাগিছিল সেই কৰ্মসংস্কৃতিৰ অভাৱ দেখা পোৱা যায় বেছি

সংখ্যকৰে। যি দুই এজনৰ কৰ্মসংস্কৃতি থাকে, তেওঁলোকেও যেতিয়া দেখে যে অফিচত এজন বিষয়া বা কৰ্মচাৰীয়ে যদি একো নকৰাকৈ মাহৰ পিছত দৰমহাটো পাই তেওঁনো কিয় বেছিকৈ কাম কৰিব? এইটো মই কোৱা কথায়ে কেৱল নহয়, আমি বিভিন্ন সময়ত মিডিয়াত দেখি থাকো বা যি সকলে চৰকাৰী অফিচলৈ যায় তেওঁলোকেও এই বস্তুবোৰ দেখি থাকে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ, যে তেওঁ এই সদ্‌ভাৱনাৰ যোগেদি এই ফাইল বিলাক সম্পূৰ্ণ কৰাৰ মে' লৈকে অনলাইন এপ্লাই কৰিব পাৰিম তাৰ পিছত সমধান কৰিবলৈ চেষ্টা কৰিব। আজি কেৱল সচিবালয়ৰ কথা কোৱা হৈছে, বিভিন্ন জিলাৰ ডি চি অফিচ, এচ ডি চি অফিচ বা তেনেধৰণে অফিচ বিলাকত কিমান কৌটি ফাইল দ'ম দ'ম হৈ পৰি আছে, যিবিলাকৰ আধাতকৈ বেছি ফাইলৰ হয়তো এতিয়া কোনো কামেই নাই। তাৰ মালিকেই হয়তো নাই, ফাইলৰ মালিক। এনেকুৱা বিলাকো হৈ আছে। আমি ৰাইজৰ চৰকাৰে চেলাৰীৰ নামত কিমান খৰচ কৰা হয়, যোৱা পাঁচ বছৰত চেলাৰীৰ নামত ২৯২৫৫ কোটি টকা খৰচ হৈছে। পেঞ্চনৰ নামত ২০২০-২১ ত ৯২৯৩ কোটি টকা খৰচ হৈছে আৰু বন্ধ যোৱা ২০২১ ত ৩০ দিন Gazetted holidays আছিল। এইবাৰ তিনি দিন নে কেইদিন বাঢ়িছেহে। ৰেষ্ট্ৰিকটেড হলিডে থাকেই আৰু  যিবিলাক হাফ হলিডে থাকে সেইবিলাকো পূৰ্ণ হলিডেৰ নিচিনা হয় । মই দুটামান উদাহৰণ দিছো যিহেতু মই মোকাবিলা কৰিছো। এইবাৰ মাজুলী নিৰ্বাচনত মই প্ৰচাৰৰ কাৰণে গৈছিলো আৰু মাজুলি সমষ্টি বুলি একেলগে থকা সমষ্টি বুলি ভাবে। মাজুলী বুলি কলে বহুতে আমাৰ নিমাতিঘাটেৰে যোৱা সেই মাজুলী বুলি ভাবে। সেইটো আচলতে সদৰ ঠাই। মোৰ সমষ্টিৰ লগত লাগি আছে মাজুলীৰ কেইখনমান গাওঁ। তাত এজন মানুহে কৈছিলে যে এবছৰত মই ন বাৰ মাজুলী সদৰলৈ গলো এছ টি চাৰ্টিফিকেটৰ কাৰণে আৰু নহ'ল । সেই অঞ্চলৰ পৰা গ'লে মাজুলী সদৰত আচলতে থাকিব লাগিব। নাথাকিলে একেবাৰে ঘুৰি আহিব নোৱাৰে। এবাৰ যাওঁতে মোৰ খৰচ হয় তিনি হাজাৰ টকা। এবছৰত ন বাৰ গ'ল কিন্তু এছ টি চাৰ্টিফিকেট নহ'ল। কেতিয়াবা অফিচাৰ নাথাকিব, কেতিয়াবা কয় কাইলৈ আহিব , তেনেকুৱা ধৰণে মানুহ জনে নালাগে বুলিয়ে ক'লে। সেই যে বিষয়া সকলে মানৱীয় ভাবে নাচায় যে মানুহজনে ইমান দুৰৰ পৰা আহিছে তেখেতক চাৰ্টিফিকেট খন দি দিউ। সেই কাৰণে আমাৰ সমাজত বহুতো সমস্যাৰ সৃষ্টি হয়। আমাৰ গোলাঘাট জিলাত অ' বি চি ডেভেল'পমেন্ট বৰ্ড আছে, মোৰ সমষ্টিটো বহুতো অ' বি চি মানুহ বহুতো আছে। আহোম, চুতীয়া, চাহবাগানৰ লোক। বৰ্ডৰ চেয়াৰমেন জন মোৰ ওচৰত আহি  সদায় কয় যে আমি অ' বিচি চাৰ্টিফিকেট খন একেদিনাই দিব নোৱাৰো। কয় যে আমি এখন ফৰ্ম দিব পাৰো, ফৰ্ম খন লৈ মানুহ জনে চাৰ্কোল অফিচত যাব লাগিব, প্ৰথম খাজানা দিব লাগিব, খাজনা দি চাৰ্কোল অফিচত আবেদন কৰিব লাগিব, চাৰ্কোল অফিচাৰে তাত এটা নোট দিব, নোট দিয়াৰ পিছত এ ডি চি ৰ ওৰচত যাব, এ ডি চিয়ে চহী কৰি দিব তাৰ পিছতহে অবিচি চাৰ্টিফিকেট খন দিব পাৰে। মই লিখি দিও ডি চি লৈ মোক কমপ্লেইন দিয়ে বৰ্ডৰ চেয়াৰমেন জনে। ডি চিয়ে এজন এ ডি চি লৈ লিখি পঠাই আৰু এ ডিচিয়ে কামটো কৰি নিদিয়ে। চাৰ্কোল অফিচাৰৰ নোটতো নালাগে সেইটো ডি চি য়ে কৰিব পাৰে যে নোট নোহোৱাকৈ চাৰ্টিফিকেট খন দিব পাৰে। মই অ' বি চি হয়নে নহয়, মোক খাজানা ৰচিদৰ তাত কি কাম আছে। মোৰ দেউতা-মা অ' বি চি, সেই চাৰ্টিফিকেট খন  দিলেইটো অ' বি চি চাৰ্টিফিকেট খন পাব লাগে। তাত খাজানাৰ ৰচিদ খন কিয় লাগে। বেছিভাগ বাগানৰ লোকৰ মাটি-বাৰী নাথাকে তেতিয়া তেওঁলোকে উলিয়াব নোৱাৰিব। এই বিলাক আচলতে তলতেই নিষ্পত্তি হ'বলগীয়া বিষয়। কিন্তু আমাৰ চৰকাৰী বিষয়া সকলে কিছুমান কাম নিষ্পত্তি কিয় কৰিব নোখোজে মই নাজানো। মই এই বিষয়ে ফৰ্ৱাৰ্ড কৰি দিয়া

কাগজ ডি চি অ'ফিচত পাব যে এই বিষটো উঠাই দিব লাগে আৰু সহজ কৰি দিব লাগে। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈয়ে থাকে যে দেউতাক অ' বি চি হ'লে পুত্ৰ অ' বি চি হ'ব লাগে । আৰু এই যে ফাইলৰ কথাটো কলো মোক এজন বিষয়াই কৈছিলে যে ফাইলে লুডু খেলে। এটা ফাইল গৈ থাকিব, গৈ থাকিব লুডু খেলত যেনেকৈ ওপৰলৈ গৈ থাকে আমাৰ নিজৰ ষ্টিকাৰটো তাৰ দুটা ষ্টেপৰ পিছতো জিকিমেই মোৰ ফালইৰ কাম হৈ যাব। কোনোবা এজন অফিচাৰে লিখিব যে ডিচকাচ বা কিবা এটা নোট লিখি দিব। সেই সাপৰ মুখত যে লুডুত পৰে, ঠিক আহি আহি আকৌ তলত পৰে। নেজত পৰে। আকৌ আগবাঢ়ি যাব লাগিব। সেই তেনেকুৱা ধৰণে আমাৰ এই বিষয়াৰ মেজত ফাইৰ ড'ম বান্ধি গৈছে যাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ মুৰত বোজা ল'বলগীয়া হৈছে । মাননীয় উপাধ্যক্ষ মহোদয়, এখন ৰাজ্যৰ উন্নয়নৰ কাৰণে বিষয়া-কৰ্মচাৰী সকলৰ কৰ্মসংস্কৃতি নাহে কেতিয়াও নহয় । আমাৰ বিষয়া সকলক উদ্‌গনি যগোৱাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই জানুৱাৰীৰ প্ৰথম সপ্তাহত দুদিন হলিডে দিছিলে যাতে তেওঁলোকে নিজৰ মাক দেউতাকৰ লগত থাকক নিজৰ মানৱীয়তা আচলতে ঘূৰি আহক। তেনেকুৱাকৈ বিচাৰ বিবেচনা খিনি কৰিছিলে। সেই কাৰণে আমি আৰু কৰ্মসংস্কৃতি এনেকুৱা বস্তু যে জোৰ জবৰদস্তি কাৰোবাৰ ওচৰত জাপি দিব নোৱাৰো। নিজৰ মনত, নিজৰ তেজত নিজৰ আত্মাত আৰু নিজৰ অন্তৰত আহিব লাগিব। সেই কাৰণে সকলো চৰকাৰী বিষয়া-কৰ্মচাৰী সকললৈ মোৰ অনুৰোধ যে আপোনালোকে ৰাজ্যখনৰ স্বাৰ্থ্যত, জনসাধাৰণৰ স্বাৰ্থ্যত সকলো সমস্যা নিজৰ সমস্যা বুলি ধৰক, মানৱীয় বোধেৰে চাওক আৰু ৰাজ্যখন আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি ধৰণে সপোন দেখিছে তেনেকুৱাকৈ আগুৱাই নিবৰ বাবে চেষ্টা কৰক। ড্ৰাইভিং লাইচেঞ্চ বনোৱাৰ বাবে আগতে ডি টি অ' অফিচলৈ বহুতবাৰ গলো কিন্তু কৰিব নোৱাৰিলো । মাটিবাৰি কাম কৰিবলৈ চাৰ্কোল অ'ফিচত যাবলৈ ভয় কৰি কৰি গৈ মাটি-বাৰিৰ কাম বাদেই দিলে। আজি অসমীয়া মানুহৰ বেছি ভাগৰে মাটিবাৰিৰ থানঠিত নাই । এতিয়া মিছন বসুন্ধৰাৰ যোগেদি চেষ্টা কৰা হৈছে। আগতে মানুহ যায় কাম কৰিবলৈ কিন্তু তাত ইমান এটা সমস্যাৰ সন্মুখীন হয় যে লাগিলে মাটিয়েই নালাগে কিন্তু চাৰ্কোল অ'ফিচ নাযাও । মণ্ডল, কানন গো ইত্যাদি, সেই কাৰণে আমি যদি আগবাঢ়ি যাব লাগে, অসম খন যদি আগবাঢ়ি যাব লাগে আমি প্ৰথম ক্ষেত্ৰত চৰকাৰী বিষয়া কৰ্মচাৰীৰ কৰ্মসংস্কৃতি আমি ঘুৰাই আনিব লাগিব। ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীপিযুষ হাজৰিকা ,(মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াই নিয়মাৱলী ৩০১ ৰ অধীনত যি প্ৰস্তাৱ আনিছে এইটো এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সদনত উত্থাপন কৰিছে। অধ্যক্ষ ডাঙৰীয়া কৰ্মসংস্কৃতি আমাৰ প্ৰতিজন ব্যক্তিৰে জীৱনৰ এটা অত্যন্ত গুৰুত্বপূৰ্ণ কথা। প্ৰতিজন চৰকাৰী কৰ্মচাৰীৰে ভাল কৰ্মসংস্কৃতি থকাটো বাঞ্চনীয় আৰু অসমৰ বাকী সকল মানুহৰো ভাল কৰ্ম সংস্কৃতি হোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ কথা ।

তেখেতে কেইবাটাও গুৰুত্বপূৰ্ণ কথা এই প্ৰসংগত কৈছে যে এখন ড্ৰাইভিং লাইচেঞ্চ বনাওতে হোৱা আহুকালৰ বাবে মানুহে ডি টি অ' অফিচ যাব নিবিচাৰে, আনহাতে এখন কাষ্ট চাৰ্টিফিকেট উলিয়াবলৈ যাওতে কিয় মাটিৰ খাজনা দিয়া ৰচিদ জমা দিব লগা হয় ইত্যাদি ।

মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই এই ক্ষেত্ৰত সকলো শব্দটোৰ পৰা আঁতৰি গৈ কিছুমান শব্দটো প্ৰয়োগ কৰিব বিচাৰিছো। যিহেতুকে সকলো শব্দটোৱে সকলোৰে কৰ্মসংস্কৃতি নথকাটো বুজাব। আনহাতে বহুতো অফিচাৰ কৰ্মচাৰীয়ে কাৰ্য্য সম্পাদন কৰি আহিছে যদিও কিছুমানৰ

কৰ্মসংস্কৃতিৰ অভাৱ দেখা যায়। সেইবাবে মই কিছুমান শব্দটো সংযোগ কৰিব বিচাৰিছো কাৰণ সকলোৰে কৰ্মসংস্কৃতি নাই বুলি ক'লে ভুল বুজাব।

**শ্ৰী মৃণাল শইকীয়া, (খুমটাই)** ঃ মই আচলতে তেনেকুৱাকৈ কোৱা নাছিলো ।

**শ্ৰীপিযুষ হাজৰিকা ,(মন্ত্ৰী, জলসম্পদ ইত্যাদি)** ঃ ঠিক আছে। মোৰ কথাটো হ'ল সদনৰ পৰা যাতে মেছেজ টো বেয়াকৈ নাযায়। কিন্তু আপোনাৰ উদ্দেশ্যটো ভাল ।

গতিকে ইয়াৰ কাৰণে আমি প্ৰধানকৈ দুটা কাম কৰিব লাগিব ।প্ৰথমে মানুহখিনিক চেনচিটিভ কৰিব লাগিব আৰু দ্বিতীয়তে প্ৰশাসনিক সংস্কাৰ কৰিব লাগিব। এইটো গুৰুত্বপূৰ্ণ ।

আজি কাষ্ট চাৰ্টিফিকেট উলিয়াব যাওঁতে খাজনা ৰচিদ জমা দিয়াৰ যি কথা উল্লেখ কৰি কৈছে যে এই ৰাজ্যৰ এই ক্ষেত্ৰত কি প্ৰয়োজনীয়তা আছে সেই সম্পৰ্কত কথাটো একেবাৰে সঁচা কথা। মাক-দেউতাক অ' বি চি, এচ চি, এছ টি হয় সেইটো প্ৰমানিত হ'লেই চাৰ্টিফিকেট খন দি দিব পাৰে। গতিকে এইটোত প্ৰশাসনীয় সংস্কাৰৰ প্ৰয়োজনীয়তা আছে ।

আজি আমাৰ সচিবালয়ত যি লাখ লাখ ফাইল দম হৈ আছে সেইটো আঁতৰাবলৈ কৰ্মসংস্কৃতিটো লাগিবই । কিন্তু তাৰ লগে লগে প্ৰশাসনীয় সংস্কাৰৰ বাবেও দৃঢ় পদক্ষেপ ল'ব লাগিব যিটো বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই গুৰুত্ব সহকাৰে গ্ৰহণ কৰা দেখা গৈছে । এই প্ৰসংগত মই আগতেও বিভিন্ন ঠাইত, বিভিন্ন প্ৰসংগত এই বিষয়ে উল্লেখ কৰিছিলো ।

আমি আগতে এটা এচ এইচ পি ৰাস্তা বনাবলৈ যাওতে প্ৰথমে পি ডব্লিউ ডি ক কওঁ। উদাহৰণ স্বৰূপে এছ টি (পি) ৰাস্তা এটা পঞ্চাছ লাখ টকাত নিৰ্মাণ কৰোটে এছ ডি অ' য়ে এষ্টিমেট বনায়, তেওঁ তাৰ পৰা ফাইলটো পঠিয়াই দিয়ে কাৰ্য্যকৰী অভিযন্তালৈ, তাৰ পৰা যায় অধীক্ষক অভিযন্তালৈ, তেখেতে পঠাই মুখ্য অভিযন্তালৈ। তাৰ পিছত ১০ খন মান টেবুল ঘূৰি ফাইলটো পি ডব্লিউ ডি বিভাগলৈ আহে। পি ডব্লিউ ডি য়ে আকৌ পঠিয়াই ডব্লিউ পি টি বিভাগলৈ, তাৰ পৰাহে পি ডব্লিউ ডি মন্ত্ৰীৰ ওচৰত পায়গৈ আৰু তেতিয়া তেখেতে ফাইলটো অনুমোদন জনায় । তাৰ পিছত পুনৰ টেণ্ডাৰৰ বাবে ফাইলটো তললৈ নামি যায় সেই একে প্ৰক্ৰিয়াতে। মই হিচাপ কৰি চাওঁতে দেখিলো যে এটা ফাইল চেনচন হোৱাৰ পিছত টেণ্ডাৰিং পৰ্য্যায়লৈকে প্ৰায় চল্লিশ খন টেবুল বগাব লাগে ।

মাননীয় উপাধ্যক্ষ ঃ ৰিপোৰ্টতো দিব লাগে ।

**শ্ৰীপিযুষ হাজৰিকা ,(মন্ত্ৰী, জলসম্পদ ইত্যাদি)** ঃ হয়। বহুত কিবা কিবি লাগে । এছ চি ওৱেলফেয়াৰ বৰ্ডলৈও পঠিয়াব লাগে । হিচাপ লাগে । টেণ্ডাৰ হোৱাৰ পিছত কাম আৰম্ভ কৰা ঠিকাদাৰ জনে পঞ্চাচ লাখ টকা দুবাৰত আদায় কৰে ।প্ৰথম কিস্তি আদায় কৰোতে এই দীঘলীয়া প্ৰক্ৰিয়াটোৰে যাব লগা হয়। যেনে- প্ৰথমে এচ ডি অ', কাৰ্য্যকৰী অভিযন্তা, অধীক্ষক অভিযন্তা তাৰ পিছত মুখ্য অভিযন্তা, তাৰ পিছত পি ডব্লিউ ডি (বাজেট), মন্ত্ৰী, প্ৰায় চল্লিশ খন টেবুল। আকৌ ফাইনেল পেমেন্ট লওঁতে পুনৰ চল্লিশ খন টেবুল। সৰ্বমুঠ পঞ্চাছ লাখ টকাৰ বাবে ১২০ খন টেবুল। মাননীয় অধ্যক্ষ মহোদয়, প্ৰশাসনিক সংস্কাৰ কৰি আমি টেবুলৰ সংখ্যাটো কমাব পাৰো নেকি? আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে, প্ৰথম যি আমাৰ ফাইল পুতাপ হয়, সেইটো উপ-সচিব পৰা কৰিব পাৰি নেকি? তলৰ ১০ খন টেবুল কমি যাব আৰু ফাইল হেৰুৱা প্ৰৱনতাটোও কমি যাব। গতিকে তেনেকুৱা প্ৰশাসনিক সংস্কাৰ অত্যন্ত গুৰুত্বপূৰ্ণ। মই বহুত এনেকুৱা অফিচাৰ দেখিছো ৰাতিপুৱা ৭ বজাতো অফিচত আহে। আমাৰ বাবুক চিনি পাও। মই আকৌ কৈছো ফাইলৰ চিষ্টেমটো এনেকুৱা। গতিকে ফাইলটো এৰি দিব নোৱাৰি। ২০ খন টেবুল যাবই লাগিব। প্ৰশাসনিক

সংস্কাৰ আৰু কৰ্মসংস্কৃতি দুয়োটাৰ আমি যোগসূত্ৰ কৰিব লাগিব। Mission Basundhara ৰ যোগেদি আমাৰ মাটি সমূহ Portal ত Apply কৰিব আৰু মাটিৰ সমস্যা সমূহ সমাধান কৰিবৰ বাবে প্ৰয়াস কৰা হৈছে। সদ্ ভাৱনাৰ যোগেদি আমাৰ যিমান পেণ্ডিং ফাইল, সেই বিলাক অতি সোনকালে dispose off কৰিবৰ বাবে চেষ্টা কৰা হৈছে। আজি অসমত কি হৈছে, আমাৰ খেতিৰ মাটি বিলাক এটা খেতি কৰি পেলাই থৈছো। তাত আমাৰ কৰ্মসংস্কৃতিৰ অভাৱ। ক'ৰবাত কেতিয়াবা সুবিধাৰ অভাৱ। ধান খেতি কিয় কৰিব, ধানৰ খেতি কৰিলে ১ কুইন্টল ধান খৰচ হৈ যায় ৮৫০ টকা। বিক্ৰী হয় ১০৫০ টকাত। ২০০ টকাৰ কাৰণে ধানৰ খেতি কিয় কৰিব। গতিকে তাৰ কাৰণে চৰকাৰে কি পদক্ষেপ ল'ব লাগিব, চৰকাৰে MSP দিয়াৰ ব্যৱস্থা কৰিব লাগিব। যিটো আগতে লেহেমীয়া হৈছিল। আমাৰ অসমৰ মানুহে MSP বুজিয়ে নাপায়। FCI য়ে যে ১৯৪০ টকাত ধান কিনিব লাগিব অসমৰ মানুহে বুজিয়ে নাপায়। এতিয়া এই পৰিবেশটো কৰাৰ কাৰণে প্ৰয়াস কৰা হৈছে। যিটো কাৰণে এতিয়া আমি অহৰহ ভাবে লাগি আছো যে, ১০ লাখ মেট্ৰিকটন ধান কিনিব লাগিব। যোৱাকালি সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই, বৰ্তমান উপস্থিত নাই, থাকিলে ক'লো হয়। আমি কৈ আছো ১০ লাখ মেট্ৰিকটন ধান কিনিবলৈ প্ৰয়াস। মানুহে বিক্ৰী নকৰিলে আমি কি কৰিম। মানুহে ধান খেতি নকৰিলে আমি কি কৰিম । আমি তাৰ কাৰণে প্ৰয়াস কৰিছো, মানুহক সহায় কৰিব বিচাৰিছো। মানুহক কৈছো আপোনালোকে ধান খেতি কৰক। আমি FCI ৰ Procurement ৩ টা, ৪ টা, ৫ টা চেন্টাৰ প্ৰতিটো সমষ্টিতে খুলি আছো। যদি ধানে খেতি নকৰেই আমি ক'ৰ পৰা ধান কিনিম। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে FCI ৰ ধান অসমৰ FCI য়ে কিনিব। FCI য়ে অসমৰ ধান কিনিব লাগিব। ১৯৪০ টকা পাবই লাগিব অহাবছৰৰ পৰা। লাহে লাহে পৰিবেশটো সলনি হ'বই লাগিব। এইবাৰ আমি গোটেই বছৰটোত ৪ লাখৰ পৰা ৫ লাখ মেট্ৰিকটন লৈকে যাম। সেইদিনা মাননীয় সদস্য শ্ৰী ভাস্কৰ বৰুৱা ডাঙৰীয়াই এটা কথা কৈছিলে যে মাঘ মাহত মানুহে ধান বিক্ৰী নকৰে। সেইটো কাৰণেও বিক্ৰী কম হৈ আছে। আমাৰ মানুহখিনিয়ে লগে লগে ধান বিক্ৰী নকৰে। কিন্তু তাৰ পিছতো ৫ লাখ মেট্ৰিকটনৰ ওপৰত যাব নোৱাৰো। কাৰণ আমাৰ কৰ্ম সংস্কৃতিৰ অভাৱ আছে। আমি ১০ লাখ মেট্ৰিকটন নহয়, ১৫ লাখ মেট্ৰিকটনলৈ যাব লাগিব। মই এটা হিচাবত নিশ্চিত নহয়, মোক কেইদিন মান আগতে প্ৰধান সচিবে কৈছিলে FCI লৈ প্ৰত্যেক মাহে ১ লাখ মেট্ৰিকটন চাউল অসমৰ বাহিৰৰ পৰা আহে। তাৰ মানে ১২ লাখ মেট্ৰিকটন লাগিলে। ১২ লাখ মেট্ৰিকটন যদি আমি ইয়াতে উৎপাদন কৰো, আমাৰ খেতিয়কৰ কিমান উপাৰ্জন হ'ব। আমাৰ খেতিয়কে এতিয়া ৯০০ টকা পাই, ১ কুইন্টল ১০০০ টকা পায়, ১৯৪০ টকা পাব। তেনেকুৱাকৈ অসমৰ মানুহখিনিৰ আমি কৰ্ম সংস্কৃতিৰ ওপৰলৈকে লৈ যাবলৈ সকলোৱে চেষ্টা কৰিব লাগিব। কৰ্ম সংস্কৃতি অতি গুৰুত্বপূৰ্ণ আৰু মৃণাল শইকীয়া ডাঙৰীয়াই ভাল এটা পদক্ষেপ সদনত দাঙি ধৰিছে, মই যদিও এই বিভাগটো নাচাওঁ, মই সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাবে দুষাৰ কোৱাৰ সুযোগ পালো আৰু সুযোগ দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ৫, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সম্পৰ্কত বিতৰ্ক। মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰী টেৰছ গোৱালাই উত্থাপন কৰা ধন্যবাদ সূচক প্ৰস্তাৱৰ সম্পৰ্কত ৫খন সংশোধনী জাননী পাইছো। মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সম্পৰ্কত প্ৰথম সংশোধনী জাননীখন মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া লগতে দলৰ আন আন সদস্য সকল, দ্বিতীয়খন হাফিজ বছিৰ আহমেদ দলৰ

আন সদস্য সকল, শ্ৰী মনোৰঞ্জন তালুকদাৰ, শ্ৰী অখিল গগৈ, শ্ৰী শ্বেৰমান আলী আহমেদৰ নামত আছে। এতিয়া মই মাননীয় সদস্য সকলক এজন এজনকৈ তেখেত সকলৰ সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ যি ভাষণ ৰাখিলে ইয়াৰ প্ৰথম পৃষ্ঠাতে এই বাজেট অধিৱেশনত আলোচনাৰ যোগেদি ৰাজ্যখনৰ শান্তি প্ৰগতি আৰু সমৃদ্ধিৰ যোগ সৃষ্টিৰ বাবে পথ চিত্ৰ প্ৰস্তুত আৰু ৰাজ্যখনক শক্তিশালী আৰু সমৃদ্ধিশালী কৰি তোলাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰাৰ লগতে তেখেতে সাঁমৰণি মাৰিছে। পবিত্ৰ সদনক অসমৰ সকলো শ্ৰেণীৰ লোক উপকৃত হোৱাকৈ ৰাজ্যখনৰ সৰ্বাঙ্গীন বিকাশৰ বাবে কাম কৰিবলৈ সমৰ্থন আৰু সহযোগীতা আগবঢ়োৱাৰ এটা আহ্বান জনায়। তেখেতে চৰকাৰক আৰু জনগণক দিয়া সকলো প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ অংগীকাৰ বদ্ধ বুলি কৈছে। মাননীয় ৰাজ্যপালে পাঠকৰা লিখিত ভাষণৰ ১৮ নং পৃষ্ঠাৰ ৩ নং দফাত 'নিয়োগ অভিযান' অংশত নিম্নোলিখিত সংশোধনী সহ মাননীয় বিধায়ক শ্ৰী তেৰছ গোৱালাই আজি ইং ১৪ মাৰ্চ ২০২২ তাৰিখে উত্থাপন কৰা ধন্যবাদ সূচক প্ৰস্তাৱটো গ্ৰহণ কৰা হওক।

ক) ৰাজ্যপালৰ ভাষণৰ ১৮ নং পৃষ্ঠাৰ ৩ নং দফাত 'নিয়োগ অভিযান' অংশত তলত উল্লেখ কৰা বাক্যটো সংযোগ হ'ব।

" নিৰ্বাচনৰ সময়ৰ এটা গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ যুৱক-যুৱতী সকললৈ বছৰি ১ লাখ চাকৰি প্ৰদানৰ যি প্ৰক্ৰিয়া আৰম্ভ কৰিছে, ই স্বচ্ছ আৰু নিকা হ'ব। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে নিযুক্তি আয়োগ গঠন কৰা হ'ব আৰু নিযুক্তি আয়োগৰ দ্বাৰাই সাক্ষাৎকাৰ আৰু নিযুক্তি প্ৰদান কৰা হ'ব। "

খ) ৰাজ্যপালৰ ভাষণৰ ১৭ পৃষ্ঠাৰ দ্বিতীয় দফাত তলৰ বাক্যটো সংযোগ হ'ব।

"২০২১-২২ খাৰিজ বজাৰ বতৰৰ বাবে ভাৰতীয় খাদ্য নিগম, অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেড, অসম ৰাজ্যিক কৃষি বিপণন পৰিষদে বিভিন্ন ধান ক্ৰয় কেন্দ্ৰৰ জৰিয়তে ১০ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিবলৈ সিদ্ধান্ত লৈছে।"

গ) ৰাজ্যপালৰ ভাষণৰ ৩১ পৃষ্ঠাৰ প্ৰথম দফাৰ "সেউজী সপোন" অংশত তলৰ বাক্যটো সংযোগ হ'ব লাগে।

"বন্যপ্ৰাণী সুৰক্ষাৰ স্বাৰ্থত কাজিৰঙা আৰু অন্যান্য অভায়াৰণ্যসমূহ বেদখলমুক্ত হ'ব লাগে।

বনৰীয়া জীৱ-জন্তুৰ অহা-যোৱা পথ সমূহ মুক্ত কৰিব লাগে যাতে বনৰীয়া জীৱ-জন্তু মুক্ত আৰু নিৰাপদে অহা যোৱা কৰিব পাৰে।"

ঘ) ৰাজ্যপালৰ ভাষণৰ ১৮ পৃষ্ঠাৰ তৃতীয় দফাত তলত উল্লেখ কৰা বাক্যটো সংযোগ হ'ব লাগে।

"পি এম কিষাণ সন্মান নিধিৰ অসমত হোৱা ভুৱা হিতাধিকাৰী কেলেংকাৰী উচিত তদন্ত হ'ব আৰু দোষী সকলক শাস্তি প্ৰদান কৰা হ'ব। "

ঙ) ৰাজ্যপালৰ ভাষণৰ ২৮ পৃষ্ঠাৰ পিছত ৬ নং দফা সংযোগ হ'ব লাগে তলত দিয়া ধৰণে।

" সাংসদ অমৰ ৰায় প্ৰধানীৰ নেতৃত্বত গঠিত যুটীয়া সংসদীয় সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত অসমৰ ছয় (৬) জনগোষ্ঠীক জনজাতিকৰণ তালিকাত অন্তৰ্ভূক্ত কৰা হ'ব। ছয় (৬) জনগোষ্ঠীক জনজাতিকৰণ কৰোতে অসমৰ জনজাতিসকলৰ স্বাৰ্থ হানি নোহোৱাকৈ সংৰক্ষণ আৰু অন্যান্য সা-সুবিধা সংৰক্ষণ কৰা হ'ব।"

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ।

**শ্ৰী হাফিজ বছিৰ আহমেদ (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ বক্তব্যৰ অসমীয়া প্ৰতিলিপিৰ ৩৬ পৃষ্ঠাত উল্লেখ থকা শেষৰ দফাটো তলত দিয়া ধৰণে সংশোধন কৰা হওক ।

"মাননীয় সদস্য সকল, মোৰ চৰকাৰৰ ভুল নীতি সমূহ আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অবাধ দুৰ্নীতি আৰু বিফলতা সমূহ মোৰ বক্তব্যত প্ৰতিফলিত কৰা নাই। বিগত নিৰ্বাচন সমূহত মোৰ চৰকাৰে জনসাধৰণক দিয়া প্ৰতিশ্ৰুতি সমূহ পূৰণ কৰাত সমূলি ব্যৰ্থ হৈছে। অসমৰ বিত্তীয় পৰিস্থিতি বৰ্তমান বিপৰ্য্যস্ত হৈ পৰিছে, নিবনুৱা সমস্যাই ভয়াবহ ৰূপ ধাৰণ কৰিছে, উদ্যোগ সমূহ এটা এটাকৈ মৃত্যু মুখত পৰিছে, গৰাখহনীয়া সমস্যাই হাজাৰ হাজাৰ মানুহক গৃহহীন, ভূমিহীন কৰিছে আৰু উন্নয়নৰ ক্ষেত্ৰত অচলাবস্থাৰ সৃষ্টি হৈছে। পবিত্ৰ সদনে চৰকাৰে ভৱিষ্যতে কাৰ্য্যপন্থা যুগুত কৰাক সঠিক পৰামৰ্শ দিব বুলি মই আশাবাদী।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত শিক্ষা ক্ষেত্ৰখনত চৰকাৰে কি কাম-কাজ কৰিছে বা সাফল্যৰ লগতে বিফলতা কি আছে তাৰ ওপৰত এটা দফা নতুনকৈ যুক্ত কৰাৰ কাৰণে মই এটা সংশোধনী দিছো।

আনটো হৈছে সামাজিক সুৰক্ষা ব্যৱস্থাৰ সৰলীকৰণ, পৃষ্ঠা নং ১২ ৰ পৰা আৰম্ভ হৈছে। তলত উল্লেখ কৰা ধৰণে আন এটা দফা যুক্ত হ'ব লাগে, কাৰণ ইতিমধ্যে অংগনবাড়ী আদৰ্শ কেন্দ্ৰ সমূহক লৈ যথেষ্ট বিতৰ্ক হৈ আছে। মই প্ৰস্তাৱ কৰিছো যে অংগনবাড়ী আদৰ্শ কেন্দ্ৰ সমূহৰ নিৰ্মাণৰ তালিকা সকলো বিধায়কৰ মাজত সম ভাৱে বিতৰণ কৰা হ'ব। চৰকাৰে তেওঁলোকৰ পজিশ্যনটো তেনেকৈ ল'লে ভাল হয় আৰু নিৰ্মাণ কমিটিক লৈ গোটেই গণ্ডগোলটো হৈ আছে। নিৰ্মাণ তদাৰকী কৰাৰ বাবে বিধায়ক সকলৰ সভাপতিত্বৰ দায়িত্বত এইটো অৰ্পণ কৰিব লাগে। এখন কমিটি গঠন কৰিব লাগে, যিখনক আমি Monitoring Committee বা Construction Committee বুলি ক'ব পাৰো।

সংশোধনী ৩ টো হৈছে "জল জীৱন মিছন" ৰ ওপৰত। জল জীৱন মিছনৰ বিষয়ে পৃষ্ঠা নং ১৬ ত শিতানৰ শেষত এটা দফা যুক্ত কৰিব লাগে। কাৰণ "জল জীৱন মিছন" ৰ যিটো সাফল্য তুলি ধৰিছে সেই সাফল্যৰ বিপৰীতে আমি দৃষ্টিগোচৰ কৰিছো যে "জল জীৱন মিছন" তকৈ আটাইতকৈ বেয়া কাম হৈছে মানুহে পানী পোৱা নাই। যিবিলাক সজুলী তেওঁলোকে ব্যৱহাৰ কৰিছে, সেই সজুলি সমূহ অতি নিম্ন মানৰ আৰু এই ক্ষেত্ৰত চৰকাৰৰ যিটো পজিশ্যন সেইটো ক্লিয়াৰ কৰিব লাগে। "জল জীৱন মিছন" যোগে গৃহ, বিদ্যালয়ত সংযোগ স্থাপন কৰাৰ পিছতো পানী যোগান নিশ্চিত নোহোৱাৰ বাবে বিষয়ত ৰাজ্যিক চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি যুক্ত কৰিব লাগে আৰু এইকেইটা সংযোজনী-সংশোধনী কৰিব লাগে বুলি মই মহামান্য ৰাজ্যপালৰ যি ভাষণ ৰ ওপৰত প্ৰস্তাৱ দাঙি ধৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এইটো আপোনাৰ সংশোধনী প্ৰস্তাৱ নে সংযোজনী প্ৰস্তাৱ?

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সংযোজনী প্ৰস্তাৱ আৰু সংশোধনী প্ৰস্তাৱ ও আছে।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপাল শ্ৰী জগদীশ মুখী ডাঙৰীয়াৰ ভাষণত তলৰ সংশোধনী খিনি আনিবৰ কাৰণে মই প্ৰস্তাৱ আগবঢ়াইছো।

**১) (ক) "ক'ভিড বিৰোধী যুদ্ধ"** এই উপ শিৰোনামেৰে আলোচিত পৃষ্ঠা নং ২,৩,৪ অংশত ক'ভিড-১৯ ত ক্ষতিগ্ৰস্ত পৰিবহণ উদ্যোগ, ড্ৰাইভাৰ, হেণ্ডিমেন, গাড়ীৰ মালিক সকল, হোটেল, উদ্যোগ, হোটেলৰ মালিক, কৰ্মচাৰী সকল, পৰ্য্যটন উদ্যোগ, অট'ৱালা, ৰিক্সাৱালা, টেক্সি ড্ৰাইভাৰ, অ'লা-উবেৰত গাড়ী দিয়া লোক সকল, দৈনিক মজুৰি কৰা লোক সকল আৰু অন্যান্য ক্ষতিগ্ৰস্ত সকলক দিয়া ক্ষতিপূৰণৰ বিষয়ে উল্লেখ কৰিব লাগে। মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ সংশোধনী প্ৰস্তাৱত এই সমূহৰ বিষয়ে উল্লেখ কৰাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলো।

**২) "ড্ৰাগছৰ বিৰুদ্ধে অবিৰত যুদ্ধ"** এই উপ শিৰোনামাত ড্ৰাগছ বিৰোধী চৰকাৰী অভিযানেৰে অসমত ড্ৰাগছ সেৱন কৰা লোক সকলৰ ওপৰত কেনে প্ৰভাৱ পৰিছে অৰ্থাৎ অসমত ড্ৰাগছ সেৱন কম হৈছে নে নাই, ড্ৰাগছৰ ব্যৱসায় শেষ হৈছে নে নাই, কেতিয়াৰ ভিতৰত অসমত অবৈধ ব্যৱসায়ী শেষ হ'ব বুলি চৰকাৰী লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে সেই সম্পৰ্কে চৰকাৰে উল্লেখ কৰিব লাগে। তদুপৰি ড্ৰাগছ বিৰোধী অভিযানৰ নামত কিমান এনকাউণ্টাৰ কৰা হ'ল, তাৰো উল্লেখ থাকিব লাগে।

**৩) "মিছন বসুন্ধৰা"** ঃ ৭ আৰু ৮ পৃষ্ঠাত এই উপ শিৰোনামেৰে এই অংশখিনিত অসমৰ ভূমিহীন মানুহৰ সংখ্যা আৰু তেওঁলোকক কেতিয়াৰ ভিতৰত মাটি দিয়া হ'ব তাৰ উল্লেখ থাকিব লাগে। তদুপৰি প্ৰায় ৬ লাখ মথাউৰিৰ ওপৰত বসবাস কৰা পৰিয়ালক পুনৰ সংস্থাপন কেতিয়ালৈ দিয়া হ'ব সেয়াও উল্লেখ থাকিব লাগে। ফৰেষ্ট ৰাইট এক্ট অনুসৰি জনজাতি আৰু থলুৱা লোক সকলক বনাঞ্চলত ভূমি অধিকাৰ প্ৰদান কৰা বিষয়টো উল্লেখ কৰিব লাগে। গুৱাহাটীৰ পাহাৰ আৰু জলাশয়ৰ ওচৰত বসবাস কৰা থলুৱা লোক সকলক ভূমিৰ অধিকাৰ কেতিয়া প্ৰদান কৰা হ'ব এই বিষয়েও ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিব লাগে।

**৪) "কৃষকক সহায়ৰ বাবে ধান ক্ৰয়"** ঃ ১০ লাখ মেট্ৰিকটন ধান ক্ৰয় কেতিয়া সম্পন্ন হ'ব আৰু এই প্ৰক্ৰিয়াৰ জটিলতা বোৰৰ সম্পৰ্কে অন্তৰ্ভুক্ত হ'ব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** এইটো আপোনাৰ সংশোধনী প্ৰস্তাৱ নে প্ৰশ্নটো কি ক'ব বিচাৰিছে?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনি মই সংশোধনী আনিব বিচাৰিছো।

**৫) "নিয়োগ অভিযান"** ঃ ১৮ আৰু ১৯ পৃষ্ঠাৰ ১০ মে', ২০২২ তাৰিখৰ ভিতৰত অৰ্থাৎ মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি অনুসৰি চৰকাৰৰ এবছৰৰ ভিতৰত ১ লাখ নিবনুৱা নিযুক্তি দিয়া হ'ব বুলি উল্লেখ থাকিব লাগে।

**৬) "চুবুৰীয়া ৰাজ্যৰ সৈতে সৌহাদ্যপূৰ্ণ সম্পৰ্ক বজাই ৰখা "** ঃ ২৩ আৰু ২৪ পৃষ্ঠাৰ এই অংশত চুবুৰীয়া ৰাজ্যক অসমৰ কিমান ভূমি এৰি দিব খোজা হৈছে উল্লেখ কৰিব লাগে লগতে চুবুৰীয়া ৰাজ্যৰ সাংবিধানিক সীমাৰ ভিতৰত কোনো ভূমি অসমে পাব নেকি সেই কথাও উল্লেখ থাকিব লাগে।

**৭) "জ্ঞানৰ আলোকৰ প্ৰসাৰ"** ঃ ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত প্ৰধান দুৰ্বলতাৰ এটা হ'ল নতুন শিক্ষানীতি (NEP) সম্পৰ্কে উল্লেখ নকৰাটো। এই সম্পৰ্কে ভাষণত উল্লেখ থাকিব লাগে। বান আৰু গৰাখহনীয়া সমস্যাৰ সমাধান, বান মুক্ত অসম, আৰু বান-খহনীয়াত পীড়িতক পুনৰ সংস্থাপনৰ বিষয়ে ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ থাকিব লাগে।

মই ১০৮ নং শিৱসাগৰ বিধান সভা সমষ্টিৰ বিধায়ক হিচাপে ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত এই সমূহ সংশোধনী প্ৰস্তাৱ আগবঢ়ালো।

**माननीय उपाध्यक्ष ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী শ্বেৰমান আলী আহমেদ ডাঙৰীয়া। তেখেত অনুপস্থিত।

মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সম্পৰ্কত সংশোধনী প্ৰস্তাৱ সমূহ উত্থাপন কৰা হ'ল। এতিয়া অসম বিধান সভাৰ "কাৰ্য্য উপদেষ্টা সমিতি" ৰ বৈঠকৰ নিয়ম অনুসৰি প্ৰত্যেকজন সদস্যকে তিনি মিনিট সময় ধাৰ্য্য কৰা হৈছে আৰু সেইমতে

বি.জে.পি - ১৬৪ মিনিট

ভাৰতীয় জাতীয় কংগ্ৰেছৰ - ৭১ মিনিট

এ. আই. ইউ. ডি. এফ ৰ - ৩৯ মিনিট

বি.পি.এফ ৰ - ৮ মিনিট

অসম গণ পৰিষদৰ - ২৩ মিনিট

ইউ. পি. পি. এল ৰ - ১৮ মিনিট

চি. পি.আই. এম ৰ - ৩ মিনিট

অখিল গগৈ, ইণ্ডিপেণ্ডেণ্ট - ৩ মিনিট।

আমাৰ তালিকাত যি সকলৰ নাম দিছে তেখেত সকলৰ ভাষণৰ সময় উল্লেখ কৰি দিছে। গতিকে তেওঁলোকে নিজৰ সময় অনুযায়ী নিজৰ নিজৰ বক্তব্য দাঙি ধৰিব। ভাৰতীয় জনতা পাৰ্টীৰ ১৬৪ মিনিটৰ সময় ভিতৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ৪০ মিনিট সময় ইয়াত আছে। গতিকে মাননীয় সদস্য সকলে নিজৰ সময়ৰ ওপৰত গুৰুত্ব ৰাখি বক্তব্য ৰাখিব। এতিয়া মই মাননীয় সদস্য শ্ৰী তেৰছ গোৱালাক তেখেতৰ বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো। আপোনাৰ সময় হৈছে ১০ মিনিট ৩০ চেকেণ্ড।

**শ্ৰী তেৰছ গোৱালা (ডুলিয়াজান) ঃ** ধন্যবাদ মাননীয় উপাধ্যক্ষ মহোদয়। বিশ্ব মহামাৰী কৰ'ণা ভাইৰাছৰ পৰা অসমৰ সকলো ৰাইজৰ সুৰক্ষা দিয়া বাবে অবিৰত ভাৱে চলাই থকা জীৱন দায়িনী জাতীয় যুদ্ধত যুঁজি থকাৰ মাজতো বি.জে.পি নেতৃত্বাধীন মিত্ৰ জোঁটৰ ৰাজ্য চৰকাৰখনে ভাৰতৰ বিশ্বনেতা মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ মূল নীতি "সবকা সাথ, সবকা বিকাশ, সবকা প্ৰয়াস আৰু সবকা বিশ্বাস" নীতিৰ আধাৰত অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ অসমৰ সামগ্ৰিক উন্নয়নৰ যাত্ৰা অধিক তৰান্বিত কৰিবলৈ সমৰ্থ হোৱা ৰাজ্য চৰকাৰৰ উন্নয়ন মূলক কাম-কাজৰ তথ্য সমৃদ্ধ ভাষণ অসমৰ মহামহিম ৰাজ্যপাল মহোদয়ে যোৱা ১৪ মাৰ্চ তাৰিখে এই পবিত্ৰ অসম বিধান সভাৰ মজিয়াত আগবঢ়োৱাৰ বাবে মই আন্তৰিক ধন্যবাদ জনাই ইয়াৰ সমৰ্থনত কিছু কথা ক'ব বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, মই দ্বিতীয় বাৰৰ কাৰণে অসমৰ বিধায়ক হ'ব পাৰিছো আৰু যোৱাকালি এটা ভাল লক্ষণ মই দেখিছো যে মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণ বিৰোধী দলৰ সদস্য সকলে একান্তমনে শুনিছে। তাৰবাবে মই ধন্যবাদ জনাইছো আৰু আজি তেওঁলোকে তেওঁলোকৰ মনৰ কথাখিনি সংশোধনী আৰু সংযোজনী ৰূপত আগবঢ়াইছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দ্বিতীয় বাৰৰ বাবে চৰকাৰ হোৱাৰ পিছত আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যোৱা বাজেটত কেইগৰাকীমান অসমৰ বৰেণ্য ব্যক্তিৰ কবিতাৰ শ্লোকেৰে আৰম্ভ কৰিছিল আৰু এই বাজেটৰ আধাৰতেই চৰকাৰে কামখিনি কৰিবলৈ চেষ্টা কৰিছে। সেইকাৰণে মই ৰাজ্যপালৰ ভাষণক ধন্যবাদ জনাই আৰু তেখেতৰ সমৰ্থনত দুটামান কথা ক'ব বিচাৰিছো। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানী শ্ৰীমতী অজন্তা নেওগ বাইদেৱে উল্লেখ কৰা ৰূপ কোৱঁৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ এটি কবিতাৰ এটি উক্তি উল্লেখ কৰিব বিচাৰিছো। বাইদেৱে সঠিক ভাৱে কৈছে।

জয় হওঁক,পোহৰৰ জয়, জয় হওঁক মানৱৰ মহত্বৰ আদৰ্শৰ জয়
চিৰ মঙ্গলৰ, চিৰ কল্যাণৰ, জগতৰেই এই মহা বিকাশৰ জয় হওঁক
জয় হওঁক যুগে যুগে, চিৰ সুন্দৰৰ জয়।

লগতে আৰু এষাৰি বাক্য বাইদেৱে উল্লেখ কৰিছে যে, হীৰেণ ভট্টাচাৰ্য্যৰ কবিতাৰ ভাষাৰে

মোৰ প্ৰাণৰো প্ৰাণৰ, মোৰ গানৰো গানৰ এই দেশ, মোৰ প্ৰতিটো কামেই মোৰ, প্ৰতিটো চিন্তাই মোৰ এইদেশ যে শস্য সোণালী ভৱিষ্যতৰ সপোন। এই কথাখিনি সাৰোগত কৰি ইতিমধ্যে ৰাজ্য চৰকাৰখনে যথেষ্ট শক্তিশালী পদক্ষেপ গ্ৰহণ কৰি কাম কৰি আছে। আমাৰ প্ৰথম দায়িত্ব আছিল, বিশ্ব মহামাৰী ক'ৰুণা ভাইৰাছে সমগ্ৰ পৃথিৱীৰ development & under development যিবিলাক দেশ আছে, তাত যিধৰণে বিধ্বস্ত হৈ পৰিছিল, আমাৰ ভাৰতবৰ্ষৰ অংগ ৰাজ্য অসমত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আৰু স্বাস্থ্য মন্ত্ৰীৰ শক্তিশালী প্ৰচেষ্টাত অসমৰ ৰাইজৰ জীৱন দান দিয়াৰ জাতীয় যুদ্ধত আমি সফল হৈছো। Covid - 19 ৰ জীৱন দায়িনী পালি হিচাপে প্ৰথম পালি ভেকচিন **২,৩৩,৮৭,৩৪৩** গৰাকীক (শতাংশ হিচাপে **১০১.১১** শতাংশ) দিবলৈ সমৰ্থ হৈছো। ইয়াৰ পৰা এইখন চৰকাৰে কিমান দায়িত্ব সহকাৰে অসমৰ ৰাইজৰ প্ৰতি, অসমৰ ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ কাৰণে কি ধৰণে কাম কৰিছে, এয়া এক উদাহৰণ। দ্বিতীয় পালি ভেকচিন ইতিমধ্যে **১,৯৬,৩১,৭৯১** (শতাংশ হিচাপে **৮৪.৮৭** শতাংশ) গৰাকীক দিয়াৰ কাৰণে সক্ষম হৈছে। যিহেতু এইটো সময়ৰ লগত সম্পৰ্ক আছে, এই কাৰণে বাকীও সম্পূৰ্ণ হ'ব।

ইয়াৰ উপৰিও এই জাতীয় যুদ্ধত সন্মুখৰ পৰা নেতৃত্ব দিয়া, যিসময়ত আমি মাস্ক পিন্ধি ঘুৰি আছো, আমি মানুহে মানুহৰ পৰা দূৰত আছো, সেই সময়ত আমাৰে সমাজৰ কিছু ব্যক্তি সন্মুখৰ পৰা কভিড ৰোগী জনক স্পৰ্শ কৰি তেওঁলোকক জীৱন দান দিয়াৰ কাৰণে যিসকলে চেষ্টা কৰিছে, বিশেষকৈ স্বাস্থ্য বিভাগৰ ডাক্তৰ, নাৰ্চ, বিষয়া-কৰ্মচাৰীসকলক ধন্যবাদ জনাইছোঁ, লগতে পুলিচ বিভাগক ধন্যবাদ জনাইছোঁ আৰু তেওঁলোকৰ সুৰক্ষা দিয়াৰ কাৰণে বুষ্টাৰ দোজ হিচাপে ইতিমধ্যে **২,৫৮,৬৬৭** গৰাকীক বুষ্টাৰ দি এইখন চৰকাৰে প্ৰমাণ কৰিছে যে জনসাধাৰণৰ প্ৰতি জাতীয় দায়িত্ব কি, এই দায়িত্ব কি ধৰণে পালন কৰিব লাগে। কাৰণ আমি আঁচনি বহুত গ্ৰহণ কৰিব পাৰো। যেতিয়া মানুহ জীয়াই নাথাকিব, তেতিয়া আঁচনি গ্ৰহণ কৰিও লাভ নাথাকিব। এই কাৰণে আমাৰ এইখন চৰকাৰৰ **৯** মহীয়া কাম-কাজত সন্তুষ্ট হৈছে, মই ধন্যবাদ জনাইছোঁ। যি কথা মহামহিম ৰাজ্যপালে অতি সুন্দৰভাৱে তেখেতৰ বক্তব্যত উল্লেখ কৰিছে।

এখন ৰাজ্য বা এখন ৰাষ্ট্ৰ কেতিয়া উন্নয়নৰ পথত আগবাঢ়ি যায়, যেতিয়া শান্তি প্ৰতিষ্ঠা হয়। শান্তি প্ৰতিষ্ঠা হ'বলৈ হলে আমি সকলোৰে দুখ আৰু সুখৰ কথা বুজি পাব লাগিব। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত চলা এই মিত্ৰজোঁটৰ চৰকাৰখনে অসমৰ সকলো ৰাইজৰ জাতি-জনগোষ্ঠী, ভাষা, ধৰ্ম, ৰাইজৰ আবেগ অনুভূতি কিমান ধুনীয়াকৈ অনুসৰণ কৰিছে, অনুভৱ কৰিছে আৰু তেওঁলোকৰ দুখ বিলাক নিৰাময় কৰিবৰ বাবে চেষ্টা চলাইছে অসমৰ এক জলন্ত সমস্যা আছিল, উগ্ৰপন্থী সমস্যা। এই উগ্ৰপন্থীসমূহৰ লগত আন্তৰিকতাৰে তেওঁলোকৰ মাজত থকা সমস্যা বিলাকৰ কথা পাতিবলৈ ইতিমধ্যে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে আৰু বহু উগ্ৰপন্থী সংগঠনৰ কেডাৰসকল ইতিমধ্যে এইখন চৰকাৰৰ উন্নয়নমুখী কামত আস্থা আৰু বিশ্বাস ৰাখি তেওঁলোকে মূলসুঁতিলৈ আহিছে। আমি বড়ো চুক্তিৰ দ্বাৰা মূলসুঁতিলৈ অহা প্ৰায় **৪২০৩** গৰাকী কেডাৰৰ কথা আমি ক'ব পাৰো যে তেওঁলোকৰ সংস্থাপনৰ বাবে এইখন চৰকাৰে **১৬৭.১২**

কোটি টকা তেওঁলোকক সাহাৰ্য্য আগবঢ়াবলৈ আগবাঢ়িছে। BLT ৰ কাৰ্য্যকৰ্তা এই সকল উগ্ৰপন্থী ইতিমধ্যে মূলসুঁতিলৈ আহি শান্তি প্ৰতিষ্ঠা কৰাৰ কাৰণে আজি বড়োলেণ্ডত আমি উন্নয়নৰ সপোন দেখিবলৈ সমৰ্থ হৈছোঁ। NDFB কেডাৰ সকলৰ গোচৰ ইতিমধ্যে প্ৰত্যাহাৰ কৰা হৈছে, প্ৰায় **৪২৭** গৰাকীক প্ৰত্যাহাৰ কৰি এইখন চৰকাৰে প্ৰমাণ কৰি দিলে যে প্ৰতিজন অসমীয়া মানুহৰ আৱেগ অনুভুতি কি ধৰণে গুৰুত্বসহকাৰে বিবেচনা কৰিব পাৰে। ULB সংগঠনৰ জন্ম হৈছিল **২০২১** চনত আৰু **২০২১** চনতে তেখেতসকলৰ লগত কথা পাতি সকলো কেডাৰক আত্মসমৰ্পণ কৰাবলৈ সমৰ্থ হৈছে অসম চৰকাৰে। DNLA কেডাৰ সকলৰ লগত যি যুদ্ধ বিৰোধী শান্তি চুক্তি হৈছে, তেওঁলোকৰ লগত শান্তি প্ৰতিষ্ঠানৰ কাৰণে যিখিনি কৰণীয় তাৰ কাম আগবঢ়াইছে। তাৰ কাৰণে মই ধন্যবাদ জনাইছোঁ। NFB ৰ প্ৰায় **১৬৪** গৰাকী কেডাৰে আত্মসমৰ্পণ কৰি মূলসুঁতিলৈ অহাৰ কাৰণে অসমৰ শান্তি প্ৰতিষ্ঠাৰ মূল যাত্ৰা শক্তিশালী ৰূপত আগবাঢ়িছে।

মাননীয় উপাধ্যক্ষ মহোদয়, হয়তো ময়ো ভৰা নাছিলো, আমাৰ এটা প্ৰজন্ম কেনেকৈ ধ্বংস হ'বলৈ গৈ আছে। এই কথা অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে খুব গুৰুত্বসহকাৰে অনুভৱ কৰি Drugs ৰ বিৰুদ্ধে যি মহাযুদ্ধ ঘোষণা কৰিছে আৰু এই যুদ্ধত ইতিমধ্যে সফল হৈছে। আমি দেখিছো যে যি তথ্য আহিছে, আমি যিসময়ত অসমৰ মানুহে ঠাণ্ডাত লেপ লৈ শুই আছোঁ, সেই সময়ত অসম চৰকাৰৰ গৃহ বিভাগ, বিশেষকৈ পুলিচ বা আৰক্ষী বিভাগে drugs বিলাক দমন কৰাৰ কাৰণে checking ব্যৱস্থা কাৰ্য্যকৰী কৰি আছিলে। যাৰ কাৰণে যোৱা **৯** মাহত **২৩৬৩** গোচৰ পঞ্জীয়ন হৈছে। প্ৰায় **৪০৫২** গৰাকী এই কামৰ লগত জড়িত ব্যক্তিক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হৈছে। আটাইতকৈ ডাঙৰ তথ্য ময়ো দেখি আচৰিত হৈছো যে যোৱা **৯** টা মাহত গৃহ বিভাগে 72.2 kg Heroin, 19207 kg Ganja, 49 kg Opium, approx 1,90,000 bottles of Codeine based cough Syrup, approx 3100000 tables/ capsules & 3.375 kg Crystal methamphetamine seize কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, এইটো আছিলে এই চৰকাৰৰ আটাইতকৈ ডাঙৰ সফলতা। নিজৰ জন্ম দিয়া ল'ৰাৰ কি অৱস্থা হৈ গৈছে drugs খাই আৰু তেওঁলোকে মাক-দেউতাকৰ ওপৰত আক্ৰমণ কৰিছে, ঘৰত অশান্তি কৰি দিছে, নিজৰ জীৱন শেষ কৰি দিছে। এই যুৱ-প্ৰজন্মক জীৱনদান দিয়াৰ কাৰণে এইখন চৰকাৰে যি শক্তিশালী ব্যৱস্থা গ্ৰহণ কৰিছে, তাৰ কাৰণে মই এই চৰকাৰখনক ধন্যবাদ জনাইছো।

মাননীয় উপাধ্যক্ষ মহোদয়, **১৭, ১৮** জুলাই, **২০২১** তাৰিখৰ কথাটো ইতিহাসত সদায় সোণালী আখৰে লিখা থাকিব। অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইবিলাক জব্দকৃত নিচাজাতীয় সামগ্ৰী ধ্বংস কৰিবলৈ আগবাঢ়ি গৈছে। এইটোৱে আছিলে এজন অভিভাৱকৰ মূল দায়িত্ব, তেখেতে সন্মুখৰ পৰা নেতৃত্ব দিব বিচাৰিছে। আজি আমি দেখিছোঁ ৰাছিয়া আৰু ইউক্ৰেনৰ যুদ্ধ। ইউক্ৰেনৰ ৰাষ্ট্ৰপতিয়ে যেনেকৈ সন্মুখৰ পৰা যুদ্ধ কৰিছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিচাজাতীয় সামগ্ৰী ধ্বংস কৰাৰ ক্ষেত্ৰত সন্মুখৰ পৰা যুদ্ধ দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, আগতে বহুত আঁচনিৰ target আছিলে, কিন্তু এইখন চৰকাৰ অহাৰ পিছত এই আঁচনি বিলাকক সাৰ্বজনীন ৰূপ দিছে। আজি Deen Dayal Dibyangjan Pension Achoni, Swahid Kushal Konwar Sarbajanin Briddha Pension Achoni, Indira Miri Universal Widow Pension Scheme and ORUNODOI Scheme বিলাকৰ জৰিয়তে এককালীন **২৫** হাজাৰ টকাকৈ সাহায্য পাইছে।

19.32 lakh beneficiary য়ে প্ৰত্যেক মাহৰ **১০** তাৰিখ অহাৰ লগে লগে গম পাই যে মোৰ একাউন্টত পেন্সন সোমাব। অৰুণোদয় সোমাইছে তাৰ লগতে অসম মাইক্ৰো'ফাইনেন্সৰ সকাহ আৰু উদগনিৰ জৰিয়তে প্ৰায় **২০** লাখৰ অধিক মহিলাৰ চকুৰ পানী মচিবলৈ সক্ষম হৈছে আৰু **৪০০** কোটি টকাকৈ অধিক টকা চৰকাৰে আগবঢ়াইছে। ৩৬,৯৬,৩৪০গৰাকী মহিলাই আজি কিন্তু ১০ তাৰিখ অহাৰ লগে লগে, চাই আছে যে মই একো নকৰাকৈ পইচা সোমাইছে, এই পইচা সাৰ্বজনীন। সাৰ্বজনীন ৰূপত কাম কৰাৰ কাৰণে মই এই চৰকাৰক ধন্যবাদ জনাইছো। ইতিমধ্যে ১ লাখ চাকৰিৰ কথা কৈ আছে। অধ্যক্ষ মহোদয়, চৰকাৰ জন্ম হৈছে, নাড়ীটো কাটাই নাই চাগে, এতিয়ালৈকে ৯ মাহ হৈছেহে, এইবাৰ আমি পূৰ্নাঙ্গ বাজেট পাইছো। আপোনালোকে হয়তো ভালকৈ পঢ়া নাই। ইতিমধ্যে আপোনালোকে জানে যে, চৰকাৰে দায়িত্বসহকাৰে কাম কৰিছে। আমাৰ হাতত তথ্য দিছে যে, বিভিন্ন বিভাগত খালী হৈ থকা পদসমূহ নতুনকৈ পূৰণ কৰিবলৈ প্ৰায় ১ লাখ চাকৰি কি ধৰণে পূৰণ কৰিব তাৰ তথ্য আমাৰ হাতত দিছে আৰু ইতিমধ্যে বিভিন্ন ধৰণৰ বোৰ্ড গঠন কৰিবলৈ পৰামৰ্শ দিছে। এই বোৰ্ডৰ জৰিয়তে ইয়াৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। আপোনালোকে জানে ইতিমধ্যে ৬৬ হাজাৰ নিবনুৱাক চাকৰি দিবৰ কাৰণে ইতিমধ্যে প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই কথা আপোনালোকে নিশ্চয় ৰাতিপুৱা যেতিয়া অফিচত বহে, তেতিয়া কোনোবাই পুলিচৰ চাকৰি লাগে বুলি আপোনাৰ ওচৰলৈ যায়, বা অনুৰোধ কৰিবলৈ যায়, এইটো হৈছে, চৰকাৰৰ দায়িত্ব। মই ভাবো মাননীয় মহামহিম ৰাজ্যপালে যোৱা ৯ টা মাহত ড° হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ নেতৃত্বত চলি থকা এইখন চৰকাৰ, সকলো প্ৰত্যাহ্বানক, প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰি যি উন্নয়নৰ যাত্ৰা তৰান্বিত কৰিবৰ কাৰণে চেষ্টা কৰিছে, তাৰ কাৰণে আমি সকলোৱে একেমুখে ধন্যবাদ জনাব লাগিব আৰু সহযোগ কৰিব লাগিব। মই শেষ কৰিব বিচাৰিছো, আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই সেই কাৰণে শুদ্ধভাৱে কৈছিল যে আমাৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ এটা পংতিৰে কৈছিল------

বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল
অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।

গতিকে অসমৰ প্ৰতি যদি আপোনালোকৰ, অসমৰ বায়ু পানী, মাটিৰ লগত সম্পৰ্ক আছে, আপোনালোকে যদি ভাল পায় অলপ সময় দিয়ক। এই পূৰ্ণাঙ্গ বাজেটৰ পাছত , মহামাৰী ক'ৰণা কমি যোৱাৰ পাছত আপোনালোকে মনৰ ইচ্ছামতে সমষ্টি উন্নয়নৰ কাৰণে কাম পাব মই এইটো আশা ৰাখি পুনৰবাৰ মহামহিম ৰাজ্যপালৰ বক্তব্যক মই ধন্যবাদ জনাই সমৰ্থনত এই কথাখিনি কোৱাৰ বাবে সুবিধা দিয়াৰ কাৰণে মই উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনালো।

**মাননীয় উপাধ্যক্ষ** ঃ-ধন্যবাদ। এতিয়া মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়া, আপোনাৰ দলক দিয়া সময় অনুসৰি ১০ মিনিট। যদি অলপ বেছি ক'ব বিচাৰে, পৰৱৰ্তী বক্তা সকলৰ লগত মিলাই ল'ব।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)**ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে যোৱা কালি দিয়া আমাৰ পবিত্ৰ সদনৰ ভাষণৰ পৰা তেখেতে আমাক সকলোকে ৰাজ্যখনৰ সৰ্বাংগীন বিকাশৰ বাবে কাম কৰিবলৈ সমৰ্থন আৰু সহযোগীতা আগবঢ়াবলৈ অনুৰোধ জনাইছে। আমিও চৰকাৰৰ কামত গঠনমুলক ভাবে সহযোগীতা কৰিব বিচাৰো। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ আৰু বাকী সদস্য সকলেও সহযোগীতা আগবঢ়াব আৰু মই ১০ মিনিটৰ ভিতৰতে কিছু কথা ক'ব বিচাৰিম। মহোদয়, ইয়াতে বিভিন্ন পৃষ্ঠাত বিভিন্ন ধৰণৰ কথাখিনি উল্লেখ আছে। ৰাজ্যপালৰ ভাষণৰ

৬ নং পৃষ্ঠাত ফলপ্ৰসূ আৰক্ষী ব্যৱস্থাৰ কৌশলৰ কথা উল্লেখ কৰা হৈছে। কিন্তু এইখিনি সময়ত আমি দেখা পাইছো, অসমৰ গৃহৰক্ষী বাহিনীৰ ৬০ শতাংশ পদ কৰ্তন কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে, আৰু যি সকল কৰ্মৰত, এইখিনি কৰিছে, বিত্তবিভাগে পুঁজি যোগান ধৰিব নোৱাৰাৰ বাবে বুলি বাতৰিত তথ্য ওলাইছে। অসমত বৰ্তমানে যিটো সিদ্ধান্ত হৈছে ২৫১ জন আৰক্ষী প্ৰতি ১ লাখ জনসংখ্যাৰ বাবে আৰু বৰ্তমানে ১ লাখত ২০৭ জনকৈ হৈ আছে। যোৱা সময়চোৱাত পুলিচ মৰ্ডানাইজেশ্যনৰ কথা কোৱা হৈছিল। কিন্তু আমাৰ ফালৰ পৰা যোৱা কেইবছৰো ইউটিলাইজেশ্যন চাৰ্টিফিকেট দিব পৰা হোৱা নাই আৰু সেই গতিকে যোৱা দুটা বছৰত তাৰো আমি কোনো পুঁজি পোৱা নাই। গতিকে খুব সম্ভৱ ৰাজ্যৰ ১৪১ খন থানাত এতিয়াও টেলিফোন নাই। ৰাজ্যৰ ৩৪৪ খন থানাৰ ভিতৰত ৪ খন বাহন নাই, আৰু এইখিনি যদি নহয়, তেনেহ'লে সুপ্ৰশাসনৰ ক্ষেত্ৰত আমি আগবাঢ়ি যাব নোৱাৰিম। এনকাউন্টাৰৰ কথা আছে। গুৱাহাটী হাইকোৰ্টত এটা তথ্য দিয়া হৈছে, চৰকাৰে স্বীকাৰ কৰিবলৈ বাধ্য হৈছে, যে ফৰেনচিকত উগ্ৰপন্থীৰ হাতৰ অস্ত্ৰ বুলি কোৱা স্বত্বেও ফৰেনচিকে সেয়া প্ৰমাণ কৰিব পৰা নাই। অৰ্থাৎ ভুৱা এনকাউন্টাৰ আমাৰ ৰাজ্যত হৈছে। যিটোৱে এটা দায়িত্ববোধৰ চৰকাৰৰ কথা নিশ্চয় নকয়। আজি আমাৰ পূৰ্বৰ এটা আলোচনাত এন আৰ চি ৰ কথা ওলালে। চৰকাৰখনে কৈছিল যে অসম চুক্তি অনুসৰি গোটেইখিনি কাম আখৰে আখৰে পালন কৰিব তাৰ অন্যতম এটা অংশ এন আৰ চি আৰু এন আৰ চি এতি য়াও আজি দুবছৰৰ অধিক কাল হৈ যোৱাৰ পাছতো কিয় অসমত লোৱা হোৱা নাই। কেতিয়াবা কয় যে পুনৰবাৰ হ'ব, কেতিয়াবা একো নকয়। গতিকে ইমানখিনি অৰ্থ ব্যয় কৰাৰ পাছত এন আৰ চি ৰ কাৰণে সকলোৱে আজি সহযোগীতা কৰাৰ পাছত আজি এন আৰ চি ত নাম থকা ১৯ লাখ লোকৰ বায়'মেট্ৰিক লক কৰি দিয়াৰ পাছত তেওঁলোকৰ কি দুৰৱস্থা হৈছে সেই কথাখিনি সংবেদনশীল সব কা সাথ, সব কা বিকাশ বুলি কোৱা চৰকাৰখনে তাৎক্ষণিক ভাৱে অনুভৱ কৰা উচিত আৰু কাম কৰা উচিত। মহোদয়, নিয়োগৰ ক্ষেত্ৰত কোৱা হৈছে যে আমাৰ ডিজিটেল ব্যৱস্থা কৰা হৈছে, আৰু ডিজিটেল ব্যৱস্থাৰ ফলত ৰাজ্যৰ ৩ লাখ নে ৪ লাখ যুৱক-যুৱতীয়ে এই ব্যৱস্থালৈ চিফ্‌ট কৰিছে। কিন্তু ৰাজ্যত ২২ লাখত কৈ অধিক নিবনুৱা পঞ্জীকৃত হৈ আছে, তেখেত সকলে কেনেকৈ সংস্থাপন পাব, সেইটো এটা গভীৰ চিন্তাৰ বিষয়। অকল আমি তেওঁলোকক পঞ্জীয়ন কৰিলেই ন'হব, তেওঁলোকক সংস্থাপন দিব পাৰিব লাগিব। কিন্তু এই ৰাজ্যতেই দেখা গৈছে শিক্ষা বিভাগত অসমীয়া নজনা শিক্ষক নিযুক্তি হৈছে এই চৰকাৰৰ দিনত। ঠিক তেনেকৈ oil India ত ৫৩৬ টা পদত বাহিৰৰ পৰা লোক আহি চাকৰিৰ কাৰণে সাক্ষাতকাৰ দিছে। ONGC ত ২০০ ত কৈ অধিক post খালী হৈ আছে। ঠিক তেনেকৈ ৰাজ্যত এটা দাবী আছিল যে বহুত দিনৰ পৰা তৃতীয় শ্ৰেণীৰ, চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ থলুৱা নিযুক্তি ৮০ শতাংশ মান কৰিব লাগে। এই বিষয়ত আমাৰ হাউচ কমিটিৰ ৰিপোৰ্টি টো আছে। কিন্তু তথাপিটো এই দিশত এটা বলিষ্ঠ পদক্ষেপ চৰকাৰে দিয়া দেখা নাই। ১০ নং পৃষ্ঠাত পঞ্চায়তৰ কৰ ব্যৱস্থাৰ বিষয়ে উল্লেখ আছে। যিটোত কোৱা হৈছে is of doing business ৰ কাৰণে বেছিভাগ অনুজ্ঞাপত্ৰ লোৱাৰ ব্যৱস্থাৰ পৰা পঞ্চায়তত বাতিল কৰা হ'ব। তেওঁলোকক কোনো অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা কৰা নাই, কৰিব নালাগে। কিন্তু নীতিআয়োগৰ পৰামৰ্শ আছে যে পঞ্চায়ত বিলাক সবলীকৰণ হ'ব লাগে। সবলীকৰণ হ'বলৈ হ'লে, তেওঁলোকে tax ল'ব লাগে। tax ব্যৱস্থা হ'ব লাগে। আমাৰপঞ্চায়তী আইনতো আছে, কি কি ব্যৱস্থাৰ পৰা কৰ সংগ্ৰহ কৰি পঞ্চায়তবিলাক আত্মনিৰ্ভৰ হ'ব লাগে। কিন্তু যদি তেওঁলোকে এনেকৈ কৰ নলয়, তেতিয়াহ'লে তেখেতসকলে যিহেতু 15th Finance Grant বিলাক বা

অন্য Grant বন্ধ হৈ যাব বুলি ইতিমধ্যে ঘোষণা হৈছে, এই পঞ্চায়ত ব্যৱস্থা বিলাকে কেনেকৈ ৰাইজৰ সেৱা কৰিব এইক্ষেত্ৰত কোনো এটা alternative mechanism ৰ কথা আমি ৰাজ্যপালৰ ভাষণত পোৱা নাই। মহোদয়, ভাষণৰ ১৭ আৰু ১৮ নং পৃষ্ঠাত কৃষিখণ্ডত হোৱা উন্নয়ন, ধান ক্ৰয়ৰ কথা কোৱা হৈছে, মুখ্যমন্ত্ৰী মহোদয়ে যিটো ঘোষণা কৰিলে, আমি আদৰণি জনাইছো, যে ১০ লাখ টন ধান এই বছৰ ক্ৰয় কৰা হ'ব। সময় নিশ্চিতভাৱে ছেপ্তেম্বৰ মাহলৈকে আছে। ছেপ্তেম্বৰ মাহলৈকে ধান ক্ৰয় কৰাৰ এটা চৰকাৰী নীতি আছে। আমাৰ FCI ৰ যিটো storage capacity সেই capacity অসমত বোধ কৰো ৪ লাখতকৈ বেছি নহয়। গতিকে ১০ লাখ কেনেকৈ কিনি ৰখা হ'ব, তাৰ কাৰণে যিখিনি পৰিকল্পনা লাগে, সেইখিনি কৰা হৈছে নে নাই, আৰু পূৰ্বৰ বক্তাসকলে কোৱাৰ দৰে যে তেওঁলোকৰ transportation যিহেতু খুব Limited purchase center তাৰ পৰা কেনেকৈ আমাৰ কৃষক সকলে নিজৰ পইচা ভৰি নিব লাগিব নেকি ? সেই কথাবিলাক যদি স্পষ্টভাৱে নাই, তেতিয়াহ'লে, আঁচনিখন মাত্ৰ এখন কাকতত থকা এটা ঘোষণা হ'ব। গতিকে এই ক্ষেত্ৰত চৰকাৰে আৰু অধিক মনোযোগ আৰু লগতে স্পষ্টতা ৰাজ্যপাল মহোদয়ৰ ভাষণত আমি আশা কৰিছিলো। অসমত কৃষি বিভাগত বিভিন্ন কেলেংকাৰী হৈছে। তাৰ ভিতৰত এটা অন্যতম আছিল প্ৰধানমন্ত্ৰীৰ কৃষক সন্মান যোজনাত। যিটো তথ্য ইতিমধ্যে লোকসভাত কেন্দ্ৰীয় মন্ত্ৰীয়ে উল্লেখ কৰিছে, যে অসমত ১১ লাখ ভুৱা কৃষকে ৭০৩ কোটি টকা অবৈধভাৱে সংগ্ৰহ কৰিছে। চৰকাৰী ধন তেওঁলোকে নিজৰ একাউন্টত ভৰাইছে। কিন্তু অসম চৰকাৰে মাত্ৰ এতিয়ালৈকে ডেৰকোটি ধনহে ঘূৰাই আনিবলৈ সক্ষম হৈছে। এই চৰকাৰী ধন কিবা ৰাজনৈতিক স্বাৰ্থত এনেকৈ দিয়া হ'ল নেকি? এইক্ষেত্ৰত স্পষ্টতা থাকিব লাগে। কাৰণ এইখিনি প্ৰকৃত কৃষক সকলে পাব লাগে। প্ৰকৃত কৃষক সকলে নাপালে তেখেত সকলৰ মনোযোগ ব্যাহত হ'ব তেওঁলোকৰ আৰু অৰ্থনৈতিক দৈন্যতা আহিব তাৰ ফলত কৃষি কৰ্ম বাদ দিব। গতিকে এই ক্ষেত্ৰত চৰকাৰখনে কি ব্যৱস্থা ল'ব, শূণ্য সহনশীল নীতি কেনেকৈ ল'ব তাৰ লগতে কৃষি বিভাগ আৰু পশুপালন বিভাগ দুয়োটা বিভাগেই গুৰুত্বপূৰ্ণ। কিন্তু যোৱা বিধান সভাৰ এটা তথ্য আছিল যে ৩০০০ ত কৈ অধিক তৃতীয়, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আজি ৫ বছৰতকৈ অধিক কাল ধৰি এই দুয়োটা বিভাগত খালী হৈ আছে পদ, আৰু যদি এই তৃণমূল পৰ্য্যায়ৰ কৃষকসকলক গাইড কৰিব পৰা কৰ্মচাৰীৰ অভাৱ হয়। তেতিয়াহ'লে কেনেকৈ বৈজ্ঞানিক, আধুনিক প্ৰযুক্তিৰে কৃষকসকলে কম মাটিত বেছি লাভজনক খেতি কৰিব পৰা বিষয়ে জ্ঞান পাব, এই কথাটোও চাবলগীয়া। মহোদয়, অসমৰ বিদ্যুৎৰ বিল খুব সোনকালে এতিয়া State Regulatory Commission ত গৈছে বুলি শুনা গৈছে আৰু বিদ্যুতৰ বিল ভাৰতবৰ্ষৰ অন্য ৰাজ্যৰ তুলনাত অসমত যথেষ্ট বেছি। কিন্তু আমাৰ নিজা উৎপাদন যদিও চৰকাৰে ঘোষণা কৰিছিল যোৱা সময়ছোৱাত যে আমাৰ নিজৰ বিদ্যুৎ জেনেৰেশ্যন হ'ব, power generation আমি এতিয়ালৈকে আগবাঢ়িব পৰা নাই। গতিকে বিদ্যুৎৰ যিটো ঘোষণা আছিল চৰকাৰৰ যে আমি নিজৰ উৎপাদন বৃদ্ধি কৰিম। সেই বৃদ্ধি কৰাৰ ব্যৱস্থা উল্লেখ কৰিব লাগে আৰু সময় অনুসৰি সেইখিনি কৰি আমি নিজৰ বিদ্যুৎ ৰাইজক দি তাৰ মাছুল যাতে হ্ৰাস কৰিব পাৰো, এইক্ষেত্ৰত কোনো ব্যৱস্থাৰ উল্লেখ নাই। গতিকে এইক্ষেত্ৰত মই চৰকাৰক কাম কৰিবৰ কাৰণে অনুৰোধ জনাইছো। মহোদয়, অন্য এটা গুৰুত্বপূৰ্ণ বিষয় আছিল সীমা বিবাদ, আমাৰ এটা পুৰণা সমস্যা কিন্তু বৰ্তমান চৰকাৰখনে যেনেকৈ অসমীয়াত এষাৰ কথা আছে চৰুক সুধি চাউল ৰন্ধাৰ নিচিনা। যদি আমাৰ যি সাংবিধানিক ব্যৱস্থা আছে, সেইবিলাকৰ পন্থা অৱলম্বন নকৰি চুবুৰীয়া ৰাজ্যৰ বিভিন্ন বসতিক সুধি কৰিবলৈ যাওঁ, তেতিয়া আমাৰ অসমৰ সমস্যা

হ'ব পাৰে আৰু  আমি নিজৰ যি ভূমি, সেইখিনি হেৰুৱাম। তেতিয়াহ'লে অসমৰ যি জনসংখ্যা, সেই জনসংখ্যা অসমত কেনেকৈ সংস্থাপন হ'ব সেইটো কথা চিন্তা কৰি এইক্ষেত্ৰত চৰকাৰে স্পষ্টভাৱে যিখিনি আমাৰ constitutional provision সেইখিনি মতেহে যেন সীমা সমস্যাটো সমাধান কৰিবলৈ আগবাঢ়ে তাৰবাবে আমি নিৰ্দেশনা এটা ইয়াত বিচাৰো। মহোদয়, অন্য এটা বিষয় ভাষণৰ ২৬ আৰু ২৭ স্পৃষ্ঠাত অসমৰ বিভিন্ন জনজাতি আৰু জনগোষ্ঠীৰ উন্নয়নৰ কথা কোৱা হৈছে আৰু এইক্ষেত্ৰত মই ক'ব বিচাৰো যে যোৱা ২০১৪ চনতে ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰা হ'ব বুলি কোৱা হৈছিল আৰু এইক্ষেত্ৰত সেই সময়ত সংসদৰ অমৰাইপ্ৰধানীৰ নেতৃত্বত Join select committee য়ে গোটেই কথাখিনি চৰজমিন তদন্ত কৰিছিল তাৰ প্ৰতিবেদন সংসদত মজুত আছে। তাত যেনে ধৰণে recommend কৰিছিল, ১৯৯৬ চনত, সেই অনুসৰি যদি চৰকাৰে কাৰ্য্যক্ষেত্ৰত আগবাঢ়ি যায়, তেতিয়াহ'লে এটা ৰাইজক দিয়া প্ৰতিশ্ৰুতি ভাৰতীয় জনতা পাৰ্টিৰ তাৎক্ষণিকভাৱে পুৰণ হ'ব যিটো ছয়মাহৰ ভিতৰত কৰাৰ কথা থকা স্বত্বেও আজি সাত বছৰ ধৰি সেইখিনি পেণ্ডিং হৈ আছে। মহোদয়, সেই গতিকে এইক্ষেত্ৰত যাতে তাৎক্ষণিকভাৱে ব্যৱস্থা লয় আৰু যিবিলাক আমাৰ যোৱা সময়ছোৱাত এনেকুৱা ধৰণৰ আলোচনা হ'লে চৰকাৰে মন্ত্ৰী গোট গঠন কৰে। মন্ত্ৰী গোট গঠন কৰাৰ কি প্ৰয়োজন আছে, যেতিয়া সংসদীয় পৰামৰ্শ সমিতিয়ে দিলে। গতিকে সংসদীয় গোটৰ পৰামৰ্শ মতে কাম কৰিবলৈ মন্ত্ৰীগোট সমূহ ভংগ কৰাৰো এটা দাবী ৰাজ্যপালৰ ভাষণৰ যোগেদি মই চৰকাৰক জনাইছো। মহোদয়, শিক্ষাৰ ক্ষেত্ৰতো অতি পুতৌ লগা অৱস্থা কোৱা হৈছে। আমি গুণোৎসৱ পাতিলো। কিন্তু আমি গুণোৎসৱ পতাৰ পিছতো ৩১৪ খন স্কুলত এজনো শিক্ষকৰ নিযুক্তি হোৱা নাই। তাত বোধকৰো শিক্ষক আছে কিন্তু মৌখিকভাৱে বোধকৰো Education Officer ৰ সকলক সেই স্কুল বিলাকত  কাৰোবাক কাম কৰিব দিছে। সেই গতিকে এই তথ্যটো ওলাইছিলে যে ৩১৪ খন স্কুলতো এজনো শিক্ষক নাই। ৪৪৪৬ খন স্কুলত এজনকৈ শিক্ষক আছে আৰু এইবিলাক হ'লে আমাৰ যি সাধাৰণ বেছিভাগ লোকে অসমীয়া মাধ্যমত বা অন্যান্য মাতৃ ভাষাৰ মাধ্যমত পঢ়ে, সেই স্কুলবিলাৰ এটা দুৰ্দশা আহিব। New education policy ত যদিও আমাৰ মাতৃভাষাৰ বিদ্যালয়ৰ প্ৰাসংগিকতাৰ গুৰুত্ব আগবঢ়াই দিছে, তথাপিতো অসমতো যদি এই ব্যৱস্থা হয়, আমি সেইখিনি নিশ্চয় আগবাঢ়িব নোৱাৰিম আৰু সেই গতিকে মই ৰাজ্যপাল মহোদয়ৰ বক্তৃতাৰ ওপৰত যিটোপৰৱৰ্তী দিশ নিৰ্দেশনা হ'ব, সেইক্ষেত্ৰত চৰকাৰৰ  সহযোগীতা কামনা কৰিছো। মহোদয়, মই অন্য এটা বিষয় ট্ৰেঞ্চপোৰ্ট বিভাগে আৰু এটা স্কীম ল'লে অপাৰেশ্যন চাৰখাৰ। এই চাৰখাৰৰ যোগেদি তেখেত সকলে অধিক কৰ সংগ্ৰহ কৰিব বিচাৰিছে, কিন্তু যোৱা সময়ছোৱাত আমি সকলোৱে জানো ক'ভিড পৰিস্থিতিৰ বাবে যিবিলাক Transport capacity আছিল, capacity below 50% যাতায়াত কৰিবলৈ চৰকাৰে পাৰমিছন দিছিল। গতিকে সেই ব্যৱসায় সকলৰ উপাৰ্জন হোৱা নাছিল, কিন্তু তেনে সময়ত কোনো concession ৰ ব্যৱস্থা কৰা নাই। কোনো relief ৰ ব্যৱস্থা কৰা নাই। বৰঞ্চ ভাতে মৰাৰ এটা ব্যৱস্থা কৰিছে চৰকাৰে কৰ অধিক সংগ্ৰহ কৰি যাৰ বাবে চৰকাৰীভাৱে এটা তথ্যও ওলাইছে যোৱা বছৰটোত ভাৰত চৰকাৰ বা অন্যান্য চৰকাৰে ৰাইজৰ পৰা সংগ্ৰহ কৰা কৰৰ percentage 64 % বাঢ়িছে আৰু ভাৰতবৰ্ষ সকলো জনগণৰ আয় 84% কমি আহিছে। গতিকে আমাৰ চৰকাৰে এই ক্ষেত্ৰত কিছু ক'ভিডৰ ৰোগীক সাহাৰ্য্য আগবঢ়ালে।  যিসকলে পিতৃ-মাতৃক হেৰুৱালে, তেওঁলোককো সাহাৰ্য্য আগবঢ়ালে। কিন্তু সাধাৰণ যি সকলক যিটো আমাৰ সুভাষ দাস কমিটি অথবা চিতা আয়োগৰ প্ৰতিবেদন অনুসৰি এতিয়াও কোনো সহায় আগবঢ়োৱা

নাই তেখেত সকলক সহায় আগবঢ়বলৈ মই পুনৰবাৰ দাবী জনাইছো ৰাজ্যপালৰ ভাষণৰ সংশোধনীৰ যোগেদি যাতে তেখেতসকলে আৰু কাম কৰিব পাৰে। মহোদয়, অন্য এটা বিষয় যে জৈব্য বৈচিত্ৰৰ কথা কোৰো হৈছে সেউজীধৰণীৰ কথা কোৱা হৈছে কিন্তু আপোনালোকে জানে যে গোটেই আমাৰ ৰাজ্যত বিভিন্ন ধৰণৰ অবৈধ বনজ সম্পদৰ ব্যৱসায় চলি আছে আৰু আমাৰ পাৰিপাৰ্শ্বিকতা ধ্বংস কৰা হৈছে চৰকাৰৰ জ্ঞাতসাৰে। মোৰ সমষ্টিত দিখৌ নৈৰ আজি যি Water Resource Department ৰ ৰিৰ্পট আছে যে তাত নৈ বহল হৈ গৈছে, নৈৰ কোনো পাৰ নেদেখা হৈ গৈছে। অবৈধ যি ব্যৱসায় হোৱাৰ বাবে শিল বালিৰ কিন্তু চৰকাৰে এই ক্ষেত্ৰত সজাগ হোৱা নাই। মাত্ৰ শ্ল’গান। আমি বন মহোৎসৱ, সেউজ মহোৎসৱ, পাৰিপাৰ্শ্বিকতা দিৱস নাপাতি প্ৰকৃত পক্ষে যাতে কাম কৰে মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আগন্তুক সময়ত অসমখন ভাল কৰিবলৈ। সেই আশা ৰাখিছো আৰু ৰাজ্যপাল মহোদয়ৰ ভাষণত এই গোটেই বিলাক কথা সোমাব লাগে এইটো দাবী কৰিছো। আজি SDG Goal ৰ কথাও আহে। SDG Goal ত আমি একেবাৰে পিছ পৰি আছো সেই কথাটো আপুনি নিশ্চয় জানে। আমাৰ Goal Number 4 Education Quality এই ক্ষেত্ৰত All India Average 57 কোনোবাই পাইছে 80 marks আমি পাইছো 43. Zero Hunger ৰ ক্ষেত্ৰত কোনোবা ৰাজ্যই পাইছে 47% আমি পাইছো 41, Jender Equality ৰ ক্ষেত্ৰত কোনোবা ৰাজ্য হৈছে 64 আমি হৈছো 25 তেনেকৈ industry environment ৰ ক্ষেত্ৰত পিছপৰি আছো। No poverty ৰ ক্ষেত্ৰত আমি 50% আৰু শেষৰ দিশৰ পৰা মুখ্যমন্ত্ৰী ওপৰলৈ নিব বিচাৰিছে। এই গোটেই কেইটা index ত আমি তলৰ ফালৰ পৰা ৫-৬ ভিতৰত আছো। এইখিনি কি কৰিলে উন্নত হ’ব আৰু ঋণৰ বোজা নবঢ়াই আমি কেনেকৈ উৎপাদনশীল হৈ GDB ৰ কথা কৈ আছে, সকলোৰে সেইখিনি কেনেকৈ আগবঢ়াব পাৰি, তাৰ বাবে সঠিক পথ এই আগন্তুক বাজেটত আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য হাফিজ বছিৰ আহমেদ ডাঙৰীয়া, আপোনাক দলৰ ফালৰ পৰা ১২ মিনিট allot কৰিছো।

**হাফিজ বছিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি মহামান্য ৰাজ্যপালে দিয়া ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধীতা কৰি দুআষাৰ কোৱাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। উপাধ্যক্ষ মহাশয়, এইখন সদনত যোৱা ১৫-১৬ বছৰৰ পৰা আছো আৰু প্ৰতি বছৰে ৰাজ্যপালে ভাষণ দিয়ে আৰু তাৰ printed copy আমাৰ হাতত আহে। অতি দুখেৰে ক’ব লগীয়া হৈছে যে, এই বিগত বছৰৰ তুলনাত এইবাৰ আটাইতকৈ poor ভাষণ হৈছে বুলি অনুমান হয়। ইয়াত যিহেতু বিভিন্ন গুৰুত্বপূৰ্ণ যিবোৰ বিষয় আছে সেই বিষয়বোৰ touch কৰা হোৱা নাই ইয়াত, অন্তৰ্ভুক্ত কৰা হোৱা নাই। Education, Ariculture,Law and order ইত্যাদি Irrigation,Water Resource বা আমাৰ যি অসমৰ আটাইতকৈ জলন্ত সমস্যা আছে, উচ্ছেদৰ পৰা আৰম্ভ কৰি, গড়াখহনীয়াৰ পৰা আৰম্ভ কৰি ইয়াৰ লগত জড়িত যিবোৰ বিষয় আছে, সেই বিষয়টো স্পৰ্শ কৰা হোৱা নাই। ভাষণত Sustainable Empowerment and peace ৰ কথা কোৱা হৈছে। বহনক্ষম আৰু স্থায়ী শান্তিৰ কথা কোৱা হৈছে। মোৰ সহযোগী বিধায়কসকলে বিভিন্ন সময়ত বিভিন্ন বিষয়ত ক’ব। মই শান্তি আৰু সম্প্ৰীতি যিটোৰ লগত আমাৰ দেশ তথা ৰাজ্যৰ উন্নয়ন ওতঃপ্ৰোত ভাৱে জড়িত তাৰ ওপৰতে কম। স্থায়ী শান্তিৰ বাবে উগ্ৰপন্থী সংগঠনৰ নেতা তথা কৰ্মকৰ্তা সকলে আত্মসমৰ্পণ কৰিছে, তেওঁলোকে মূল সূঁতিত যোগ দিছে। ইয়াক আমি আন্তৰিকতাৰে আদৰণি জনাইছো। আন্তঃসাম্প্ৰদায়িক, সম্প্ৰীতি, সংহতি,

ভাতৃত্ববোধৰ যি পৰিৱেশ আমাৰ উন্নয়নৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ বিষয়। কিন্তু এই বিষয়ে মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত আলোচনা হোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, বৰ্তমান দিল্লী আৰু দিছপুৰত শাসনাধিষ্ঠি বি জে পি চৰকাৰে সৰকা সাথ, সৰকা বিকাশ, সৰকা বিশ্বাস শ্লোগানেৰে দেশক উন্নয়নৰ ক্ষেত্ৰত আৰু আন্তৰ্জাতিক ক্ষেত্ৰত আগবঢ়াই লৈ যাব বিচাৰিছে। কিন্তু তাৰ বাস্তৱ নমুনা আমি দেখা পোৱা নাই। গোটেই ভাৰতবৰ্ষৰ লগতে অসমত এই সাম্প্ৰদায়িক বিষবাষ্প বিয়পায় কিছুমান মুষ্টিমেয় মানুহে সমাজখনক উত্ৰাৱল পৰিৱেশৰ সৃষ্টি কৰিছে। সেইটো আমাৰ কাৰণে শুভ লক্ষণ নহয়। আজি মুকলিভাৱে ক'বলৈ গ'লে হিন্দু-মুছলিমৰ প্ৰসংগ লৈ যি ধৰণে কিছুমান বাক্যবান, বিভ্ৰান্তিকৰ কথা-বতৰা কোৱা হয় সেইটো আমাৰ দেশৰ কাৰণে শুভ লক্ষণ নহয়। বিদেশী সম্পৰ্কে আমাৰ দ্বি-মত নাই। এজনো বিদেশী থকাৰ ক্ষেত্ৰত আমাৰ সামন্যতমো সমৰ্থন নাই। আইনী প্ৰক্ৰিয়াৰে চিনাক্ত কৰি ইয়াৰ পৰা বহিষ্কাৰ কৰা হওক। আজি ধলপুৰ, গৰুখুটি বা অন্যান্য ঠাইতেই হওক যি উচ্ছেদ কৰা হৈছে মূল কথাটো হ'ল যে তাত বিদেশী বা সন্দেহযুক্ত নাগৰিকে বসবাস কৰিব বিচাৰিছে। আজি গড়াখহনীয়াৰ বলি হোৱা হাজাৰো নহয়, লাখ লাখ লোক আছে। যিসকলে বিভিন্ন ঠাইত শৰণাৰ্থী শিবিৰৰ দৰে আশ্ৰয় গ্ৰহণ কৰি আছে। তেওঁলোকক বিদেশী বুলি সন্দেহ কৰা হয় আৰু তেওঁলোকৰ ওপৰত বিভিন্ন ধৰণৰ নিৰ্য্যাতনো চলোৱা হয়। আজি এই বিষয়টো কিন্তু মাননীয় ৰাজ্যপাল মহোদয়ে স্পৰ্শ নকৰিলে। এখন শুদ্ধ আৰু সঠিক এন আৰ চি প্ৰস্তুত কৰি এইক্ষেত্ৰত এটা স্থায়ী সমাধান বিচৰাৰ ক্ষেত্ৰত বিভিন্ন ৰাজনৈতিক দল আৰু বিভিন্ন অ-ৰাজনৈতিক দল সংগঠন সকলোৱে একমতত উপনীত হৈছিল। সেই হিচাপে প্ৰায় ১৮ শ কোটি টকা খৰচ হৈছে। প্ৰায় ৫৫ হাজাৰ কৰ্মচাৰীয়ে ৫ বছৰ একেলেঠাৰিয়ে কাম কৰি এখন এন আৰ চি প্ৰস্তুত কৰিলে। কিন্তু তাৰ শেষ পৰিণতি কি হ'ব সেইটো এতিয়াও স্পষ্ট হোৱা নাই। সমস্যাটো কিন্তু সমাধান নহ'ল। এই সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত বিভিন্ন সময়ত বিভিন্ন ধৰণৰ পদক্ষেপ লোৱা হৈছিল। ১৯৭৪ চনত ইন্দিৰা মুজিম একৰ্ড হ'ল আৰু বিদেশী সমস্যাৰ ওৰ পৰিল বুলি কোৱা হৈছিল। কিন্তু শেষ নহ'ল। ১৯৮৩ চনত আই এম ডি টি এক্ট প্ৰস্তুত কৰা হ'ল আৰু কোৱা হ'ল যে বিদেশী সমস্যা সমাধান হ'ব। কিন্তু সমাধান নহ'ল। ২০১৪ চনত Indo-Bangladesh Land Swap Agreement কৰা হ'ল আৰু ভৰা হ'ল যে বিদেশী সমস্যা সমাধান হ'ব। কিন্তু সমাধান নহ'ল। তাৰ পিছত এন আৰ চি প্ৰস্তুত কৰা হ'ল। কিন্ত এন আৰ চি প্ৰস্তুত কৰাৰ পিছতো সমস্যাটো থাকি গ'ল। এইটো অত্যন্ত দুখ আৰু পৰিতাপৰ কথা। ধলপুৰৰ উচ্ছেদিত লোকসকলৰ বাবে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। আমি ইয়াক ভাল পাইছো আৰু ইয়াক আদৰণি জনাইছো। কিন্তু এই লোকসকলক যেতিয়া উচ্ছেদ কৰা হৈছিল তেতিয়া এই সকলক বিদেশী বুলি কোৱা হৈছিল। কিন্তু পুনৰ সংস্থাপন কৰাৰ ক্ষেত্ৰত কাকো সন্দেহযুক্ত বিদেশী বুলি কোৱা নহ'ল। আমি মানুহৰ জীৱনক লৈ যদি খেলা কৰি থাকো এইটো আমাৰ কাৰণে অতি দুৰ্ভাগ্যজনক। এজন মানুহ যদি বিদেশী হয়, তেওঁৰ কাৰণে নেশ্যনেল আৰু ইণ্টাৰনেশ্যনেল আইন আছে আৰু এজন যদি লোক চোৰ বা ডকাইত হয় তেওঁৰ কাৰণেও আইন আছে। তেওঁৰো মানৱ অধিকাৰ আছে। চৰকাৰে উন্নয়নৰ বাবে যি ধৰণৰ ব্যৱস্থা লয় তাত আমি সহযোগীতা কৰিম। জীৱিত এজন মানুহৰ আটাইতকৈ ডাঙৰ সম্পদ হৈছে তেওঁৰ নাগৰিকত্ব। কিন্তু মানুহৰ জীৱন লৈ খেলা কৰাটো আমাৰ কাৰণে অত্যন্ত অমানৱিক কথা হ'ব। ইয়াৰ বাবে আমাক অদৃশ্যজনেও ক্ষমা নকৰিব। আমাৰ এই চৰকাৰৰ ওপৰত আস্থা আৰু বিশ্বাস আছে। তেওঁলোকৰ একক সংখ্যাগৰিষ্ঠতা ইয়াত আৰু দিল্লীতো আছে। ৰাজ্যপাল মহোদয়ৰ

ভাষণৰ বিতৰ্কত অংশ লৈ মই অনুৰোধ জনাব বিচাৰিছো যে চৰকাৰে পজিটিভ দৃষ্টিভঙ্গী লৈ অসম তথা দেশৰ স্বাৰ্থত এই সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত এটা স্থায়ী পদক্ষেপ লওক। আমি এটা কথা মনত ৰাখিব লাগে যে জোৰ কৰি কাৰো প্ৰেম আদায় কৰিব নোৱাৰি। তুমি মোক ভাল পাবই লাগিব এই ফৰ্মুলা পৃথিৱীৰ ক'তো এপ্লাই নহয়। প্ৰেম দি প্ৰেম আদায় কৰিব লাগিব, দিল দি দিল জয় কৰিব লাগিব, মন দি মন জয় কৰিব লাগিব। ইয়াত মুছলিম লোকসকল সংখ্যালঘু আৰু আমি কেতিয়াও সপোন নেদেখো যে আমি চৰকাৰ গঠন কৰিব পাৰিম আৰু আমাৰ ইয়াত এজন মুখ্যমন্ত্ৰী হ'ব। কিন্তু এই ধৰণৰ অপবাদ দিয়া বা ষড়যন্ত্ৰমূলক ভাৱে পলিটিকেল ষ্টেটমেণ্ট দিয়াটো ভাল নহয়। গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা যিখিনি ভাৰতীয় নাগৰিক আছে, তেওঁলোকৰ ক্ষেত্ৰত পুনৰ সংস্থাপনৰ বাবে এক মানৱীয় দৃষ্টিভঙ্গী যদি গ্ৰহণ কৰে তেতিয়া আমি ভাৱো যে এই সমস্যাটো অতি সোনকালে সমাধান হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, মানুহৰ মাজত কাজিয়া, মাৰপিট আদি হয়। কিন্তু ধৰ্মক ব্যৱহাৰ কৰি সাম্প্ৰদায়িকতাৰ এটা পৰিৱেশ সৃষ্টি কৰি কোনোবাই যদি এটা লাভালাভ ল'ব বিচাৰে আৰু লয়, সেইটো কিন্তু স্থায়ী নহয়। ধৰ্মৰ ওপৰত ভিত্তি কৰি কোনো চৰকাৰ গঠন হৈ তিষ্ঠি থাকিব নোৱাৰে। বহুতে কয়. চৌদি আৰৱত ইছলামিক ধৰ্মৰ চৰকাৰ আছে, কিন্তু ক'তো ইছলামিক ধৰ্মৰ চৰকাৰ নাই। সকলোতে ৰাজতন্ত্ৰ। ধৰ্মৰ ওপৰত প্ৰতিষ্ঠিত হৈ পাকিস্তানৰ সৃষ্টি হ'ল, কিন্তু সেই পাকিস্তান কিমান দিন টিকিলে ? আকৌ ভাষাৰ নামত বাংলাদেশ সৃষ্টি হৈ তাৰ পৰা ফালৰি কাটি আহিলে। সেয়েহে, ধৰ্মক টাৰ্গেট কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰাৰ ব্যৰ্থ চেষ্টা যাতে আমি নকৰো। মাননীয় উপাধ্যক্ষ মহাশয়, মহামান্য ৰাজ্যপালৰ ভাষণত অসমৰ এই জলন্ত সমস্যাটোৰ বিষয়ে উল্লেখ তথা স্পৰ্শও কৰা নহ'ল। বৰ্তমানৰ চৰকাৰে যি দৰে অসমৰ বিভিন্ন সমস্যা যেনে- দুৰ্নীতি নিবাৰণ, ড্ৰাগ্ছ একেবাৰে নিৰাময় কৰাৰ ক্ষেত্ৰত যি পদক্ষেপ লৈছে, ঠিক তেনেদৰে বিদেশী সমস্যাৰো যাতে permanent settlement হয় তাৰ বাবে শক্তিশালী পদক্ষেপ লোৱাৰ কাৰণে আহ্বান জনাই মোৰ বক্তব্য সামৰিছো। জয় হিন্দ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা। আপোনাৰ দলে বক্তৃতাৰ বাবে আপোনাক ১১ মিনিট ৫০ ছেকেণ্ড সময় নিৰ্ধাৰণ কৰি দিছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, শাসকীয় দলৰ মাননীয় বিধায়ক শ্ৰী তেৰছ গোৱালা ডাঙৰীয়াই মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে, ইয়াৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই মই কিছু কথা ক'ব বিচাৰিছো। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ অসমৰ সাৰ্বংগীন উন্নয়ন আৰু বিকাশ কৰিবলৈ হ'লে অসমত শান্তি প্ৰতিষ্ঠা কৰিবই লাগিব আৰু এই মূল লক্ষ্য লৈ আমাৰ চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমত স্থায়ী শান্তি সূচনাৰ বাবে তেওঁৰ যি প্ৰচেষ্টা, সেয়া অব্যাহত ৰাখিছে। আমি বিশেষভাৱে লক্ষ্য কৰিছো যে ক্ৰমান্বয়ে অসমৰ যি অস্থিৰ অৱস্থা, যি অশান্তিময় পৰিৱেশ, সেইটো আজি সঁচাকৈয়ে এটা সুস্থ আৰু ভাল পৰিৱেশলৈ অহাত নিশ্চয় সক্ষম হৈছে। ইয়াৰ মূল কাৰণ হৈছে - মাননীয় মুখ্যমন্ত্ৰীৰ বিচক্ষণতা, তেওঁৰ সুদক্ষ নেতৃত্ব যিয়ে অসমত শান্তি প্ৰতিষ্ঠা হোৱাত নিশ্চয় যথেষ্ট সহায়ক হৈছে। বিশেষভাৱে, আমি দেখিছো যে অসমত বহু কেইটা উগ্ৰপন্থী সংগঠন আছিল। আজি এই উগ্ৰপন্থীসমূহক মূল সুঁতিলৈ অনাৰ ক্ষেত্ৰত এইখন চৰকাৰ সক্ষম হৈছে। আমি দেখিবলৈ পাইছিলো যে বড়ো জনজাতীয় অঞ্চলত NDFB, BLT আদি সংগঠন আছিল। ঠিক তেনেদৰে উত্তৰ কাছাৰ, কাৰ্বি আংলং জিলাতো বহুত উগ্ৰপন্থী সংগঠন আছিল। কিন্তু, বৰ্তমান সময়ত এই উগ্ৰপন্থী সংগঠন সমূহক মূল সুঁতিলৈ অনাৰ ক্ষেত্ৰত সক্ষম হৈছে। বহুতে আত্মসমৰ্পণ কৰিছে।

অসমত প্ৰায় ৪২০৩ গৰাকী cadre এ আত্মসমৰ্পণ কৰিছে। বড়ো চুক্তি ৰূপায়নৰ ক্ষেত্ৰত বড়ো চুক্তিত যি সকলে আত্মসমৰ্পণ কৰিছে, তেওঁলোকক পুনৰ সংস্থাপন দিয়াৰ বাবে, মই জনাত চৰকাৰী তথ্য অনুসৰি ইতিমধ্যে প্ৰায় ১৬৮.১২ কোটি টকাৰ সাহাৰ্য্য প্ৰদান কৰা হৈছে। তাৰোপৰি ৪২৭ গৰাকী প্ৰাক্তন NDFB cadre ৰ বিৰুদ্ধে থকা গোচৰৰ ভিতৰত ২৭৪ টা অগুৰুত্বৰ গোচৰ ইতিমধ্যে প্ৰত্যাহাৰ কৰা হৈছে। গতিকে, পৰ্য্যায়ক্ৰমে এনেধৰণৰ কাৰ্য্য ব্যৱস্থা লোৱাৰ বাবে অসমত এক সুস্থিৰ তথা শান্তিৰ পৰিবেশ আহিছে। আনহাতে, আলফাৰ একাংশ সদস্যই ইতিমধ্যে আত্মসমৰ্পণ কৰি মূল সুতিলৈ ঘূৰি আহিছে। যি সকল প্ৰাক্তন আলফা সদস্যই আত্মসমৰ্পণ কৰি মূল সুঁতিলৈ ঘূৰি আহিছে তেওঁলোকৰ লগত ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে ত্ৰিপাক্ষিক আলোচনাও কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চৰকাৰ গঠন কৰাৰ পিছতেই আলফাৰ মুখ্য সেনাধ্যক্ষ শ্ৰী পৰেশ বৰুৱাৰ লগতো খুব একাগ্ৰতা, সতৰ্কতা আৰু বিচক্ষণতাৰে এই সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত তেওঁলোকক যাতে আলোচনা মেজলৈ আনিব পৰা যায় তাৰ বাবেও ইতিমধ্যে তেওঁ প্ৰচেষ্টা অব্যাহত ৰাখিছে। গতিকে, তেওঁ যি প্ৰচেষ্টা অব্যাহত ৰাখিছে, সেইক্ষেত্ৰত আমাৰ বিৰোধীয়ে তেওঁক সহায়-সহযোগীতা আগবঢ়োৱা উচিত বুলি মই বিবেচনা কৰিছো। আমি যদি সকলোৱে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক সহায়-সহযোগীতা আগবঢ়াওঁ, তেন্তে আলফাৰ মুখ্য সেনাধ্যক্ষ শ্ৰী পৰেশ বৰুৱাৰ নেতৃত্বত থকা cadre সমূহ এদিন আলোচনাৰ মেজত বহাৰ বাবে নিশ্চয় আগবাঢ়ি আহিব। আমি অসম বিধান সভাৰ পৰাও আহ্বান জনাইছো যে তেওঁলোকে আলোচনাৰ মেজলৈ আগবাঢ়ি আহি সমস্যাবোৰ ৰাজনৈতিক ভাৱে সমাধান কৰাত যাতে সহায় কৰে। আমি সকলোৱে এতিয়া উপলব্ধি কৰিছো যে অসমত তলে তলে সাংঘাতিক ভাৱে এক গুৰুত্বপূৰ্ণ বিষয় অব্যাহত আছিল যিটো আমি কোনেও উপলব্ধি কৰা নাছিলো। সেয়া হ'ল- ড্ৰাগছ সম্পৰ্কীয় কাৰ্য। অসমৰ কঁৰবাত কোনোবা নৱপ্ৰজন্মই ড্ৰাগছ ব্যৱহাৰ তথা সেৱন কৰা আমি শুনিব আৰু দেখিবলৈ পাইছো, কিন্তু এনে কাৰ্যই যে গুৰুতৰ ৰূপ ধাৰণ কৰিছে সেয়া আমি উপলব্ধিয়ে কৰা নাছিলো। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয় ক্ষমতাত অহাৰ পিছত তেখেতে এই কথাটো উপলব্ধি কৰিলে। ড্ৰাগছে অসমৰ বিভিন্ন অঞ্চলৰ চুকে-কোণে থকা যুৱকসকলৰ জীৱনটো কিদৰে ধ্বংস কৰিছে সেয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই হৃদয়ঙ্গম কৰিব পাৰিছে। ড্ৰাগছৰ ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই মনে মনে বহি নাথাকি সবল নেতৃত্বৰে এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আমি সকলোৱে জানো যে ড্ৰাগছ হৈছে এটা সামাজিক ব্যাধি। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সবল নেতৃত্বৰে ইয়াৰ বিৰুদ্ধে এটা যাত্ৰা, এটা সংগ্ৰাম আৰু আন্দোলন আৰম্ভ কৰিছে। আমি সকলোৱে তাৰ অংশীদাৰ হোৱা উচিত। আমি যিসকল ৰাইজৰ প্ৰতিনিধি আছো মই ভাৱো আমি সকলোৱে এইক্ষেত্ৰত আত্মনিয়োগ কৰিব লাগে। এই সামাজিক ব্যাধিটো নিৰ্মূল কৰাৰ ক্ষেত্ৰত যিসকল অভিভাৱক বা অভিভাৱিকা আছে, পিতৃ-মাতৃ আছে, তেওঁলোকৰ লগতে সমাজখনৰো এটা বিশেষ দায়িত্ব আছে। আমি সকলোৱে জানো যে ঘৰখনেই হৈছে পৃথিৱীৰ শ্ৰেষ্ঠ পঢ়াশালি আৰু মাক দেউতাক হৈছে তাৰ শিক্ষক। এইক্ষেত্ৰত তেওঁলোকেও সচেতন হৈ তেওঁলোকৰ সন্তানে কি কৰি আছে, সেয়া সতৰ্ক হৈ থাকিব লাগে। সমাজখনেও যদি এই যুদ্ধত অৱতীৰ্ণ হয় তেতিয়া আমি নিশ্চয় সফল হ'ব পাৰিম। গতিকে মই সকলো ৰাইজক এই ক্ষেত্ৰত সহায় সহযোগীতা আগবঢ়াবলৈ অনুৰোধ জনাইছো।

ইয়াৰোপৰিও আমাৰ এটা বিশেষ আঁচনি গ্ৰহণ কৰা হৈছে সেইটো হৈছে মিছন বসুন্ধৰা। আমি জানো যে এটা জাতিৰ বজাৰ আৰু পথাৰ যদি নাথাকে তেতিয়া সেই জাতিয়ে

মেৰুদণ্ড পোন কৰি থাকিব নোৱাৰে। বহু বছৰ ধৰি আজি কৃষক সকলে কপালৰ ঘাম মাটিত পেলাই শস্য উৎপাদন কৰিবলৈ লৈছে। কিন্তু তেওঁলোকে আজি নিজৰ ঘৰৰ ভেঁটিটো আৰু নিজৰ খেতি বাতি থকা মাটিখিনিৰো অধিকাৰ পাবলৈ সক্ষম হোৱা নাই। যিসকল কৃষক, জনজাতীয় ভাই, দুখীয়া পৰিয়ালসকলে যুগ যুগ ধৰি সেই ঠাইত বসবাস কৰি আহিছে তেওঁলোকেও মাটিৰ অধিকাৰ পাবলৈ সক্ষম হোৱা নাই। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে তেওঁ এইটো সৰলীকৰণ কৰিছে। এতিয়া online plateform ৰ যোগেদি ইতিমধ্যে যিখিনি খিলঞ্জীয়া ভূমিপুত্ৰ আছে সেইসকলক মাটিৰ অধিকাৰ দিয়াৰ ক্ষেত্ৰত কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে। মই জনাত প্ৰায় ৮ লাখতকৈও অধিক আবেদন ইতিমধ্যে online ৰ যোগেদি চৰকাৰে পাইছে। ঘৰৰ পৰাই তেওঁলোকে এই আবেদন কৰাৰ সুবিধা লাভ কৰিছে। মই জনাত প্ৰায় ৪ লাখ ৮১ হাজাৰ আবেদনৰ ক্ষেত্ৰত চৰকাৰে কাম সম্পূৰ্ণ কৰিছে। এতিয়াও যিখিনি প্ৰায় ৪ লাখ আবেদন আছে সেইখিনিৰ ক্ষেত্ৰতো আমাৰ এবছৰ পূৰ্ণ হোৱাৰ আগতেই কাম সম্পূৰ্ণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। এই দুখীয়া মানুহখিনিক যদি মাটিৰ অধিকাৰ দিয়া হয় মই ভাৱো ইয়াতকৈ ডাঙৰ কাম পৃথিৱীত একো হ'ব নোৱাৰে। এনেধৰণৰ এটা ভাল পদক্ষেপ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গ্ৰহণ কৰিছে। যদি এনেধৰণৰ পদক্ষেপ লৈ অসমখনক আগবঢ়াই লৈ যোৱাৰ প্ৰচেষ্টা হাতত লয়, তেতিয়া মই ভাৱো অসমৰ ৰাইজে নিশ্চয় এইখন চৰকাৰক মনত ৰাখিব আৰু শাসনৰ গাদীত বহুৱাব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো অৱদান সেয়া অসমৰ জনসাধাৰণৰ হৃদয়ত সদায় থাকিব। শেষত মই এটা কথাই ক'ব বিচাৰিছো যে আমাৰ দুই এজন বিৰোধী পক্ষৰ সদস্যই কৈছে যে আমাৰ মহামান্য ৰাজ্যপালৰ ভাষণত কিছু গুৰুত্বপূৰ্ণ কথা সন্নিবিষ্ট কৰা নাই। মই ভাৱো যে কিছু গুৰুত্বপূৰ্ণ কথা সন্নিবিষ্ট নকৰাৰ কাৰণ হৈছে অহাকালি আমাৰ বাজেট দাখিল কৰিব। বিৰোধীৰ বিধায়কে আজি ইয়াত যিখিনি উত্থাপন কৰিছে সেইখিনি কালি বাজেটত নিশ্চয় প্ৰতিফলন হ'ব। গোটেইখিনি বিভাগৰ কথা আপোনালোকে কালি জানিব পাৰিব। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী। আপোনালোকৰ হাতত মুঠ ১৮ মিনিট সময় আছে। দলে আপোনাক ১২ মিনিট সময় দিছে আৰু পৰৱৰ্তী বক্তা জনক দিছে ৬ মিনিট।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী, (ওদালগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,শাসকীয় দলৰ বিধায়ক মাননীয় তেৰছ গোৱালা ডাঙৰীয়াই মহামান্য ৰাজ্যপালৰ ধন্যবাদসূচক যি প্ৰস্তাৱ আনিছে মই তাৰ সমৰ্থন জনাইছো। বিশেষকৈ মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ বক্তব্যত থকা দুটা শব্দৰ প্ৰতি মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। তেখেতৰ বক্তব্যৰ প্ৰথম পৃষ্ঠাত থকা বড়ো মিলিটেন্ট আৰু এটা হ'ল জনজাতি মিলিটেন্ট। এই শব্দ দুটা কিমানখিনি সাংবিধানিক হৈছে সেইটো এটা বিচাৰ্য্যৰ বিষয়। বড়ো মিলিটেন্ট বুলি কোৱাৰ লগে লগে সমগ্ৰ জনজাতিক বুজোৱাৰ এটা প্ৰৱণতা দেখা যায় আৰু জনজাতি মিলিটেন্ট বুলি ক'লেও সমগ্ৰ জনজাতিটোক মিলিটেন্টৰ লগত জড়িত যেন বুজোৱাৰ এটা প্ৰৱণতা দেখা যায়। কাৰণ এই শব্দ দুটা কিমানখিনি সাংবিধানিক হৈছে সেইটো অলপ বিচাৰ্য বিষয়। বড়ো মিলিটেন্ট বুলি ক'লে গোটেই বড়ো জন জাতিকে বুজায়। সেই কাৰণে মোৰ অনুৰোধ উপাধ্যক্ষ মহোদয় এই কথাখিনি মনত ৰাখি সংশোধনী কৰাৰ ব্যৱস্থা কৰিব লাগে। মহামাণ্য ৰাজ্যপালৰ বক্তব্যত এনেকুৱা শব্দবিলাক প্ৰয়োগ হোৱাটো উচিত নহয়। এই দুটা শব্দৰ বাহিৰে তেওঁ যিখিনি বক্তব্যত দাঙি ধৰিছে সেই সকলোখিনি মই সমৰ্থন কৰিছো। বিশেষকৈ

অসমৰ সামগ্ৰিক উন্নয়নৰ গোটেই কথাবিলাক ইয়াত উল্লেখ হৈছে। আমি ইউ পি পি এলে দল হিচাপে তেখেতৰ বক্তব্যৰ সমৰ্থন জনাইছো। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰে যি সবল ভূমিকা আৰু সফলতা দেখুৱাইছে তাক আমি সমৰ্থন জনাইছো। আমি আশা কৰিছো যে তেখেতৰ নেতৃত্বত অসমক আগুৱাই নিয়াৰ ক্ষেত্ৰত যথেষ্ট কাম কৰা হ'ব। তেখেতৰ বক্তব্যত উল্লেখিত বসুন্ধৰা মিশ্যনৰ জৰিয়তে ভূমি ম্যাদী পট্টা কৰাৰ ক্ষেত্ৰত আৰু নামজাৰি কৰাৰ ক্ষেত্ৰত যি সফলতা আনিছে সেই আঁচনিয়ে অসমৰ ৰাইজৰ বাবে যথেষ্ঠ সহজ হৈ উঠিছে। ইয়াৰ আগলৈকে বছৰৰৰ পিছত বছৰ ধৰিও আমি ভূমি ম্যাদীকৰণ কৰিব পৰা নাছিলো। কিন্তু বৰ্ত্তমানে অন লাইন কৰাৰ জৰিয়তে এই ব্যৱস্থাখিনি সহজ হৈ পৰিছে। তাৰ উপৰিও অন লাইনৰ জৰিয়তে ট্ৰেড লাইচেন্স, ড্ৰাইভিং লাইচেঞ্চ ইত্যাদি বনোৱাৰ ক্ষেত্ৰত আমাৰ জাতিটোৰ ব্যৱসায় বানিজ্য আৰু আন আন কাম যথেষ্টখিনি সহজ কৰি তোলা হৈছে। তেনেদৰে নিবনুৱা যুৱক যুৱতীৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়াটো অন লাইন কৰা বাবে যথেষ্ট সুবিধা হৈছে। মাত্ৰ এটা বিষয়ত যেনে এন জি অৰ দৰে সামাজিক কৰ্ম অনুষ্ঠানৰ পঞ্জীয়নৰ বাবে অন লাইন ব্যৱস্থা কৰিছেনে নাই সেইটো এতিয়াও স্পষ্ট হোৱা নাই। ইতিমধ্যে মোৰ অঞ্চলৰ পৰাই কেইটামান সংগঠনে পঞ্জীয়ন কৰিবলৈ গুৱাহাটীলৈ আহিব লগা হৈছে আৰু যথেষ্ঠ টকা খৰচ কৰিবলগীয়া হৈছে। সেই কাৰণে এইক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে যিটো 'চোচাইটি এক্ট ' তাৰ আণ্ডাৰত যিবিলাক দল সংগঠন আছে তেওঁলোকে যাতে সহজভাবে পঞ্জীয়ণ কৰিব পাৰে তাৰ বাবে অন লাইনৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে । যোৱা ২০২০ চনত যিটো বি টি আৰ চুক্তি কৰিলে এই চুক্তিৰ জৰিয়তে অসমত যথেষ্ট শান্তিৰ পৰিবেশ আনিছে তাৰ বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। এই চুক্তিৰ জৰিয়তে বিশেষকৈ এন ডি এফ বি কেডাৰসকলক সংস্থাপনৰ বাবে যি তৎপৰতা দেখুৱাইছে তাৰ বাবে মই বৰ্ত্তমানৰ চৰকাৰক ধন্যবাদ জনাইছো। বৰ্ত্তমানে আমাৰ বিভিন্ন ফ্ৰেকশ্যনত থকা প্ৰায় ৪ হাজাৰ এন ডি এফ বি কেডাৰক পুনঃ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। এতিয়াও কিছু বাকী আছে সেই ব্যৱস্থাখিনি সোনকালে কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালো। ইয়াৰ ওপৰিও কেচ উইড্ৰৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা আছে সেইখিনিও যথেষ্ট আগবাঢ়িছে আৰু বাকী থকাখিনিও যাতে সোনকালে ব্যৱস্থা কৰে তাৰ বাবে অনুৰোধ থাকিল। তৎস্বত্বেও বি টি আৰ এগ্ৰিমেন্ট হওতে বড়ো যুৱকক নিযুক্তি দিয়াৰ এটা প্ৰশ্ন আছিল সেইখিনি এতিয়াও হোৱা নাই। মই চৰকাৰক অনুৰোধ ৰাখিছো যে অতি সোনকালে ইয়াৰ ব্যৱস্থা কৰিব। লগতে আত্মনিয়ন্ত্ৰণৰ সংঘাতত যিসকল শ্বহীদ হ'ল তেওঁলোকৰ পৰিয়ালসকলক ৫ লাখ টকাকৈ ক্ষতিপূৰণ দিয়া হোৱা নাই। চুক্তিত এই ক্ষতিপূৰণৰ দিয়াৰ এটা ব্যৱস্থা আছিল সেইখিনিও এতিয়াও পূৰণ হোৱা নাই। আমি আশা ৰাখিম যে এই ক্ষতিপূৰণ দিয়াৰ বাৱস্থা কৰি শ্বহীদ পৰিয়ালক সকাহ দিব। এই চুক্তিৰ লগত জড়িত আৰু অন্যান্য দিশ আছে। সেই দিশ সমূহ চৰকাৰে যাতে ইমপ্লিমেন্ট কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ গাফিলতি নহয় তাৰ বাবে অনুৰোধ থাকিল। বিশেষকৈ এই চুক্তিৰ জৰিয়তে বড়ো মিডিয়ামৰ যিসমূহ প্ৰাইমেৰী, এম . ই আৰু হাই স্কুল প্ৰভিন্সিয়েলাইজড কৰাৰ বিষয়টোও এতিয়াও সম্পূৰ্ণ হোৱা নাই। সেই বিষয়টো যাতে চৰকাৰে পাহৰি নাযায়। লগতে এই চুক্তিৰ জৰিয়তে আমাৰ বি টি আৰ অঞ্চলত বিভিন্নধৰণৰ শিক্ষানুষ্ঠান গঢ়ি তোলাৰ বিষয়টোও আছিল। চেন্ট্ৰেল ইউনিৰ্ভাচিটি, এন আই টি, নেৰিমচ, অৰ্গেনিক ইউনিৰ্ভাচিটি গঠন কৰা প্ৰস্তাৱ আছে। সেইখিনিৰ বাবে যি ভূমিৰ প্ৰয়োজন আছে আমি সেই ভূমিৰ ব্যৱস্থা আমি কৰি আছো। গতিকে আমি আশা ৰাখিছো ভাৰত চৰকাৰ আৰু অসম চৰকাৰ এই প্ৰতিষ্ঠান কেইখন গঠন হোৱাত সহায় কৰিব। কৃষি ক্ষেত্ৰতো অসম চৰকাৰে

যিটো ব্যৱস্থা লৈছে তাক আমি শলাগ লৈছো। অসমৰ খেতিয়কসকলে উৎপাদিত শস্যৰ উচিত মূল্য পোৱাৰ বাবে চৰকাৰে যিখিনি পদক্ষেপ লৈছে সেইটো খুব ভাল হৈছে। মই ভাবো ইয়াৰ পৰা অসমৰ খেতিয়কসকল যথেষ্ট উপকৃত হৈছে। মই চৰকাৰৰ এযাৰ কথাত দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে খেতিয়কসকলৰ বাবে লোৱা এই পদক্ষেপটো যাতে অলপ খৰতকীয়া হয়। আমাৰ ধান খেতি প্ৰায় নবেম্বৰ মাহত উৎপাদন হয়। এই প্ৰক্ৰিয়াটো আৰম্ভ হয় জানুৱাৰীত সেই কাৰণে খেতিয়কসকলে কম দামতে শস্য বিক্ৰী কৰিব লগা হৈছে। মই নিজে প্ৰায় ডেৰশ মোন ধান ৪৮০ টকাকৈ মোনে প্ৰতি বিক্ৰী কৰিবলীয়া হৈছিল। ৰাখি থবলৈয়ো কোনো ব্যৱস্থা নাছিল। একুইপমেন্টৰ ব্যৱস্থা নাছিল। মোৰ সীমা কাষৰীয়া মাজবাট সমষ্টিত যথেষ্ট তৰমুজ খেতি হয়। যোৱা বছৰ ক'ভিডৰ বাবে বহুত লোকচান ভৰিব লগা হৈছিল। এইবাৰ যাতে তেনেকুৱা কোনোধৰণৰ লোকচান নহয় তাৰ বাবে চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো লগতে মোৰ সমষ্টি আৰু পানেৰী সমষ্টিত এই দুটা সমষ্টিত আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক আছে। তেওঁলোকে মাল্টি নেশ্যনেল কৰ্পোৰেট হাউচত কেঁচা পাত বিক্ৰী কৰিব লগীয়া হয় যাৰ ফলত তেওঁলোকে উচিত মূল্য নাপায় আৰু যথেষ্ট লোকচান ভৰিবলগীয়া হয় । যিসকল ক্ষুদ্ৰ চাহ খেতিয়কে নিজাববীয়াকৈ উদ্যোগ স্থাপন কৰিছে কিন্তু বেংক বিলাকে তেওঁলোকক সহায় কৰিবলৈ আগবাঢ়ি নাহে সেই কাৰণে মই এগ্ৰিকালচাৰ মিনিষ্টাৰ আৰু ইণ্ডাষ্ট্ৰি মিনিষ্টাৰ দুয়োগৰাকীক অনুৰোধ জনাব বিচাৰিছো যে, তেখেতসকলে বেংকৰ ক্ষেত্ৰত এটা পদক্ষেপ লৈ ক্ষুদ্ৰ চাহ খেতিয়কসকলক লোকচানৰ সন্মুখীনৰ পৰা ৰেহাই পোৱাৰ ব্যৱস্থা কৰি দিয়ে। ৰোড কানেক্টি ভিটিৰ ক্ষেত্ৰত ৰাজ্যপাল মহোদয়ৰ বক্তব্যত যিখিনি কথা উল্লেখ কৰিছে তাত অসমৰ ৰাস্তা-ঘাটৰ যথেষ্ট উন্নতি হৈছে বুলি কৈছে। বৰ্ত্তমান চৰকাৰে বিভিন্ন অঞ্চলৰ লগত যোগাযোগ ব্যৱস্থাটো উন্নত কৰিবলৈ প্ৰতি সমষ্টিতে ১০ কোটিকৈ টকা যোৱা বাৰ দিছিলে এইবাৰো নিশ্চয় দিব। আমাৰ বি টি এ ডি অঞ্চলত এই ক্ষেত্ৰত যথেষ্ট অসুবিধা দেখিবলৈ পাইছো। বি টি এ ডি অঞ্চলত ৰোড কানেক্টিভিটিৰ ক্ষেত্ৰত যিখিনি পুঁজি দিছে সেইখিনি যথেষ্ট নহয়। আমাৰ এই বিষয়ত এতিয়াও যথেষ্ট অসুবিধা আছে । আমাৰ বি টি এডি অঞ্চলত যথেষ্ঠ ডাঙৰ ডাঙৰ নদী আছে। আমাৰ হাতত পুঁজি নথকা বাবে আমি দলঙৰ ব্যৱস্থা কৰিব পৰা নাই। যি দলং দিয়াৰ ব্যৱস্থা কৰা হৈছে কিন্তু সেইখিনি যথেষ্ট নহয়। আমাৰ বহুতো ডাঙৰ নদী আছে আৰু এইবিলাক আমি বি টি আৰ চৰকাৰৰ পুঁজিৰে দলং নিৰ্মাণ কৰাতো সম্ভৱপৰ নহয়। সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়টো যাতে মনত ৰাখে আৰু এই ডাঙৰ নদী সমূহত অতি সোনকালে দলং বনাই দিয়াৰ ব্যৱস্থাখিনি যাতে কৰে, এইখিনিৰে মোৰ বক্তব্য সামৰিছো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া তিনিমিনিট সময় বাকী আছে, গতিকে আৰু দুই মিনিট যদি সদনৰ সময় বঢ়াই ল'ব পাৰো আমি মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াক বক্তব্য আগবঢ়াবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** উপাধ্যক্ষ মহোদয়, মই ধন্যবাদ সূচক যি প্ৰস্তাৱ আনিছো সেই প্ৰস্তাৱৰ বিৰোধীতা কৰি কেইটামান কথা কব বিচাৰিছোঁ। কাৰণ আমি জানো যে তেওঁলোকৰ যিটো জয়ঢোল বজাইছে সেই জয়ঢোল বজোৱাৰ ক্ষেত্ৰত তেওঁলোকৰ তথ্যৰ পৰা এনে কিছু কথা পোহৰলৈ আহিছে যি কথাটোৱে স্বাভাৱিকতে এইখন চৰকাৰৰ সাফল্য নকয়, বিফলতাকে প্ৰতিফলন কৰে। Credit procurementৰ ক্ষেত্ৰত টাৰ্গেট আছিল ১০ লাখ মেট্ৰিকটন, সেইটো ফাষ্টক্ৰপ তেওঁলোকে ৭ লাখ ২৮ হাজাৰ মেট্ৰিকটন ক্ৰয় কৰিব বুলি কৈছিল, কিন্তু ইয়াতে হিচাপটো দিছে মাত্ৰ ৮৬২৮৫ মেট্ৰিকটনহে তেওঁলোকে ক্ৰয় কৰিবলৈ সক্ষম হৈছে। দ্বিতীয় ক্ৰপটো স্বাভাৱিকতে

আমাৰ ৰাজ্যত খুব কম হয়। তাত তেওঁলোকৰ টাৰ্গেট হৈছে ৩ লাখ মেট্ৰিকটন। এইটো কেনেকৈ ১০ লাখ মেট্ৰিকটন achieve কৰিব, সেইটো এটা সাথৰ হৈ আছে। আনফালে তেওঁলোকে social sector ত বিভিন্ন ধৰণৰ সাফল্যৰ কথা কৈছে আমি জানো কিন্তু দিব্যাংগৰ যি পেঞ্চন, সেই পেঞ্চন যোৱা ৯ মাহ ধৰি দিবাংগ সকলে পোৱা নাই। এই কথালৈ মই দৃষ্টি আকৰ্ষণ কৰিছোঁ। এইটো কি ধৰণৰ সাফল্য য'ত দিবাংগই পেঞ্চন নাপায় ? জলজীৱনৰ ক্ষেত্ৰত যিটো কথা তেওঁলোকে কৈছে ১৪৪৯৪৮০, এইটো আৰ্থিক বৰ্ষত তেওঁলোকে achieve কৰিছে বুলি কৈছে, আগৰ ৭ লাখ আছিল। কিন্তু সেই ৭ লাখৰ যিটো অৱস্থা আছিল আমি জানো, কোনোটো টেপৰ পৰা পানী মানুহে পোৱা নাছিল, টেপ বিলাক ভাঙিছে, পাইপ ফাটি আছে, কোনো ধৰণে কাৰ্য্যকৰী নাছিল। গোটেই প্ৰজেক্টটো fail কৰিছিল। এতিয়া যি ১৪ লাখ ৪৯ হাজাৰৰ কথা কৈছে, সেইটো মই চেলেঞ্জ কৰি কৈছো যে যদি এটা সদনৰ কমিটি কৰি তদন্ত কৰিবলৈ যোৱা যায়, তেতিয়াহলে ওলাই পৰিব এই ১৪ লাখ ৪৯ হাজাৰ যে এটা Fake figure আৰু কোনো মানুহে এতিয়ালৈকে টেপত পানী পোৱা নাই। বেছিভাগ গাঁৱত পাইপ-টেপ বহাইছে পানী কিন্তু পোৱা নাই। পাইপ তেওঁলোকে এক ফুট তলত বহুৱাই থৈ আহিছে, কৰবাত মটৰ ষ্টাৰ্ট কৰিলে পাইপ ফাটি পানী ওলাই গুচি যায়, টেপত পানী নাযায়। মই সেইকাৰণে দাবী কৰিছো যে উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে এই সদনত, এখন সদন কমিটি গঠন কৰক আৰু জলজীৱনৰ ক্ষেত্ৰত যি সাংঘাতিক ভাৱে দুৰ্নীতি হৈছে, টকাৰ অপব্যৱহাৰ হৈছে, সেইটোৰ ওপৰত যাতে এটা তদন্ত হয় আৰু তদন্ত সাপেক্ষে সকলো তথ্য পোহৰলৈ আহিব। এই কথাটো মই দাবী কৰিলো আৰু প্ৰসঙ্গত বহু কথা এই জলজীৱন সম্পৰ্কত কম। কাৰণ জলজীৱনতে আটাইতকৈ টকা খৰচটো বেছি হৈছে আৰু কি ধৰণে এটা বিভাগ চলিছে, এই বিভাগটো, এই বিভাগটো চাব লগা হৈছে। মই এই দাবীটো কৰিছো। এতিয়া ড্ৰাগচৰ ক্ষেত্ৰত সাফল্যৰ কথা কৈছে, মই সেই ক্ষেত্ৰত যাব খোজা নাই। কিন্তু আমি গো-সুৰক্ষা আইন তৈয়াৰ কৰাৰ পিছত এতিয়া গো চোৰাং কাৰবাৰটো যে পুনৰ চলি আছে সেই ক্ষেত্ৰত চৰকাৰে নজৰ দিয়া নাই। মই পূৰ্বতে বক্তব্যত কৈছিলোঁ যে, গো চোৰাং কাৰবাৰৰ লগত কিছু ৰাজনৈতিক নেতা আৰু কিছু পুলিচ বিষয়া জড়িত হৈ আছে। আমি বিগত কাৰ্য্যকালচোৱাত কিন্তু দেখা নাপালোঁ যে এই ধৰণৰ পুলিচ বিষয়া সকলক কৰায়ত্ত কৰা বা তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা কৰিছে বুলি আমি জানিব পৰা নাই। আনহাতে এটা কথা মই বাৰে বাৰে উনুকিয়াইছো যে মোৰ সমষ্টিৰ বৰপেটা ৰোডতে যিটো জুৱা, মদ আৰু লটাৰী কাণ্ড চলে, এই কাণ্ডৰ ফলত ভয়ংকৰ ভাৱে লিপ্ত থকা সকলক আজিলৈকে কৰায়ত্ত কৰা হোৱা নাই, সেই বিষয়টো ৰৈ আছে। অংগনবাড়ী ৰান্ধনী আৰু আশা কৰ্মী সকলৰ এই যে স্কীমৰ্কাৰ বিলাকৰ মজুৰীৰ বিষয়টো আজিলৈকে অনাদৰ হৈ আছে। আজি সেই সকল ব্যক্তি অংগনবাড়ী বা আশা কৰ্মীয়ে হওক তেওঁলোকে demonstration ৰ পিছত demonstration দিছে, শিক্ষকৰ পিছতে আটাইতকৈ বেছি demonstration কাৰ্য্যসূচী তেওঁলোকে গ্ৰহণ কৰিছে। কিন্তু আমি দেখা পাইছো তেওঁলোকৰ সমস্যা সমাধান কৰা, তেওঁলোকৰ মজুৰী বৃদ্ধি কৰা ব্যৱস্থাটো আজিলৈকে নহ'ল। শিল বালি মহলত আমাৰ নদী বিলাকত এটা লুণ্ঠন চলিছে, বলাৎকাৰ থকা বুলি মই কৈছো, এই বলাৎকাৰ বন্ধ হোৱা নাই শিলবালি মহলক লৈ। মোৰ সমষ্টিতে বেকি নদী আটাইতকৈ উৎস থকা নদী, সেই নদীত কিন্তু এটা ভয়ংকৰ বলাৎকাৰ চলি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া এটা ঘোষণা আছে, আমাৰ অধ্যক্ষ মহোদয়ে আজি সকলোৰ বাবে ভোজনৰ আয়োজন কৰিছে। গতিকে এতিয়া আপোনালোকে চেন্ট্ৰেল হল, পুৰণা কেন্টিনৰ

ওচৰত সকলোকে আহাৰ গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

এতিয়া সদন আজি আবেলি ৩.০০ বজালৈ স্থগিত ৰখা হ'ল।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় সদস্য দূৰ্গাদাস বড়ো।

**শ্ৰী দূৰ্গাদাস বড়ো, (কলাইগাঁও)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, টেৰছ গোৱালা ডাঙৰীয়াৰ যিটো ধন্যবাদ সূচক প্ৰস্তাৱ তাৰ সপক্ষে মই বক্তব্য ৰাখিব বিচাৰিছো। কেইবাটাও বিষয়ৰ ওপৰত ক'ব লাগিছিল কিন্তু আপোনালোকে উল্লেখ কৰা সময়মতে সেই গোটেই কেইটা বিষয়ৰ ওপৰত বক্তব্য ৰখাটো সম্ভৱ নহয়। কিন্তু চলিত চৰকাৰ খনে যোৱা ৯ মহীয়া কাৰ্য্যকালত সাংঘাতিক ধৰণে কেইবাটাও চেলেঞ্জ তেওঁলোকে লৈছে। মই প্ৰায় চল্লিশ বছৰ ৰাজনীতিত পৰোক্ষ ভাবে থকা হিচাপে এগৰাকী মুখ্যমন্ত্ৰী বা এখন চৰকাৰে ইমান কেইটা চেলেঞ্জ একেলগে লোৱা মই কোনো দিন দেখা নাছিলো । প্ৰথম চেলেঞ্জ হৈছে ৱাৰ এগেইনষ্ট ড্ৰাগচ্ যিটো চেলেঞ্জ লৈছে, তাৰমানে এই চেলেঞ্জটো অপ্ৰত্যাশিত নাছিল যদিও প্ৰত্যাশিত এই চেলেঞ্জটোত শত্ৰু বহুত। ৰাজ্য, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ শত্ৰু, যিসকলে ড্ৰাগছৰ বিৰুদ্ধে কাম কৰে সেই শক্তিৰ বিৰুদ্ধে কিন্তু আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ শত্ৰু ইমান শক্তিশালী থাকে তাৰ পিছতো তেওঁলোকে ড্ৰাগছ্ ৰ বিৰুদ্ধে যিখন যুদ্ধ চলাই আছে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত সেইটো সঁচাকৈ ডাঙৰ চেলেঞ্জ আৰু সেইটো চেলেঞ্জৰ কাৰণে মুখ্যমন্ত্ৰী গৰাকীৰ নেতৃত্বই প্ৰশংসা নিশ্চয় পোৱাটো উচিত। দুই নম্বৰ হৈছে ক'ভিড গোটেই বিশ্বজুৰি হৈছিল। আমাৰ ইয়াতো হৈছিল। এই ক'ভিডৰ সময়ত তেখেত দীঘলীয়াদিন স্বাস্থ্যমন্ত্ৰী আছিল আৰু শেহতীয়াকৈ মুখ্যমন্ত্ৰী হিচাপে যিগৰাকী স্বাস্থ্যমন্ত্ৰীক দ্বায়িত্ব দিছিল তেওঁৰে পথ অনুসৰণ কৰি ক'ভিডৰ বিৰুদ্ধে যি ব্যৱস্থা গোটেই ৰাজ্যখনত গ্ৰহণ কৰিছে সেইটো এক প্ৰশংসনীয় বিষয়। আনকি ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ কেইবাটাও সমীক্ষাত ওলাইছে যে কভিড মোকাবিলাৰ ক্ষেত্ৰত অন্যতম ৰাজ্য সমূহৰ ভিতৰত অসমো এখন ৰাজ্য। গতিকে তেওঁলোকে এইটো চেলেঞ্জো, ৱাৰ এগেইনষ্ট ক'ভিড এই চেলেঞ্জটো ল'ব পাৰিছিল । তাতোকৈ আচৰিত কথা মিনিমাম চাপোৰ্ট প্ৰাইচ বহুত দিন আগৰ পৰাই দি আহিছে । এই মিনিমাম চাপোৰ্ট প্ৰাইচ যিটো দিছিল সেই মিনিমাম চাপোৰ্ট প্ৰাইচটো ৰাইজৰ ওচৰলৈ লৈ যাব পৰা নাছিল । অতি কম দিনৰ ভিতৰত এইটো ৰাইজৰ ওচৰলৈ লৈ যাবৰ কাৰণে যি কাৰ্য্যব্যৱস্থা এই খন চৰকাৰে কৰিছে আৰু আজি আপোনালোকে জানে যে গোটেই ৰাষ্ট্ৰত কভিড হৈছিল কোনো এটা চেক্টৰে নিজৰ জি ডি পি ৰক্ষা কৰিব পৰা নাই আৰু ৰক্ষা কৰিব পৰা জি ডি পি চেক্টৰটো আছিল এগ্ৰিকালচাৰ। এই এগ্ৰিকালচাৰিষ্ট সকলক তেওঁলোকক বিশ্বাসযোগ্য ভাবে এম এছ পি মিনিমাম চাপোৰ্ট প্ৰাইচ দিবৰ কাৰণে ৰাজ্য চৰকাৰ খনে যিবিলাক কেন্দ্ৰ স্থাপন কৰিছে নিশ্চয়কৈ অধিক কেন্দ্ৰ হোৱাৰ প্ৰয়োজন আছে। মিডিল মেন সকলক শাসন কৰাৰ কথা আছে যি সকল মধ্যভোগী আছে তেওঁলোকক শাসন কৰাৰ প্ৰয়োজন আছে, এই বিলাক যদি খুটিনাটি নাইকীয়া কৰিব পাৰে তাৰ লগে লগে মাননীয় উপাধ্যক্ষ মহোদয় আমাৰ যে ইয়াত পেডী প্ৰকিউৰমেন্টৰ ক্ষেত্ৰত এটা ডাঙৰ আসোঁৱাহ আছে। আপোনালোকে জানে আমাৰ বিশেষকৈ যিবিলাক জনজাতীয় মানুহৰ খেতিটো, আমি ধানটো বিক্ৰী কৰিমেই একেলগে বিক্ৰী কৰাৰ অভ্যাসটো আমাৰ নাই। আমাৰ যিদিনাই ল'ৰাটো কলেজৰ ফিজ দিব লাগে, যিদিনা ছোৱালীজনীৰ বিয়া দিয়াৰ কাৰণে আমাৰ টকা পইছাৰ প্ৰয়োজন হয় সেই দিনাই আমি আমাৰ ধান বিক্ৰী কৰো। গতিকে আমি একেলগে কেতিয়াও বিক্ৰী নকৰো। সেই কাৰণে ধান প্ৰকিউৰমেন্টটো গোটেই বছৰ ধৰি চলিব লাগে আৰু বজাৰখনো ওচৰতে পোৱা হ'ব লাগে। প্ৰায় দুসপ্তাহ, বিশ দিনৰ পিছতহে পেমেন্ট পোৱা বুলি ক্ষুদ্ৰ ব্যৱসায়ী সকলক ভয়

খুৱাই দিয়ে যাৰ কাৰণে এই ব্যৱসায়ী সকলে চৰকাৰী ধান বিক্ৰী কেন্দ্ৰ বিলাকত ধান বিক্ৰী নকৰি মধ্যস্থতাকাৰীৰ ওচৰত বাৰশ বা পোন্ধৰশ টকাত বিক্ৰী কৰিব বিচাৰিছে। ধান বিক্ৰী কৰাৰ ক্ষেত্ৰত কিছুমান মানুহে আৰম্ভণিতে অসুবিধাৰ সৃষ্টি কৰিব বিচাৰিছে আৰু চৰকাৰখনে এই বিলাক নাইকীয়া কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিলে কৃষক সকল ধানখেতিৰ প্ৰতি উৎসাহিত হ'ব আৰু ধান খেতিৰ সলনি আন খেতিৰ দ্বাৰা লাভ কৰাৰ বাবে উৎসাহিত হৈছে তাৰ পৰা আঁতৰি আহি পুনৰ পৰম্পৰাগত ধান খেতিত মনোনিৱেশ কৰিব। মই লক্ষ্য কৰিছো যে ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰে সাংঘাটিক প্ৰত্যাহ্বান গ্ৰহণ কৰিছে, সেইটো হৈছে নতুন শিক্ষা নীতি। ইয়াৰ আগৰ যি কমিচন আছিল তাৰ সকলো নীতি কাৰ্য্যকাৰী নহওঁতেই প্ৰয়োজন সাপেক্ষে নতুন শিক্ষানীতি গ্ৰহণ কৰিব লগা হয় আৰু ইয়াৰ লগে লগে ৰাজ্য সমূহেও নতুন শিক্ষানীতিৰ প্ৰত্যাহ্বানটো গ্ৰহণ কৰিবলগীয়া হৈছে। আপোনালোক সকলোৱে জানে যে অমসৰ কোনো কোনো উচ্চ বিদ্যালয়ত ১৪ জন শিক্ষকৰ চাহিদা ৪ জন শিক্ষকেৰে পূৰণ কৰিবলগীয়া হৈছে। কোনো বিদ্যালয়ৰ চকিদাৰজন যদি স্নাতক হয় তেনে ক্ষেত্ৰত চকীদাৰ জনকে শিক্ষক হিচাপে গণ্য কৰি পাঠদান কৰিব দিয়া হয় । আমাৰ এই চৰকাৰ খনে শিক্ষক নিযুক্তিৰ আসোঁৱাহ সমূহ দূৰ কৰিবলৈ যত্ন কৰিছে। প্ৰয়োজন সাপেক্ষে এমালগেমেচন, বাইফাৰকেটন এই বিলাকৰ ক্ষেত্ৰত আন্তঃগাঁথনি তৈয়াৰ কৰি শিক্ষানুষ্ঠান সমূহক প্ৰয়োজনীয় দিশত আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত শিক্ষা মন্ত্ৰীয়ে নতুন শিক্ষানীতিত যি প্ৰত্যাহ্বান গ্ৰহণ কৰিছে সেইটো নিশ্চয়কৈ প্ৰশংসনীয় পদক্ষেপ।

তাৰোপৰি, আমাৰ শক্তি বিভাগৰ মন্ত্ৰীয়ে প্ৰয়োজন সাপেক্ষে শক্তি বিভাগৰ বিষয়াৰ দৰে নিজে গ্ৰাহকৰ ওচৰলৈ গৈ বিল পৰিশোধ কৰাৰ বাবে আকৃষ্ট কৰিছে সেইটো নিশ্চয় প্ৰসংশনীয় । আমি বিদ্যুৎ ব্যৱহাৰ কৰি বিল পৰিশোধ কৰাৰ বাবে পাহৰি যাওঁ সেইটো সুন্দৰকৈ বুজাই দিছে । আজি মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই প্ৰশ্নোত্তৰ শিতানত এই ক্ষেত্ৰত সকাহ দিয়াৰ বাবে বিভাগে চিন্তা-চৰ্চা কৰিছে । গ্ৰাম্যাঞ্চলত মেট্ৰিক পৰীক্ষা চলি থকা ঘৰ বিলাকত কাটি দিয়া বিদ্যুৎ সংযোগ অন্ততঃ পৰীক্ষা শেষ নোহোৱা পৰ্য্যন্ত দিব লাগে বুলি যি কথা কৈছে তাৰ ওপৰত মই ক'ব বিচাৰো যে কেতিয়াবা কেতিয়াবা অকণমান কঠোৰ পদক্ষেপ ল'বলগা হয়। তাৰোপৰি কেৱল মেট্ৰিকেই নহয় আন বহুতো পৰীক্ষা আহি থাকিব আৰু যদি এনেকৈ আমি এই সকলক ৰেহাই দি থাকো তেতিয়াহ'লে আমি শক্তি খণ্ডৰ পৰা পাবলগীয়া ধনৰ পৰা বঞ্চিত হৈ থাকি এদিন শক্তি বিভাগকেই আমি গালি পাৰিবলগীয়া অৱস্থাৰ সৃষ্টি হ'ব । সেই কাৰণে এই প্ৰত্যাহ্বান বিলাক যে ৰাজ্য চৰকাৰে মূৰ পাতি লৈছে সেইটো নিশ্চয় প্ৰশংসনীয়। তাৰোপৰি আমাৰ ভূমিপুত্ৰ সকলৰ ককা দেউতাক বা বাপেকৰ মাটি যুগ-যুগ ধৰি নামজাৰি নোহোৱাকৈ পৰি থাকে আজি চৰকাৰে সেই মাটি সমূহ অনলাইনৰ জৰিয়তে চৰকাৰে ৰেজিষ্ট্ৰেচনৰ যি ব্যৱস্থা কৰিছে তাৰ ফলত মণ্ডল, কাণন গো আদি ব্যক্তি সকলৰ মুনাফা আদায়ৰ হাতোৰাৰ পৰা মোকলাই অনাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিছে তাৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো । ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ এতিয়া সন্মানীয় সদস্য শ্ৰীপদ্ম হাজৰিকা।**

**শ্ৰীপদ্ম হাজৰিকা, (চতিয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি মহামান্য ৰাজ্যপাল ডাঙৰীয়াই এই পবিত্ৰ বিধান সভাত যি বক্তব্য ৰাখিছে তাৰ সমৰ্থন জনাই ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থন জনাই বক্তব্য ৰাখিবলৈ ওলাইছো । আৰম্ভনীতে মই বিশেষকৈ কংগ্ৰেছ দল আৰু এ আই **ইউ** ডি এফ দলক ধন্যবাদ জনাইছো **যে** যোৱাকালি তেওঁলোকে ৰাজ্যপাল ডাঙৰীয়াক ভাষণ সম্পূৰ্ণ কৰিবলৈ দিয়াটোয়ে এই পবিত্ৰ বিধান সভাৰ গৰিমা বৃদ্ধি কৰিছে। আমি বিচাৰিম গঠনমূলক

আলোচনা-বিলোচনাৰ মাজেৰে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ ক্ষেত্ৰত আমাৰ চৰকাৰ খনক আপোনালোকে সহযোগীতা আগবঢ়াওক। **কাৰণ** এখন সমৃদ্ধিশালী অসম গঢ়িবৰ কাৰণে, আমাৰ জলন্ত সমস্যাবোৰ সমাধান কৰিবৰ কাৰণে এটা সুস্থ বাতাবৰণ ৰাজ্যখনত লাগিব। যোৱাকা**লি** ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত অসমৰ বৰ্তমান ছবিখন **ধুনীয়াকৈ প্ৰতিফলন হৈছে। তেখেতৰ বক্তব্যত আৰম্ভণিতে বীৰ লাচিত বৰফুকনৰ কথাৰে কেনেধৰণে আমাৰ জাতিটোৰ গৌৰৱ উজ্জল ইতিহাস আছে, সেই কথাবিলাক চৰকাৰে কেনেধৰণে ৰাষ্ট্ৰীয় পৰ্যায়ত, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা কৰিছে তাৰ কথাখিনি প্ৰতিফলন হৈছে। আৰু এই কথা সকলোৱে স্বীকাৰ কৰিব লাগিব যে আমি ৰাজ্যখনত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰাৰ পথত গতি কৰিছো। আমি অশান্তি কোনেও নিবিচাৰো যি অশান্তিয়ে ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত হেঙাৰ হিচাপে থিয় হৈছে। এই পৱিত্ৰ বিধান সভাত মই বিৰোধী দলৰ বিধায়ক হৈ থাকোতে আমি কোনবিলাক কথা আলোচনা কৰিবলগা হৈছিল, আমি কোনবিলাক কথা পইন্ট অব অৰ্ডাৰ দি সভাস্থগিত প্ৰস্তাৱ আনিবলগা হৈছিল, কোনবিলাক কথাই প্ৰণৱ গগৈ ডাঙৰীয়াই অধ্যক্ষ হৈ থকা অৱস্থাত , টঙ্ক বাহাদুৰ ডাঙৰীয়াই অধ্যক্ষ হৈ থকা অৱস্থাত কেনেকৈ আমি সৰ্বদলীয় দল য'ত অপ্ৰীতিকৰ ঘটনা সংঘটিত হৈছে, য'ত &ù ÏÂöøÇî Â÷±òÀÃ ÷ÔÂÍ ýÃåÃËüýÃÂýÃù ±ßÁù û±Âù áÏûþÍýÃåÃ ¼ßÁ Õ±÷ ûòÃ২০১৬ চনৰ পৰা, ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হোৱাৰ সময়ছোৱাৰ পৰা চাও সদনতটো তেনেধৰণৰ প্ৰশ্নবিলাক আহিবলগীয়া হোৱা নাই। সদনত আজি উন্নয়নৰ কথা আলোচনা হৈছে। সদনত বিভিন্ন আঁচনিৰ কথা আলোচনা হৈছে। স্থায়ী শান্তি অনাৰ ক্ষেত্ৰত চৰকাৰখনে যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে সকলোৱে ধন্যবাদ দিবই লাগিব,স্বীকাৰ কৰিব লাগিব। আমি যদি কিছু আগলৈ যাওঁ, আমি যদি ২০০১ চনৰ পৰা ২০১৪চনৰ ২৪ ডিচেম্বৰলৈকে চাও, ২৪ ডিচেম্বৰৰ নিশা কি হৈছিল ! ১০০ৰ ওপৰ মানুহ একেলগে লাইন কৰি গুলীয়াই হত্যা কৰা হৈছিল। সেই সময়ত উগ্ৰপন্থীৰ সমান্তৰাল চৰকাৰ চলিছিল, সেই সময়ত শাসকীয় দলৰ লগত উগ্ৰপন্থীৰ নেক্সাস আছিলে। সেই সময়ত ২০০৭ চনৰ ১৩ ডিচেম্বৰত কেনেকৈ মই গুলীবিদ্ধ হৈছিলো আৰু আজিও এ কে -৪৭ ৰ গুলী গাত লৈ মই বিধায়কৰ দায়িত্ব পালন কৰি আছো। সেই পৰিস্থিতিটো আজি নাই, কোনো শংকাত কটাবলগীয়া হোৱা নাই। আজি আস্থা আৰু বিশ্বাস আমাৰ মাজত গঢ় লৈ উঠিছে। আজি কেনেকৈ বড়োভূমিত,কেনেকৈ হিলচত উগ্ৰপন্থী সংগঠনে চৰকাৰক আস্থা-বিশ্বাসত লৈ তেওঁলোক মূলসুঁতিলৈ ঘুৰি আহিছে। এহাতেদি পুলিচ প্ৰশাসনৰ জড়িয়তে উগ্ৰপন্থীক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছে আনহাতেদি দীৰ্ঘম্যাদি পৰিকল্পনা লৈ উগ্ৰপন্থীক আলোচনাৰ মেজত বহুৱাই কেনেকৈ অসমৰ যুৱক সকলক অসমৰ উন্নয়নৰ কাৰণে কামত লগাব পাৰি , অসমৰ সম্পদ হিচাপে গঢ় দিব পাৰি তাৰ প্ৰচেষ্টা লৈ,সুন্দৰ পৰিকল্পনা লৈ চৰকাৰখনে আগবাঢ়িছে। যাৰ কাৰণে আজি আমি বড়োভূমিত** স্থায়ী শান্তি প্ৰতিষ্ঠা কৰিব পাৰিছো। ঠিক তেনেকৈ হিলচত, কাৰ্বি আংলঙ, এন,চি হিলচত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰিছো। আনকি আলফাৰ দৰে সংগঠন এটাৰ লগত কেনেধৰণে আলোচনাৰ কথা চলি আছে আৰু আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই একপক্ষীয় যুদ্ধ বিৰতি ঘোষণা কৰাৰ পৰিৱেশ এই চৰকাৰৰ দিনত হৈছে। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে ই সচা অৰ্থত আন্তৰিকতাৰে অসমৰ উগ্ৰপন্থী সমস্যাৰ স্থায়ী সমাধান কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক সঠিকভাৱে যোগাযোগ কৰি এটা পৰিকল্পনা লৈ আগবাঢ়িছে। কিন্তু আগৰ পৰিক্ৰমা যদি চাওঁ বহুকথা আহি পৰিব। এতিয়া আমাৰ পুলিচৰ ওপৰত কোনো কোনো ক্ষেত্ৰত যদি চাওঁ য'ত পুলিচ প্ৰশাসনক চৰকাৰখনে নিয়ন্ত্ৰণ কৰি ৰাইজৰ স্বাৰ্থত ৰাইজৰ বন্ধু হিচাপে কাম কৰাৰ এটা সুন্দৰ

পৰিৱেশ গঢ় দিছে। যদি কোনোবা পুলিচে বেয়া কাম কৰিছে, যেনেকৈ নগাঁৰত সেই আছুৰ নেতাজনক যেতিয়া বণিয়া বুলি কোনোবা পুলিচ অফিচাৰে গুলীবিদ্ধ কৰা বুলি অভিযোগ আহিছিলে মানুহে দাবী জনাইছিল, তেতিয়া চৰকাৰখনে তৎকালে এক ব্যৱস্থা গ্ৰহণ কৰিছিল,তাৰ এছ,পি জনক তাৰ পৰা বদলি কৰাৰ ব্যৱস্থা কৰিছিল। অৰ্থাৎ চৰকাৰে জনমতক গুৰুত্ব দিছিল। কিন্তু আমি ইয়াৰ আগতে যদি চাওঁ ১৯৯৪ চনৰ ১৮ জুলাইত বিশ্বজিৎ বৰাক কেনেধৰণে হত্যা কৰি ব্ৰহ্মপুত্ৰ নদীৰ বালিত পেলাই দিয়া হ'ল, এছ,পিৰ ওপৰত অভিযোগ আহিছিল, বিচাৰৰ কৰণে অসম বন্ধ পৰ্যন্ত দিলে, কিন্তু চৰকাৰে সেই অভিযুক্ত পুলিচ বিষয়াজনক চিটি এছ পি কৰি দিলে, পুৰস্কাৰ দিলে। আজিৰ চৰকাৰৰ পুলিচ প্ৰশাসন আৰু আগৰ চৰকাৰৰ পুলিচ প্ৰশাসনৰ মাজত পাৰ্থক্য এইটোৱেই। মাননীয় উপাধ্যক্ষ মহোদয়, অসম বন্ধ পৰ্য্যন্ত দিলে। কিন্তু সেই চৰকাৰে সেই অভিযুক্ত পুলিচ বিষয়াজনক City ৰ SP কৰি দিলে। পুৰস্কাৰ দিলে। আজি পাৰ্থক্যটো সেইটো। ভাৰতীয় জনতা পাৰ্টীৰ দিনৰ পুলিচ প্ৰশাসন আৰু আগৰ সেই চৰকাৰৰ দিনৰ পুলিচ প্ৰশাসনৰ মাজত পাৰ্থক্য এইটোৱে। সেই কাৰণে আমি স্থায়ী শান্তি অনাৰ ক্ষেত্ৰত আজিৰ চৰকাৰে যিখিনি পদক্ষেপ গ্ৰহণ কৰিলে, এই পদক্ষেপক সকলোৱে আদৰণি জনোৱাৰ প্ৰয়োজন আছে। আমাৰ হাফিজ বছিৰ ডাঙৰীয়াই আজি যিখিনি এ আই ইউ ডি এফৰ বক্তব্য ৰাখিছে, তেখেতৰ বক্তব্য ৰাখি বেয়াও লাগে। হয় সঁচাকৈ কিবা ইছলাম ধৰ্মৰ মানুহৰ ওপৰত অত্যাচাৰ চলিছে নেকি? ধলপুৰৰ কথাও কৈছে, গৰুখুটিৰ কথা কৈছে। কিন্তু তেখেতক মই আহ্বান জনাম। তেখেত এবাৰ ইতিহাসে গৰকা ধলপুৰৰ মন্দিৰৰ সেই ঠাইলৈ যাব। তাত খবৰ ল'ব গৰুখুটি অঞ্চলৰ মানুহৰ । ধলপুৰ মন্দিৰৰ সেই পূজাৰীজনক কোনে হত্যা কৰিলে? মই এইটো কথা এই কাৰণে জানো যে, ২৮৮ জন মানুহে যেতিয়া হাইকোৰ্টত আবেদন দিছিল উচ্ছেদৰ বিৰুদ্ধে, দুই আৰু তিনি নম্বৰ দুটা নাম আছিল পাৰ্বতী দেবী আৰু গণেশ দাস। আটাইখিনি সংখ্যালঘু মানুহ। এই দুজন মানুহ কোন ওলাল পিচত যেতিয়া কাহিনীটো শুনিছিলো বেয়া লাগিছিলে। কেনেকৈ হত্যা কৰা হ'ল গিৰীয়েকক, দেউতাকক আৰু তাৰ পিছত কোনে লৈ গৈ পত্নী কৰি ল'লে। নিজে নিজে সোমাইছে নেকি? যে এই কথাবিলাকো চাব লাগে। যদি সাম্প্ৰদায়িক ভাবে আমি চাও বটদ্ৰৱাৰ গুৰুজনাৰ জন্মস্থান, সেই সত্ৰখন যদি কোনোবাই পৰিকল্পিত ভাবে বে-দখল কৰিববলৈ যায় তেতিয়া কি মানুহৰ গাত নালাগিব নেকি? ইতিহাসে গৰকা সেই ধলপুৰ মন্দিৰ ১৮২ বিঘা মাটি আছিল, বাকী মাটিৰ কথা মই বাদেই দিছো। ১৮২ বিঘা সেই মন্দিৰৰ আশে-পাশে মাটিত বে-দখল কৰি মন্দিৰটো যদি ধ্বংস কৰাৰ পৰিকল্পনা কৰে, তাত বচাবলৈ আমাৰ চৰকাৰে শক্তিশালী পদক্ষেপ ল'ব লাগিব নে নালাগে? তাত কোনোবা সংখ্যালঘু মানুহ হাৰাশাস্তি হোৱা বুলি কৈছে, আমি সন্দেহজনক নাগৰিক বুলি ক'লে দোষ পোৱা কথা কৈছে। সন্দেহজনক নাগৰিক হয় নে নহয় এবাৰ চাওকচোন। তাত যি অশুভ পৰিস্থিতিৰ সৃষ্টি হ'ল, তাত ফায়াৰিং পৰ্য্যন্ত হ'ল, কিয় হ'ল? কোনে উচতনি দিছে, আজিটো ৬৩৩ ঘৰৰ মানুহে কিয় চৰকাৰক আস্থা বিশ্বাসত লৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত যোগাযোগ কৰাৰ পিছত সংখ্যালঘু সংগঠনৰ ফালৰ পৰা কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকা, মই যেতিয়া তেওঁলোকৰ লগত বহিছিলো আজি কেনেকৈ ৬৩৩ ঘৰ মানুহে কেনেকৈ দলগাঁও সমষ্টিত পুনৰ সংস্থাপন কৰাবলৈ সক্ষম হৈছে। মই ধন্যবাদ জনাম এ আই ইউ ডি এফ দলৰ বিধায়ক গৰাকীক তেখেতে সহযোগীতা আগবঢ়াইছে যে এইখন অসমে আমাক লাগে। আমি সম্প্ৰাদায়িক তেনেকুৱা কথা কৈ লাভ নাই। একপক্ষীয় ভাবে আমি যদি চাও তেতিয়া হ'লে এইখন অসম কেতিয়াও শান্তিত নাথাকে। এইখন অসমৰ প্ৰগতি সম্ভৱ নহয়। গতিকে আমি চাব

লাগিব। বটদ্ৰৱাৰ মন্দিৰ কিয় পৰিকল্পিত ভাবে অগ্ৰাসন কৰিছে, ধলপুৰৰ দৰে সেই মন্দিৰ কিয় পৰিকল্পিত ভাবে কেনে ধৰণে ধ্বংস কৰিবলৈ চেষ্টা কৰিছে। কিয়? পূজাৰী ঘৈণীয়েক, ল'ৰা আজি ক'ত আছে। এই কথাবিলাক বাদ দি অসমীয়া সমাজখন কি সমন্বয় সম্প্ৰীতিৰ সমাজ হ'ব? এই আগ্ৰাসন কেনেকৈ হৈছে? কেনেকৈ সেই গৰুখুটি অঞ্চলৰ ঠলুৱা মানুহ বিলাকৰ নিজৰ মাটি-বাৰী এৰি কেনেকৈ সেই লৰা-ছোৱালী বিলাক বহিঃৰাজ্যত হাবু দাবু খাব লগীয়া হৈছে? কেনেকৈ ৫ হাজাৰ, ১০ হাজাৰ, ১৫ হাজাৰ টকাত তেওঁলোকে জীৱিকাৰ পথ বা জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে। আজিৰ চৰকাৰে যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে, প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আত্ম নিৰ্ভৰশীল ভাৰত, আত্ম নিৰ্ভৰশীল অসম আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো গ্ৰহণ কৰিছে, আমাৰ ল'ৰা খিনিয়ে সংগঠিত ৰূপত আমি যদি কৃষি বিপ্লৱ কৰো, আমি মাছ-মাংস, গাখীৰ উৎপাদন কৰো, তেতিয়াহ'লে আমাৰ মাটি ক'ত। যি সকল মানুহে উচ্ছেদৰ বিপক্ষে যধে মধে কথা কয়, সেই সকল মানুহকে সুধিব বিচাৰিছো যে তেওঁলোকে এবাৰ ভাবি চাইছেনে নিজকে। ভাই ককাই কেনেকৈ বাঙ্গালোৰ, অন্ধ্ৰ প্ৰদেশ, দিল্লীত গৈ নিজৰ পৰিয়ালৰ পৰা আতৰি থাকি পেটৰ ভাতৰ কাৰণে হাবুদাবু খাবলগীয়া হৈছে, সেই সকল যুৱক-যুৱতীৰ কাৰণে চিন্তা কৰাতো মুখ্যমন্ত্ৰী ডাঙৰীয়াই শক্তিশালী পদক্ষেপ লোৱাটো কৰ পৰা অপৰাধ হ'ল। এনেকুৱা কামটো আমি কৰিবই লাগিব। কাৰ কাৰণে কৰিব লাগিব? আমাৰ ঠলুৱা যুৱক-যুৱতীৰ কাৰণে। মই যধে-মধে উচ্ছেদ কৰাৰ কথা নকওঁ। কিন্তু যাৰ বৰপেটাতো মাটি আছে, গোৱালপাৰাটো মাটি আছে, এই কথাবিলাক যেতিয়া মই মাজলৈ সোমাই গৈছো, ফলজামান জচিমুদ্দিনহঁতৰ লগত মই বহিছো, গৰুখুটি অঞ্চলত তেতিয়া এই কথা বিলাক আহিছে, তেওঁলোকে আঙুলিয়াই দিছিল আচলতে কি চলি আছিল। কোনে উচতনি দিয়ে, আজি গৰুখুটিত সংঘাত নাই। ৬৩৩ ঘৰ গৈছে সকলো বিলাক মিলাই প্ৰায় ২২০০ ঘৰ মানুহ যাবলৈ ওলাইছে। কিয়? চৰকাৰৰ প্ৰতি আস্থা আৰু বিশ্বাস এই মানুহ খিনিৰ বাঢ়িছে। যিবিলাক আদৰ্শ গাঁও কৰা হৈছে, প্ৰকৃততে দুখীয়া আৰু ভাৰতীয় নাগৰিক। তেওঁলোকক আমাৰ চৰকাৰে সংস্থাপন কৰিছে। তেওঁলোকৰ উন্নয়নৰ কাৰণে আঁচনি গ্ৰহণ কৰিছে। এই কথা বিলাক মই আহ্বান জনাম। হাফিজ বছিৰ চাহাব ডাঙৰীয়াই এই কথা খিনি কৈছে। তেওঁ অলপ আগুৱাই গৈ অন্য কথা খিনি পৰ্যবেক্ষন কৰি চাই কাৰণ এনে ধৰণৰ নেতিবাচক চিন্তাৰে অসমখন শান্তিত নাথাকে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি সংকল্প লৈছে যে এই খন অসম, দেশৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হিচাপে গঢ় দিবৰ কাৰণে, এইটো সম্ভৱ হ'ব। যদি আমাৰ যুৱক-যুৱতী সকলক আমি কৰ্মমুখী কৰো। আমি যদি কেৱল আন্দোলনেই কৰি থাকো, তেতিয়া এইখন অসম সমৃদ্ধিশালী অসম নহ'ব। উপাধ্যক্ষ মহোদয়, এই কথাবিলাক গুৰুত্বপূৰ্ণ বিষয়। আমি কেৱল ৰাজনৈতিক মুনাফা আদায় কৰিবৰ কাৰণে সস্তীয়া কথা-বাৰ্তাৰে ভোটৰ ৰাজনীতি কৰিবৰ কাৰণে যদি আমি কাম কৰি যাও, এইখন অসমে আমি দেশৰ শেষৰ স্থান পাম। এইখন অসম শান্তিত নাথাকে। উগ্ৰপন্থীৰ সমস্যা বাঢ়িব। কাৰণ ল'ৰাই একো কৰিবলৈ নাপায় হাতত অস্ত্ৰ লোৱাৰ বাদে ৰাস্তা নাথাকিব। গতিকে আমি এখন স্থায়ী শান্তিৰ অসম পাবলৈ হ'লে সকলোৱে মিলি এই চৰকাৰে যি খিনি পদক্ষেপ গ্ৰহণ কৰিছে, যিটো আমাৰ উৎপাদনমুখী যাত্ৰা আমাৰ ল'ৰা-ছোৱালীৰ জৰিয়তে কাম কৰি বজাৰ খন দখল কৰিবলৈ পথাৰত কাম কৰা বিজ্ঞান সন্মত ভাবে কৃষি কৰ্ম কৰি উৎপাদনমুখী যিটো যাত্ৰা আৰম্ভ কৰিছে, ইয়াত সকলোৱে সহযোগীতাৰ প্ৰয়োজন আছে । নিৰ্বাচন আহিলে যি ৰাজনীতি ভোটৰ কাৰণে কৰে কৰিব। কিন্তু এই সময়ছোৱাত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি নিবনুৱা যুৱক-যুৱতীৰ স্বাৰ্থত কৰ্ম আঁচনি গ্ৰহণ কৰিছে, ৰাজ্যখনক অৰ্থনৈতিক ভেটি শক্তিশালী কৰিবলৈ চৰকাৰে যিখিনি পদক্ষেপ

গ্ৰহণ কৰিছে, ঐতিহ্য পৰম্পৰা ৰক্ষা কৰিবৰ কাৰণে যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে, এই ক্ষেত্ৰত প্ৰতি গৰাকী সন্মানীয় বিধায়কে যাতে সহযোগীতা আগবঢ়াও, ইয়াৰ কাৰণে আহ্বান জনাই ৰাজ্যপালৰ ভাষণৰ পূৰ্ণ সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য মিছবাহুল ইছলাম লস্কৰ।

**শ্রীমিসবাহুল ইসলাম লস্কর (বরখোলা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় রাজ্যপাল মহোদয় যে বক্তব্য তুলে ধরেছেন এখানে সেই বক্তব্যের বিরুদ্ধে আমার দলের আনা সংশোধনীর পক্ষে আমি কিছু কথা বলব। আমি বরাক উপত্যকা থেকে নির্বাচিত সদস্য। বরাক উপত্যকা এমন একটি জায়গা যেখানে ৪০ লাখের উপরে মানুষ বসবাস করে। কিন্তু গুয়াহাটীর সাথে যোগাযোগের রাস্তা হল মেঘালয় দিয়ে আমাদের যেতে হয়। বিগত কয়েকদিন থেকে মেঘালয়ের রাস্তা বন্ধ ছিল। আমাকে এন সি হিল দিয়ে লামডিং হয়ে গুয়াহাটী আসতে হয়েছে। প্রায় ১০০ কি.মি বেশী রাস্তা অতিক্রম করে এখানে এসেছি। তার কারণ হল ইষ্ট-ওয়েষ্ট করিডোর । যেটা আজ থেকে অনেক দিন আগে থেকে কাজ আরম্ভ হয়েছে কিন্তু সেইদিন আমি দেখে আসলাম সেই কাজ দ্রুতগতিতে হচ্ছে না। বৃষ্টি পড়লেই রাস্তাটা বন্ধ হয়ে যাবে। আমার মনে যে হারে কাজ চলছে সেটা শেষ হতে আরও ৫ বছর লাগবে। আমাদের বরাক উপত্যকার উন্নয়নের জন্য এই রাস্তাটা অতি সত্বর শেষ করার প্রয়োজন। নাহলে আমরা উন্নয়নে পিছিয়ে পড়বো। দ্বিতীয়ত এখানে স্বাস্থ্যের কথা বলা হয়েছে। অসম সরকার নতুন নতুন মেডিকেল কলেজ গড়ে তুলবে। যদিও বরাক উপত্যকার শিলচরে একটা মেডিকেল কলেজ আছে। যেটা এখনও সম্পূর্ণ হয় নাই। এই মেডিকেল কলেজে বরাক উপত্যকার ৪০ লাখ লোক ছাড়ও মিজোরাম ও ত্রিপুরার কিছু লোক এখানে আসে উন্নত চিকিৎসার জন্য। এখানে সাধারণ চিকিৎসা হয় ,কিন্তু কোন উন্নত চিকিৎসার সুযোগ এখানে নেই। বরাক উপত্যকা থেকে যদি কোন সিরিয়াস রোগীকে গুয়াহাটীতে নিয়ে আসা হয় তাহলে অর্ধেক রাস্তাতে তিনি প্রাণ হারাবেন। অসমে অনেক মেডিকেল কলেজ হয়েছে। বরাক উপত্যকাতে আরও অন্তত পক্ষে ২ টি মেডিকেল কলেজ করিমগঞ্জ ও হাইলাকান্দিতে করা দরকার। তাহলে স্বাস্থ্যক্ষেত্রে আমরা ভালো ফল পাব। আমাদের সাধারণ জনসাধারণ এতে উপকৃত হবেন। আমার সমষ্টিতে একটা মিনি সিএইচ ই আছে। সেখানে ২ জন ডাক্তার, একজন কম্পাউণ্ডার আছে। কিন্তু কোন লেবার রুম নেই। আমি মাননীয় স্বাস্থ্য মন্ত্রীকে লিখিত ভাবে দিয়েছি যে আমার সমষ্টিতে একটা লেবার রুম হয়ে গেলে অন্তত ৭ থেকে ৮ হাজার মানুষ অর্থাৎ মহিলারা উপকৃত হবেন। বরাক ভেলির যেগুলো সাব-সেন্টার আছে সেগুলোর অবস্থা অতি শোচনীয়। স্টাফ নেই, ঘরগুলো অনেক পুরানো তাই সেগুলো ভেঙ্গে নষ্ট হয়ে যাচ্ছে। সেই সাব-সেন্টারগুলোর মেরামত করে উন্নত করতে হবে। যাতে সাধারণ লোক সেখানে মিনিমাম একটা স্বাস্থ্য সেবা পান। এছাড়া বরাক উপত্যকাতে চা শিল্প একটা বড় শিল্প। প্রথমত আমাদের বরাক ভেলির ৭০ শতাংশ মানুষ কৃষিজীবি। এছাড়াও চা শিল্পের সাথে যুক্ত আছে অনেক মানুষ। কিন্তু রাজ্যপাল মহোদয়ের বক্তব্য থেকে জানলাম যে ব্রহ্মপুত্র উপত্যকায় যারা লেবার আছে তাদের ১৬৭ টাকা থেকে ২০৫ টাকা রোজ করা হয়েছে। কিন্তু বরাক ভেলির যারা লেবার আছে তারা ১৪৫ টাকা থেকে ১৮৩ টাকা পান। অথচ কাজটা তো সমান কাজ, কিন্তু দুটা রেট করা হয়েছে। এজন্য এই দুটা রেটকে কিভাবে একটা রেটে নিয়ে আসা যায় সেই বন্দোবস্তটা অন্তত রাজ্য সরকারের পক্ষ থেকে করা দরকার। অসমের ব্রহ্মপুত্র উপত্যকাতে ব্রহ্মপুত্র নদী হল একটি অতি গুরুত্বপূর্ণ নদী। সেভাবে বরাক উপত্যকাতেও বরাক নদীটা একটা গুরুত্বপূর্ণ স্থান দখল করে আছে। এই নদীটা আমার সমষ্টির মধ্য দিয়ে কাটিগড়া

হয়ে বাংলাদেশে গিয়েছে। আমার সমষ্টি বরখোলায় ২৫ টা জায়গায় ভূমিস্খলন হচ্ছে। বরখোলার সবথেকে পুরানো বাজার সেটার অর্ধেক চলে গেছে। এত বেশী ভূমিস্খলন শুরু হয়েছে, অনেক মানুষের অনেক জমিই নেই। প্রায় শো শো বিঘা জমি এই বরাক নদীতে তলিয়ে গেছে। সেগুলোর কোন ব্যবস্থা নেওয়া হচ্ছে না। মাননীয় মন্ত্রী পিযূষ হাজারিকার কাছে আমি লিখিত ভাবে দিয়েছি। এই ব্যাপারে একটা ব্যবস্থা নেওয়া উচিত। আমি আশা করব আপনাদের এই সরকার আমার এই বক্তব্যের গুরুত্ব দিয়ে একটা উপযুক্ত ব্যবস্থা নেবে। এই কথা বলে আমার বক্তব্য এখানেই শেষ করছি। নমস্কার।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য আমিনুল ইছলাম (জ্যেষ্ঠ)।

**মঃ আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত যিটো ধন্যবাদ সূচক প্ৰস্তাৱ দিয়া হৈছিল, এই ধন্যবাদ সূচক প্ৰস্তাৱৰ আমি এটা সংশোধনী প্ৰস্তাৱ দিছিলো আৰু প্ৰস্তাৱটো আছিল - "ৰাজ্যপাল মহোদয়ৰ বক্তব্যৰ অসমীয়া প্ৰতিলিপি ৩৬ পৃষ্ঠাত উল্লেখ থকা শেষৰ দফাটো তলত দিয়া ধৰণে সংশোধন কৰা হওক"। মাননীয় সদস্য সকল মোৰ চৰকাৰৰ ভুল নীতি সমূহ, আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত হোৱা অবাধ দুৰ্নীতি আৰু বিফলতা সমূহ মোৰ বক্তব্যত প্ৰতিফলিত কৰা নাই। বিগত নিৰ্ব্বাচন সমূহত মোৰ চৰকাৰে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি সমূহ পূৰণ কৰাত সমূলি ব্যৰ্থ হৈছে। অসমৰ বিত্তীয় পৰিস্থিতি বৰ্তমান বিপৰ্য্যস্ত হৈ পৰিছে। নিবনুৱা সমস্যাই ভয়াবহ পৰিস্থিতিৰি সৃষ্টি কৰিছে। উদ্যোগ সমূহ এটা এটাকৈ মৃত্যু মুখত পৰিছে। গৰাখহনীয়াৰ সমস্যাই হাজাৰ হাজাৰ লোকক গৃহহীন কৰি পেলাইছে আৰু উন্নয়নৰ অচল অৱস্থা হৈ পৰিছে। এই পবিত্ৰ সদনে চৰকাৰৰ ভৱিষ্যত কাৰ্য্যপন্থা যুগুত কৰাত সঠিক পৰামৰ্শ দিব বুলি মই আশাবাদী। এইটোৱে আছিল মোৰ সংশোধনী প্ৰস্তাৱ। মাননীয় উপাধ্যক্ষ মহোদয়, বৰ্তমান আমাৰ এই গোটেই কথাখিনিৰ লগত চৰকাৰৰ নীতি জড়িত হৈ আছে। আমাৰ চৰকাৰে যিবোৰ নীতি ল'ব অসমৰ ৩ কোটি ৫০ লাখ মানুহক কোন দিশে লৈ যাব বা কি ৰাস্তা দেখুৱাব এই কথাটো এই নীতিৰ ওপৰত অসমৰ উন্নয়ন, বৃহত্তৰ অসমৰ জাতি গঠন প্ৰক্ৰিয়া এই সকলো বোৰ কথা তাত নিৰ্ভৰ কৰিছে। এইক্ষেত্ৰত মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে প্ৰথমেই আমাক আমাৰ মানসিকতাৰ ওপৰত যিহেতু কথাটো নিৰ্ভৰ কৰে গতিকে আমাৰ এই মানসিকতাৰ কাৰণে আমি যদি শ্ৰীমদ ভাগৱত গীতাৰ কথাটো চাওঁ তাত লিখা আছে।

-নেনং চিদন্তি শাস্ত্ৰানি নেনং দহতি পাৱকহ।
ন চেনং ক্লেদয়ানপো ন শোষয়াতি মাৰুতহ।।
য় এনং বেত্ৰি হতাৰং য়চেনং মন্যতে হতম।
অভ' তো ন বিজানিতো নায়ং হন্তি ন হয়ন্তে।।
ন জায়তে ম্ৰিয়তেৱা কদাচিন, নায়ঙ ভূতৱা ভবতি ৱা ন ভূয়হ।
অ'জো নিত্যহ শাস্ত্ৰনয়হ পুৰানো, ন হয়তে হত্যমানে শৰীৰে।

ইয়াত যিহেতু আত্মা, অদৃশ্যতাৰ কথা কোৱা হৈছে, আত্মাক যিহেতু কোনো অস্ত্ৰৰে মাৰিব নোৱাৰি, জুইৰে জ্বলাব নোৱাৰি, পানীৰে মাৰিব নোৱাৰি গতিকে আমি যেতিয়া আত্মাক একাকাৰ কৰি ভাবি আমি আমাৰ চৰকাৰৰ কৰ্ম পদ্ধতি নিৰ্দ্ধাৰণ কৰিম তেতিয়া আমাৰ অসমখন সামগ্ৰিক পদ্ধতিত উন্নয়ণৰ দিশলৈ গতি কৰিব। আকৌ যদি আমি চাওঁ তেতিয়াহ'লে আল্লাহ পাকে কোৰাণত কৈছে যে, "লা ইকৰাহ ফিদ্‌দিন" যে ধৰ্মৰ নামত কোনো জোৰ-জবৰদস্তি নচলিব আৰু কাকো জোৰ কৰিব নোৱাৰিব। সকলোৱে নিজৰ নিজৰ ধৰ্ম পালন কৰিব। আকৌ কৈছে "লাকুম দি নুকুম

অলিয়াদিন” তোমালোকে কৈ দিয়া যে তোমালোকৰ ধৰ্ম তোমালোকে মানা আৰু আমাৰ ধৰ্মটো আমি পালন কৰিম। অৰ্থাৎ তোমালোকে আমাক অসুবিধা নকৰিবা আমিও তোমালোকক অসুবিধা নকৰো। এইটোও কোৰাণত কৈছে। এই কথাবোৰৰ এটা এটা তাৎপৰ্য্য আছে। গতিকে আমি যেতিয়াই সেই মানসিকতা লৈ বা মনোবৃত্তি লৈ অসমখনৰ সামগ্ৰিক দিশত আগুৱাই লৈ যোৱাৰ কাৰণে চেষ্টা কৰিম তেতিয়া নিশ্চয় আমি বৃহত্তৰ অসমীয়া জাতি গঠন কৰি আৰু অসমক উন্নয়নৰ পথত আগুৱাই লৈ যাব পাৰিম।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মানসিকতাটো এনেকৈ গঢ় দিব লাগিব যিটো কথা কবিয়ে কৈ গৈছে যে -

“Sit with me, sit with me ragged foral
Donot be afraid, fight for no space uncertain
You will be soothed, you will be safe
You only need sit with me.”

গতিকে আমি যেতিয়াই সকলোৱে একেলগে বহাৰ মানসিকতা গঢ়ি আগুৱাই লৈ যাম তেতিয়াই আমাৰ নীতি বোৰো ঠিক হ’ব আৰু বৈষম্যও নাথাকিব, অভিযোগো নাথাকিব। এইদৰে আমাৰ মানসিকতা গঢ় দিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, যেতিয়াই আমাৰ এই বৃহত্তৰ অসমত সকলো জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় হ’ব, সকলো জাতি-জনগোষ্ঠীয়ে সম্প্ৰীতিৰে বৃহত্তৰ অসমীয়া জাতিটোক আগুৱাই লৈ যাব পাৰিম যদিহে আমাৰ সকলোৰে মানসিকতাবোৰ ঠিক হয় আৰু যদি আমি এটা দৃঢ় সংকল্প লৈ মনটোক ঠিক কৰিব পাৰো তেতিয়াহ’লে আমাৰ চৰকাৰৰ প্ৰত্যেকটো নীতিত সেই কথাটো প্ৰতিফলিত হ’ব আৰু আমিও ভাৱিছিলো যে ৰাজ্যপাল মহোদয়ৰ সন্মানৰ প্ৰতি লক্ষ্য ৰাখি, তেখেতৰ কাৰ্য্যকালৰ শেষ বক্তব্য। বুলি প্ৰতিবাদ নকৰিলো। এই কথাটো বাহিৰত কংগ্ৰেছ, এ. ইউ. ডি. এফ বিৰোধী দলৰ প্ৰতি নেতিবাচক সমালোচনাও আহিছে যে তেওঁলোকে মনে মনে বহি থাকিল প্ৰতিবাদ নকৰিলে। কিন্তু আমি আচলতে ভাৱিছিলো যে আমি যেতিয়া ক’ব লাগে তেতিয়া ক’ম। মহামান্য ৰাজ্যপালৰ ভাষণত বহু কথা ইয়াত আলোচনা হৈছে যে শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ একো ভিজন নাই, য’ত ৰাজ্যপালৰ ভাষণত আমি দেখিবলৈ পোৱা নাই। অসমৰ আটাইতকৈ জলন্ত সমস্যা যিটো গৰাখহনীয়াৰ সমস্যা। যি সমস্যাই আজি কেইবা লাখ মানুহক গৃহহীন ভূমিহীন কৰিছে। তেওঁলোকে যে অনাই বনাই ঘূৰিফুৰি যতে ততে বহিছে, তেওঁলোকক তাৰ পৰা উচ্ছেদ কৰা হৈছে। এই কথাবিলাকৰ তাত প্ৰতিশ্ৰুতি নাই। আমি দেখিবলৈ পাইছো যে নিবনুৱা বিলাকৰ সমস্যা সমাধানৰ কোনোধৰণৰ বাস্তৱসন্মত প্ৰতিশ্ৰুতি ৰাজ্যপালৰ ভাষণত নাই। অৰ্থাৎ আমাৰ চৰকাৰৰ সেই ফালৰ পৰা কোনো ভিজন নাই। অসম যে আজি বিত্তীয় ভাৱে বিপদগ্ৰস্ত হৈ পৰিছে। আমি এই কথাবিলাক শুনিছিলো, ৰাজ্যপাল মহোদয়ৰ সন্মুখত কোনো ধৰণৰ প্ৰতিবাদ কৰা নাই। কিন্তু আমাৰ অসমত এই অৱস্থাৰ পৰা উদ্ধাৰ কৰাৰ সময় এতিয়াও পাৰ হৈ যোৱা নাই। চৰকাৰে যদি মন বান্ধে, তেনেহ’লে এতিয়াও উদ্ধাৰ কৰিব পাৰিব।

সেই কথাটো কবিৰ ভাষাত কবলৈ গলে -

বল বীৰ, বল বীৰ,
বল উন্নত মম শিৰ।
শিৰ নেহাৰি আমাৰি, নত-শিৰ ওই শিখৰ

হিমাদ্রীর।
উন্নত মহাবীর।
ভুলোক দ্যুলোক গোলোক ভেদিয়া,
খোদাৰ আসন 'আৰশ' ছেদিয়া আমৰা হব
অগ্রগামী আমৰা হব বিজয় হিমাদ্রীৰ
বল বীৰ বল বীৰ উন্নত মম শিৰ।
উঠিয়াছি চির-বিস্ময় আমি বিশ্ব-বিধাত্রীর।

(আজকে এই অৱস্থাৰ খেকেও বিপর্যস্ত হয়ে গেছে। অসমকে উদ্ধাৰ কৰাৰ সময় এখনও পাৰ হয়ে যায় নি। শুধু সৰকাৰেৰ মানসিকতা পৰিবৰ্ত্তন কৰতে হবে। শুধু সৰকাৰ এখন সবাইকে সঙ্গে নিয়ে বিশ্বাস কৰে সাথে কাধে কাঁধ মিলিয়ে অগ্রগামী যাত্রাৰ জন্য মানসিক সংকল্প তৈয়াৰ কৰতে হবে। এই সৰকাৰ যদি পাৰে সবাইকে বিশ্বাস কৰে অগ্রগামী একটা যাত্রাৰ অংশীদাৰ হয় আমি ভাবি বল বীৰ বল বীৰ উন্নত মম শিৰ আমৰা অসমে সেই অসাধ্য সাধন কৰতে পাৰব। তাৰ জন্য মানসিক বৈষম্য ৰাখা চলবে না। জাতী ধৰ্ম নিৰ্বিশেষে সবাৰ প্ৰতি সমান মনোভাব সৰকাৰেৰ ৰাখতে হবে। কিন্তু আমাদেৰ এটা আকাঙ্কিত লক্ষ্য। নয়লে সেই লক্ষ্য পথে আমৰা উপনীত হতে পাৰব না। মাননীয় উপাধক্ষ্য মহোদয় আপনাৰ জৰিয়তে আমি এই কথাটি বলতে চাই আমাদেৰ সৰকাৰেৰ শুধু মানসিকতা টা পৰিবৰ্তন কৰতে হবে। যে আমৰা বিভাজন চাই না, এই সোনাৰ অসমকে শ্মশান বানাতে চাইনা। শঙ্কৰ আজানেৰ মিলনভূমি পবিত্র অসম ভুমিতে জাতী জনগোষ্টীকে নিয়ে হিন্দু, মুসলমান, বৌদ্ধ, খ্রীষ্টান সবাইকে নিয়ে সবাই অসমের শুভাকাঙ্খী। বৃহত্তৰ অসমীয়া জাতিৰ গঠন আমৰা কৰব। সংকল্পটা শুধু নিলেই অসম দ্রুত উন্নতিৰ ৰাস্তায় যাবে। এই সৰকাৰে যদি ভাবে আমৰা বিভাজন সৃষ্টি কৰে সাম্প্রদায়িক হিংসা, বিদ্বেষেৰ এটা চিৰস্থায়ী পৰিবেশ সৃষ্টি কৰে তাৰ ওপৰ মেৰুবিভাজন কৰি আমি সদায় ক্ষমতা দখল কৰিম, তেনেহ'লে অসম কেতিয়াও উন্নতিৰ পথত নাযায়। বৃহত্তৰ অসমীয়া জাতি থান-বান হ'ব আৰু এই জাতি গঠন প্ৰক্ৰিয়া কেতিয়া ত্বৰান্বিত নহয়।

গতিকে আপোনাৰ জৰিয়তে মই চৰকাৰক এই অনুৰোধ কৰিব বিচাৰিছো যাতে চৰকাৰে সেই মানুহ খিনিৰ মাজত কেনেকৈ সম্প্ৰীতি আৰু সৎভাৱ, মিলা-প্ৰীতি, ঐক্য-সংহতিৰ মাজৰে আমি বৃহত্তৰ অসমীয়া জাতি-গঠন কৰিম, অসমৰ সমস্যা বিলাক সমাধান কৰিম। সেই মানসিকাতাটো চৰকাৰে গঢ় দিলে মই ভাৱো **৯০** শতাংশ সমস্যা লগে লগে সমাধান হৈ যাব বাকী **১০** শতাংশ সমস্যা আমি সকলোৱে মিলি সন্মিলিত ভাৱে অসমক আগুৱাই লৈ যোৱাৰ চেষ্টা কৰিব পাৰিম।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি চাওক ইয়াতে যদি কোনোবাই নিলি ফাইলচ, গহপুৰ ফাইলচ, বৰবৰী ফাইলচ, চাউলখোৱা চাপৰি ফাইলচ এই বিলাক যদি documentary বনাই প্ৰচাৰ কৰে সেইটোৰ দ্বাৰা অসমৰ একো উন্নতি নহ'ব। কিন্তু কথা হ'ল আমি সেই অতীতটোক পাহৰি গৈ কেনেকৈ সম্প্ৰীতিৰ পৰিৱেশত ভৱিষ্যতে এক দিক্ নিৰ্ণয়কাৰী অসম, অসমীয়া জাতিৰ এক দিক্ নিৰ্ণয়কাৰী বৈপ্লৱিক এক সন্ধিক্ষণত অসমক লৈ যাব পাৰো, সেই প্ৰচেষ্টা আমি কৰি যাব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এই কথাটো কব বিচাৰিছো যে হত্যা, হিংসা, ঘৃণা, বিদ্বেষৰ পৰিৱেশৰে কেতিয়াও এখন ৰাজ্য বা এখন দেশ আগুবাই যাব নোৱাৰে

আৰু এই কথা মই আপোনাৰ জৰিয়তে ক'ব বিচাৰিছো যে - agar tum log FIR likhoge, to hum izhar likhenge, tum jail may dalogay to hum diware tan likhenge, tum log kala kamal likhogay to hum lal gulab likhenge, tum log raat likhogay to hum log chand likhenge, zameen par zulm likhogay to asmaan par insaaf likha jayega, yad rakkha jayega, sab yad rakkha jayega

মাননীয় উপাধ্যক্ষ মহোদয়, এই কথাখিনি আপোনাৰ জৰিয়তে ক'ব বিচাৰিছো যে কেৱল হিংসা, বিদ্বেষ আৰু ঘৃণাৰ জৰিয়তে যদি কোনোবাই বীজ ৰোপন কৰিব বিচাৰে, agar yaha nafrat ka dastabez likha jata hay, hum pyar ka dastaan likhenge, agar tum log kala kamal likhogay to hum lal gulab likhenge, agar koi zulm sitam ka dastaan likhenge to asmaan may insaaf likha jayega, sab yad rakkha jayega.

মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰক পুনৰবাৰ এই অনুৰোধটো জনাম যে আমাৰ প্ৰথম কামটো হ'ল মানসিকতা পৰিবৰ্তন কৰিব লাগিব। এই অসমক আমি স্বৰ্গ বনাব বিচাৰো, শান্তিৰ অসম বনাব বিচাৰো, উন্নয়নৰ অসম বনাব বিচাৰো, ইয়াত আমি হত্যা, হিংসা, ঘৃণা-বিদ্বেষৰ কুটিল ৰাজনীতি অসমত নিবিচাৰো। মোৰ সমষ্টি মৌৰাবাৰী, পাতেকিবৰী থানত ৩৪ বিঘা মাটি আমাৰ মুছলমান ভাই সকলে দান দিছে। যিটো মহাপুৰুষ গুৰুজনাৰ জন্মস্থান। মৌৰাবাৰী থানত গৈ চাব তাতে মুছলমানে ৩৪ বিঘা মাটি দান কৰি কেম্পাচ বনাইছে। এইখন অসমৰ আমি ক'ৰবাত দেখিছো য'ত মছজিদ আছে, তাত মুছলিম মানুহে নহয় হিন্দু মানুহে ৰক্ষণা-বেক্ষণা দি আছে। এইখন ভাতৃত্ববোধৰ শান্তিৰ অসমত যিসকলে অন্যায় আৰু হিংসা, বিদ্বেষৰ বীজ ৰোপন কৰিব বিচাৰে, তেওঁলোক নিশ্চয় বিফল হ'ব। আজি মইনবড়ী সত্ৰৰ কথা চাওঁক, সেইখন যেতিয়া নদীৰ বুকুত উটুৱাই লৈ গ'ল, সেই সত্ৰ মুছলমানে সংৰক্ষণ কৰি কাৰোবাৰ চোতালত দিছিল, তাৰ পিছত সেই সত্ৰখন সৰভোগলৈ লৈ যোৱা হৈছিল। এইখন অসমত মিলা- প্ৰীতি, শান্তি সম্প্ৰীতিৰ এক গৌৰৱোজ্জ্বল ইতিহাস আছে। মাননীয় উপাধ্যক্ষ মহোদয়, সেই ইতিহাসক আমি ৰোমান্থন কৰিব লাগিব। সেই ইতিহাসক আমি গতিশীলতা দিব লাগিব। ইয়াক আগুৱাই লৈ যাব লাগিব। ইয়াত হিংসা বিদ্বেষৰ বীজ ৰোপন কৰিব নিদিওঁ। এইখন অসমৰ শংকৰ - আজানৰ মিলনভূমি। আৰু এই পবিত্ৰ অসমত আমি এক বৃহত্তৰ শান্তি পূৰ্ণ ভাতৃত্বসুলভ অসমীয়া জাতিৰ আমি সংকল্প ল'ম। মাননীয় উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য জাকিৰ হুছেইন ছিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন ছিকদাৰ (সৰুক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, শাসক পক্ষৰ পৰা অনা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ বিৰোধীতা কৰি মই কিছু কথা ইয়াত ৰাখিব বিচাৰিছো আৰু কোৱাৰ সুযোগ দিয়াৰ বাবে প্ৰথমে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো।

ইতিমধ্যে ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত ধন্যবাদ প্ৰস্তাৱৰ সমৰ্থনত শাসকীয় পক্ষৰ সন্মানীয় বিধায়কসকলে ৰাজনৈতিক বক্তৃতা ইয়াতে প্ৰদান কৰিলে। মই সেই বিলাকৰ বিৰুদ্ধে ক'বলৈ নাযাও। কিন্তু তেখেতসকলৰ বক্তৃতাৰ মাজত বিভিন্ন বিভাগৰ কথা কৈছে। মই এটা কথা কেৱল আপোনাৰ জৰিয়তে দৃষ্টিগোচৰ কৰিব বিচাৰিম। ৰাজ্যপাল ডাঙৰীয়াৰ বক্তব্যত প্ৰথমতে

লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জন্ম জয়ন্তীৰ শুভাৰম্ভ কৰিলে। তাৰ কাৰণে আমি ভাল পাইছো। অনুষ্ঠানটিত আছিলো, তাতে চৰকাৰে বক্তব্য দিলে, অকণমান দুখ পাইছো যে সেই বক্তব্যৰ মাজত শৰাইঘাট যুদ্ধৰ বাঘ হাজৰিকাৰ কথা এবাৰো উল্লেখ নকৰিলে। সেইটো চৰকাৰে কৰাটো উচিত আছিল। কভি'ড - **১৯** ৰ কথাত ৰাজ্যপাল ডাঙৰীয়াৰ বক্তব্যত বহুত কথা আছে। মই সেই কথাবিলাকৰ মাজেৰে যাব খোজা নাই। কিন্তু কভি'ড-**১৯** য়ে অৰ্থনৈতিক ভাৱে অসম ৰাজ্যক যি জুৰুলা কৰিলে, এই জুৰুলা ৰাজ্যৰ কাষত যিধৰণে চৰকাৰে থিয় হ'ব লাগিছিল, যিধৰণে সহায় কৰিব লাগিছিল, সেই ধৰণে সহায় নকৰিলে। drugs ৰ ক্ষেত্ৰত এই চৰকাৰে বহুখিনি কৰিলে। encounter হৈছে, মই সেই বিতৰ্কলৈ নাযাওঁ। কিন্তু drugs মুক্ত এখন অসম গঢ়িবলৈ হ'লে মাননীয় উপাধ্যক্ষ মহোদয় প্ৰথমতে drugs ক'ৰ পৰা উৎপাদন হয়, drugs ৰ কাৰখানা ক'ত আছে, drugs কোনখন ৰাজ্যৰ পৰা কোনটো পথেৰে আহে, সেইটো বন্ধ কৰিব লাগিব। যেতিয়ালৈকে বন্ধ কৰিব নোৱাৰিম, তেতিয়ালৈকে drugs মুক্ত অসম কৰিব নোৱাৰিম। এই ক্ষেত্ৰত অতিকৈ গুৰুত্ব দিব লাগে বুলি মই ভাৱো।

উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰত এই চৰকাৰখনে বহুত কথাই কৈছে। ক্ষুদ্ৰ উদ্যোগ, মজলীয়া, লঘু উদ্যোগৰ কথাবিলাক কৈছে। কিন্তু উপাধ্যক্ষ ডাঙৰীয়া, আপোনাৰ সমষ্টিৰ লগতে একেবাৰে অসমৰ ১২৬ টা বিধান সভা সমষ্টিত যদি উদ্যোগৰ ক্ষেত্ৰত চাওঁ, ক্ষুদ্ৰ , মজলীয়া, লঘু উদ্যোগ আমি বিচাৰি নাপাওঁ। গতিকে এই কথাবিলাক যেতিয়া ক'বলৈ যাওঁ, চৰকাৰে বেয়া পায়। আমাৰ উদ্যোগমন্ত্ৰী ডাঙৰীয়া নাই। তেখেতে বহু ডাঙৰ ডাঙৰ কথাই কৈছিল। টুইন টাৱাৰৰ কথা যদি মনত কৰো, মন্ত্ৰী ডাঙৰীয়া থাকিলে বেয়াও পালেহেঁতেন। চৰকাৰৰ বিভিন্ন মন্ত্ৰীসকল, বিধায়কসকলে হয়তো বেয়া পাব টুইন টাৱাৰৰ কথা মনত কৰি দিলে। গতিকে উদ্যোগৰ ক্ষেত্ৰত বিফল হৈছে। নিবনুৱা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত উদ্যোগ আৰু বাণিজ্য বিভাগে কেৱল লেকচাৰ নামাৰি, প্ৰকৃতাৰ্থত কাম কৰিলেহে অসমত নিবনুৱা সমস্যা সমাধান হ'ব। এই কথা কিন্তু চৰকাৰে আজিৰ তাৰিখত কামেৰে উপলব্ধি কৰিব বুলি আমি ভাবা নাই, বা পৰৱৰ্তী সময়ত কিন্তু কৰিব লাগিব, অসমৰ ৰাইজৰ এইটো অনুৰোধ। ভূমিহীন লোকৰ ক্ষেত্ৰত বিভিন্ন কথাই কৈছে। কিন্তু এইখন অসমতেই নদীৰ গৰাখহনীয়াত বহু মানুহক ভূমিহীন কৰি তুলিছে। তাৰ প্ৰকৃত জৰীপ কিন্তু আজিৰ তাৰিখত হোৱা নাই। গতিকে ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত কথাবোৰ আছে। কিন্তু চৰকাৰে প্ৰকৃত জৰীপ কৰিব লাগে, তাৰ কাৰণে চাৰ্ভে কৰিব লাগে। গৰাখহনীয়াৰ কাৰণে কিমান লোক ভূমিহীন হৈ আছে, বা কিমান লোকৰ ভূমি নাই, তেওঁলোকৰ ক্ষেত্ৰত চৰকাৰে সদিচ্ছা প্ৰকাশ কৰিব লাগে। সেই মানুহখিনিয়ে যাতে বসতি স্থাপন কৰি থাকিব পাৰে তাৰ কাৰণে ভূমি দিয়াৰ ব্যৱস্থা কৰিব লাগে। অভিভাৱক মন্ত্ৰী ডাঙৰীয়াৰ ভূমিকাৰ কথা কৈছে, ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ লগতে সু-শাসনৰ ক্ষেত্ৰত অভিভাৱক মন্ত্ৰী ডাঙৰীয়াৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰিছে। কিন্তু অভিভাৱক মানে কি ? অভিভাৱক মানে Guardian সেই Guardian ৰ কি ভূমিকা হ'ব লাগে, সেই কথাবিলাক আমি সকলোৱে জানো। কিন্তু মই যি জিলাৰ পৰা বিধায়ক হৈ আহিছো, সেই জিলাৰ সন্মানীয় অভিভাৱক মন্ত্ৰী ডাঙৰীয়া, মোৰ সন্মুখতে আজি বহি আছে। কিন্তু অতি পৰিতাপৰ কথা যে জিলাখনৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব লোৱাৰ পাছত চৰকাৰৰ বয়স হৈছে আজিৰ তাৰিখত বিধায়ক সকলক মাতি এই জিলাখনৰ অভাৱ অভিযোগ, ৰাইজে কি দুখ দুৰ্দশাত আছে, এটা দিনো বুজ লোৱা নাই আৰু তেনেকুৱা অভিভাৱক তেনেকুৱাভাৱে অভিভাৱকৰ ভূমিকা পালন কৰিলে, এই ৰাজ্যখন কি ধৰণে আগুৱাই যাব, কি ধৰণে সু-শাসন হ'ব সেই কথাখিনি কিন্তু আমি

বুজিব পৰা নাই। আশা কৰো পৰৱৰ্তী সময়খিনিত গুৰুত্ব দিব। SDRF ৰ ফাণ্ডৰ প্ৰাকৃতিক দুৰ্য্যোগৰ কথা কৈছে। যোৱা বাৰ বানপানী হৈ গৈছিল। যোৱাবাৰ বানপানীয়ে দলং কালভাৰ্ট উটুৱাই নিলে ৰাস্তাঘাট ভাঙি দিলে। আকৌ বানপানী আহো আহো অৱস্থা। আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়া বহি আছে। তেখেতৰ সদিচ্ছা আছে। কিন্তু SDRF ৰ আঁচনি লোৱাৰ ক্ষেত্ৰত বিভাগীয় যিখিনি চিষ্টেম, যি চিষ্টেমৰ জৰিয়তে SDRF ৰ আঁচনি চেংশ্যন হয়, সেই চিচষ্টেমক যদি আমি সংশোধন নকৰো, তাক যদি আমি পৰিবৰ্তন নকৰো তেনেহ'লে SDRF ৰ আঁচনিৰ যেতিয়া চেংশ্যন দিয়ে, সেই আঁচনিৰ দ্বাৰা যেতিয়া কাম কাজ কৰে তাৰ দ্বাৰা কোনো উপকৃত নহয়। যোৱাবাৰ বানপানী আহি ভাঙি চিঙি গৈছে, এতিয়ালৈকে চেংশ্যন পোৱা নাই চেংশ্যন কিছুদিন পিছত দিব। আকৌ বানপানী আহিব। আকৌ বেছিকৈ ক্ষতিগ্ৰস্ত হ'ব। সেই টকাৰে যেতিয়া কাম কৰিবলৈ যাব প্ৰকৃত কামখিনি তাত হৈ নুঠে। গতিকে এই ক্ষেত্ৰত চৰকাৰে যাতে দৃষ্টি দিয়ে, তাৰ কাৰণে অনুৰোধ জনাইছো। জলজীৱন মিশ্যনৰ জৰিয়তে ৰাজ্যপালৰ ভাষণত উল্লেখ আছে যে ২১,০৯,০১৮ টা ঘৰলৈ, ঘৰুৱা টেপ ইতিমধ্যে সংযোগ হৈছে। অৰ্থাৎ ঘৰে ঘৰে পানী দিব। জলজীৱন মিশ্যনৰ যিটো উদ্দেশ্য আমি ভাল পাইছো। কিন্তু জলজীৱন মিশ্যনৰ কামবিলাক কিমান ভাল হৈছে। জলজীৱন মিশ্যনৰ জৰিয়তে অসমত বৰ্তমানে ২১,০৯,০১৮ ঘৰ মানুহে পানী লাভ কৰি আছেনে নাই, নে কেৱল সেই প্ৰকল্পবোৰ উদ্বোধন কৰিছে তাৰ পাচত দুদিনমান পানী পাইছে, আকৌ পাইপটো ফুটা হৈ পাইপ বন্ধ হৈ আছে। মেচিন বেয়া হৈ মানুহে পানীৰ পৰা বঞ্চিত হৈছে। যিটো PHE বিভাগৰ আগৰ এইবিলাক ৰেৰ্কডটো আছেই গতিকে জলজীৱন মিশ্যন যি ধৰণে গতি কৰিছে এই ধৰণে যদি গতি কৰি থাকে, উপাধ্যক্ষ মহোদয়, কিছুদিন পাচত অসমৰ ৰাইজে ক'ব এইটো জলজীৱন মিশ্যন নহয় কোনোবাৰ টকা ঘটা মিশ্যনহে আছিল। গতিকে চৰকাৰে এতিয়াৰ পৰাই তাৰ কাৰণে দৃষ্টি দিব লাগে। শক্তিবিভাগৰ কথা কৈছে আমাৰ সন্মানীয় শাসকীয় পক্ষৰ সমৰ্থনত শক্তি বিভাগক ইয়াতে প্ৰশংসাও কৰিছে, মই এই কথা ক'বলৈ নাযাওঁ , তেওঁলোকক মই বদনাম কৰিবলৈ নাযাওঁ। কিন্তু চৰকাৰক এটা কথাই মনত কৰি দিব বিচাৰো, যিহেতু অসমৰ বিভিন্ন ৰাস্তাই ঘাটে, মই দেখিছো যে, বি জে পি চৰকাৰ আহিলে ২৪ ঘন্টাই বিজুলী যোগান দিব। ২৪ ঘন্টাটো দুৰৰ কথা উপাধ্যক্ষ মহোদয়, ১২ ঘন্টাও বিজুলী যোগান দিব পৰা নাই। শক্তি বিভাগে এতিয়াও বহুত কাম কৰিব বাকী আছে। শক্তি বিভাগৰ ওপৰত মানুহৰ এতিয়াও বহুত কাম কৰিবলৈ বাকী আছে। এটা ট্ৰেন্সফৰমাৰ বেয়া হৈ গ'লেও গ্ৰাহকসকলে অফিচে অফিচে ঘূৰি ফুৰিব লাগে। আজি ট্ৰেন্সফৰমাৰৰ যিটো গুণগত মান, যথেষ্ট দুৰ্বল, এই ক্ষেত্ৰত চৰকাৰে যাতে দৃষ্টি দিয়ে, চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। Health Department ৰ কথা বৰ বহলাই ক'বলৈ নাযাওঁ। কিন্তু আজিৰ তাৰিখত এইখন অসমত শাসকীয় পক্ষই যিমানেই কথাৰ ফুলজাৰি মাৰক, স্বাস্থ্যখণ্ডৰ কথা যিমানেই তেওঁলোকে ডাঙৰ ডাঙৰ কথা কওক কিন্তু জনসংখ্যা অনুপাতে আজিৰ তাৰিখত চিকিৎসক কৰ্মচাৰী, হস্পিতাল PHE Sub-Center ৰ কিন্তু অভাৱ হৈছে। আজিৰ তাৰিখত মানুহে বিভিন্ন বিভাগত ডক্টৰৰ অভাৱত কিন্তু অসমৰ ৰাইজে ভুগী আছে। এই কথাখিনি কিন্তু ৰাজ্যচৰকাৰে দৃষ্টি দিব লাগিব। PWD বিভাগৰ কথা মই ক'বলৈ নাযাওঁ। মাত্ৰ এটা কথাই ক'বলৈ যাওঁ যে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত বহুত ৰাস্তা অসমত হৈছে। বহুত হাজাৰ হাজাৰ কিঃমিঃ ৰাস্তা হৈছে। কিন্তু প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাত, PMGSY ৰ আঁচনিৰ অধীনত যি ৰাস্তা হয়, সেই ৰাস্তা সেইজন ঠিকাদাৰে ৫ বছৰ মেইন্টেনেঞ্চ কৰিব লাগে। ৫ বছৰ তাৰ মেৰামতি কৰিব লাগে। কিন্তু এইখন অসমত উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ লগতে বাকী সমষ্টিটো মই খবৰ লৈছো, প্ৰথমতে

PMGSY ৰ ঠিকাদাৰজনে ৰাস্তা বনাই যায়, তাৰ পাচত তাৰ মেৰামতিৰ বাবদ যিখিনি টকা থাকে, চিফ ইঞ্জিনিয়াৰ অফিচত যিখিনি টকা থাকে, সেই টকাখিনি কিন্তু আজিৰ তাৰিখত সৎব্যৱহাৰ হোৱা নাই। সেই ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো PMGSY ৰ আঁচনিৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ঘৰৰ কথা মই ক'ম। আজিৰ তাৰিখত ইয়াৰ আগতেও উল্লেখ কৰিছো, এই ক্ষেত্ৰত বহু মানুহ আজি বঞ্চিত হৈ আছে। বহুত দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়ালে এই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ঘৰ পোৱা নাই। গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াক দৃষ্টি আকৰ্ষণ কৰিছিলো, চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিলো। কিন্তু চৰকাৰৰ যিখিনি সদিচ্ছা দুখীয়া মানুহখিনিয়ে যাতে ঘৰ পায়। তাৰ কাৰণে চৰকাৰে যিখিনি ভূমিকা ল'ব লাগে, সেই ক্ষেত্ৰত আমি দেখা পাওঁ কৰবাত নহয় কৰবাত মন্ত্ৰী ডাঙৰীয়াৰ লগতে বিভাগে কৃপনালি কৰি আছে। এই ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। MGNREGA আঁচনি, যি আঁচনিৰ জৰিয়তে জৱ কাৰ্ডৰ হল্ডাৰে কাম পায়, যি আঁচনিৰ জৰিয়তে আমি আইন এটা যি আইনে আমাক কাম দিয়ে, আৰু যাৰ জৰিয়তে আমাৰ গ্ৰাম্য অঞ্চল উন্নত হয়, গ্ৰাম্য আন্তঃগাথনি উন্নত হয়, কিন্তু এই বিত্তীয় বৰ্ষ, চলিত বিত্তীয় বৰ্ষ শেষ হ'বলৈ মাত্ৰ ১৫ টা দিন বাকী, উপাধ্যক্ষ মহোদয় আপুনি আচৰিত হ'ব, আজিৰ তাৰিখত এই MGNREGA আঁচনি, এই চলিত বিত্তীয় বৰ্ষত কোনো ধৰণৰ চেংশ্যন দিয়া নাই। আমি যদি DC ৰ তাত যাওঁ ,আমি যদি PD ৰ তাত যাওঁ আমি যদি BDO ৰ তাত যাওঁ কয় যে ওপৰৰ পৰা নিৰ্দেশ দিছে ৩০ টাৰ ওপৰত আঁচনি দিব নোৱাৰে। ওপৰৰ পৰা নিৰ্দেশ দিছে ডিমাণ্ড বন্ধ। গতিকে এখন আইনক এই ৰাজ্যচৰকাৰে অৱহেলা কৰিব, এখন আইনক যেতিয়া এই ৰাজ্য চৰকাৰে বাৰে বাৰে ধূলিসাৎ কৰি দিব, তেতিয়া এই ৰাজ্যখনৰ কি ধৰণে আগবাঢ়ি যাব। গতিকে জৱকাৰ্ড হল্ডাৰসকলক যাতে কাম দিব পাৰে, ৰাজ্যৰ আন্তঃগাঁথনি গাওঁ সমূহৰ যাতে উন্নত হয়, তাৰ কাৰণে অতি সোনকালে চেংশ্যনৰ ব্যৱস্থা ৰাজ্য চৰকাৰখনে ল'ব লাগে। ইয়াতে Education ত যিহেতু Cut-motion আছে, সেই কথাবিলাকৰ ওপৰত মই ক'ব নাযাওঁ। মই এই কথাখিনি Cut-motion ত উল্লেখ কৰিম। উপাধ্যক্ষ মহোদয়, মই শেষ কৰিম মাত্ৰ এটা কথা আপোনাৰ জৰিয়তে জনাব বিচাৰিছো। কিছুদিন আগতে মোৰ সমষ্টিত ৪ খন গাওঁ পঞ্চায়ত ১ টা development block ৰ পৰা কাটি বেলেগ সমষ্টিৰ development block ত লগ লগালে, কিছুদিন আগতে মোৰ সমষ্টিৰ ৪ টা গাঁও পঞ্চায়ত বৰপেটা জিলাৰ পৰা কৰ্তন কৰি বজালী জিলাত অন্তৰ্ভূক্ত কৰিলে। কিন্তু দুখ আৰু পৰিতাপৰ কথা এই ৪ খন গাওঁ পঞ্চায়তৰ কোনো দল সংগঠন বা তাৰ বিধায়ক হিচাপে তাৰ MP, ward member, প্ৰেচিডেন্ট, কাউন্সিলাৰ, জিলা পৰিষদ কাৰো লগতে এই চৰকাৰখনে কোনো আলোচনা নকৰিলে। সেই অঞ্চলৰ ৰাইজৰ সুবিধা অসুবিধা মই স্পষ্টভাৱে সদনত কওঁ, সেই অঞ্চলৰ ৰাইজে য'ত যাব বিচাৰে বিধায়কে তাতে সন্মতি দিব। কিন্তু এবাৰ বিধায়ক এজনৰ লগতো কথা পাতিব লাগে। ইয়াত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, মাননীয় মন্ত্ৰী সকল, তেখেত সকলে বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পাচতেই মুখ্যমন্ত্ৰী হৈছে। কিন্তু তেওঁলোকে বিধায়ক পদত জাকিৰ হুছেইন সিকদাৰক নহয়, মোক যে সৰুক্ষেত্ৰীৰ ৰাইজে বিধায়ক নিৰ্বাচিত কৰিছে, সেই বিধায়ক পদটোক তেওঁলোকে অপমান কৰিছে আৰু পৰৱৰ্তী সময়খিনিত তেনেকুৱা অপমান কৰিলে, চৰকাৰ কিন্তু কঠোৰভাৱে সমালোচনা হ'ব। চৰকাৰে কিন্তু ৰাইজৰ ৰোষত পৰিব। মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো আমাৰ অভিভাৱক মন্ত্ৰী আছে, যি জিলা কৰ্তন কৰিছে, ৪ টা পঞ্চায়ত লৈ গৈছে। আমাৰ ব্লকৰ পৰা কৰ্তন কৰি বেলেগ ব্লকত লৈ গৈছে। এই সিদ্ধান্ত কৰ্তন কৰি, এই অঞ্চলৰ ৰাইজৰ লগত বহি, সেই অঞ্চলৰ বিধায়ক MP

পঞ্চায়ত প্ৰতিনিধি সকলৰ লগত বহি আলোপ আলোচনাৰ মাধ্যমেৰে তাত সমস্যাৰ সমাধান কৰাৰ ক্ষেত্ৰত আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো। গতিকে এই কথাখিনি কৈ আকৌ আপোনাক ধন্যবাদ জনাই চৰকাৰে ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ দিছে, আশা কৰো শাসকীয় পক্ষৰ বিধায়ক সকলে বেছি ধন্যবাদ দি এই চৰকাৰখনক আপোনালোকে বেয়া নকৰিব। বেছি ধন্যবাদ দিলেও বেয়া হয়। সন্তান এজনে যেতিয়া লিখা-পঢ়া নকৰে, আমাৰ বাবা ভাল, আমাৰ বাবা ভাল কৈ থাকে, সন্তানক যদি অভিভাৱকে ভালকৈ গুৰুত্ব নিদিয়ে, তেনেহ'লে কিন্তু সন্তানজন ভাল নহয়। বেছি ধন্যবাদ নিদিব। কাম কৰাবলৈ বাধ্য কৰাওক। ধন্যবাদেৰে ক্ষতি কৰে। এইখিনি কৈ মোৰ বক্তব্য সামৰিছো।

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** Thank you. Please silence. শ্ৰী আব্দুল ৰছিদ মণ্ডল।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত আমাৰ দলৰ ফালৰ পৰা চৰকাৰী পক্ষৰ পৰা যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছিল তাৰ বিৰোধীতা কৰি আমাৰ দলৰ ফালৰ পৰা যি সংশোধনী প্ৰস্তাৱ আনিছে, তাক সমৰ্থন জনাই মই দুআষাৰ ক'ব বিচাৰিছো। প্ৰথমতে হৈছে যে, ৰাজ্যপালৰ ভাষণৰ দ্বাৰা চৰকাৰখনৰ নীতি যোৱা বছৰত চৰকাৰে কৰা কাম-কাজখিনি দাঙি ধৰিব বিচৰা হয়। আগন্তুক দিনত চৰকাৰে কৰিব খোজা কামখিনিৰ এটা দিশ দেখুৱা হয়। মোৰ হাতত আছে মহামান্য ৰাজ্যপাল ডাঙৰীয়াই ২০২১ চনৰ যিটো ভাষণৰ কপি আৰু যোৱা ১৪ তাৰিখত দিয়া ভাষণৰ কপি লগতে ২০২১ চনৰ চৰকাৰৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে দিয়া বাজেটৰ ভাষণৰ কপি এই তিনিখন কপি যদি মই মিলাই চাও দেখা যাব যে, মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ যোৱা ১৪ তাৰিখৰ ভাষণত আগৰ কথাবোৰ সম্পূৰ্ণভাৱে পাহৰি যোৱা হৈছে। আগৰ বাজেট ভাষণত বা আগৰ যিটো ৰাজ্যপালৰ ভাষণত যিবিলাক কথা উল্লেখ আছিল, সেই উল্লেখিত কথাসমূহৰ প্ৰতিশ্ৰুতি সমূহ পালন নকৰাকৈ নতুন নতুন কিছুমান প্ৰতিশ্ৰুতি সদনৰ মজিয়াত দাখিল কৰা হৈছে. যেনেকৈ চৰকাৰৰ বাজেট ভাষণত কোৱা হৈছিল যে, চৰকাৰৰ যিটো প্ৰথম কেবিনেট আছিল ১ লাখ চাকৰিৰ কথা কোৱা হৈছিল, যিটো নেকি মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত কিন্তু সেই বিষয়ে একো উল্লেখ নাই। কিন্তু আমাৰ দলৰ বিধায়ক সকলে কথাবিলাক উল্লেখ কৰিছে। 'অসম মালাৰ' ৰাস্তাৰ কথা কোৱা হৈছিল। অসম মালাৰ অধীনত কেই কিলোমিটাৰ ৰাস্তা অসমত নিৰ্মাণ হ'ল। ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ নাই। তেনেকৈ গোৱালপাৰা জিলাত State highway 46, পঞ্চৰত্নৰ পৰা ফকিৰগঞ্জলৈকে লক্ষীপুৰ হৈ যিটো ৰাস্তা আছিল, সেই ৰাস্তাৰ বিষয়ে কিন্তু ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিব বিচাৰো যাতে অসম মালাত চৰকাৰে ইতিপূৰ্বে ঘোষণা কৰা গোটেইবিলাক ৰাস্তা যাতে এই বিত্তীয় বৰ্ষৰ মাজত প্ৰয়োজনীয় পুঁজি আৱণ্টন দি সেই ৰাস্তাসমূহ কৰা হয়। ১ হাজাৰ কিলোমিটাৰ যিটো embankment cum road বনোৱাৰ কাৰণে সিদ্ধান্ত আছিল এই চৰকাৰৰ দিনতে, কিন্তু দেখা গৈছে যে, কোনোবা সমষ্টিত বেছিকৈ দিয়া হৈছে, কোনোবা সমষ্টিত কম দিয়া হৈছে। গোৱালপাৰা জিলা, ধুবুৰী জিলা আটাইতকৈ বেছিকৈ মাথাউৰি থকা অঞ্চল। এই জিলা সমূহত সামান্যতম দৈৰ্ঘ্যৰ embankment cum road বনাবৰ কাৰণে যোৱা বছৰ মঞ্জুৰী দিছিল। যিটো নেকি আমি বৈষম্য বুলি ক'ব পাৰো। আগতে শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই কৈ গৈছে যে, আমি যেতিয়ালৈকে মানসিকতাৰ পৰিবৰ্তন কৰিব নোৱাৰো, তেতিয়ালৈকে আমি অসমখন উন্নত কৰিব নোৱাৰো। গতিকে আমি চৰকাৰৰ কিছুমান

কাম যিবিলাক কথা ভাষণত উল্লেখ কৰো, দেখা গৈছে কাৰ্য্যক্ষেত্ৰত সেইখিনি কথা ৰূপায়িত হোৱা দেখা নাপাওঁ। যিটো নেকি অসমত ক্ষতি কৰে আৰু আমাৰ মনতো দুখ দিয়ে, যে নিশ্চয়কৈ ক'ৰবাত ক'ৰবাত এই চৰকাৰে বৈষম্য কৰিছে। ১ হাজাৰ অঙ্গনবাড়ী মডেল চেণ্টাৰ কৰাৰ যিটো পৰিকল্পনা আছিল, এইক্ষেত্ৰত আমি চৰকাৰৰ মানসিকতা লক্ষ্য কৰিছো, যিটো নেকি মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ নাই। ৰাস্তাঘাটৰ ক্ষেত্ৰত দেখা গৈছে যে বিভিন্ন সমষ্টিৰ ৰাস্তা-ঘাট বেয়া হৈছে। গোৱালপাৰা জিলাৰ ৰাস্তা-ঘাট মই প্ৰতিনিধিত্ব কৰা ৰাস্তা-ঘাটৰ কথা যদি উল্লেখ কৰো আজি কিমান বছৰৰ পৰা কামবিলাক চলি আছে তাৰ প্ৰগ্ৰেছ নাই। কাৰণ ঠিকাদাৰ বিলাক এনেকুৱা প্ৰভাৱশালী ঠিকাদাৰ জিলাৰ অফিচাৰেও নিয়ন্ত্ৰণ কৰিব নোৱাৰে। মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আপোনাৰ জৰিয়তে। গোৱালপাৰা জিলাত যিবিলাক ৰাস্তা-ঘাটৰ কাম চলি আছে দীঘলীয়া সময়ৰ পৰা, সেই বিলাক ঠিকাদাৰক নিয়ন্ত্ৰণ কৰক। নহ'লে black listed কৰক আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত কামখিনি যাতে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰে। লক্ষীপুৰ ১ শ বিচনাযুক্ত হস্পিতাল, স্বাস্থ্য বিভাগত হয়তো বহু কথাই কোৱা হৈছে ৰাজ্যপালৰ ভাষণত। কিন্তু আগৰ ভাষণ, এই ভাষণ বিত্তমন্ত্ৰী ডাঙৰীয়ানীৰ ভাষণ এই তিনিটাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। কথা হৈছে যে, ৰাজ্যপাল ডাঙৰীয়াই যিখিনি কথা কৈছে তাৰ ওপৰত উল্লেখ কৰি ক'ব খোজো যে গোৱালপাৰা জিলাৰ হস্পিতেল সমূহৰ অৱস্থা কেনেকুৱা যে মোৰ সমষ্টিতে যিমান কেইখন হস্পিতেল আছে, তাৰে যিবিলাক ডাক্তৰ, নাৰ্চ থাকিব লাগে, তেনেকুৱা ব্যৱস্থা নাই। কোৱাৰ্টাৰ নাই, তাৰ যিবিলাক বাউণ্ডেৰী ৱাল, সেইবিলাক নাই আনকি লক্ষীপুৰ হস্পিতেল, ১ শ বিচনাযুক্ত হস্পিতালখন আজি সম্পূৰ্ণ হোৱাৰ এবছৰ হ'ল। কিন্তু সেই হস্পিতালখনৰ বিল্ডিং হৈ আছে। তাত প্ৰয়োজনীয় ডাক্তৰ, নাৰ্চ ষ্টাফ এতিয়ালৈকে নিযুক্তি হোৱা নাই, তাত মেচিনেৰী দিয়া হোৱা নাই। গতিকে এনেকুৱা ধৰণৰ বিল্ডিং বনাই চৰকাৰে টকাও খৰচ কৰিছে, একমাত্ৰ ডাক্তৰ নাৰ্চ তাত নিযুক্তি নিদিয়াৰ বাবে তেনেকৈ পৰি আছে। মই আপোনাৰ জৰিয়তে আহ্বান জনাইছো চৰকাৰক যাতে এই হস্পিতালৰ কামখিনি সম্পূৰ্ণ কৰা হয়। আটাইতকৈ ডাঙৰ কথা হৈছে শিক্ষাৰ ক্ষেত্ৰত বহুত কথাই কোৱা হৈ আছে। এতিয়া গোটেই অসমত দেখা গৈছে বহুতো শিক্ষক-শিক্ষয়ত্ৰীৰ অভাৱ আছে। বহুত কলেজ আছে য'ত প্ৰিঞ্চিপাল নাই। উদাহৰণ স্বৰূপে মোৰ সমষ্টিত প্ৰভিন্সিয়েলাইজ কলেজ অস্থায়ী অধ্যক্ষৰ দ্বাৰা কেইবাবছৰৰ পৰা চলাই থকা হৈছে। মই নিজে চৰকাৰক, বিভগীয় মন্ত্ৰী, বিভাগক বাৰে বাৰে কোৱাৰ পিছতো দেখা গৈছে যে তাত ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দ্বাৰা কাম চলাই থকা হৈছে আৰু গভৰ্ণিং বডিয়ে ৰাজনৈতিকভাৱে এনেকৈ বনোৱা হৈছে যে এজন ব্যক্তিক দুখন কলেজৰ গভৰ্ণিং বডিৰ চেয়াৰমেন পাতি সেইজন গভৰ্ণিং বডিৰ সভাপতি আৰু ভাৰপ্ৰাপ্ত অধ্যক্ষই মিলি চৰকাৰক, বিষয়াসকলক নে কাক মেনেজ কৰি তেওঁলোকে অধ্যক্ষৰ পদটোত নিযুক্তি নিদিয়াকৈ আছে। ইউনিভাৰচিটিৰ ভিচিকো লগ কৰি যেতিয়া চিডিউল জানিব বিচাৰিছিলো ইউনিভাৰচিটিৰ ভিচিয়ে নিজে স্বীকাৰ কৰিছে যে তেওঁলোকে ইণ্টাৰভিউৰ ডেট ফিক্স কৰাৰ পিছতো লেম্প এক্সজিষ্ট তেওঁলোকে ইণ্টাৰভিউ সেই চিডিউল ডেটত এবচেণ্ট থাকি নিযুক্তি নিদিয়াকৈ ৰাখিছে। গতিকে এইক্ষেত্ৰত মই শিক্ষা বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মোৰ সমষ্টিতে দেখিছো, শিক্ষাৰ ক্ষেত্ৰত আৰু এটা অভিযোগ ইতিমধ্যে বিভাগীয় মন্ত্ৰীক জনোৱা হৈছে। মোৰ সমষ্টিৰ খৰমৌজা এডুকেশ্যন বেকৱাৰ্ড ব্লকৰ নামত মঞ্জুৰী হোৱা কস্তুৰবা গান্ধী বালিকা বিদ্যালয় একমাত্ৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবে প্ৰশাসনিক বিষয়া ব্যৱহাৰ কৰি বেলেগ লোকক তাৰ কামৰ আধাৰশিলা কৰিছে আৰু সেই আধাৰশিলা অনুষ্ঠানত গোৱালপাৰা জিলা প্ৰশাসনে তাৰে স্থানীয় প্ৰতিনিধি হিচাপে

বিধায়কক জনোৱা নাই। বিধায়কক নজনোৱাকৈ খৰমৌজা ব্লকৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয় বেলেগ ব্লক অৰ্থাৎ এইটো সম্পূৰ্ণ অবৈধভাৱে বেলেগ ব্লকত যিটো চৰকাৰ সম্পূৰ্ণ নীতিৰ পৰিপন্থী। গতিকে এইক্ষেত্ৰত মই চৰকাৰক বিহীত ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ জনাইছো। মোৰ সমষ্টিৰ চৰ অঞ্চলৰ লক্ষীপুৰ ব্লকৰ দুটাকৈ জি পি আছে। সেই জি পিত আজিলৈকে এখন হাইস্কুল নাই। আজিলৈকে এখন কলেজ নাই। চৰ অঞ্চলৰ কাৰণে একমাত্ৰ সোণাৰী কলেজখন। সোণাৰী কলেজখন ২০০৬ চনত স্থাপিত হৈছিল। ২০০৬ চনত স্থাপিত কলেজখনে এতিয়ালৈকে মঞ্জুৰী পোৱা নাই। চৰ অঞ্চলত, বেকৱাৰ্ড অঞ্চলত এনেকুৱা বহুত কলেজ আছে। সৌ সিদিনা দেখা গৈছে মুখ্যমন্ত্ৰী ডাঙৰীয়াই সংখ্যালঘু অধ্যুষিত অঞ্চলত বেছিকৈ কলেজ স্থাপনৰ পোষকতা কৰিছে। তেখেতে শিক্ষা, স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিছে, কথাবিলাক ভাল লাগিছে। শুনিবলৈ ভাল কিন্তু যেতিয়াই আমি অফিচিয়েলি মুভ কৰো  সেই চৰ অঞ্চলৰ ৰাইজে গঠন কৰা সোণাৰী মহাবিদ্যালয় আজিলৈকে প্ৰভিনচিয়েলাইজ হোৱা নাই। মোৰ সমষ্টিত দেখা গৈছে এটা বৃহত্তৰ জনজাতীয় অঞ্চল, তাত এখনো কলেজ নাই। বাইথা কলেজ আজি কিমান বছৰৰ পৰা এখন বাইথা কলেজ হৈ আছে, সেইখন আজিলৈকে প্ৰভিনচিয়েলাইজ নোহোৱাকৈ আছে। মোৰ সমষ্টিত বুজন সংখ্যক গাড়ো সম্প্ৰদায়ৰ মানুহ আছে। এই গাড়ো সম্প্ৰদায়ৰ মাজত এখনো হাইস্কুল নাই। বৃহত্তৰ অঞ্চলত এখন মাত্ৰ এম. ই. স্কল আছে। মই অনুৰোধ কৰিছো যাতে গোৱালপাৰা পশ্চিম সমষ্টিত বামুন নগৰত থকা যিখন গাড়ো মডেল এই ই স্কুল আছে, সেইখন হাইস্কুল আৰু হাইয়াৰ চেকেণ্ডাৰীলৈ আপগ্ৰেড কৰা হয়, আৰু এখন নতুন কৈ এই ই স্কুল যাতে মৌবৰ গাড়োপাৰাত যাতে স্থাপন কৰা হয়, তাৰ দ্বাৰা যিহেতু চৰকাৰে indegenous communitic ভাষাৰ জড়িয়তে শিক্ষাৰ যিটো ব্যৱস্থা কৰিছে মই আপোনাৰ জড়িয়তে চৰকাৰক দাবী জনাব বিচাৰিছো যে গোৱালপাৰা পশ্চিম সমষ্টিৰ বামুননগৰত থকা এই স্কুলখন হাইস্কুলৰ পৰা হাইয়াৰ চেকেণ্ডাৰীলৈ যাতে আপগ্ৰেড কৰা হয় মৌবৰত এম ই স্কুল স্থাপন কৰা হয়।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি এপ্লাই কৰিছে নে নাই।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় মন্ত্ৰী মহোদয়লৈ লিখা হৈছে। মই আপোনালোকক তাৰে মেম'ৰেণ্ডামৰ কপি এখন দিম। চৰকাৰে বহু কেইখন মেডিকেল স্থাপন কৰিছে, মই ধন্যবাদ জনাইছো। কিন্তু মোৰ আশা আছে গোৱালপাৰা জিলাত মেডিকেল কলেজ এখন স্থাপনৰ কাৰণে চৰকাৰে ঘোষণাও কৰিলে আমাৰ প্ৰশাসনৰ ফালৰ পৰা মাটি আৱণ্টনো দিয়া হ'ল কিন্তু দেখা গ'ল সকলো মেডিকেল কলেজত টকা আৱণ্টন দিলে কিন্তু গোৱালপাৰা মেডিকেল কলেজৰ কাৰণে এতিয়ালৈকে কোনোধৰণৰ ব্যৱস্থা কৰা নাই আৰু এটা দেখা গৈছে যে, আঁচনি লয় কিন্তু আঁচনি সম্পূৰ্ণ নকৰে। ২০১২ চনত লক্ষীপুৰ চহৰত চাৰে চৈধ্য কোটি টকাৰ এল. এন চি পিৰ কাম আৰম্ভ হৈছে, কিন্তু শেষ হোৱা নাই। নিদান পুৰত এম. এচ ডি পি টকাৰ অধীনত ২০১২ চনত এখন. আই টি আইৰ এটা বিল্ডিঙৰ কাম চলি আছিল। মন্ত্ৰী মহোদয়ক মই কেইবাবাৰো অনুৰোধ কৰিছিলো আৰু মন্ত্ৰী মহোদয়ে মোক জানিবলৈ দিলে যে তাত আই টি আই নহয় তাত অন্য কিবা কৰা হ'ব। মোৰ অনুৰোধ থাকিল যে আই টি আইৰ যিটো ট্ৰেড সেই আই টি আইৰ ট্ৰেডবোৰ যাতে তাত বাহাল থাকে। সাদাবাৰীৰ যিখন মডেল স্কুল আছে তাৰ কাম ২০১২ চনৰ পৰাই চলি আছে। এইকামবোৰ খৰতকীয়াভাৱে কৰিবলৈ অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ৰফিকুল ইছলাম ডাঙৰীয়াই কওঁক।

(Hon’ble Deputy Speaker in the Chair)

**Shri Rafiqul Islam (Jania)ঃ** ..... **(in Hindi)** ...

.....Interruptions...

**Hon’ble Deputy Speaker ঃ** Please conclude.

**Shri Rafiqul Islam (Jania)ঃ** Sir, this is our allotted time. You have given us allotted time. .....Interruptions...

**Hon’ble Deputy Speaker ঃ** Reschedule it. Your time is over, Please sit down.

**Shri Rafiqul Islam (Jania)ঃ (in Hindi)**

**Hon’ble Deputy Speaker ঃ** You can not say like that. Please sit down.

**Shri Rafiqul Islam (Jania)ঃ (in Hindi)**

**Hon’ble Deputy Speaker ঃ** I have told you to reschedule it.

**Shri Rafiqul Islam (Jania)ঃ (in Hindi)**

**Hon’ble Deputy Speaker ঃ** I understand that. Now, please conclude.

**Shri Rafiqul Islam (Jania)ঃ (in Hindi)**

**Hon’ble Deputy Speaker ঃ** ....... (hindi)...

**Shri Rafiqul Islam (Jania)ঃ** ......... I have the right to speak......

**Hon’ble Deputy Speaker ঃ** Please sit down.

**Shri Rafiqul Islam (Jania)ঃ** ..**(in Hindi)** .. Is there any Rule? please show me the Rule...........Interruptions...I have right to speak. I have allotted time. You can not change my time. BAC has allotted the time.

.....Interruptions...

**Hon’ble Deputy Speaker ঃ** Please sit down and let me speak. আপোনালোকৰ আৰু দুজন বক্তা আছে।

**Shri Rafiqul Islam (Jania)ঃ** No Sir, our leader is saying nobody is there to speak.

**Hon’ble Deputy Speaker ঃ** BAC meeting ত সকলোখিনি ঠিক কৰা হয়, তাৰ ওপৰত ..... Interruptions...

**Shri Rafiqul Islam (Jania)ঃ** Rule টো ক’লেই হ’ল, আমি মানি ল’ম....Interruptions...

**Hon’ble Deputy Speaker ঃ** আপোনালোকৰ কোনে কোনে ক’ব তেওঁলোকৰ নাম দিছে আৰু সেইমতে সময় adjust কৰা হৈছে। তাৰ পিছতো যদি আপোনালোকৰ মাজৰ কোনোৱে নকয় তেন্তে আপোনালোকৰ সময় allotment ত আমি সহায় কৰি দিম। Now, you have got another one minute. Please conclude.

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** উপাধ্যক্ষ মহোদয়, এইখিনিতে মই

এটা কথা কওঁ। এ.আই.ইউ.ডি.এফ দলক মুঠ ৩৯ মিনিট দিয়া হৈছিল। ইয়াত (কাগজ দেখুৱাই) আপোনালোকে লিখি দিছে- হাফিজ বছিৰ আহমেদ- ১২ মিনিট, আমিনুল ইছলাম- ১২ মিনিট, ড° ৰফিকুল ইছলাম- ৫ মিনিট .....Interruptions... তেনেকৈ নহ'ব, আগেয়ে জনাব লাগিব। আমি উপাধ্যক্ষ মহোদয়ক জনাই দিছো যে আমাৰ সম্পূৰ্ণ সময় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ল'ব। বক্তব্য ৰখাৰ আগত আপোনাৰ দলৰ পৰা জনাব লাগিব যে আপোনালোকৰ সম্পূৰ্ণ সময় ড০ ৰফিকুল ইছলামক দিয়া হ'ব .....Interruptions... আপুনি আজি six-four কোবাই আছে বুলি আন কাকো বেটিং কৰিবলৈ নপঠিয়াব, তেনেকৈ নহ'ব। দলপতিয়ে আগতে Chair ক জনাব লাগিব .....Interruptions... আপোনালোকৰ দলপতিয়ে জনোৱা নাই। আপোনাৰ allotted ৫ মিনিটৰ বিপৰীতে আপুনি ১০ মিনিট কৈছে .....Interruptions...

**Shri Rafiqul Islam (Jania)ঃ** আমাৰ allotted time আমি ল'ব পাৰিম....Interruptions...

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** তেনেকৈ নহ'ব। আগতে Chair ক জনাব লাগিব ...Interruptions...

**Shri Rafiqul Islam (Jania)ঃ** মই আগতেই কৈছো যে কোনেও নকয়।

**Hon'ble Deputy Speaker ঃ** I have already informed you that your alloted time is 5 minute and your Party has given this note .....Interruptions...

**Shri Rafiqul Islam (Jania)ঃ** My Party leader has announced also and I told you that nobody is there and I will only speak.

**Hon'ble Deputy Speaker ঃ** It is not like that. You can not challenge this Chair. Please sit down.

**Shri Rafiqul Islam (Jania)ঃ** This is a tradition. Before my speech .....Interruptions... my party leader has allowed me and I have already informed you that I will speak alone.

**মাননীয় উপাধ্যক্ষঃ** আপুনি যদি মোৰ কথা নুশুনে, তেন্তে আপোনাক expel কৰিবলৈ বাধ্য হ'ম।

**Shri Rafiqul Islam (Jania)ঃ** You can expel. This is your duty. You can do.

**Hon'ble Deputy Speaker ঃ** Please sit down.

**Shri Rafiqul Islam (Jania)ঃ** .....in hindi.....

**Hon'ble Deputy Speaker ঃ** According to your wish we are running this House.

**শ্ৰী ৰঞ্জিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ন ইত্যাদি)ঃ** মই পূৰ্বৰ অভিজ্ঞতাৰ আধাৰত কৈছো - যদি কোনোবা এটা দলক আধা ঘণ্টা ধৰি দিয়া হয় আৰু তেওঁলোকৰ দলপতিয়ে যদি কয় যে তেওঁৰ সলনি অন্য সদস্য গৰাকীয়ে ক'ব তেন্তে সেই সদস্যগৰাকীয়ে ক'ব পাৰে। মই যিমানখিনি জানো দলপতিয়ে যদি কোৱা নাই, তেন্তে তেওঁৰ সময় অন্য সদস্য গৰাকীয়ে পাব পাৰে।

**হাফিজ বছিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দলৰ বাবে

BAC য়ে ৩৯ মিনিট সময় নিৰ্ধাৰণ কৰিছিল। এই সময়খিনি আমি আমাৰ সদস্যৰ মাজত ভগাই লৈছো .....Interruptions...

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** তেওঁক ৫ মিনিট সময় দিয়া আছে।

**হাফিজ বছিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা)ঃ** কিন্তু, আমাৰ পিছৰ বক্তাই যদি নকয় তেন্তে অৱশিষ্ট সময়খিনি তেওঁক দিছো।

**Shri Rafiqul Islam (Jania)ঃ** কোনেও যে নকয় মই এই কথাখিনি কৈছো। ৰেকৰ্ডত সকলো আছে। আপুনি মোক তেতিয়াই অনুমতি দিব পাৰিলেহেঁতেন। ইমান সহজ কথাটো জটিল কিয় কৰে?

**Hon'ble Deputy Speaker ঃ** You finish within 2 minutes.

**Shri Rafiqul Islam (Jania)ঃ** .... in hindi...

**Hon'ble Deputy Speaker ঃ** Conclude it within 2 minutes.

**Shri Rafiqul Islam (Jania)ঃ** .... in hindi.

**শ্ৰী ৰফিকুল ইছলাম, জনিয়া ঃ** ক্ৰমশ--- হিন্দী ভাষাত বক্তব্য ৰাখে ------

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্ৰী অখিল গগৈ। আপোনাৰ হাতত ৩ মিনিট সময় আছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৩ মিনিটত গোটেইখিনি কথা কোৱা সম্ভৱ নহয় যদিও মই মূল দুই তিনিটা কথা ক'ব বিচাৰিছো। প্ৰথম কথা হ'ল- লাচিত বৰফুকনৰ চাৰিশ বছৰ বৰ্ষপুতি উদযাপন কৰাটো ভাল কথা, কিন্তু লাচিত বৰফুকনৰ বংশধৰ সকল, আহোম সকলৰ লগতে অন্যান্য ৬ টা জনগোষ্ঠীৰ জনজাতিকৰণ কিয় হোৱা নাই এই প্ৰশ্নটোৰ উত্তৰ চৰকাৰে আমাক নিশ্চিতভাৱে দিব লাগে। এতিয়া চৰকাৰে কিছুমান কল্পকাহিনী প্ৰচাৰ কৰি আছে যে কমিটি প্ৰতিবেদন দিয়া নাই, ইটো দিয়া নাই সিটো দিয়া নাই বুলি। এইবিলাকৰ কোনো প্ৰয়োজন নাই। আপোনালোক সকলোৱে জানে ২০১৮ চনত লোকসভা আৰু ৰাজ্যসভা দুয়োখনতে ৬ টা জনগোষ্ঠী জনজাতিকৰণৰ কাৰণে ইতিমধ্যে বিল উত্থাপন হৈছে। কেৱল সেই বিলখন পাছ কৰি দিলে হৈ গ'ল। অন্য জনগোষ্ঠীয় লোকসকলক লোকচান নকৰাকৈ এই ৬ জনগোষ্ঠীক জনজাতিকৰণ কৰিব লাগে। এই দাবী মই আজি সদনত উত্থাপন কৰিলো। দ্বিতীয় কথাটো হ'ল যে, ক'ভিড বিৰোধী যুদ্ধ খনৰ বাবে বহুত credit ল'ব বিচৰা হৈছে। কিন্তু ক'ভিডে যিধৰণে অসমৰ অৰ্থনীতি ধ্বংস কৰি থৈ গ'ল তাৰ ওপৰত সম্পূৰ্ণৰূপে পুনৰ গঠন কৰিবলৈ কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। সুভাস চন্দ্ৰ দাস সমিতিৰ ৰিপোৰ্ট কি হ'ল? সুভাস চন্দ্ৰ দাস সমিতিৰ ৰিপোৰ্টত যিধৰণৰ regeneration ৰ কথা কোৱা হৈছিল, নতুন নতুন আঁচনি গ্ৰহণৰ কথা কোৱা হৈছিল, reconstruction ৰ কথা কোৱা হৈছিল সেইবিলাক ক'ত লোৱা হ'ল? দৈনিক মজুৰী পোৱা লোকসকলক ক'ত ক্ষতিপূৰণ দিয়া হ'ল? ৰিক্সা, অ'টো, ওলা, উবেৰ চলোৱা লোকসকলক, transport, hotel, tourism এই বিভাগ সমূহৰ লোকসকলক ক'ত ক্ষতিপূৰণ দিয়া হ'ল? অসমৰ অৰ্থনীতি ভাঙি চিঙি গ'ল। কিন্তু কোনোপধ্যে এই মানুহখিনিক ক্ষতিপূৰণ দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ নকৰিলে। অথচ চৰকাৰে ফটা ঢোল বজাই আছে যে ক'ভিড পৰিস্থিতি তেওঁলোকে খুৱ ভালদৰে মেনেজ কৰিছে। আজি তাৰ বিপৰীতে আমি দেখিবলৈ পাইছো যে যিসময়ত ক'ভিডে অসমৰ অৰ্থনীতি ধ্বংস কৰি পেলাইছে সেই সময়ত চৰকাৰে ৰাজহ সংগ্ৰহ কৰাৰ নামত বেটেৰী ৰিক্সাৰ পৰা আদি কৰি হেলমেটৰ নামত অত্যাচাৰ চলাই আহিছে। আমাৰ শিৱসাগৰ জিলাত মই নিজে দেখিছো যে এখন বেটেৰী ৰিক্সাত ১২ হাজাৰ টকাৰ পৰা ৩৫ হাজাৰ টকালৈ ফাইন কটা হৈছে। তেওঁলোকে

ইমান টকা দিব পাৰে নেকি? এই ধৰণৰ অত্যাচাৰ চৰকাৰে বন্ধ কৰিব লাগে।

আনহাতে ইয়াত কোৱা হৈছে যে চৰকাৰখন ড্ৰাগছৰ বিৰুদ্ধে যথেষ্ট সফল হৈছে। ড্ৰাগছৰ বিৰুদ্ধে কৰা যুদ্ধখনক আমি অভিনন্দন জনাইছো। কিন্তু একেটা সময়তে আমি জনাব খুজিছো যে ড্ৰাগছৰ সেৱন কৰা কিমান কম হ'ল সেই কথা ইয়াত উল্লেখ কৰা নাই। ইয়াৰোপৰিও যিসকলে ড্ৰাগছৰ বেপাৰ কৰে তেওঁলোকৰ conviction কিমান হ'ল? ইয়াৰ আগৰ চৰকাৰৰ দিনতকৈ এই চৰকাৰৰ দিনত conviction ৰ হাৰ বাঢ়িছেনে নাই সেই প্ৰশ্নৰ উত্তৰ নাই। লগতে আমি এই কথাও ক'ব খুজিছো যে আন্তঃৰাষ্ট্ৰীয় কিমান ড্ৰাগছ ব্যৱসায়ী এতিয়ালৈকে ধৰা হ'ল সেই প্ৰশ্নৰ উত্তৰ ইয়াত কিয় নাই?

ইয়াত মিছন বসুন্ধৰাৰ কথা কোৱা হৈছে। মিছন বসুন্ধৰা ভাল পদক্ষেপ। কিন্তু একেটা সময়তে মই এটা কথা ক'ব খুজিছো যে গুৱাহাটীৰ পাহাৰ আৰু জলাশয়ৰ ওচৰত বাস কৰা লোকসকলক কেতিয়া মাটিৰ পট্টা দিয়া হ'ব? জনজাতীয় লোকসকলৰ যি ভূমি আইন আছে সেই আইন কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰিব? মই প্ৰতিজন সদস্যক এই কথা অনুৰোধ কৰিব খুজিছো যে FRA কেতিয়াৰ পৰা implement হ'ব? এই কথা আমাক লাগে। শেষত মই এটা মাত্ৰ বিষয় কৈ সামৰনি মাৰিম। ১ লাখ নিবনুৱাৰ নিযুক্তিৰ কথা কৈ ভুৱা প্ৰচাৰ কৰি থাকিলে নহ'ব। ১০ মে' তাৰিখৰ ভিতৰত আমাৰ ১ লাখ নিবনুৱাৰ নিযুক্তি লাগে। যদি নিৰ্দ্ধাৰিত তাৰিখত এই নিযুক্তি দিব নোৱাৰে এই চৰকাৰখনে প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ সাজু হৈ থাকিব লাগিব। ইয়াৰ উপৰিও আজি চাহ শ্ৰমিক সকলৰ মজুৰী ৩৫০ টকা কৰিম বুলি কৈছিল, গতিকে অতি সোনকালে বৰাক- ব্ৰহ্মপুত্ৰ দুই উপত্যকাৰে শ্ৰমিকসকলৰ মজুৰী ৩৫০ টকা কৰিব লাগে। আজি পদ্ম হাজাৰিকা ডাঙৰীয়াই কৈছে যে আজি অসমত শান্তিৰ বাতাবৰণ গঢ়ি উঠিছে। যদি তেনেকুৱাই হয় তেতিয়াহ'লে অসমত কিয় Disturbed Area Act লাগু কৰা হৈছে? এই প্ৰশ্নৰ উত্তৰ দিব লাগে। লগতে যিসময়ত উগ্ৰপন্থীৰ সমস্যা ক্ৰমাগতভাৱে কমি আহিছে সেই সময়ত পুলিচে নিজে উগ্ৰপন্থীৰ সমস্যা সৃষ্টি কৰা নাইনে death encounter কৰি। এই প্ৰশ্ন সমূহৰ উত্তৰ আমাক লাগিব। এই সমূহ সংশোধন আনিবৰ কাৰণে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰনি মাৰিছো। ধন্যবাদ। জয় আই অসম।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা amendment আছিল।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি বহক। আপোনাৰ amendment ৰ সময়ত আপুনি অনুপস্থিত আছিল।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Sir I'm still a member of this House.Congress has suspended me.You have not abrogated my Membership . I have got right to speak under Article 194. Amendment দি লগে লগে বক্তব্য ৰাখিব পাৰি। Kindly alllow me to speak.

(Hon'ble Speaker on the chair)

**মাননীয় অধ্যক্ষ ঃ** আপুনি এতিয়া বহক। প্ৰথমে শ্ৰী পৃথিৰাজ ৰাভা ডাঙৰীয়াক ক'বলৈ দিয়ক তাৰ পিছত আপুনি ক'ব।

**শ্ৰীপৃথিৰাজ ৰাভা (তেজপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বেছি দীঘলীয়া নকৰো। যোৱাকালি মহামহিম ৰাজ্যপাল ডাঙৰীয়াই আমাৰ বাজেট অধিবেশনত যিটো বক্তব্য ৰাখিলে এই বক্তব্যৰ

প্ৰতি সমৰ্থন জনাই মই ক'ব বিচাৰিছো, যে এইখন চৰকাৰ মিত্ৰ জোঁটৰ চৰকাৰ, ভাৰতীয় জনতা পাৰ্টি, অসম গণ পৰিষদ, আৰু ইউ পি পি এল এই সকলোৱে মিলি আমি যিখন চৰকাৰ চলাই আছো, এই চৰকাৰখনে যে ৰাইজৰ হিতৰ কাৰণে কাম কৰিছে, মহামহিম ৰাজ্যপালৰ ভাষণত এইটো প্ৰতিফলিত হৈছে। মই ক'ব খুজিছো মাইক্ৰ ফাইনেন্সৰ কথা । মাইক্ৰ ফাইনেন্সত বহু মহিলাই সুবিধা পাইছে। মই ডাটা হিচাপে নকওঁ কাৰণ সময় কম। পেডি প্ৰগ্ৰেমৰ কথা আহিছে। ১৭০ টা ক্ৰয় কেন্দ্ৰ কৰা হৈছে ,দ্বিতীয় পৰ্য্যায়ত ১১৭ টা ক্ৰয় কৰা হ'ব । ১০ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিম বুলি আমি কৈছো। ১৬০ কোটি টকা আবন্টণ কৰা হৈছে। পৰৱৰ্ত্তী পৰ্য্যায়ত আমি এই ধানখিনি ক্ৰয় কৰিবলৈ সক্ষম হ'ম। এই ধান ক্ৰয় কৰাৰ লগে লগে অসমৰ খেতিয়কসকলে অধিক ধান উৎপাদন কৰিবলৈ সক্ষম হ'ব বুলি আমি আশা প্ৰকাশ কৰিছো। তাৰ পিচত দেখা গৈছে যে এইখন চৰকাৰ চলি থকা অৱস্থাত অসমৰ চুকে কোনে যি ড্ৰাগছ বিৰোধী অভিযান আৰম্ভ কৰা হৈছে আমি দেখিছো প্ৰায় ৭২.২ কিলো হেৰোইন, ১৯,২০৭ কিলো গাঞ্জা, ৪৯ কিলো অপিয়াম, কফ চিৰাপ টেবলেট ধৰিবলৈ সক্ষম হৈছে এইখন চৰকাৰে আৰু ৪,৫৫২ জন দোষী মানুহ গ্ৰেপ্তাৰ কৰিছে। এই যে গ্ৰেপ্তাৰ হৈছে ইয়াৰ মূলতে এটা ডাঙৰ ঘটনা এটাও হৈছে ইয়াত। বৰছিং বে নামৰ এজন হোম গাৰ্ডে দৃষ্টান্ত দেখুৱা বাবে তেখেতক সন্মান জনোৱা হৈছে। অসম পুলিছত তেখেতক নিযুক্তি দিয়া হৈছে। এইবিলাক কথা আমি মানি ল'বই লাগিব। ঠিক সেইদৰে ২০২১ চনৰ ২ অক্টোবৰত মিছন বসুন্ধৰা আৰম্ভ হৈছিল আৰু ৮২ শতাংশ গাওঁ সামৰি ৮.১৩ লাখতকৈ অধিক আবেদন প্ৰাপ্ত হৈছে ৪.৮১ লাখ ইতিমধ্যে নিস্পত্তি হৈছে ৬৭৪ খন অজৰীপকৃত গাঁও জৰীপৰ কাৰণে নিৰ্দ্ধাৰণ কৰা হৈছে। একেদৰে আমাৰ ট্ৰাইবেল এৰিয়াত যিখিনি গাঁও আছে এই গাঁওবিলাকত যিবিলাক পৰিয়াল বছৰ বছৰ ধৰি বাস কৰি আছে। সেই পৰিয়ালৰ ককা, আজো ককা , নাতি পুতেক তেওঁলোকৰ নামত নোটিচ আহি থাকে। তেওঁলোকৰ পৰিয়ালৰ ১০০ বিঘা ১৫০ বিঘা বা ৫০ বিঘা মাটি যদি আছে তেওঁলোকৰ চৌকা হিচাপত তেওঁলোকৰ মাজত ভগাই দিয়া হ'ব। যদি সেইখন ঘৰত ৩ জন ভাই -ককাই আছে , ৩ টা চৌকা আছে,১৫০ বিঘা তেওঁলোকৰ মাটি আছে , এই ১৫০ বিঘা মাটি ৫০ বিঘাকৈ প্ৰতি গৰাকীক ভগাই দিয়া হ'ব। নদীৰ কাষত থকা মানুহ, বানপানীত ক্ষতিগ্ৰস্ত মানুহ যিসকলক আমি সংখ্যালঘু বুলি কৈছো, এই মানুহখিনি খেদি পঠিওৱাৰ কথা কোৱা নাই। উঠাই দিয়াৰ কথা কোৱা নাই। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে প্ৰতিজন সংখ্যালঘু সম্প্ৰদায়ৰ মানুহক মাটি প্ৰদান কৰিব। মাননীয় পদ্ম হাজৰিকা ডাঙৰীয়াই কৈছে এজন মানুহে এখন বেলেগ জিলাত ১০০ বিঘা মাটি আছে, আকৌ শোণিতপুৰ জিলাত আহি ৫০ বিঘা মাটি লৈছে এনেকৈ কৰিব নোৱাৰিব গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে এইদৰে যিসকল মানুহে বিভিন্ন ঠাইত মাটি দখল কৰি আছে তেখেতসকলে এনেদৰে ৩০০ বিঘা ৫০০ বিঘা মাটি দখল কৰি থাকিব লৈ দিয়া নহ'ব। সম পৰিমানৰ মাটি ভগাই দিয়া হ'ব বুলি কৈছে। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে নিয়োগ বিনিময় কেন্দ্ৰত অন লাইন চিষ্টেমত এতিয়া নাম ৰেজিষ্ট্ৰেশ্যন হৈ আছে। গুৱাহাটীৰ আই টি আইত এতিয়া দক্ষতা বিকাশৰ বাবে এল এন টি প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই চৰকাৰৰ দিনত প্ৰতিটো চৰকাৰী বিভাগত যিবিলাক আঁচনি দিয়া হৈছে এই আঁচনিবিলাক প্ৰতিখন ৰূপায়ণ হৈ আছে। চৰকাৰৰ আৰু ৪ টা বছৰ বাকী আছে মই আশা কৰিছো মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰে যিবিলাক আঁচনি লৈছে এই চৰকাৰৰ মন্ত্ৰী, বিধায়কসকলে অসমীয়া ৰাইজৰ হিতৰ বাবে আঁচনিবিলাকৰ যিবিলাক কাম কৰি আছে সেইবিলাক অসমীয়া ৰাইজে আদৰি লৈছে, সমৰ্থন কৰিছে, ভোটাৰসকলেও

সমৰ্থন কৰিছে। এই আঁচনিবিলাক ৰূপায়ণ কৰিবলৈ যাওঁতে চৰকাৰৰ যিটো প্ৰচেষ্টা সেইটো মহামহিম ৰাজ্যপাল মহোদয়ৰ যোৱাকালিৰ ভাষণত গোটেইখিনি প্ৰতিফলিত হৈছে। এই কথাবিলাক প্ৰতিফলিত কৰাক লৈ বিৰোধী পক্ষই যিটো আপত্তি কৰিছে মই ভাবো তাক বিৰোধী পক্ষই আপত্তি কৰিব নালাগে । আমি সকলোৱে শাসক পক্ষ- বিৰোধী পক্ষই লগ লাগি আমাৰ ঘৰখন আমাৰ ৰাজ্যখন আমাৰ দেশখন উন্নতিৰ পথত আগবঢ়াই নিব লাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো ইচ্ছা যে ভাৰতৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ মাজত অসমক গঢ়ি তুলিব লাগে এইখিনি কথা ৰাজ্যপালৰ ভাষণত প্ৰতিফলিত হৈছে বুলি মই ভাবিছো সেয়ে মহামহিম ৰাজ্যপালৰ ভাষণক সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্বেৰমান আলী আহমেদ ।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** ধন্যবাদ ছাৰ - I beg to move that the following paragraph shall be added after the second Paragraph and before the last paragraph on page-30 . Hon'ble Members although my Government has taken oath in the name of the Constitution I am deeply pained to observe that the Hon'ble Members of my Government have time and again clouded the provisions of the Constitution by spreading venom against the Minority and by depriving them in matters of Employment and all sectors of development. I do here by urge upon my Government to do justice to all section of people in the light of the provisions of the Constitution. I do further urge upon my government to stop communal discourses forthwith.

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ যি ৩৮ টা পেজৰ ভাষণ , প্ৰতিটো পেজে পেজে চৰকাৰৰ প্ৰশংসা- এই ভাষণ পঢ়িলে এনেকুৱা লাগে যেন কোনো ফালৰ পৰাই অসমত অসুবিধা নাই। সকলো সমস্যা সমাধান হৈছে। সকলো ফালে জয় জয়কাৰ- অসম আকৌ উন্নতি পথত জয় আই অসম বোল। তেনেকুৱাই আমাৰ ভাৰ হয়। মাননীয় অধ্যক্ষ মহোদয় আজি দুইদিন আগতে মাননীয় মুখ্যমন্ত্ৰীয়ে 'হুনাৰ হাটত' যিধৰণৰ বক্তব্য ৰাখিলে বিশেষকৈ সংখ্যালঘু সম্প্ৰদায় সৰ্ম্পকে এটা নতুন বাৰ্ত্তা সংখ্যালঘু সম্প্ৰদায়ৰ মাজত গৈছে কিন্তু তাৰ লগে লগে সংখ্যালঘু সম্প্ৰদায়ৰ মনত সংশয়ৰ ভাবো সৃষ্টি হৈছে। তেওঁলোকৰ মনত প্ৰশ্ন জাগিছে is the Hon'ble Chief Minister Dr. H.B Sarma Sir today speaking who has been Chief Minister for the last one year. Is the Hon'ble Chief Minister Dr. H.B Sarma Sir who has been spreading venom during the last Six Years.

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে সেইদিনা 'হুনাৰ হাট'ত যিধৰনে বক্তব্য ৰাখিলে যদিহে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আন্তৰিকতাৰে সেই কথাখিনি বিশ্বাস কৰে আৰু অনাগত দিনত সেই উদ্দেশ্য আগত ৰাখি কাম কৰে তেতিয়া হ'লে হয়, আমাৰ মনতো প্ৰত্যয় জন্ম হ'ব, বিশ্বাস জন্ম হ'ব যে হয় অসম ভাৰতৰ ৫ খন শীৰ্ষ ৰাজ্যৰ মাজলৈ উন্নীত হ'ব। কিন্তু অধ্যক্ষ মহোদয় অতি দুখেৰে আমি স্মৃতি ৰোমন্থন কৰিলে দেখা পাওঁ যে, যোৱা এটা বছৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মুখ্যমন্ত্ৰীত্বৰ কাৰ্য্যভাৰ লোৱাৰ পিচৰ পৰা এটা বিশেষ জনগোষ্ঠীৰ বিৰুদ্ধে এনেধৰনে বিষবাস্প বিয়পাই থাকিল ,বিভিন্ন ধৰণৰ দুখ লগা, ঘীণ লগা শব্দ তেখেতে উচ্চাৰণ কৰি থাকিল

যিবোৰ মই ৰিপিট নকৰো। আজি অসমৰ এক তৃতীয়াংশ জনগোষ্ঠীৰ মনত এইদৰে দুখ দি , বঞ্চনা কৰি, নিস্পেষণ কৰি মুখ্যমন্ত্ৰী মহোদয়ে কেনেদৰে সপোন দেখিব পাৰে যে অসম ভাৰতবৰ্ষৰ শীৰ্ষ ৫ ৰাজ্যৰ মাজত স্থান পাব। অসম আকৌ উন্নীত হ'ব। মাননীয় অধ্যক্ষ মহোদয় , মই বেছি ক'বলৈ সুযোগ নাপাওঁ। কেইটামান কথা মই ৰেইজ কৰিব খুজিছো। সংখ্যালঘু সম্প্ৰদায়ৰ উন্নয়নৰ বাবে এম এচ ডি পিৰ অধীনত টকা আবন্টণ হয়। অতি দুখেৰে জনাব খুজিছো আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কাৰ্য্যকালত তথা যোৱা তিনিটা বছৰত অসমক ভাৰত চৰকাৰে এক পইচাও আবন্টণ দিয়া নাই। আজি এই অৱস্থা কিয় হ'বলৈ পাইছে? তাৰ পৰা প্ৰায় ৬৩০ কোটি টকা খৰচ কৰিলে হয়, ১২১ খন model residential school কৰিছে, সিদিনাখন মুখ্যমন্ত্ৰী মহোদয়ে প্ৰতিটো ব্লকত।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, আপুনি সমাপ্ত কৰক।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** এটা এটা মডেল স্কুল স্থাপনৰ কথা কৈছে, মহিলা কলেজ স্থাপনৰ কথা কৈছে, আজি এই তিনি বছৰে এম এচ ডি পি ৰ ফাণ্ড যদি আমালৈ আহিলেহেঁতেন আজি সংখ্যালঘু সম্প্ৰদায়ৰ শিক্ষাৰ ক্ষেত্ৰত, স্বাস্থ্যৰ ক্ষেত্ৰত বহু আগবাঢ়ি গ'লহেঁতেন !

**মাননীয় অধ্যক্ষ ঃ** হ'ব, ধন্যবাদ ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ জনাব খুজিছো এম এচ ডি পি ৰ টকা এই তিনি বছৰ প্লাছ অনাগত বছৰ বোৰত যাতে ৰেগুলাৰলি আহে আৰু সেই টকাৰে, মই আগতেও আহ্বান জনাইছোঁ যে এই টকাৰে সৰু সৰু আঁচনি নলৈ model residential school যিটো সেইদিনাখন মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে, প্ৰতিটো ব্লক নহয়, জিলা পৰিষদ পৰ্য্যায়ত model residential school স্থাপন কৰক।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, ৫ মিনিট হৈ গ'ল আপোনাৰ। সময় নাই, হ'ব।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মহিলা কলেজ স্থাপন কৰক, তেতিয়াহে এই মাইনৰিটি সম্প্ৰদায়ৰ, এই সংখ্যালঘু সম্প্ৰদায়ৰ উন্নয়নৰ ক্ষেত্ৰত এক মাত্ৰা লাভ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীআব্দুল বাতিন খণ্ডকাৰ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** স্ক'লাৰচিপৰ ক্ষেত্ৰত যথেষ্ট দুৰ্নীতি হৈছে, এই ক্ষেত্ৰত এই চৰকাৰে শূন্য সহনশীলতাৰ কথা কয় কিন্তু হাজাৰ হাজাৰ স্কলাৰচিপ নাম নোহোৱা শিক্ষানুস্থান, নাম নোহোৱা ছাত্ৰ-ছাত্ৰীয়ে পাই আছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। ধন্যবাদ। এতিয়া শ্ৰীআব্দুল বাতিন খণ্ডকাৰ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** এই ক্ষেত্ৰত কঠোৰ ব্যৱস্থা লৈ সেই অপশক্তিৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগে। মই এক মিনিট কৈ শেষ কৰিম। আজি ওৱাকাফ

সম্পত্তি আমি যোৱা বিধান সভাত কৈছিলো, মাত্র ১৫ টা ওৱাকাফ সম্পত্তি উদ্ধাৰ কৰে, তেতিয়া প্ৰায় ১০ হাজাৰ কোটি টকা হয়। মই আপোনাৰ যোগেদি মুখ্যমন্ত্ৰীক আহ্বান জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, হ'ব, ধন্যবাদ। আপুনি বহি দিয়ক। হৈছে আপুনি আহ্বান জনালে। ধন্যবাদ। হৈছে, হৈ গ'ল আপোনাৰ। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ৰিপ্লাই হ'ব। এতিয়া শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াক কবলৈ মই অনুৰোধ জনালোঁ। একেবাৰে কম সময়ত সমাপ্ত কৰিবলৈ চেষ্টা কৰিব, সময় ৪ মিনিট।

**শ্ৰীকমলাক্ষ দে পুরকায়স্থ ( উত্তর করিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় রাজ্যপালের বক্তব্যের তীব্র বিরোধীতা করে কিছু বক্তব্য তুলে ধরছি।

**মাননীয় অধ্যক্ষ ঃ** একদম কম সময়ত শেষ কৰিবলৈ চেষ্টা কৰিব। ৩ মিনিট কওক। আৰু কাজিয়া কৰি আৰু ১ মিনিট ৪ মিনিট হব। এই কাৰণে তিনি মিনিট। পাঁচটা বজাত ৰিপ্লাই আছে। গতিকে খুব বেশী আমি ৫-১০ লৈকে লৈ যাব পাৰো।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয় তিন মিনিটে তো বক্তব্য দেওয়া যায় না। আমার শাসক দলের ভাইরা অনেক গুণ-কীর্তন করলেন সরকার বা রাজ্যপালের বক্তব্যের। অধ্যক্ষ মহোদয় আমি বেশী দূরে যাচ্ছি না Assam vision document 16 to 25 ছোট করে লেখা আছে issued by Bharatiya Janata Party সবকা বিকাশ সবকা সাথ। এটা হচ্ছে vision document. আর page no 20. সেখানে লেখা আছে services of contractual teacher will be regularize. আর 21 page grievance of the teacher such computer faculties শিক্ষামিত্র, শিক্ষাকর্মী and other will be settled with top priority এছাড়া এই vision document অনেক গুলো কথা লেখা হয়েছে। কিন্তু বাস্তব অর্থে এই প্রায় ৪৬ হাজার contractual teacher, TET teacher ওদের এখনও regularize করা হয় নাই। বারে বারে উনারা আন্দোলন করছেন। আমি এখানে দেখছি আমার শাসক দলের ভাইরা বিশেষ করে নেশা মুক্ত একটা সমাজ বা ড্রাগস থেকে মুক্ত একটা সমাজ গড়তে চান, সেটা আমরাও চাই। this is the Govt of duty. কিন্তু ব্যাপারটা হচ্ছে অসমকে একটা সুন্দর বিকশিত অসমে রূপান্তরিত করার জন্য এই ধরণের পন্থা বা সিদ্ধান্ত গুলো যেগুলো আপনারা vision document.বলেছিলেন সেগুলো বাস্তবায়িত করতে হবে। আপনাদের contractual teacher কে regularize করতে হবে। আমি দেখতে পারছি সেইগুলো করার জন্য যে মানসিকতার প্রয়োজন, সেই মানসিকতা আমাদের

সরকারের নেই। দ্বিতীয়ত আমরা দেখতে পারছি যে আমাদের পাঞ্জাবে আপ দল সরকার গঠন করেছে। আগে কংগ্রেসের সরকার ছিল। এখন আপের সরকার। সেই সরকারকে দেখতে পারছি যে ৩০০ ইউনিট বিদ্যুৎ ফ্রি দিয়েছে। অর্থাৎ ওদের টার্গেট হচ্ছে যে ৮৭ শতাংশ মানুষকে বিদ্যুৎ ফ্রি দেওয়া। দিল্লীর সরকার প্রায় ২০০ ইউনিট বিদ্যুৎ ফ্রি দিয়েছে। বর্তমানে প্রায় ৪৭ লাখ, Day by day সেটা increased হচ্ছে। এখন ৭৫ থেকে ৮০ লাখ মানুষ বিনামূল্যে বিদ্যুৎ পাচ্ছে। অসমেও দেওয়া হয়েছে, আমি প্রশংসা করছি অসম সরকারের। ৩০ ইউনিট দেওয়া হয়েছে। কিন্তু অসমের অবস্থাটা জেনে নিন। vision document লেখা আছে মানুষকে কিভাবে বোকা বানানো হচ্ছে। ৩০ ইউনিট দেওয়া হচ্ছে, শুধুমাত্র ১৪ লাখ অসমের মানুষ উপকৃত হচ্ছে। কারণটা হচ্ছে অধ্যক্ষ মহোদয়, ১৪ থেকে Day by day কমবে। ১২ মাসের মধ্যে ৬ মাস ৩০ ইউনিট জ্বালালেন ঠিক আছে। ১৩ নম্বর মাস কালী পূজা আমাদের। কালী পূজায় আমাদের ৩১ ইউনিট হয়ে গেল । সেই ৩১ ইউনিট হওয়ার পরে ৭ মাস, অর্থাৎ ৮ নম্বর মাস থেকে আমি আর সেই Beneficiary scheme থাকব না। একমাস যদি ৩১ ইউনিট হয়, তাহলে সেই Beneficiary scheme আমাদের অসমের মানুষ থাকবে না। এই হচ্ছে অসমের বর্তমান অবস্থা। বিশেষ করে রাজস্থান সরকার নিউ Pension scheme থেকে old pension scheme গিয়েছে। কিন্তু আমাদের রাজ্যে এই সিদ্ধান্ত নেওয়া হয় না। আমাদের শুধু ধর্মের নামে লাগানো হয়। বিশেষ করে আমাদের মাননীয় মুখ্যমন্ত্রীকে ভোটের আগে যাদের উনি থ্রেট বলেছিলেন কিন্তু এখন দেখতে পারছি যারা থ্রেট ছিল বর্তমানের অসমের জন্য সম্পদ। এই দুই তিন মিনিটে সব কিছু বলে শেষ করা যায় না । আমাকে বাজেট স্পীচে বলার জন্য সুযোগ দিতে হবে।

**মাননীয় অধ্যক্ষ ঃ** ৪ মিনিট হয়ে গেলো। আপনাকে পার্টী সময় দেবে।

**শ্রীকমলাক্ষ দে পুরকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, অনেক কিছু বলার ছিল। আমাকে বাজেট স্পীচে বলতে দিতে হবে। অসমের উন্নয়নের জন্য, অসমকে পাঁচটা রাজ্যের মধ্যে একটা শক্তিশালী রাজ্যে রূপান্তরিত মত কোন কিছু নাই এই স্পীচে। এই স্পীচে অসমের কোন দিশা নেই। দেখা যাক বাজেটে কি হয়। রাজ্যপালের বক্তব্যের বিরোধীতা করে আমি আমার বক্তব্য শেষ করলাম।

**শ্রীদীপায়ন চক্রবর্তী (চিলচর)ঃ** উনাকে জিজ্ঞাসা করা উচিত কংগ্রেসের সময়ে উনি বরাকের বিধায়ক ছিলেন তখন গুয়াহাটী থেকে করিমগঞ্জ যেতে কত সময় লাগতো ?

**মাননীয় অধ্যক্ষ ঃ** সময় নষ্ট করবেন না । এখন জৱাব আছে। এতিয়া নুৰুল হুদা।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল ডাঙৰীয়াই যোৱাকালি যি বক্তব্য ৰাখিলে আৰু সেই বক্তব্যৰ সংশোধনী প্ৰস্তাৱত মই কিছু কথা কবলৈ ওলাইছোঁ। মাননীয় ৰাজ্যপাল ডাঙৰীয়াই উদ্যোগৰ কথা কলে, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ গোট স্থাপন কৰি কাৰ্য্যক্ষম কৰাৰ ব্যৱস্থা কৰা হৈ আছে। এইটোৰ সম্পূৰ্ণ বিপৰীত ছবি এটা হৈ আছে। আজি ৭ মাহ আগত নগাওঁ জিলাত ৰূপহীত হঠাৎ এক জাননী বিহীন ভাৱে কোনো অভিযোগ বিহীন ভাৱে পুলিচ গৈ যিবিলাক ক্ষুদ্ৰ আৰু মজলীয়া তামোল উদ্যোগ আছিল সব তলা লগাই দিলে। চাৰি মাহ বন্ধ থাকিলে। ব্যৱসায় বন্ধ। যি সকল দৰিদ্ৰ মানুহে সেই তামোলৰ বাকলি গুচাই পেট প্ৰবৰ্তন কৰিছিল, সেই সকলৰ দুৰ্দশা হ'ল। গতিকে ৰাজ্যপাল মহোদয়ে কোৱা কথা আৰু ৰাজ্যখনত হৈ থকা কামৰ মাজত পাৰ্থক্য হৈ আছে। গতিকে এই কথাটোও মই সদনত উত্থাপন কৰিছিলোঁ আৰু উদ্যোগ মন্ত্ৰী ডাঙৰীয়াকো মই অৱগত কৰিছিলোঁ। মন্ত্ৰী ডাঙৰীয়াই এই কথাটো চাম বুলি কৈছিলে কিন্তু আজিলৈকে এই কথাটো গম নাপালো। গতিকে পুলিচৰ হাতত যদি এই বিলাক ক্ষমতা দিয়া হয় তেতিয়াহ'লে সাধাৰণ ৰাইজৰ বিপদ হৈ আছে। গতিকে পলিচে নিজৰ ইচ্ছামতে কৰিব, সেইটো যাতে কৰিব নোৱাৰে তাৰ কাৰণে চৰকাৰে পদক্ষেপ ল'ব লাগে । আজি পি এম ওৱাই ঘৰৰ কথা কৈছে যে আমাৰ যি সকল লোক গৃহহীন সেই সকল লোকক গৃহ দিয়াৰ কথা কৈছে। যি খিনি লক্ষ্য আছিলে ৭,৬৮,০১৩ টা, তাৰে পঞ্চাশ শতাংশ কৰিলে আৰু বাকীখিনি কৰিব পৰা নাই। যোৱা চৰকাৰে কৈছিলে যি সকল ভূমিহীন হিতাধিকাৰী আছে সেই সকলক মাটি দিয়াৰ ব্যৱস্থা কৰিব। এই বিষয়ে সদনত কেইবাবাৰো আলোচনা হৈছিলে কিন্তু সেই হিতাধিকাৰী সকলে মাটি নাপালে। যিসকলক মাটি দিব নোৱাৰিব তেতিয়া চৰকাৰে কৈছিলে যে তেওঁলোকক পঞ্চাশ হাজাৰকৈ টকা দিব তেওঁলোকে যাতে ভেঁটিতো কিনি ঘৰটো বনাব পাৰে । কিন্তু আজিলৈকে সেইটো নহ'ল। সমাজৰ একেবাৰে তলৰ শ্ৰেণী, যি সকলে জুপুৰীত বাস কৰে সেই সকলৰ কথা কিন্তু চৰকাৰে চিন্তা কৰা নাই । কেনেকৈ বিকাশৰ কথা কৈ আছে । আজি যদি চায় অধ্যক্ষ মহোদয়, ইয়াত ধানৰ কথা কৈ আছে , ধান ক্ৰয় কৰাৰ কথা কৈছে। ধান তিনি মাহত দহ হাজাৰ মেট্ৰিক টন ক্ৰয় কৰাৰ কথা কৈছে কিন্তু ধান কিমান ক্ৰয় কৰিলে, মাত্ৰ ৮৬,০০০ মেট্ৰিকটন ধান ক্ৰয় কৰিলে । আজি আমাৰ গৰুখুটীত ১০৮ জনী গিৰ গাই আনি গাখীৰ উৎপাদনৰ চেষ্টা কৰি আছে। ৰাজ্যপাল মহোদয়ে কৈ গৈছে যে গাখীৰ উৎপাদনৰ ব্যৱস্থা কৰিছে । কিন্তু হাজাৰ হাজাৰ মানুহৰ ভাত কাঢ়ি এই গাখীৰ উৎপাদনৰ ব্যৱস্থা কৰা হৈছে সেই সকল মানুহ এতিয়া দুৰ্দশাগ্ৰস্ত হৈ আছে। গৃহ নাই , অন্ন, বস্ত্ৰ নাই, ঘৰৰ সমস্যাত ভূগি আছে। গতিকে চৰকাৰে তেওঁলোকক পুনৰ সংস্থাপন দিয়াৰ কথা কৈছিলে কিন্তু মই অনুৰোধ কৰিছো যে এই দুৰ্দশাগ্ৰস্ত লোকসকলক যাতে সোনকালে পুনৰ সংস্থাপন কৰাৰ ব্যৱস্থা কৰে, উপযুক্ত ব্যৱস্থা কৰে, গৃহ যাতে তেওঁলোকক দিয়া হয়, তেওঁলোকৰ যাতে খাদ্যৰ ব্যৱস্থা কৰা হয়, তেওঁলোকক যাতে ভূমি দিয়াৰ ব্যৱস্থা কৰা হয় তাৰ বাবে মই চৰকাৰক বিনম্ৰ অনুৰোধ জনাইছো। অধ্যক্ষ মহোদয়, কভিডৰ সময়ত আশা কৰ্মী সকলে দিনে নিশাই যি কষ্ট কৰিলে আৰু তেওঁলোকে কষ্টৰ বিনিময়ত একো

ফল নাপালে। কৰবাত যদি ঘৰে ঘৰে গৈ চাইছে কাৰোবাৰ কভিড হৈছে নেকি, ভেকচিন দিব লাগে। মৃতকৰ সৎকাৰ কৰিব লাগে। দিনে নিশাই আশা কৰ্মী সকলে লাগি থাকিলে কিন্তু আমাৰ চৰকাৰে আশা কৰ্মী সকলৰ কথা কোনো চিন্তা নকৰিলে। আনকি ৰাজ্যপাল মহোদয়ৰ ভাষণতো আশা কৰ্মী সকলৰ কোনো ধৰণৰ কথা শুনা নাপালো । অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্য খনত শান্তিৰ যুগৰ সূচনাৰ কথা কৈ আছে । অধ্যক্ষ মহোদয়, শান্তিৰ যুগৰ সূচনা ক'ত হৈ আছে? শান্তিৰ যুগৰ সূচনা এনেকৈ হৈ আছে নেকি? আমাৰ কাগজ কলৰ যিসকল কৰ্মচাৰী আছিলে সেই কৰ্মচাৰী সকলে বিনা দৰমহাত আছে আৰু তেওঁলোকৰ বেমাৰ হোৱাৰ পিছত চিকিৎসা অবিহনে মৃত্যুবৰণ কৰিবলগীয়া হৈছে । গতিকে কেনেকৈ শান্তি আৰু প্ৰগতিৰ দিশত আগবাঢ়ি যাব? গতিকে মই অনুৰোধ জনাম আমাৰ চৰকাৰক যাতে এই কথাখিনি তেওঁলোকে বিবেচনা কৰে । আমাৰ নিৱনুৱা সকলক সংস্থাপন দিয়াৰ কাৰণে আমাৰ চৰকাৰে কৈছিলে যে বছৰি এক লাখ চাকৰি দিব, কিন্তু আজি দহ মাহ পাৰ হৈ গৈ আছে কিন্তু চাকৰি হোৱা নাই। গতিকে চৰকাৰে যিখিনি প্ৰতিশ্ৰুতি দিছিলে সেই প্ৰতিশ্ৰুতি যাতে বাস্তৱত ৰূপায়িত কৰে তাৰ কাৰণে মই বিনম্ৰ ভাবে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে আজিৰ সদনত ঠিয় দি মই বিৰোধী পক্ষৰ দলপতি সন্মানীয় বিধায়ক দেৱব্ৰত শইকীয়া আৰু আমাৰ সমূহ বিৰোধী পক্ষক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো যে সন্মানীয় ৰাজ্যপাল মহোদয় অসম বিধান সভাত আহি বাধা নোহোৱাকৈ ভাষণ দিয়াৰ বাবে যি সুযোগ প্ৰদান কৰিলে সেয়া নিশ্চয় আমাৰ গণতন্ত্ৰত এটা ইতিবাচক ইংগিত বহন কৰিছো। মই সাধাৰণতে দেখা পাই আহিছিলো যে লোক সভা আৰু ৰাজ্যসভাত সন্মানীয় ৰাষ্ট্ৰপতি মহোদয়ে ভাষণ দিয়ে, তেতিয়া ৰাষ্ট্ৰপতি মহোদয়ৰ বক্তব্যৰ তীব্ৰ বিৰোধীতা কৰাৰ পিছতো সদনত থকা সময়ত ৰাষ্ট্ৰপতি মহোদয়ক সম্পূৰ্ণ সন্মান প্ৰদান কৰা হয় আৰু বিৰোধী পক্ষই সেই সময়ত সহযোগীতা আগবঢ়ায়।

যোৱা কেইদিনমান আগৰ পৰা মই ভাৰতবৰ্ষৰ বিভিন্ন বিধান সভাৰ পৰম্পৰা সম্পৰ্কে বুজ লৈছিলো আৰু দেখিবলৈ পাইছিলো যে ভাৰতবৰ্ষৰ প্ৰতিটো বিধান সভাতেই ৰাজ্যপাল মহোদয় সদনত উপস্থিত থকা সময়ছোৱাত অন্ততঃ যথোচিত সন্মান প্ৰদৰ্শন কৰা হয়, কাৰণ তেখেত ৰাজ্য এখনৰ মুৰব্বী। অসমত ই পৰম্পৰা হ'ব নে নহয় মই নাজানো। কিন্তু যোৱা দুটা বছৰত বিৰোধী পক্ষই যি সহযোগীতা আগবঢ়ালে তাৰ বাবে মই তেখেত সকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

অধ্যক্ষ মহোদয়, আজি ৰাজ্যপালৰ ভাষণৰ ওপৰত সন্মানীয় বিধায়ক সৰ্ব্বশ্ৰী টেৰছ গোৱালা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, গোবিন্দ চন্দ্ৰ বসুমতাৰী, দুৰ্গাদাস বড়ো, পদ্ম হাজৰিকা, হাফিজ বচিৰ আহমেদ, মনোৰঞ্জন তালুকদাৰ, মিচবাহুল ইছলাম লস্কৰ, আমিনুল ইছলাম, জাকিৰ হুছেইন সিকদাৰ, আব্দুল ৰছিদ মণ্ডল, ৰফিকুল ইছলাম, অখিল গগৈ, পৃথ্বিৰাজ ৰাভা, শ্বেৰমান আলী আহমেদ, কমলাক্ষ দে পুৰকায়স্থ আৰু নুৰুল হুদা আদি গোটেইকেইজন বিধায়কে অংশ গ্ৰহণ কৰি যি বক্তব্য আগবঢ়ালে তাৰ বাবে ধন্যবাদ জনাইছো। তেখেতে সকলে সংসদীয় গণতন্ত্ৰৰ বিধি অনুসৰি ৰাজ্যপালৰ ভাষণৰ ওপৰত নিজৰ অভিমত ৰখাটো এটা ইতিবাচক দিশ। সেয়েহে মই তেখেত সকলক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো ।

সদনত বিশেষকৈ বিৰোধী দলৰ বিধায়ক সকলে প্ৰদান কৰা বক্তব্য নোট কৰি ৰাখিছো

আৰু মই তাৰ প্ৰতিলিপিও বিধান সভাৰ পৰা ল'ম । আৰু যিবিলাক বক্তব্যৰ মাজত পৰামৰ্শ লুকাই আছে যেনেদৰে মিছবাহুল ইছলাম লস্কৰ ডাঙৰীয়াৰ বক্তব্যত বিৰোধীতাৰ মাজতো শিলচৰ মেডিকেল কলেজৰ উন্নয়নৰ পৰামৰ্শ আছে এইবিলাক হ'ল ইতিবাচক দিশ। গতিকে এইবিলাক হ'ল সমূদ্ৰ মন্থন কৰাৰ দৰে বক্তব্যৰ মাজত থকা সমালোচনা খিনিক বাদ দি যি লুকাই থকা পৰামৰ্শ আছে সেইখিনি বিবেচনা কৰি ৰূপায়ণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম । আজি সদনত বিৰোধী পক্ষৰ বক্তব্যৰ সময়ত এটা বিষয়ে বাৰে বাৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে, সেইটো হ'ল ধান সংগ্ৰহ কৰাটো। অৰ্থাৎ এফ চি আয়ে ধান কিনাৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ ওপৰত মত প্ৰকাশ কৰিছে ।

মই এই সদনত ২০০১ চনতে বিধায়ক হৈ আহিছিলো বৰ্তমান ২০ বছৰ পাৰ হৈ ২৫ বছৰ হ'বলৈ গৈ আছে । এই সদনত প্ৰথম দাবীটোৱেই আছিল এফ চি আয়ে অসমত ধান কিনা আৰম্ভ কৰক। যোৱা ৯ মাহত এফ চি আয়ে ধান কিনিব পৰা পৰ্য্যায়লৈ যোৱালৈকে স্বাধীনতাৰ পিছৰ পৰা প্ৰায় ৭৫ টা বছৰ অপেক্ষা কৰিব ল' গা হ'ল । ইমান খিনি কৰাৰ পিছত আপোনালোকে লাগি গ'ল যে ১০ লাখ মেট্ৰিকটন কিয় হোৱা নাই? এইটো কিন্তু গঠনমূলক দৃষ্টিভংগী নহয় ।

প্ৰথমে আমি ক'ব লাগিব যে এফ চি আয়ে ধান কিনিবলৈ আগবাঢ়ি আহিছে এইটো ভাল কথা। অৰ্থাৎ সংগ্ৰহ কৰাটো আৰম্ভ হৈছে । অসমৰ মানুহে ১৯৬০ টকা মূল্যটো বৰ্তমান বুজি পোৱা হৈছে । ইয়াৰ পিছত আহি ১০ লাখ মেট্ৰিক টন কিনাব পাৰিম নে নোৱাৰো। যিহেতুকে কোনো টাৰ্গেট ঠিক কৰা হোৱা নাই আমি হয়তো ২০ লাখ টকাৰো কিনাব পাৰো । আমাৰ ফালৰ পৰা এফ চি আই ক কোৱা হৈছে যে যদি ১০ লাখ মেট্ৰিক টন ধান আহে আপোনালোকে কিনিব লাগিব । এফ চি আয়ে সাধাৰণতে অসমৰ পৰা ধান নিকিনে ।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম আৰম্ভ কৰিব লাগিব যে, আমি ভাল পাইছো যে, FCI আহিছে, Procurement আৰম্ভ হৈছে, অসমৰ মানুহে ১৯৬০ টকা কি বস্তু বুজি পোৱা হৈছে। এতিয়া আহিলে আমি ১০ লাখ কিনিব পাৰিম নে নাই, আমি ২০ লাখো কিনিব পাৰিম। ১০ লাখ কোনোও টাৰ্গেট ঠিক কৰা নাই। আমি FCI ক কৈছে যদি ১০ লাখো নাহে আপোনালোকে কিনিব লাগিব। FCI য়ে সাধৰণতে অসমৰ পৰা ধান নিকিনে। FCI ৰ কোনো টাৰ্গেট ধাৰ্য্য কৰা নাই। FCI ক যদি কোনোবাই ৩০ লাখ টন ধানো উলিয়াই দিয়ে তেখেত সকলে সেইটোও কিনিব লাগিব। কোনোবাই ২ লাখ টন ধানো উলিয়ালে ২ লাখ টন ধানো কিনিব লাগিব। এতিয়া আমি FCI ক কৈছো যে, আপোনালোকে যদি ১০ লাখ টনো যদি ধান উলিয়াই আমাৰ কৃষকৰ পৰা কিনিব লাগিব, এইটো কোনো চৰকাৰী কিঃমিঃ টাৰ্গেট নহয়। PWD ত কিঃমিঃ ফিক্স কৰা আছে, আপুনি কিঃমিঃ পাব লাগিব। ধান উৎপাদন কিমান কৰিছে কৃষকে, কিমান ধান FCI ক বিক্ৰী কৰিব বিচাৰে, এইটো নিজৰ স্বাধীনতা। আজি আমাৰ জনজাতি লোক সকলে চাউল উৎপাদন কৰে একাংশ চাউল ব্যৱহাৰৰ কাৰণে ৰাখে আৰু আন একাংশ চাউলেদি থলুৱা বিভিন্ন সুৰা উৎপাদন কামত ব্যৱহাৰ কৰে। তাৰ পিছত ৰৈ যোৱা চাউলখিনি গাহৰিৰ খাদ্য হিচাবে ব্যৱহাৰ কৰে। এইটো এটা Cycle. তাৰ পিছত আমাৰ বহুজন ব্যক্তিয়ে ধান উৎপাদন কৰাৰ পিছত অভাৱত পৰিলেহে তেওঁলোকে ধানটো বিক্ৰী কৰে। এনেই ধান বিক্ৰী নকৰে। আজি ১ কিলো কৰে, ছোৱালীৰ বিয়াৰ আগত ১০ কিলো, ২০ কিলো কৰিব। অসমত এটা মানসিকতা গঢ় লোৱা আছে যে আৰু বহুতে ধান খেতি আৰম্ভ কৰাৰ আগতে মহাজনৰ লগত ১০০০ টকাত বন্দবস্ত কৰি লয়। কৰাৰ পিছত এই ধানটো মহাজনৰ ওচৰত দিবৰ কাৰণে বাধ্য হৈ থাকে। এতিয়া Cycle টোৰ পৰা ওলাই অনাৰ

দায়িত্ব কাৰ, এইটো আমাৰ বিধায়ক সকলৰ দায়িত্ব। এতিয়া বিধায়ক সকলৰ দায়িত্বটো যদি আমি পালন নকৰি ১০ লাখ মেট্ৰিকটন কিয় নহ'ল বুলি কওঁ সেইটো নহ'ব। গাৱেঁ ভূএঁও আমি ৰাজ্যৰ মাজত আমি ক'ব লাগিব যদি আপোনালোকে গাঁহৰিটো কামত ৰূপান্তৰ কৰে, সুৰাও বনাই বা আপোনালোকে মহাজনক দিয়ে, আপোনালোকে ১৯৬০ টকা নাপায়। চাহ শিল্প যেতিয়া গঢ় লৈছিল ক্ষুদ্ৰ চাহ খেতি তেতিয়া প্ৰথম ১ বছৰ, ২ বছৰ খেতি হোৱা নাছিল। কিন্তু যেতিয়া মানুহে গম পালে মই ধানৰ জাগাত ক্ষুদ্ৰ চাহ খেতি কৰিলে মোৰ টকা বেছি উপাৰ্জন হ'ব তেতিয়া লাহে লাহে খেতি কৰিব পৰা ঠাইত ধানৰ ঠাইত মানুহ ক্ষুদ্ৰ চাহ খেতিলৈ গুচি গ'ল। It was an evolution and it was a silent revolution ধানৰ পৰা মানুহ ওলাই গৈছে । আজি লাহে লাহে বিধায়ক সকলে ভাষণত গৈ ক'ব লাগিব যে আপোনালোকে ধান খেতি আৰম্ভ কৰক। চৰকাৰে ১৯৬০ টকাত কিনিব। এইবাৰ হয়টো আমি ২০০০ পাৰ কৰি লৈ যাম। যিটো আমি Support price আমি দিব পাৰিম। এই কথাখিনি আপোনালোকে কলেহে গাঁৱৰ খেতিয়ক সকলে মহাজনক ধান নিদিয়া হ'ব। আমি সকলোৱে ক'লৈ হে মানুহে চৰকাৰক বিশ্বাস কৰিব। ১০ লাখ কোনো PWD ৰাস্তাৰ কামৰ টাৰ্গেট নহয়। ইয়াৰ কোনো টাৰ্গেট হ'বই নোৱাৰে। এইটো মানুহৰ ব্যক্তিগত স্বাধীনতা। FCI ক বিক্ৰী কৰিব পাৰে, তেওঁ নকৰিও পাৰে। মই বিক্ৰী নকৰো। টাৰ্গেট ফিক্স কৰি মই থানাক ক'ব নোৱাৰো। এইটো টেক্স নহয় যে ৰেট মাৰি গোটেইখিনি লৈ আহক। এইটো টাৰ্গেট নহয়। FCI ক কৈছো, আপোনালোকে যদি ১০ লাখো আহে কিনিব লাগিব। মইটো ভবাই নাই ১০ লাখ আহিব বুলি। মই FCI ৰ আগত কল্পনা এটা দি দিছো। কিন্তু কেতিয়াবা কল্পনা বিলাক বাস্তৱলৈ গতি কৰে। আজি হাউচে জানি ভাল পাব যে আমি যিটো চাউল কিনো, মইটো আমাৰ সন্মানীয় বিধায়ক নুৰুল হুদাই কৈছে, তেওঁলোকটো খেতিয়কৰ ল'ৰা, আমিটো খেতিয়কৰ ল'ৰা নহয়। আপোনালোকে জানে আমাৰ খেতিৰ বিষয়ে সিমান আইডিয়া নাই। অসমত আপোনালোকে জানে যে, খেতি দুটা চিজিনত হয়, এটা প্ৰথমচিজিন আৰম্ভ হ'ল এটা খেতি আমাৰ দ্বিতীয় চিজিন আৰম্ভ হ'ব। মানুহেটো বিশ্বাস নকৰে, কাৰণ টকাটো নগদ নাপায়, চাউলটো দি আহিব লাগে, দুইদিন পিছত সেইটো একাউন্টত টকা যায়। বহুত মানুহে ভাবে মইটো টকাটো হাতত নাপালো। আৰু এটা কথা আছে মিল। FCI য়ে ধান নিকিনে, FCI য়ে চাউল কিনে। ধানটোৰ পৰা কোনোবাই মিলিং কৰি মিলৰ চাউলটো দিলেহে FCI য়ে মিলিং চাউলটো কিনে। ধান এটা পৰ্ব, ধানৰ পৰা চাউল কৰা এটা পৰ্ব। এইটোৰ কাৰণে আমি ৫ বছৰ লাগিব লাগিব। ৫ বছৰ লাগিল অসমত ৮০ লাখ মেট্ৰিকটন ধান উৎপাদন হয়, যদি ঘৰুৱা ব্যৱহাৰৰ বাবে ৪০ লাখ মেট্ৰিকটন ৰাখে হয়টো এটা দিন আহিব FCI ক আমি ৪০ লাখ মেট্ৰিকটন বিক্ৰী কৰিব পাৰিব। এইটো এটা ব্যৱস্থা। মই ভাবিছো সকলোৱে এইবাৰ অন্তত এটা ধন্যবাদ দিব যে অসমৰ এজন খেতিয়কে হ'লেও ১৯৬০ টকা পাইছে। আজিলৈকেটো পোৱা নাছিল। আগতে যি পাইছিলে সেইটো ময়ো জানো। বাহিৰৰ পৰা যিখিনি চাউল আহে, চাউলখিনি FCI য়ে কিনা দেখুৱাই আৰু বহুত কেলেংকাৰী ভিতৰত আছিল। প্ৰথম গণমুখী হ'ল এইবাৰ প্ৰথম গণমুখী হওঁতে আমাৰ কিমান কৃষকে register কৰিলে ৭২৮৩০। তেওঁলোকে আমাক কিমান চাউল দিম বুলি ক'লৈ ৪.২ লাখ মেট্ৰিকটন। ৰাজ্যপাল ডাঙৰীয়াই ভাষণ দিওঁতে কলে ৮০ বা ৮৬ হাজাৰ আজি আমি পাই গ'লো ৯৫ হাজাৰ মেট্ৰিকটন। মিটাৰ ডেইলী ঘুৰি আছে। গৈ গৈ যেতিয়া প্ৰথম খেতিটো ৩১ মাৰ্চত শেষ কৰিব যিমান খেতিয়কে আমাক registation কৰিছে আমাক চাউল দিম বুলি কৈছে, দিয়ে নিদিয়ে তেওঁলোকৰ অধিকাৰ। তেওঁলোকে আহি আমাক বাদ দিছে যে, আপোনালোকক ৪.২

লাখ মেট্ৰিকটন দিম। জুলাইৰ পৰা চেপ্তেম্বৰ ভিতৰত ২ নং খেতিটো। গতিকে মই ব্যক্তিগত ভাবে সুখী হ'ম। এইবাৰ যদি ২ লাখ ৩ লাখ মেট্ৰিকনো যদি আমি কিনিব পাৰো এটা ডাঙৰ স্বাধীনতাৰ ৭৫ বছৰ পিছত এটা ডাঙৰ এটা এইখন চৰকাৰৰ দিনত আৰম্ভ হ'ল। সেইটোও যদি সমলোচনা কৰে, এইটো কেনেকুৰা হ'ব।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে, সেই তথ্য অনুসৰি কিন্তু ২০১২ চনত অসমৰ পৰা ধান সংগ্ৰহ প্ৰক্ৰিয়া কৰিছে। ২০১৮-১৯ টো কৰিছে। এই কথাখিনি শুদ্ধকৈ ক'বলৈ অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)**মাননীয় অধ্যক্ষ মহোদয়, ইমান দিনে কোনো কৃষকে চেগ পোৱা নাছিল, FCI ৰ সভাপতিয়ে মোক জনোৱা মতে FCI ত এটা বহুত ডাঙৰ তদন্ত চলি আছে। এই যে গৰীব কল্যাণ Food Procurement ৰ যি বিলাক বাহিৰৰ পৰা চাউল আহে। সেই চাউল বিলাকে Procurement বুলি মিলৰ মানুহৰ লগত এটা ডাঙৰ সংঘাত চলি আছিল, অহা বছৰ অসমত ৩ লাখ মেট্ৰিকটন ধান কিনা দেখুৱাইছে। কোনো কৃষকৰ চেকো হোৱা নাই, PPC হোৱা নাই, কোনো বিধায়কে গম পোৱা নাই। এইটো হ'ল পৰিসংখ্যা। প্ৰথমবাৰ মানুহৰ একাউন্টত টকাটো গৈছে। তাৰ মাজত ধিং ১০ বেগ কিনিছিল আৰু ৰূপহীত ১০ বেগ কিনিছিল। এটা যিটো জনমুখী বুলি কয় যোৱাবাৰো তেওঁলোকে ৰেকৰ্ডত দেখুৱাই থৈ দিছে ২.৫ লাখ মেট্ৰিকটন চাউল কিনিছিল বুলি। কাৰ সমষ্টিত কিনিছিল হাত দাঙক। কাৰো নাই। এইবাৰ অন্ততঃ সকলোৱে ক'ব পাৰিব যে, There is an enquiry going on for the FCI data. তেওঁলোকে বহুত কথা ক'ব নোখোজে। কিন্তু তেওঁলোকৰ ভিতৰত enquiry চলি আছে। এতিয়া ইয়াত গুদামৰ কথা কোৱা হ'ল। এইবাৰ আমি কৰিছো কি ১৮০ টা আমি ধানৰ Procurement চেন্টাৰ প্ৰথমবাৰ খুলিছো। এতিয়া ইয়াক আমি ২০০ লৈ যাব বিচাৰিছো, গুদামৰ কথা কোৱা হৈছে। মুখ্যমন্ত্ৰীৰ যি গ্ৰামোদ্যোগ আঁচনি আছিলে CMSGY আঁচনি কৰিছিলো, তাৰ পৰা এতিয়া আমি যি সকলে গুদাম বনাব ১১০ টা গুদাম বনাব খুজিছো। ৪০ লাখ টকাকৈ আমি চাবচিডি দিছো। এটা গুদামৰ দাম ১ কোটি আমি ৪০ লাখ চাবচিডি দিছো। ইতিমধ্যে আবেদন বিলাক আহিছে। ধান বিক্ৰী কৰিলেও মিলাৰে মিলিং কৰিব নোখোজে। কয় আমাৰ লাভ নাই। প্ৰতিটন মিলিঙত আমি আপোনালোকক চাবচিডি দিম। ৭০ টকা কৰি প্ৰতি কুইণ্টলত আমি আপোনালোকক চাবচিডি দিম। ১০ টকা FCI দিব আমি ৭০ টকা দিম আৰু কোনোবাই যদি নতুন ধান মিল আৰম্ভ কৰে, তেওঁলোককো আমি ১০ লাখ চাবচিডি দিম বুলি ভাবিছো। অহা দুবছৰ পিছত আমি decentralized procurement ত যাব খুজিছো। তাৰ অৰ্থ হ'ল FCI জড়িত নাথাকে, অসম চৰকাৰে চাউল কিনিব, অসম চৰকাৰে বিতৰণ কৰিব, অসম চৰকাৰক দিল্লীয়ে টকাটো পঠাই দিব আৰু যিখিনি চাউল আমি কিনিব নোৱাৰো সেইখিনি FCI য়ে বাহিৰৰ পৰা পঠাই দিব। অৰ্থাৎ within 2 years, FCI ইয়াৰ পৰা আঁতৰি যাব। বৈপ্লৱিক কাম হৈ আছে। আজি ৰাজ্যপালৰ ভাষণত কোনেও মন কৰা নাই যে What is decentralized procurement. আমি অংগনবাড়ী কেন্দ্ৰ কোনে বনাব সেইটো লৈ বহুত ব্যস্ত হৈ গৈছো। Construction যিয়ে নকৰক আমি ক'ব লাগে যে মোৰ গাঁৱত অংগনবাড়ী কেন্দ্ৰটো হ'ব। আমাৰ বিধান সভাত বিতৰ্কৰ যিটো স্তৰ, Construction কমিটি কোনে বনাইছে, সেইটো বিধায়কৰ কামেই নহয়। আমাৰ সমষ্টিত অংগনবাড়ী কেন্দ্ৰ হ'ব লাগে, ল'ৰা-ছোৱালীয়ে খাদ্য পাব লাগে, শিক্ষা পাব লাগে, নিউট্ৰিশ্যন হ'ব লাগে, ওজন বাঢ়িব লাগে। এতিয়া বিধান সভাত আমি যদি Construction কমিটি কোনে বনাই কথা

পাতো, তেতিয়া বাহিৰত মানুহে গমেই পাব যে বিধায়ক বিলাকে ঠিকাদাৰ কোন হ'ব এইটো লৈয়ে ব্যস্ত আছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** আমি Construction কমিটিৰ কথা এই কাৰণে আনিছিলো কাৰণ এই ক্ষেত্ৰত পলিটিকেলাইজ হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় সদস্য শ্ৰী ভৰত নৰহ ডাঙৰীয়াক মই কৈছো যে ইমান কষ্ট কৰি বি জে পি চৰকাৰখন আহিছে অলপ পলিটিকেলাইজ হ'ল বাৰু। কিন্তু চাব লাগিব যে নাওবৈচাৰ ঘৰটো ভাল হৈছেনে নাই ? বেয়াকৈ ঘৰটো বনাইছে নেকি ? বিধায়ক হিচাপে আমাৰ কাম হ'ব লাগে যে আমাৰ সমষ্টিত মেক্সিমাম অংগনবাড়ী কেন্দ্ৰ আহিব লাগে। কোনে অংগনবাড়ী কেন্দ্ৰ বনাব this is a executive action এইটো মোৰ এক্তিয়াৰৰ ভিতৰত পৰে। Government is distributed in three form. যে কোনে অংগনবাড়ী কেন্দ্ৰ বনাব এইটো purely executive action. আজি মই ভাবিছিলো বিধায়ক সকলে এইটো প্ৰশ্ন উঠাব যে কোনোবা সমষ্টিত ২৫ টা কেন্দ্ৰ হৈছে মোৰ সমষ্টিত কিয় দহটা অংগনবাড়ী কেন্দ্ৰ দিছে? সেইটোত মই একমত। আপোনালোকৰ সমষ্টিত সমান হ'ব লাগিব বা দুটা বেছি হ'ব লাগিব। It is a very very logical demand. Social Welfare ৰ মন্ত্ৰী ডাঙৰীয়ানীক মই অনুৰোধ জনাম যে শিৱসাগৰ সমষ্টিৰো মানুহটো আমাৰে সমষ্টি। ভোট কাৰোবাক দিব পাৰে। তাৰ কাৰণে শিৱসাগৰ সমষ্টিৰ মানুহক আমি কম আই.চি.ডি.এচ দিব বা জালুকবাৰী সমষ্টিৰ মানুহক আমি বেছি আই. চি. ডি. এচ দিম, সেইটো হ'ব নোৱোৰে। It should be equal. কিন্তু কোনে বনাব, কেনেকৈ বনাব, এইটো মন্ত্ৰীৰ ওপৰত এৰি দিয়ক, তাত আমাৰ কি কাম আছে? এইটো টো আমাৰ কাম নহয়। এতিয়া এই কথাটোতে প্ৰথমবাৰ আমি FCI ক ক'লো যে we are going to do decentralized procurement. Decentralized procurement মানে হ'ল FCI ইয়াৰ ভিতৰত নাথাকিব। অসম চৰকাৰে কিনিব, মইচাৰাইজাৰ আছেনে নে আমি চাম, আমাৰ চাউল আমি কিনিম, আমি খাম আৰু নোহোৱা খিনি যিটো গৰীৱ কল্যাণ বা আন এন.এফ.এচ.এচ ত চাউল যিখিনি দিব নোৱাৰি বা পঠাব নোৱাৰিব গ্ৰেডটোহে FCI য়ে আমাক দিব। কিন্তু এইখিনি প্ৰস্তুতিকৰণৰ বাবে আমাক দুবছৰ সময় লাগিব। আমি ইতিমধ্যে সেই জাৰ্নিটো আৰম্ভ কৰিছো। মই সন্মানীয় বিধায়ক সকলক অনুৰোধ কৰিছো যে বিধায়কৰ পুঁজি দি মইচাৰাইজাৰ মিটাৰ লাগিলে কিনি দিব, যদি আমি দিব নোৱাৰো FCI(Food and Civil Service Department) ৰ লগত যোগাযোগ কৰক। যেনেতেনে আমি অসমৰ মানুহৰ ধানখিনি চৰকাৰক বিক্ৰী কৰিব লাগে। ধান আমি চৰকাৰক বিক্ৰী কৰাব পাৰো, এইটো কোনো টাৰ্গেট নাই, মইটো কাকো ফৰ্চ কৰিব নোৱাৰো। এইখিনি কাম যদি আমি কৰাব পাৰো তেতিয়াহ'লে অসমত জি ডি পি বহুত গুণে বাঢ়ি যাব কাৰণ ৮০ লাখ মেট্ৰিকটন ধান আমি উৎপাদন কৰো, ১০০০ টকা পায়। তাৰ ঠাইত আমি যদি ২০০০ টকা যদি আমি দিয়াব পাৰো কৃষি ক্ষেত্ৰত আমাৰ জি ডি পি দুগুণ হৈ যাব। সেইকাৰণে ইয়াত বিধায়ক সকলে চৰকাৰক সহযোগীতা কৰক।ইয়াত সমালোচনাৰ কোনো স্তৰ নাই। আপোনালোক আপোনালোকৰ সমষ্টিৰ নেতা। আপোনালোকে ক'লেহে মানুহে ধান দিব। মই FCI ক আপাৰলিমিট দিছো যে ১০ লাখ হ'লেও কিনিব লাগিব। ১০ লাখ শব্দটো মই ভালৰ কাৰণেহে কৈছো। এইটো যদি টাৰ্গেট লৈকে কনভাৰ্ট কৰি দিয়ে দিগদাৰ। কাৰণ এইটো ইনডিভিজুৱেল বস্তু। মোৰ ঘৰৰ চাউল মই বিক্ৰী কৰো নকৰো এইটো মোৰ স্বাধীনতা হয়। সেইকাৰণে আপোনালোকে এই দিশটো চাওক। চৰকাৰক আপোনালোকে সহযোগীতা কৰক। আজি আমি

গৃহ বিভাগৰ ওপৰত আলোচনা কৰিছো যে এনকাউণ্টাৰ হৈছে, গুলীয়াগুলি হৈছে, তাৰ পৰা দেশত শান্তি আহিছে নে নাই? মই দেশত শান্তি আহিছেনে নাই সেই কথাটো লৈকে আজি যাব খোজা নাই। এইটো আপোনালোক জাজ কৰিব। সৰু এটা ষ্টেটিচটিক মই আপোনালোকক ক'ব খুজিছো যে ২০২১ চনৰ জানুৱাৰী মাহত অসমৰ পুলিচ থানাত কেচ ৰেজিষ্টাৰ হৈছিল ৮,৬৬১, আৰু জানুৱাৰী মাহৰ ২০২২ চনত অসমৰ পুলিচ থানাত কেচ ৰেজিষ্টাৰ হৈছিল ৭,৭০৬ টা আৰু ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত কেচ ৰেজিষ্টাৰ হৈছিল ৮,৯৪১ আৰু এইবাৰ ফেব্ৰুৱাৰী মাহত কেচ ৰেজিষ্টাৰ হৈছে ৫,৪২৫ টা। যদি এভাৰেজ ওলোৱা হয় তেন্তে দুমাহৰ গতিটো শেষলৈ থাকিব নে নাথাকে মই নাজানো। যোৱা বছৰৰ কেচ ৰেজিষ্টাৰৰ গড় আছিল এঘাৰ হাজাৰ আৰু এই দুমাহত ইয়াৰ গড় নামি আহিছে ছয় হাজাৰ পাঁচলৈ। ২০২১ৰ পৰা ২০২২ চনৰ ভিতৰত ৩০ শতাংশ ক্ৰাইম ৰিডাকশ্যন হৈছে। ক'ৰবাত ক'ৰবাত পুলিচৰ একশ্যন হৈছে আৰু তাত কামো কৰিছে। কৰ'বাত কৰ'বাত অপৰাধীৰ বিৰূদ্ধে শক্তিশালী হোৱাত কিছুমান ডেজিডেঞ্চ পাইছে। সদনত আমাক বাৰে বাৰে এনকাউণ্টাৰক লৈ সমালোচনা কৰা হয়। কিন্তু এনকাউণ্টাৰক কোনেও সমৰ্থন নকৰে। পুলিচে আইনৰ ভিতৰত থাকিয়েই আইনৰ কাম কৰিব লাগিব। কিন্তু আইনৰ ভিতৰত কাম কৰোতে কোনোবা ধৰ্ষণকাৰী এজনৰ গাত গুলী লাগিলে তেতিয়া আমি সেই ধৰ্ষণ কৰা ছোৱালী জনীৰ হৈ কান্দিম নে, ধৰ্ষণ কৰা মানুহজনৰ হৈ কান্দিম। আমাৰ সদনত এটা কথা চাব লাগিব যে আমি কাক সহানুভূতিটো দেখুৱাই আছো। আজি কোনোবাই মণিপুৰৰ পৰা বা ম্যানমাৰৰ পৰা বা তাৰ কোনোবা এখন ঠাইৰ পৰা তিনি কেজি হেৰোইন লৈ আহিছে। সেই হেৰোইন খিনি লৈ আহোতে কিবা কাৰণত পুলিচৰ লগত এনকাউণ্টাৰ হ'ল আৰু মানুহজনে গুলী খালে। এতিয়া আপোনালোকে চিন্তা কৰক, সেই তিনি কেজি হেৰোইন আনি বজাৰত বিক্ৰী কৰি যদি দিব পাৰিলেহেঁতেন তেতিয়াহ'লে It would have still 2000 young students. তেতিয়া দুই হাজাৰজন ডেকা ল'ৰা-ছোৱালীক ধ্বংস কৰি দিব পাৰিলে হেঁতেন। ইয়াত মই আপোনালোকক পলিটিকেলী সমালোচনা কৰা নাই। যোৱা পৌৰ সভাৰ ৰিজাল্টত যেতিয়া হাউলীত, চাপৰগ্ৰাম, গোৱালপাৰা, লক্ষীপুৰত যদি বি জে পি জিকে, তেতিয়া হ'লে বিৰোধী পক্ষয়ো চাব লাগিব যে আপোনালোকৰ সমালোচনা বিলাক আঁচলতে মানুহে সমৰ্থন কৰিছে নে নাই? তেতিয়া আপোনালোকে নাভাবিব যে ড্ৰাগছ মাফিয়া এজন মাইন'ৰিটি হ'ল বুলি তেওঁক গুলীয়াই দিয়াটোক মাইন'ৰিটিক অপমান কৰা নুবুজায়। কাৰণ সেই মানুহজনে আহি দুই হাজাৰ জন নতুন যুৱক-যুৱতীক হেৰোইন খিনি বিক্ৰী কৰিলে হেঁতেন। সেই কাৰণে সাধাৰণ জনতাই উপলব্ধি কৰিছে যে মোৰ ল'ৰা-ছোৱালীৰ জীৱন ৰাখিবৰ কাৰণে চৰকাৰে কাম কৰি আছে। বিৰোধী পক্ষই বাৰে বাৰে হত্যাকাৰী জনৰ পক্ষত কিয় থিয় দিয়ে আৰু বিৰোধী পক্ষই বাৰে বাৰে ধৰ্ষণকাৰী জনৰ পক্ষত কিয় থিয় দিয়ে? কাৰণ আপোনালোকে পুলিচৰ একশ্যনটো ভুল বুলি কৈ আছে। **তাৰমানে পুলিচে যি কৰিছে সেইয়া ভুল। পুলিচক বিশ্বাস কৰক। সেই মানুহজনক কিয় বিশ্বাস কৰিব লাগে?** You should have reported to the police on faith. **কাৰণ পুলিচৰ আধা নিযুক্তি কংগ্ৰেছৰ দিনতেই হোৱা। আজি অসমত যিমানবোৰ ডি এচ পি, এডিশ্যনেল ডি এচ পি আছে, ইয়াৰ বেছি সংখ্যক লোকক কংগ্ৰেছে নিযুক্তি দিছিল। আমাৰ পলিটিকেলী নিযুক্তি দিয়া, এইটো আমাৰ প্ৰাইভেট লিমিটেড কোম্পানী নহয়। গতিকে তেওঁলোকে যদি এজন মানুহক গুলীয়াবলগীয়া হৈছে আৰু তেওঁলোকে কৈছে যে মানুহজন পলাঁওতে গুলীয়াব লগীয়া হৈছে,** You should believed on the police. **আজি আপোনালোকে যোৰহাটৰ ঘটনাটো চাওঁক। ইয়াত হিন্দু,**

**মুছলমান বুলি নহয়। যিজন ক'লা ল'ৰা বুলি গুলীয়াইছিল, এক্সিডেন্ট হৈছিল তেওঁ হিন্দু মানুহ আছিল। তেওঁৰ যেতিয়া পুলিচৰ গাড়ীৰ আগত পৰি এক্সিডেন্ট হ'ল, মানুহ ওলাই আহি মমবাতি জ্বলাই, ক্লেপ কৰি যোৰহাটত কেনেকুৱা পৰিবেশৰ সৃষ্টি কৰিলে।** তাৰ মাজত যদি কংগ্ৰেছে কয় যে এই ঘটনাটোত আমি ষড়যন্ত্ৰৰ গোন্ধ পাইছো। কংগ্ৰেছত থকা মানুহখিনিও আতঁৰি যাব। য'ত আজি নগাঁৱত ঘটনাটো হ'ল লগে লগে আমি গম পাইছো, ৰাইজৰ reaction চাই আমি গম পাইছো যে এইটো ঘটনা পুলিচে হয়তো শুদ্ধ কৰা নাই। লগে লগে আমি action লৈছো। পুলিচে যদি বেয়া কাম কৰে তাত আমি লগে লগে মাত দিম। কিন্তু য'ত ৰাইজে হাত তালি মাৰি আছে, ৰাইজে ফুল দলিয়াই আছে, ফেচবুক আদিত ৰাইজে welcome কৰি আছে। তাত আমাৰ পাৰ্টি একোটাই বিৰোধীতা কৰিলে মানুহ আমাৰ লগত থাকিব নেকি? আজি ধৰক মই মৰিগাঁৱৰ কথা কবলৈ খুজিছো মৰিগাঁৱৰ লাহৰিঘাট সমষ্টিৰ বিধায়ক ডাঙৰীয়া সদনত উপস্থিত আছে, তাত যিজন পঠা বুলি মানুহ, তেওঁ সৰু ছোৱালী এজনীক মৃত্যুৰ পিছতো আকৌ ধৰ্ষণ কৰিছে। মই যেতিয়া থানাত গৈছিলো গাঁৱৰ গোটেই কেইজন মানুহে কৈছিলে যে চাৰ এইজনেই হয়। সেই মানুহজন কিন্তু মুছলমান পুৰুষ, মুছলমান কণমানি ছোৱালী আছিল। সেই পঠা বুলি মানুহজনৰ ভৰিত পুলিচৰ গুলি লাগিল আপোনালোকে সেই ছোৱালীৰ হৈ কান্দিব নে পঠাৰ কাৰণে কান্দিব। সেইটোও বিচাৰ কৰিব লাগিব, কাৰণ যিজনী ছোৱালীক মৃত্যুৰ পিছতো ধৰ্ষণ কৰিলে, সেই জনীটো সংখ্যালঘু সম্প্ৰদায়ৰ ছোৱালী। police action ৰ ক্ষেত্ৰত কোনোবাই কি কৈ আছে নাজানো, আমাৰ ইয়াত যি হৈ আছে সেইটো secular action, not directed to any religion. কোনো ক্ষেত্ৰত ধৰ্মৰ বৃত্তান্ত আনিব দিয়া নাই। গতিকে মই ভাৱো AIUDF, Congress ৰ বিধায়ক সকলে data টো RTI কৰি লৈ লওক। আপোনালোকৰ মনত এটা ধাৰণা আছে যে হিমন্ত বিশ্ব শৰ্মাই মুছলমানক গুলিয়াই আছে। মই কিয় কৰিম? মানুহক মাৰাৰ মোৰ অধিকাৰ আছে নেকি? মই যদি জন্ম দিয়া নাই, মাৰাৰ অধিকাৰো মোৰ নাই। আপোনালোকে RTI কৰি data লওক, আপোনালোকে গম পাব যে তাত জনজাতীয় লোকৰো action হৈছে, হিন্দু লোকৰো action হৈছে, মুছলিম লোকৰো হৈছে। কিন্তু আমাৰ কোনো হিন্দু বিধায়কে কোৱা নাই যে আমাৰ হিন্দুক কিয় মাৰিছে, ট্ৰাইবেল বিধায়কে কোৱা নাই যে কি ট্ৰাইবেল মাৰিছে। আমাৰ মুছলমান বিধায়কখিনিয়ে কিয় ক'বলগীয়া হৈছে যে মুছলিমৰ ওপৰত action লৈছে, সেইটো ভুল কথা, তথ্যই তাক নকয়। তথ্য চাব, It was a secular action, not directed against any community আপোনালোকৰ এই ভুল ধাৰণা মই কেইটামান দিনৰ পৰা দেখি আছো। এজনী সাত বছৰীয়া অকণমানী ছোৱালীক ধৰ্ষণ কৰাৰ পিছত সেই মানুহজনক ক'ৰবাত মাফ হ'ব লাগে নেকি? ক'ব আইনৰে কৰক। আইনৰেতো কৰিছে, কোনাবাই যদি গুলিয়াইছে আইনৰ মাজৰে গুলিয়াইছে। যিমানখিনি CRPC power দিয়া আছে, সিমানখিনিয়ে ব্যৱহাৰ কৰিছে। আজি ৩০ শতাংশ অসমত অপৰাধ কমিছে। আজি আপোনালোকে চিন্তা কৰক, আজি প্ৰথমবাৰৰ বাবে আৰক্ষীক নতুন ধৰণে সজাই তোলাৰ প্ৰচেষ্টা কৰা হৈছে। ৪২৭৪ জন অকল PSO হৈ আছিল। আজি ৭৩২ জনৰ PSO ক আমি withdraw কৰিছো। কোনো ইয়াৰ against ত High Court ত যোৱা নাই। Faith on this Government চাওক। আগৰ চৰকাৰৰ দিনত এজন মানুহৰ PSO withdraw কৰিলে মানুহে High Court পায়। আজি মই public appeal কৰিছিলো যে আপোনালোকে PSO বাদ দিয়ক। We will provide security, অসমত কোনো চিন্তা নাই। ৭৩২ জন মানুহৰ PSO withdraw কৰিছো আৰু ইয়াৰ বেছিভাগ

মানুহ আমাৰ political circle ৰ হয় আৰু বেছিভাগ মোৰ নিজৰ দলৰ মানুহ। মোক কৈছিলে যে এইটো কৰিলে তই বিজেপি দলৰ অপ্ৰিয় হৈ যাবি। মইতো অপ্ৰিয় হোৱা নাই। You can imagine the faith of the people in the Government, no body has gone to the court, বোলে CM য়ে কৈছে যেতিয়া security টো পাম, হ'ব, মইটো ভগবান নহয়। কালি হয়তো গণ্ডগোল এটাও হ'ব পাৰে, কিন্তু মুখৰ কথাত PSO withdraw কৰা হ'ল।

আজিৰ মুখৰ কথাত মানুহক অনুৰোধ কৰিছো যে ৰেচন কাৰ্ড এৰি দিয়ক। হাজাৰ হাজাৰ মানুহে আহি ৰেচন কাৰ্ড এৰি দিছে। মানুহৰ trust কিমান এইখন চৰকাৰৰ ওপৰত আৰু কিয় trust হৈছে, আজি আপোনালোকে চাওঁক যে মিছন বসুন্ধৰা হৈছে, আজি ৮ লাখ ১৩ হাজাৰ মানুহে আবেদন কৰিছে। আজি ৰাতিপুৱা ৫ লাখ কেছ শেষ হৈ গ'ল। এনে শেষ হোৱা নাই, with 80% success rate। আজি ঘৰতে বহি মানুহে service পাই গ'ল, ৮ লাখ মানুহে এই service পাব।

এতিয়া আমাৰ ease of doing business portal ত ৫০ হাজাৰ মানুহৰ কাম, তেওঁলোকে through portal কৰাই লৈ গ'ল। এই সময়ছোৱাৰ ভিতৰত আপোনালোকে চাব যে কি ধৰণে চৰকাৰে কাম কৰি আছে। silently কাম হৈ আছে, আমি হুলস্থুল কৰা নাই। কাম কৰি কৰি গৈ আছোঁ। এই সময়ছোৱাত Transport department ত silently ৫.১৩ লাখ মানুহে Driving Licence লৈছে। কাৰোবাৰ যদি driving licence renew কৰিব লাগে, computer ত আহি click কৰি, আৰু driving licence renew কৰি লৈছো। silent revolution হৈ আছে।

আপোনালোকে চাওক কৰ্মচাৰী সকল, যি মণ্ডলে কাম নকৰে বুলি কৈছিলো, টকা নহ'লে কাম নকৰে বুলি কৈছিলো। people have started working প্ৰথম বাৰ মানুহে কাম কৰাৰ আৰম্ভ কৰিছে। আজি ৩১ ডিচেম্বৰৰ দিনা বহু মানুহে ৰাস্তাৰ দুৰ্ঘটনাত ঢুকায়। এইবাৰ মানুহে সেই তাৰিখত ৰাস্তাৰ দুৰ্ঘটনাত ঢুকোৱা নাই। আজি আপোনালোকে মন কৰিব, মইটো হেলমেটৰ কাৰণে ফাইন তিনিদিনহে লগাইছিলো। কিন্তু গুৱাহাটীত এতিয়া মানুহে পুলিছৰ সন্মুখতো হেলমেট পিন্ধে, পিছতো পিন্ধে। You can see the faith on this Government. আজি যে মানুহে হেলমেট ব্যৱহাৰ কৰিছে। মহিলাই হেলমেট পিন্ধি স্কুটাৰৰ পিছত উঠে, কিহৰ কাৰণে যে মানুহ বিলাকে দেখিলে ইয়াৰ ফলত দুৰ্ঘটনা বিলাক কমি গৈছে।

আজি চিন্তা কৰক ফচল বীমা যোজনা আঁচনি আছিল নে নাছিল। আমি সদনত আলোচনা কৰিছিলো, কিন্তু কৃষকে premium পোৱা নাছিলে। যোৱা বছৰ ২৫২ কোটি টকা premium দিলো। আজি ১৪০ কোটি টকা কৃষকসকলে premium পাই গ'ল for flood damage। যোৱা বাৰ বানপানী হোৱা নাছিল, এইবাৰ মানুহে সুবিধা ল'ব পাৰিব। এইবিলাক কাম আমি আগতে কৰিব পৰা নাছিলো। আঁচনিখন আগতেও আছিল।

আজি কোন চৰকাৰে ক'ব যে মোৰ হাতত থকা ফাইলৰ নম্বৰ দিয়ক, আমি নিজে নিজে কৰি দিম। মানুহে কাম আহিলে বেয়াহে পাই। কিন্তু আমি কাম মাতিছো। আপোনালোকে চিন্তা কৰক, Secretariat ত ১৩৮০ জন মানুহে ক'লে মোৰ ফাইল আছে। ৭০০ টা ফাইল আমি dispose কৰি পঠাই দিলো, কালি পুৱা আমি আকৌ advertise কৰিম দিনে পোহৰে যে Secretariate ত নাহিব। ফাইলৰ নম্বৰ দিয়ক আমি আপোনালোকৰ কাম কৰি পঠিয়াই দিম।

আগতে আছিল আহক আহক দোকান পাতিছো। এতিয়া আমি কৈছো যে নাহিব, আমি আপোনাৰ কাম কৰি দিম। মানুহে ভাল পাই আছে।

এতিয়া চাওক employment registration ত সন্মানীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কৈছে যে ২২ লাখ জন অসমত নিৰনুৱা আছে। ৩ লাখে registration কৰিছে। ইয়াতে কথাটো হ'ল যে ২০, ২২ লাখ আছে, তেওঁলোকে পঞ্জীয়ন কৰিছে। What is new we have done নিৰনুৱা ল'ৰা এজনে registration ত অফিচত অহা মানে দুই তিনিবাৰ আহিব লাগিব। পঞ্জীয়ন মানে চাকৰি নহয়। এতিয়া ৰাতি দুটা বজাতো computer খুলি registration কৰিব পাৰে। আজি ৰাতি দুটা বজাটো কম্পিউটাৰটো খুলি লওঁক আৰু ৰেজিষ্ট্ৰেশ্যন কৰি পেলাওক। ক'তো যাব নালাগে। ৩ লাখ মানুহে এই ধৰণে ৰেজিষ্টেশ্যন কৰিছে। কিন্তু মই কোৱা নাই যে অসমত ৩ লাখ হে নিবনুৱা আছে। আগৰখিনিয়েও টো মেনুৱেলত কৰি থৈছে। কিন্তু ৩ বছৰত এজন নিবনুৱাই এমপ্লইমেন্টত নামভৰ্তি কৰাৰ পাছত ৩ বছৰত তেওঁ ৰিনিউৱেল কৰিব লাগে। সেই কাৰণে আমি এতিয়া ৰিনিউৱেলটো আৰম্ভ কৰিছো, আৰু অহা ৫ বছৰ পিছত আমি গম পাম যে অসমত প্ৰকৃত নিবনুৱা কিমান আছে। তাৰ ভিতৰত আমি কি কৰিব খুজিছো, এতিয়া আমি নিবনুৱাৰ ডাতা লৈছো, কম্পিউটাৰাইজ হৈ গ'ল। এতিয়া AI, artificial intelligence ৰ জৰিয়তে আমি তাৰ পৰা উলিয়াম MA pass, কৰা ল'ৰা কিমান আছে? Engineer কিমান আছে? BA pass কৰা ল'ৰা কিমান আছে? আৰু naukri. com. ৰ দৰে আমি অন লাইন প'ৰ্টেল বিলাকৰ লগত এই ল'ৰা বিলাকক আমি connect কৰি দিম। যাতে বাহিৰত পোষ্ট ওলালে এই ল'ৰা বিলাকে মোবাইলত এচ, এম এচ পায়, যে a post vacant in Jharkhand, a post vacant in Chattisghar, two posts vacant in relience, আমি অসমখনক এখন ডিজিটেল গভাৰ্ন ষ্টেটলৈকে লৈ যাব খুজিছো। ইয়াত আমাক সমালোচনা কৰাৰ কোনো অৰ্থই নাই। ৰাতি দুটা বজাত যদি এজন নিবনুৱা ল'ৰাই কামৰূপ অফিচত নোযোৱাকৈ ঘৰত বহি ৰেজিষ্টাৰ কৰিব পাৰে, বকো, ছয়গাওঁ, পলাশ বাৰী, ৰঙিয়াৰ ল'ৰা এজনে, কাৰ্বি আংলংৰ আজি ভিতৰৰ পৰা , একেবাৰে ভিতৰত থকা গাওঁ এখনৰ পৰা বৈঠালাংচুলৈ অহা মানে ৩ দিন আহিব লাগিব। ৩ দিন আহিব লাগিলে কিমান খৰচ হ'ব? ল'ৰাজন আহি ৰাতি কাৰোবাৰ ঘৰত থাকিব লাগিব। সি এতিয়া গাৱৰ পৰাই কৰিব পাৰে, আৰু এই চৰকাৰ খনৰ ওপৰত কনফিদেন্স চাওক যে ৩ লাখ ল'ৰা-ছোৱালীয়ে এতিয়া নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন কৰি থলে through inetrnet . মই ধৰি লৈছো, ঘোচ কাকো দিব নালাগে। আমাৰ কৰ্মচাৰীয়ে টকা নাখায়। অহাযোৱাটো বাচৰ খৰচ আছে। গতিকে আজি আমি এই ধৰণৰ কামবিলাক কৰি কৰি গৈ আছো। আজি আমাৰ ইয়াত জলজীৱন মিশ্যনক সমালোচনা কৰিছে, ঠিক আছে, ক'ৰবাত পাইপৰ কানেকশ্যন দিয়া হৈছে, কোৱালিটি বেয়া হৈছে we have right to protest আপোনালোকে দেখুৱাই দিব নিজৰ সমষ্টিত best of the thing হ'ব লাগিব। কিন্তু আপোনালোকে চাওক যে ৬২ লাখ হাউচ হল্ডক আমি কানেকশ্যন দিব লাগে। আৰু আমাৰ ৯ মাহ আগতে কিমান আছিল, মাত্ৰ ৫ লাখ মানুহৰ ঘৰত কানেকশ্যন আছিল। এই ৯ মাহত আমি ১৭ লাখ মানুহক কানেকশ্যন দিলো। এই বছৰ ভাৰতৰ ভিতৰত আমি ৫ নং ত আহিছো। in annual work done . এতিয়া আমি অসমত কি কৰিব খুজিছো, যে ১০ হাজাৰ নতুন পানীৰ স্কীম হ'ব। আমাৰ সকলোৰে সমষ্টিত হ'ব। ১০ হাজাৰ নতুন পানীৰ স্কীমৰ কাম যেতিয়া আৰম্ভ হ'ব আপোনালোকৰ সমষ্টিত কাম বেয়া হলে, definitely আপোনালোকে protest কৰিব আপোনালোকে কমপ্লেইন দিব

কিন্তু আজি সৰভোগত কাম বেয়া হোৱা মানে, ডিফুত কাম বেয়া হোৱাটো নুবুজায়। ক'ৰবাত ভাল হৈছে ক'ৰবাত বেয়া হৈছে, য'ত বেয়া হৈছে তাত definitely আমি এনকুৱাৰি কৰিম। আপোনালোকে specific প্ৰশ্ন আনিব , আমি specific উত্তৰ দিম। কিন্তু জলজীৱন মিশ্যনৰ overall যিটো achievement, achievement of 21.35 lakh connection in one single year সেইটো টো উলাই কৰিব পৰা কথা নহয়, আৰু ২১ লাখ connection সেইটো মিছা হ'ব নোৱাৰে। আজি আপোনালোকে চিন্তা কৰি চাওক আমি কিমান দূৰলৈকে প্লেনিং কৰিছো। এতিয়াটো ১০ হাজাৰ পানীৰ আঁচনি হ'ব। কেনেকৈ চলিব তাৰ কাৰণে আমি আৰম্ভ কৰিছো যে নহয়, এই গোটেই পানী যোগান আঁচনি বিলাকৰ বিদ্যুতৰ মাচুল আমি চেন্ট্ৰেলি পে'মেন্ট কৰি দিম। যাতে কোনো মানুহ নাথাকে। এজনকৈ আমি ল'ৰা নিযুক্তি দিম তাক ৬৫০০ টকা দৰমহা দিম। কিন্তু লগত প্লাম্বিং ট্ৰেইনিং পোৱা ল'ৰাজনকহে আমি নিযুক্তি দিম। যাতে সি গাঁৱত য'ত ক্ষতি হৈছে, সেই মেচিনটোও ঠিক কৰিব পাৰে। কেমিকেলৰ পইচাটোও আমি দিম বুলি সিদ্ধান্ত লৈছো from the tide fund of Panchayati Raj এতিয়া মই DC সকলক মাতিছো এপ্ৰিলত যে জলজীৱন মিশ্যনটোও স্কীম কৰিছো। স্কীম বিলাকতো বেয়া হৈ যাব ইতিমধ্যে বাতৰি কাকত বিলাকত আৰম্ভ হৈছে যে অচল হৈ গ'ল, অচলটো হ'বই বিদ্যুতৰ মাচুল নিদিলে। কেমিকেল নাপালেটো অচল হ'বই। দৰমহা দিয়া ল'ৰা এজন নাথাকিলে টো অচল হ'বই। এই তিনিটা যি দিশ, যে দৰমহা দিয়া এজন ল'ৰা লাগিব, ল'ৰাজন যেনে তেনে নহয়, প্লাম্বাৰ ট্ৰেইনিং পোৱা ল'ৰা লাগিব যাতে সৰু-সুৰা গণ্ডগোল সি তাতে fix কৰিব পাৰে। তাৰ লগত কেমিকেলৰ পইচা চৰকাৰে দিব লাগিব। তাৰ লগত বিদ্যুতৰ মাচুল চৰকাৰে দিব লাগিব। সেই কাৰণে we are doing both forward integration as well as backward integration আমি দুয়োটা কাম হাতত লৈছো, আৰু আপোনালোকে তাৰ ৰিজাল্ট পাব। আজি আপোনালোকে চিন্তা কৰক যে আমাক কিছুমান কথা কৈ থকা হয়, আৰু অসমত কি হয়, যে এটা public narrative আৰম্ভ কৰিলে, সেই narrative টো বন্ধ কৰাটো খুব অসুবিধা হৈ যায়। Advantage Assam পাতিলে, কি হ'ল? সেইটো এজনে কৈ দিয়াৰ পাচত, এই যে কি হ'ল বুলি প্ৰশ্ন কৰিলে তেওঁ কিমান গৱেষনা কৰি প্ৰশ্ন কৰিলে, সি ৩-৪ খন RTI কৰিব লাগিব। ক'ৰবাত উদ্যোগ বিভাগত দুদিন গৈ আলোচনা কৰিব লাগিব। কি হ'ল বুলি কোৱাটো এটা ডাঙৰ কনক্লুজন। আমাক কেতিয়াবা সাংবাদিক বন্ধু সকলে লিখে ফুটুকাৰ ফেন হ'ল। ঠিক আছে, ফুটুকাৰ ফেন হ'ব পাৰে কিন্তু সেই শব্দটো লিখাৰ আগতে due diligence is very very important because it is a absolute work. ফুটুকাৰ ফেনহোৱা বুলি কোৱাৰ পিচত একো বাকী নাই আৰু। মেডিকেল কলেজ ফুটুকাৰ ফেন হৈ গ'ল, ৬ মাহ পিচত আমি গৈ তাত আধাৰশিলা কৰিলো, উদ্বোধন কৰিলো, ল'ৰাই পঢ়ি আছে, ১ লাখ মানুহে চিকিৎসা পাই আছে। who has discredited মই discredited হোৱা নাই, যি জনে ফুটুকাৰ ফেন বুলি ক'লে তেওঁহে discredited হ'ল। আজি আপোনালোকে চাব যে Advantage Assam য়ে হওক বা আমাৰ চৰকাৰৰ যোৱা এটা বছৰৰ প্ৰচেষ্টাত হওঁক, মই বহুত ডাঙৰ লিষ্ট আপোনালোকৰ আগত নপঢ়ো মই কেৱল, চিম্পোল লিষ্ট পঢ়ি দিওঁ। আজিৰ দিনত নুমলীগড় ৰিফাইনেৰীত total আমাৰ যিটো expansion plan আমাৰ কাম হৈ আছে, তাৰ এটা মই সৰু সৰু উদাহৰণ দিছো, যে আমি কি কৰিছো। আমি কেতিয়াও তেনেকুৱা কাম কৰা নাই যিবিলাক কামত আমাক সমালোচনা কৰাৰ ৰাস্তা থাকি যায়। আজি আপোনালোকে চাব নুমলীগড় ৰিফাইনেৰীত on going project

আৰম্ভ হৈছে, 28 thousand to 26 thousand, 26 thousand not hundred. তাৰ পাচত ইন্দ্ৰধনু গেছ গ্ৰীডত কাম আৰম্ভ হৈছে ৯, ২৬৫ কোটি। তাৰ পাচত ONGC ৰ project আৰম্ভ হৈছে, 63 crore, 157 crore, 77 crore, বাৰাউনী গুৱাহাটীত যি crude pipe-line তেল আমি লৈ আহিম নুমলীগড় চলাবৰ কাৰণে সেই পাইপলাইন ডালৰ কাম গেইলে আৰম্ভ কৰিছে। তাত আমি ইনভেষ্টমেন্ট আনিছো ৩৩০৮ কোটি টকা। তাৰ পাচত J V of oil India limited Assam Gas company আমি মিলি city gas distribution ৰ কাৰণে project আৰম্ভ কৰিছো ২৩৮২ কোটি টকা। Assam petrochemical limited আমাৰ কোম্পানী 500 TPD Methanol Project, 200 TPD Formaldehyde Project, এইকেইটাত আমি কাম আৰম্ভ কৰিছো। ইতিমধ্যে আমি আৰম্ভ কৰিব পৰা হৈছো 1800 crore . এইটো inauguration ৰ কাৰণে ৰেডি হৈ আছে। তাৰ পাচত আকৌ আমাৰ প্ৰাইভেট বিভিন্ন Project, আছে ইথানল Project, আমি আনিছো, ১১০০ কোটি টকা । গতিকে আপোনালোকে যদি চাই, আকৌ নুমলীগড়ত আমি অসম চৰকাৰে ল'গ হৈ আৰম্ভ কৰিব খুজিছো, poly-propylene Project, এটা ৬৫৫০ কোটি টকা তাৰ পাচত গেছগ্ৰীড, within Assam আমি আৰম্ভ কৰিব খুজিছো, ১৬০০ কোটি টকা তাৰোপৰি ডালমিয়াই ইনভেষ্ট কৰিছে ১৫০০ কোটি টকা পেপ'চিয়ে ইনভেষ্ট কৰিছে ৫০০ কোটি টকা DS group য়ে ইনভেষ্ট কৰিছে ৫০০ কোটি টকা, কাম্যাখ্যা বায়'ফুৱেলে ইনভেষ্ট কৰিছে ২৮৫ কোটি টকা গোলশ্যন পলি হ'লে ইনভেষ্ট কৰিছে ২০০ কোটি টকা, এ.জি. আই য়ে ইনভেষ্ট কৰিছে ৩০০ কোটি টকা নে'কনে আৰম্ভ কৰিছে ২৫০ কোটি টকা, আৰ. টি কোটেড ষ্টীলে ইনভেষ্ট কৰিছে ১০০ কোটি, টকা কানচাই নেৰ'লেকে ইনভেষ্ট কৰিছে ২০০ কোটি টকা বি. আৰ. টেনশ্যন য়ে ইনভেষ্ট কৰিছে ১৫০ কোটি টকা, চিজ বায়'টেক য়ে ইনভেষ্ট কৰিছে ১৫০ কোটি টকা, নেকনে ইনভেষ্ট কৰিছে ১২৫ কোটি টকা অৰ্থাৎ এই ধৰণে যদি আমি গোটেই বিলাক কৰি চাওঁ last one year inspite of covid , Advantage Assam ৰ লগে লগে কাম আৰম্ভ হোৱা নাই। তাৰ পাচত ক'ভিড হ'ল , ইলেকশ্যন হ'ল, কা আন্দোলন হ'ল but now we have brought back every-thing in track. সেই কাৰণে আপোনালোকে, মই ইয়াত ৰাজ্যপালৰ ভাষণত বহু সময় ল'ব খোজা নাই, এটা উদ্যোগ বিভাগক প্ৰশ্ন কৰক তেতিয়া আপোনালোকে গম পাব যে এইটো ফুটুকাৰ ফেন হ'ল নে বান পানী হ'ল। let us be objective. এখন কৰো , কৰিলেটো আমি গম পাই যাম তাৰ পাচত আপোনালোকে চাব, আজি আমি কোৱা নাই যে আমি বহুত কৰিছো, কিন্তু আমি কৰাৰ চেষ্টা কৰি আছো, সকলো সময়ত। Electricity Board ক কেতিয়াবা profit হোৱাৰ কথা আমি চিন্তা কৰিব পাৰো নেকি? আজি সন্মানীয় শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়াই শক্তিমন্ত্ৰী আছিল, প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়া শক্তিমন্ত্ৰী আছিল। ইয়াৰ আগত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া, শ্ৰীসৰ্বানন্দ সোনোৱাল ডাঙৰীয়া নিজে শক্তিমন্ত্ৰী আছিল, মই বিত্ত মন্ত্ৰী আছিলো, শ্ৰী বিমল বৰা শক্তিমন্ত্ৰী। Power ত কেতিয়াবা profit হ'ব, কল্পনাৰ বাহিৰত আছিল। ক'ৰবাত আৰু APDCL য়ে profit কৰিব পাৰে নেকি? এই বছৰ আপোনালোকে জানি ভাল পাব যে, Operating profit of APDCL will be 282 crore. প্ৰথম বাৰৰ কাৰণে আমি annual profit কৰিম। This may not be immediatly result in reduction of power tariff primarily. ক'ভিডৰ সময়ত আমি আঠ শ কোটি টকা লষ্ট কৰিছো আৰু APDCL ৰ books ত আগৰ পৰা ন শ কোটি লষ্ট আছে। সোতৰ কোটি টকা আমাৰ লষ্ট আছেই Constantly. আৰু

এবাৰ লষ্ট ২ হাজাৰ কোটি বাইছ শ কোটি বাঢ়ি যাব লাগিছিল। প্ৰথমবাৰ যিসকলে অলপ APDCL বা Electricity Board বুজি পায়। They will say that 105% collection efficiency. তাৰমানে 100 % bill উঠাইছো। আগৰ এৰিয়াৰো 5%. 105% collection efficiency, below efficiency 82%. আৰু commercial distribution pmd lost 17% পালো। এতিয়া আমি 15% লৈকে নামিব খুজিছো। ময়ো দেখা নাছিলো। কেইদিনমান আগতে টি.ভি ত হঠাৎ মোক দিল্লীৰ বন্ধু এজনে পঠাই দিলে আৰ. কে. সিং ইণ্ডাষ্ট্ৰি মিনিষ্টাৰ। তেওঁ এখন মিটিঙত কৈ আহিছে যে অসমৰ উদাহৰণটো মই ভাৰতৰ বাকী মুখ্যমন্ত্ৰী সকলক লিখিবলৈ দিলো। মই নাজানো কাৰণ মিটিঙতো নাছিলো। কেতিয়াবা সন্মুখত থাকিলে দুই এটা ভাল কথা মানুহে মানুহৰ ওপৰত কয়। একে পাৰ্টিৰ হ'লে আৰু অলপ বেছিকৈ কয়। But that we take in a general spirit. মোৰ absence ত বেলেগ power department ৰ মিটিঙত কথাটো কোৱা আৰু বহুত মানুহে কয়, ক'ত APDCL ঠিক হ'ব। চৰকাৰে বিল দিয়া নাই। এক টকাও আমি দিবলগীয়া নাই। সকলো payment, timely payment,monthly payment. অহাবাৰ মই বিত্ত মন্ত্ৰীক কৈছো যে এইটো চিলিং ফ্ৰী কৰি দিব। চিলিং নালাগে direct যাতে APDCL ৰ পইচাটো অফিচাৰে উঠাই দি দিব পাৰে। Because we have to revised. ৪ বছৰ Electricity ৰ tariff য়ে reivew হোৱা নাই অসমত যি আছে সেইটোকে চলি আছে। দাম বাঢ়িব লাগিছিল যোৱা ৪ বছৰত। Without tariff review we profited 282 for in this year. আৰু কেৱল APDCL য়ে profit কৰা নাই। AEDCL য়ে profit কৰিছে আৰু generation company য়ে profit কৰিছে all three company has made profit. অহা দুইবছৰত আমাৰ target আছে আমি ASTC তো profit কৰিম, যদি Electricity য়ে profit কৰিব পৰা হৈছে, ASTC তো profit কৰিব পাৰিম। কাৰণ এই টকাবোৰ যেতিয়া আমি চৰকাৰে দিওঁ, দিয়াৰ ফলত Health ত টকা কমি যায়, Education ত টকা কমি যায়, ৰাস্তাত কমি যায়। আমাৰ টকাখিনিকে আমি লৈ গৈ দিব লাগে। আজি আপোনালোকে চাওক কোনোবাই ক'ব পাৰে যে আমাৰ মিউনিচিপালিটিতনো বি জে পি কিয় জিকিলে, কংগ্ৰেছ কিয় নিজিকিলে। পলিটিকেল বিৰ্তকত আমি নাযাওঁ। আপোনালোকে চিন্তা কৰক আমাৰ চৰকাৰ অহাৰ পাছত Trade Licence আমি কৰিলো যে কিহৰ কাৰণে মানুহ অফিচত যাব লাগে। ঘৰৰ পৰা পাব লাগিব। ১৪ হাজাৰ মানুহে ঘৰৰ পৰা apply কৰিলে। ৪ হাজাৰমান মানুহে টকাটো জমা দিয়া নাই। Case কৰাৰ কাৰণে apply কৰে যে আচলতে আছে নে নাই। কাৰণ চৰকাৰক এয়িাও বিশ্বাস নকৰে। ১০ হাজাৰ মানুহে টকা ফীজ দি apply কৰিলে ১০ হাজাৰ Trade Licence within a difference of 30 seconds time. গুৱাহাটীত একোখন Trade Licence ল'বৰ কাৰণে কোনেও মোক বেয়া নালাগে। Cost আছিল 15 thousand rupees. আজি যদি ১৫ হাজাৰ টকা খৰছ নকৰাকৈ ঘৰত বহি পাব পাৰে তেতিয়া মানুহেতো governmently সেইটোহে অনুভৱ কৰিব যে এইখনেই চৰকাৰ চলি আছে। আজি আপোনালোকে চাব যে Flat ৰ permission. Flat কিনা বেচা কৰা তাতো permission ল'ব লাগে। মই যেতিয়া মুখ্যমন্ত্ৰী হ'লো এজনে মোক ফোন কৰিলে উপায়ুক্ত শ্ৰী বিশ্বজিৎ পেগুক সুধিলো কিমান Flat ৰ permission বাকী আছে, চাৰ ৯ হাজাৰ ৫। হাৰাশাস্তি, এজন উকীল ধৰিব লাগে Flat Registration ৰ কাৰণে। বিধান সভাই এক সংশোধন কৰি দিলে ৰাষ্ট্ৰপতিয়ে চহী মাৰি দিলে। এতিয়া আমি ক'লো Flat কিনাৰ কাৰণে কোনো permis-

sion নালাগে। Direct registration কৰি ল'ম. এনেকুৰা ধৰণৰ যদি কামবোৰ হয় difenetly অসম খন আগবাঢ়িব। আজি আপোনালোকে চাওঁক ইয়াত আমি land policy ৰ কথা কৈছো। যোৰাবাৰ আমাৰে চৰকাৰ আছিল। আমিও নাজানিছিলো, কংগ্ৰেছ চৰকাৰৰ দিনত আছিল যে যদি কোনোবা মানুহৰ মাটি নাই চৰকাৰী মাটি তেওঁ আবেদন কৰিলে maximum ২ বিঘা মাটি পাব। কংগ্ৰেছ গ'ল বিজে পি য়ে ৬ বিঘা কৰিলে। এতিয়া প্ৰশ্নটো হ'ল যে মই দলৰ কথা নকওঁ। কিন্তু আমাৰ শ্ৰী ভূৱন পেগু ডাঙৰীয়াই ক'ব, জোনাইত এজন ট্ৰাইবেল মানুহে তিনিটা generation ধৰি ৩০০ বিঘা মাটি হাতত ৰাখি আছে। চৰকাৰৰ পৰা যদি মাটিৰ পট্টা ল'ব যায় মাটিতো ৬ বিঘা হৈ যাব। বাকী ২৯২ বিঘা ক'ত যাব। কাৰণ চৰকাৰেতো ৬ বিঘাতকৈ দিব নোৱাৰে। সেইকাৰণে কোনো ট্ৰাইবেল মানুহে মাটিৰ বন্দবস্ত ল'ব নাহে চৰকাৰৰ পৰা। তাৰফলত তেওঁলোকে বেংক লোন নাপায়। একো নাপায়। আজি আমাৰ বহুত গাঁৱৰ মানুহ কি হৈ আছে যে VGR ত বহি আছে। VGR ত বহাৰ কাৰণে আমাক মাটিৰ পট্টা নিদিয়ে। বিধায়ক সকলে চেষ্টা কৰিলেও দিব নোৱাৰে। তৌজি খাজানাত বহি আছে। এতিয়া আমি মিছন বসুন্ধৰাত 2-‘O’ আৰম্ভ কৰিম। য'ত আমি specificaly যে VGR PGR ত বহি থকা মানুহখিনিক আমি মাটিৰ অধিকাৰ দিবলৈ চেষ্টা কৰিম। আমি চেষ্টা কৰিম যে, Tribal Land Policy এখন ওলোৱাৰ কাৰণে যে এজন ট্ৰাইৱেল ফেমিলিয়ে এটা চৌকাৰ বিপৰীতে পঞ্চাশ বিঘা মাটি এলোটমেণ্ট ল'ব পাৰিব আৰু এইখিনিৰ কাৰণে কোনেও প্ৰিমিয়াম দিব নালাগে। Free of primium ল'ব পাৰিব আৰু আমি কি ক'ব খুজিছো যে, even general মানুহে ভি. জি আৰ, পি জি আৰত বাস কৰি থাকিলেও আন এখন ঠাইত ভি জি আৰ, পি .জি .আৰ লৈকে কনভাৰ্ট কৰি দি আমাৰ মানুহখিনিক আমি মাটিৰ পট্টা হাতত তুলি দিব পাৰিম। আজি এই কামবিলাক যদি এইখন বিধান সভাই কৰিব দিব পাৰে, তাতকৈ মানুহক কি লাগে। এতিয়া আপোনালোকক মই ক'লো যে, ভি. জি আৰ, পি. জি. আৰ কৰি দিব চেষ্টা কৰিম। এতিয়া কোনোবাই যদি অহাবাৰ মোক প্ৰশ্ন কৰে যে মোৰ সমষ্টিতো এতিয়াই ভি. জি. আৰ, পি. জি. আৰ থাকি গ'ল, আপুনি কি কৰিলে। Democracy is বহুজন সুখায়ঃ বহুজন হিতায়ঃ। সকলোৰে কাম আমি কৰিব নোৱাৰো। কিন্তু আজিৰ দিনত এজনৰো হোৱা নাই। এই চৰকাৰৰ দিনত যদি এক লাখ তেনেকুৰা মানুহকো মাটিৰ পট্টা দিব দিব পাৰো, it is a state in right direction. এক কুইণ্টল ধানো কিনা নাই। কিন্তু দহ কুইণ্টল, বিছ কুইণ্টল, এশ কুইণ্টল কিনিছে। কিন্তু আজি যদি আমি চাৰি লাখ কুইণ্টলো কিনাব পাৰো it is a state in right direction. This Government going on track. আৰু সেই কামখিনিকে আজি আমি কৰিবৰ কাৰণে চেষ্টা কৰিছো। আপোনালোকে ক'ববাত কেতিয়াবা শুনিছিল নেকি যে, পুলিচ, যাক পুলিচ বুলি ক'লে মানুহৰ মনত বহুত প্ৰশ্ন হয়। পুলিচে গাড়ীৰ দুৰ্ঘটনা হ'লে ঘৰত গৈ ডেথ্ ৰিপোৰ্ট দি আহে। যি পুলিচ বুলি ক'লে মানুহৰ এটা ধাৰণা আছে। আমি আমাৰ দুৰ্ঘটনা মানুহৰ ইনজিয়ৰ ৰিপোৰ্ট ২ হাজাৰ ৪ শ ১৩ টা ৰিপোৰ্ট পুলিচে ঘৰত গৈ দি থৈ আহিছে। মই সন্তুষ্ট নহয় সংখ্যাটোক লৈ। মই ভাৱো যে, আৰু আগবাঢ়িব লাগিব। মই কাম কৰি থাকিম। কিন্তু আৰম্ভণিতো হৈছে আজি আপোনালোকে চিন্তা কৰক যে, পুলিচ ভেৰিফিকেশ্যন লাগে, পাচপৰ্ট বনাব, ড্ৰাইভিং লাইচেঞ্চ বনাব, পি আৰ. চি বনাব এই ৯ মাহত আমাৰ পুলিচে এক লাখ ৮০ হাজাৰ মানুহৰ কাম কৰি দিছে। এক লাখ ৭৯ হাজাৰ ৭ শ ৯০ জন মানুহৰ কাম কৰি দিছে। Only through computer এতিয়া আমি আৰম্ভ কৰিছো সকলোকে এপ দি দিছো, পাচপৰ্টৰ পৰা আহিব, এপতে মাৰি পঠাই দিব। কোনো কালেকশ্যন নাই। মানুহজনে গমেই নাপাব যে ক'ত

মোৰ কাগজখন আছে। কেৰল মেচিনেহে মেচিনৰ লগত কথা পাতিব। আজি সেইটো ষ্টেজলৈ আমি চৰকাৰখনক লৈ গৈ আছো। ইয়াৰ মাজতো আমি ৯ মাহত সকলোকে পাৰফেকশ্যনত লৈ যাব নোৱাৰো। যদি মই সকলোকে পাৰফেকশ্যনত লৈ যাব পাৰো মানুহে মোক মুখ্যমন্ত্ৰী বুলি নকৈ ভগৱান বা আল্লা বুলি ক'ব। সেইটো সম্ভৱ নহয়। Assam is progressing now. আগতে এনেকুৱা আছিল যে আমাক কোনোবাই কয় যে তেওঁলোকে কলেজত চাকৰি পাইছে। কিন্তু ৯ মাহ মান পিছতো তেওঁ চাকৰি হ'লনে সুধিলে কয় যে পুলিচ ভেৰীফিকেশ্যনৰ কাৰণে ঘূৰি আছো। তেতিয়া আমি ক'লো যে অসমীয়া মানুহক কিয় পুলিচ ভেৰীফিকেশ্যন লাগে। আমি ক'লো যে চাকৰি কৰিবলৈ কোনো পুলিচ ভেৰীফিকেশ্যন নালাগে। কেৱলমাত্ৰ Self attested affida-vit দিব লাগিব যে তেওঁৰ কোনো পুলিচ কেচ নাই। মই মানুহক বিশ্বাস কৰিম। কোনো ল'ৰা-ছোৱালীক মাক-দেউতাকে পঢ়োৱাৰ পিছত আজিৰ প্ৰতিযোগিতামূলক পৃথিৱীত গৈ এ চি এচ, কলেজ, টেট আদিত যদি চাকৰি পায়, তেওঁক আৰু পুলিচ ভেৰীফিকেশ্যনৰ বাবে প্ৰয়োজন নাই। আমি আমাৰ নাগৰিকক বিশ্বাস কৰিব লাগিব। তাৰে মাজত কিছুমানে হয়তো ভুৱা তথ্যও দিব পাৰে। তাৰ ওপৰত চৰকাৰে পদক্ষেপ ল'ব পাৰে। গোটেই কেবিনেটে সিদ্ধান্ত লৈ নিয়ম কৰিলো যে নিযুক্তিৰ দিনাখনেই চাকৰি পাব আৰু কোনোধৰণৰ পুলিচ ভেৰীফিকেশ্যনৰ কাৰণে ৰৈ থাকিব নালাগে। আগতে মানুহে অভিযোগ কৰিছিল যে এখন পুলিচ ভেৰীফিকেশ্যনৰ কাৰণে ১০ হাজাৰ টকা দিবলগীয়া হৈছিল। এতিয়া সেই পইচাখিনি বাচি যাব। এতিয়া মই এক লাখ নিযুক্তিৰ বিষয়টো লৈ আহিছো। আপোনালোকে বাৰে বাৰে এক লাখ নিযুক্তিৰ কথা কৈছে আৰু মই যিহেতু এক লাখ নিযুক্তিৰ কথা কৈছো, তাতকৈ অলপো কমকৈ নিযুক্তি দিয়া নহ'ব। ক'ৰবাত যদি পাঁচ লাখ প্ৰাৰ্থী হয় তাত বহি চাওঁতে হয়তো বেছি সময় লাগিব পাৰে। এইক্ষেত্ৰত নিযুক্তি প্ৰক্ৰিয়াত হয়তো অলপ দেৰি হ'ব পাৰে। যিসকল মানুহে আন্দোলন কৰিছে, প্লে কাৰ্ড ওলাইছে তেওঁলোকে হয়তো হিমন্ত বিশ্ব শৰ্মাৰ বিষয়ে ভালদৰে নাজানে। মই যেতিয়া এক লাখ নিযুক্তি দিম বুলি কৈছো মই এক লাখ নিযুক্তিয়েই দিম। ইয়াত কোনো সন্দেহেই নাই। এইবোৰৰ ক্ষেত্ৰত প্ৰশ্ন কৰি নিজে গল খাব নালাগে। মই বুদ্ধিমান্ হ'লোহেঁতেন আৰু মই যদি সেই ঠাইত থাকিলোহেঁতেন মই এক লাখৰ ঠাইত দুই লাখ নিযুক্তি দিয়াৰ কথা ক'লোহেঁতেন। মই মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰিলোহেঁতেন যে আপুনি এক লাখ নিযুক্তি দিয়াৰ কথা কৈছে তাত আমাৰ কোনো সন্দেহ নাই। কিন্তু ২২ লাখ নিৱনুৱাৰ আপুনি মাত্ৰ এক লাখকহে নিযুক্তি দিব নে? মই ২ লাখ নিবনুৱাক নিযুক্তি দিয়াৰ বাবে আন্দোলন কৰিলোহেঁতেন। তেওঁলোকে ভুল ঠাইত গ'লটো মাৰিলে। অসমৰ মানুহৰ মনত সোমাই গ'ল যে হিমন্ত বিশ্ব শৰ্মাই এক লাখ লোকক নিযুক্তি দিব বুলি কৈছে। সেই ট্ৰেড লাইচেঞ্চখন কোনেও হাইজেক কৰিব নোৱাৰে। সেই ট্ৰেড লাইচেঞ্চখন মোৰ নামত লিখা আছে। সেইকাৰণে মই যদি বুদ্ধিমান হ'লোহেঁতেন মই দুই লাখ চাকৰিৰ কথা ক'লোহেঁতেন। সেইকাৰণে আমি কেনেকৈ Self Goal খালো আমি নিজেই গম পাই আছো। এতিয়া কৈছে যে লাগিলে অহাবাৰ মই বিধায়কেই নহওঁ। তাৰ মানে তেওঁ গম পাইছে যে অহাবাৰ বিধায়ক হোৱাৰ পথটো খুব সহজ নহ'ব। নহ'লে মানুহে ন মাহতে নিৰাশাৰ কথা কয় নেকি? যদি ন মাহতে কোনোবাই নিৰাশাৰ কথা কয় বুজি পাব লাগিব যে তেওঁ আগলৈ কি হ'ব গৈ আছে দেখা পাইছে। যিয়েই নহওঁক আপোনালোক সকলোৱে জানে যে নিযুক্তিৰ প্ৰক্ৰিয়াটো সহজ নহয়। কেতিয়াবা এনেকুৱা হয় যে আমি ৰবিবাৰেও ইণ্টাৰভিউ পাতিবলগীয়া হয়। ল'ৰা-ছোৱালী সকলে এচ এম এচ দিয়া আৰম্ভ কৰে যে একেদিনাখনেই স্বাস্থ্য বিভাগ, কৃষি বিভাগ, ইৰিগেশ্যন আদিৰ একেলগে ইণ্টাৰভিউ

পাতিছে। গেজেটেড অফিচাৰসকলক নিযুক্তি দিয়াৰ বাবে এ পি এচ চিয়ে চাৰি বছৰ সময় লয়। আমি এইবাৰ নিয়ম কৰিলো যে এচি এচৰ পৰীক্ষাৰ লগতে সকলো গেজেটেড অফিচাৰৰ পৰীক্ষা একেলগে পতা হ'ব। যেনেকৈ ইউ পি এচ চিত কৰা হয়। এতিয়া আমি ক'লো যে Assistant Director Industry, Planning Officer আদিৰ যিমানবোৰ চাকৰি আছে সেই সকলোবোৰ এ চি এচ, এ পি এচ চিৰ লগত এটা বাস্কেটত থাকিব। তাৰ মানে একেটা পৰীক্ষাতে সকলো গেজেটেড অফিচাৰক নিযুক্তি দিয়া হ'ব। এতিয়া আমি নিয়ম কৰিলো যে কোনোধৰণৰ বিভাগে ইঞ্জিনিয়াৰৰ পৰীক্ষাসমূহ বেলেগ বেলেগকৈ নাপাতে। আয়োজন নকৰে। কাৰণ সকলোৰে কুৱালিফিকেশ্যন সহকাৰী অভিযন্তা। সেইকাৰণে সকলোৰে বাবে এটাই পৰীক্ষা হ'ব। সকালো চাকৰিয়ে সমান আৰু আমি নিযুক্তিৰ ক্ষেত্ৰত লটাৰী কৰি দিম আৰু কোনোবাই হয়তো গড়কাপ্তানী বিভাগত, কোনোবাই হয়তো কৃষি বিভাগ আদি বিভিন্ন বিভাগত পাব। কাৰণ গড়কাপ্তানী বিভাগত বেছি টকা আছে আৰু কৃষি বিভাগত কম টকা আছে সেইটো আমাৰ চৰকাৰে নিৰ্ধাৰণ কৰিব নোৱাৰে। আমাৰ মতে সকলো চাকৰিয়েই সমান। আমি কেৱল স্কেলটোহে চাম। সেইকাৰণে কৈছো যে সকালো অভিযন্তাকে একেলগে নিযুক্তি দিয়া হ'ব। যিসকলে আমাক বিৰোধীতা কৰে তেওঁলোকে আমাক ধন্যবাদ দিব লাগে যে Grade III আৰু Grade IV ৰ recruitment commission কৰাৰ কাৰণে বহু ল'ৰাৰ পইচা বাচি গ'ল। যোৱাকালি লখিমপুৰ মেডিকেল কলেজত Grade IV ৰ এটা ইণ্টাৰভিউ হৈছিল। চাৰি লাখ ল'ৰাৰ এপ্লিকেশ্যন কৰিছিল। মাত্ৰ এক লাখ ল'ৰাই পৰীক্ষা দিলে। অৰ্থাৎ ৩০ শতাংশই দিব পাৰিলে। বাকীখিনিয়ে দিব নোৱাৰিলে কাৰণ পৰীক্ষাটো লখিমপুৰ, ধেমাজী, দুলীয়াজানত পতা হৈছিল আৰু সেইকাৰণে আমাৰ নামনি অসমৰ ল'ৰা তাত যাব নোৱাৰিলে। কাৰণ তালৈ যাবৰ কাৰণে চাৰি শ ৰ পৰা এক হাজাৰ টকা লাগে। সেইকাৰণে এতিয়া আমাৰ চৰকাৰে কৰিছে যে ল'ৰাবিলাকৰ যাতে টকা-পইচা খৰচ নহয়, ছাত্ৰই যাতে এবাৰতে পৰীক্ষা দিব পাৰে We have club all Grade III Post in one umbrella and we have club all Grade IV Post in one umbrella. ফ্লাড কণ্ট্ৰোল, ইৰিগেশ্যন, ফৰেষ্ট আদি সকলো বিভাগত একেদিনাই পৰীক্ষা হ'ব। কালি হয়তো যেতিয়া বিত্ত বিভাগত বাজেট দিব তাত ওলাব যে আমি পঁচিশ তাৰিখৰ ভিতৰত বিজ্ঞাপন দিম যে একেলগে এটা ব্লক recruitment আমি ৩৫-৪০ হাজাৰ পাই যাম। ইমান ডাঙৰ recruitment হ'লে কেণ্ডিডেটো বাঢ়িব। পৰীক্ষা পাতিব লাগিব, হল মেনেজ কৰিব লাগিব আৰু এইটো এটা ডাঙৰ উৎসৱ হ'ব। এই প্ৰক্ৰিয়াটো কৰিবলৈ অকনমান সময় লাগিলেও চৰকাৰৰ ইণ্টেনশ্যনটোত কোনো সন্দেহ নাই। আমি দহ মে' ৰ পৰা দহ জুনৰ ভিতৰত এটা কৰ্ম যজ্ঞ, এটা এক মাহৰ অনুষ্ঠান পাতিব খুজিছো। এই সময়ছোৱাৰ ভিতৰত পুলিচত যোল্ল হাজাৰ এপইণ্টমেণ্ট লেটাৰ বিতৰণ কৰিম, শিক্ষা বিভাগত বাইশ হাজাৰ এপইণ্টমেণ্ট লেটাৰ বিতৰণ কৰিম, স্বাস্থ্য বিভাগত আমি দহ হাজাৰ এপইণ্টমেণ্ট লেটাৰ বিতৰণ কৰিম। এইবিলাক সকলো কাগজ-পত্ৰ তৈয়াৰ হৈ গ'ল। আমি তৈয়াৰো কৰিছো আৰু লগতে পৰীক্ষাও পাতিছো। অৰ্থাৎ মোৰ যিটো টাৰ্গেট আছে এক লাখ আমি এক লাখত উপনীত হ'ম আৰু এইটোৰ ওপৰত সন্দেহ কৰি থাকি লাভ নাই। য'ত সন্দেহ কৰিব লাগে তাত সন্দেহ কৰক যে ডেৰ লাখ দিব পাৰিব নে নাই? একলাখত সন্দেহ কৰি লাভ নাই। আমি জুন মাহত নোৱাৰিলেও জুলাই মাহত শেষ কৰিমেই। আজিলৈকে যি পাব্লিক প্লেচত কথা কৈছো এতিয়ালৈকে পিছ হুহুকি যোৱা নাই আৰু আমি পিছ হুহুকি নাযাওঁ। We will stand by our commitment. ইয়াত কোনো কথা নাই আৰু এইবিলাকত বিতৰ্কৰ অৱকাশো নাই। সন্মানীয়

সদন আপোনালোকক এটা কথাই মই ক'ব খোজো যে আমি খুব নিষ্ঠাৰে কাম কৰিছো। মানুহৰ বিশ্বাস অটুট ৰাখিবৰ কাৰণে কাম কৰিছো। Every week we sit in cabinet. সৰু-ডাঙৰ সকলো কথা collectively পাতো। আগতে আছিল যে মুখ্যমন্ত্ৰীয়ে চলায়। We are demolishing that fact that Govt. is in Cabinet system. It will be run collectively. মই কেতিয়াবা চাই থাকো আমাৰ কেবিনেট মন্ত্ৰী সকলে উঠি যাব খোজো। তেওঁলোকৰ সময় নাই। তেওঁলোক বহু ব্যস্ত হৈ থাকে। মই কিন্তু বহি থাকো। মুখ্যমন্ত্ৰীৰ সময় আছে। কিন্তু মন্ত্ৰীসকলৰ সময় নাই। মোৰ কথা হৈছে মই বুলি শব্দ এটাৰ সৃষ্টি হ'ব নালাগে। It should be a collective Government, everybody should be involve. আজি আমি গাৰ্জেণ্ট মন্ত্ৰীসকলক পঠিয়াইছো আৰু আপোনালোকে গাৰ্জেণ্ট মন্ত্ৰীসকলক সমালোচনা কৰি আছে। গাৰ্জেণ্ট মন্ত্ৰীসকল নাথকিলে উপায়ুক্তসকল জড়িত থাকিলহেঁতেন আৰু তেতিয়া আপোনালোকে উপায়ুক্তসকলক সমালোচনা কৰিলেহেঁতেন। এতিয়া অন্ততঃ গাৰ্জেণ্ট মন্ত্ৰীজন আমাৰ মাজৰে এজন বিধায়ক। আমি তেওঁক দুআষাৰ বহি কথা ক'ব পাৰিছো, বিধান সভাত অন্ততঃ তেওঁক সমালোচনাও কৰিব পাৰিছো। মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই ৰঞ্জিৎ দাস ডাঙৰীয়াৰ কথা ক'ব পাৰিছে। কিন্তু আজি যদি গাৰ্জেণ্ট মন্ত্ৰীজন নাথাকিলহেঁতেন কেৱল উপায়ুক্তজন থাকিলহেঁতেন আৰু ৰঞ্জিৎ দাস ডাঙৰীয়াই উপায়ুক্তজনক মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ কাম নকৰিবৰ বাবে কৈ থ'লেহেঁতেন। তেতিয়া তেওঁ উপায়ুক্তজনক গালি পাৰি থাকিব লগীয়া হ'লহেঁতেন। আজি অন্ততঃ আমি গাৰ্জেণ্ট মন্ত্ৰীৰ দ্বাৰা নিজৰ মানুহ এজনৰ লগত কথা পাতিবলৈ প্লেটফৰ্ম এটা পাইছো। তেওঁৰ ৰুমত যাব পাৰিছো, চাহ খাই মনৰ কথা ক'ব পাৰিছো। গাৰ্জেণ্ট মন্ত্ৰী আপোনালোকৰ পাৰাৰ কাটিবলৈ দিয়া হোৱা নাই। বিৰোধী পক্ষত থাকিলে উপায়ুক্ত সকলে বিধায়ক সকলক ভালকৈ ব্যৱহাৰ নকৰে বুলি অভিযোগ উঠাৰ পৰিপ্ৰেক্ষিতত গৰ্জেণ্ট মন্ত্ৰী সকলক নিয়োগ কৰা হৈছে। এতিয়া অন্ততঃ গাৰ্জেণ্ট মন্ত্ৰী আছে আৰু উপায়ুক্তসকলে তেওঁলোকক বেয়া ব্যৱহাৰ কৰিব নোৱাৰে। কাম নকৰিলে তেওঁলোকে আহি কথা পাতিব লাগিব। যদি কোনোবা বিধায়কে ভাবে যে তেওঁ উপায়ুক্তজনক মেনেজ কৰি তেওঁৰ কামবোৰ কৰাই আছিল, এতিয়া গাৰ্জেণ্ট মন্ত্ৰীসকল অহাৰ বাবে তেওঁলোকৰ অসুবিধা হ'ল। তেনেকুৱা বিধায়ক হয়তো দুই বা তিনিজন থাকিব। কিন্তু সাধাৰণতে গাৰ্জেণ্ট মন্ত্ৰীৰ প্ৰক্ৰিয়াটোৱে আমাক উপকৃত কৰিছে। আজি আমাৰ ইয়াত আমাক ইমানলৈ উপকৃত কৰিছে যে আমি ইমানলৈ আগবাঢ়ি গৈছো আৰু মোক ইমানকৈ স্ক্ৰুটিনিত ৰখা হৈছে যে মুখ্যমন্ত্ৰীৰ সাহাৰ্য্য পুঁজিৰ টকা ক'ত খৰচ হৈছে তাৰ ওপৰতো প্ৰশ্ন কৰা হয়। মই আজি বিশ বছৰে সদনত থাকিলো কিন্তু কেতিয়াও প্ৰয়াত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াক প্ৰশ্ন কৰা হোৱা নাই যে মুখ্যমন্ত্ৰীৰ সাহাৰ্য্য পুঁজিৰ টকা ক'ত খৰচ কৰা হৈছে? কাৰো মনত এইবোৰ প্ৰশ্ন অহা নাই কাৰণ এইটো মুখ্যমন্ত্ৰীৰ Discriationary Fund. মুখ্যমন্ত্ৰীয়ে কাক টকা দিয়ে নিদিয়ে সেইটো তেওঁৰ কথা। তাৰ মাজতো বৰ্তমান একোজনকৈ বিধায়কে অন্ততঃ যিজনে ইয়াত আটাইতকৈ বেছি হুলস্থুল কৰি আছে, তেওঁ মুখ্যমন্ত্ৰীৰ সাহাৰ্য্য পুঁজিৰ পৰা ২৩ লাখ টকা পাইছে। আমাৰ আগৰ স্কীমসমূহৰ সমপৰ্য্যায়ৰ প্ৰায় টকা পাইছে আৰু কেইখনমান এপ্লিকেশ্যন পৰি আছে।.মই কালি পীযুষ হাজৰিকাৰ account চাইছো, তেখেতে তিনি নে চাৰি লাখ টকা পাইছে। আনহাতে, অখিল গগৈ ডাঙৰীয়াই পাইছে ২৩ লাখ।

...interruptions...

তেওঁ মোৰ ওচৰত অহা নাই। কিন্তু মই দি দিছো। This is a computerized system.

আজিকালি কম্পিউটাৰত আছে। তাৰ পিছতো যদি কয় যে চৰকাৰে একো কৰা নাই এইটো ঠিক নহয়। এইয়া মোৰ পইচা নহয়। CM relief fund ৰ পৰা কেন্সাৰ ৰোগী হওক বা কিড্‌নী ৰোগী হওক, তেওঁলোকক দিয়া হৈছে, ইয়াততো ৰাজনীতি কৰি লাভ নাই। আমাৰ মানসিকতাবোৰ ইয়াৰ পৰা উঠিব লাগিব। We have to run the Government collectively. আজি আপোনালোকে HPCৰ কথা কৈ আছে। এইটো হয় যে পেপাৰ মিলৰ মানুহবোৰ কষ্টত আছিল, কিন্তু আপোনালোকে বিষয়টো আজি আনিছে, যিটো আমি ইতিমধ্যে সমাধান কৰিলো। আজিৰ দিনটোত প্ৰশ্ন সোধাৰ সময় নাই। আপোনালোকে HPC ৰ নিলাম সম্পৰ্কত বহুত বাতৰি কাকতত লিখি আছিল যে ৩৭৫ কোটি টকা হৈ গ'ল, ইমান কমি গ'ল। সেই ক্ষেত্ৰত আমিয়েই ব্যৱস্থা কৰি আছিলো যাতে কমি গৈ থাকে। কাৰণ, যদি বাঢ়ি থাকে সেই টকাৰ এটা অংশ বেংকলৈ গুচি যায়। আমি তাৰে কৰ্মচাৰীসকলৰ লগত কথা পাতিলো যে টকাটো কমাই কমাই শেষত মাৰি দিম আৰু যিখিনি টকা ৰাহি হ'ব সেইখিনি চৰকাৰৰ বাজেটেৰে তেওঁলোকক দি দিম। আমি যদি ৭০০ কোটি টকাৰে পেপাৰ মিলটো ল'লোহেঁতেন, তেন্তে ৪৫০ কোটি টকা SBI ত গ'লহেঁতেন, ১০০ কোটি টকা APDCLত যাব, তাৰ পিছত ২০০ কোটি টকাহে কৰ্মচাৰীয়ে পালেহেঁতেন। এতিয়া আমি ৩৭৫ কোটি টকাৰে ল'লো, তাৰে ১০০ কোটি টকা APDCLত যাব, ২৭৫ কোটি টকা তেওঁলোকে কৰ্মচাৰীক দিব আৰু কৰ্মচাৰীসকলৰ যাতে লোকচান নহয় তাৰ বাবে আমি অতিৰিক্ত ৫০০ কোটি টকা Grant in aid হিচাপে কৰ্মচাৰীসকলক দিম। এতিয়া এই প্ৰক্ৰিয়াখিনি ৭০০-৮০০ ৰ পৰা ১০% কৈ নমাই নমাই অনা হৈছে, গতিকে ইমানখিনি ধৈৰ্য্যতো আপোনালোকে ধৰিব লাগিব। এই প্ৰক্ৰিয়াটো সকলোৱে জানে, সকলোৰে সন্মুখত হৈ আছে। আমাৰ উদ্যোগ মন্ত্ৰীয়ে প্ৰতিদিনে পেপাৰ মিলৰ কৰ্মচাৰীক আমি কৰি থকা এই প্ৰক্ৰিয়া বা কামটোৰ সম্পৰ্কত জনাই আছে। আনহাতে, আমি agreement তো লিখিছো যে ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰিম আৰু exactly ৩১ মাৰ্চত আমি ৩৭৫ কোটি টকা জমা দি দিম আৰু মিলটো আমাৰ হাতলৈ আহিব, তাৰ পিছত অহা এপ্ৰিল, মে' মাহত আমি ৫০০ কোটি টকা কৰ্মচাৰীসকলক মুকলি কৰি দিম আৰু ১০০জন কৰ্মচাৰীক আমি চৰকাৰী চাকৰিত ল'ম। Package is clear. এই ধৰণৰ সামাজিক সমস্যা আজি আমি সমাধান কৰিছো। আজি আপোনালোকে চাওক যে অসমৰ দৰে চৰকাৰ এখনে ৭০০ কোটি টকাৰ পেকেজ দিছো। পেপাৰ মিলটোৰ মালিক এতিয়া আমি হৈ গ'লো। এতিয়া তাত পেপাৰ মিলেই কৰোঁ বা আন কিবাই কৰো, তাত কিবা এটা উদ্যোগ হ'ব। অৰ্থাৎ livelihood also been saved. সেই ৭০০ মানুহে নাপালেও, দহটা উদ্যোগ হ'লে অসমৰ আন মানুহেও তাত চাকৰি পাব। আজি আমি গোটেই সামাজিক সমস্যাবিলাকৰ দূৰীকৰণ কৰিলো। এই বছৰটোৰ ভিতৰতে আমি নুমলীগড় ৰিফাইনেৰীৰ ২৬% মালিক হৈ গ'লো। We paid 2000 crore as a premium. বিত্তীয় সংকটৰ কথা লিখিয়েই থাকে।তাৰ মাজতে ২০০০ কোটি টকা দি Oil India কিনিলো, ৭০০ কোটি টকাৰে এতিয়া HPC কিনিব গৈ আছো। আপোনালোকে জানি ভাল পাব যে মই এতিয়া উৰিষ্যাত ভাৰত চৰকাৰৰ শক্তি কোম্পানী এটাত শ্বেয়াৰ লোৱাৰ বাবে টাৰ্গেট কৰিছো। আমি এতিয়া ইয়াত কয়লাৰে শক্তি উৎপাদন কৰিব নোৱাৰো কাৰণ মাৰ্ঘেৰিটাত দিহিং পাটকাইৰ কাৰণে মানুহে নামানে আৰু মনাটো উচিতো নহয়। এতিয়া আমি Neyveli Corporation ৰ লগত যোগাযোগ কৰি আছো যে আমি invest কৰিম, তাত আমি শক্তি বনাম আৰু তাৰ পৰা ৩৫০ মেগাৱাট গুৱাহাটীলৈ লৈ আহিম। গতিকে, অসমে এতিয়া এইটো পৰ্যায়ত কথাবোৰ চিন্তা কৰি আছো। যোৱা কেইদিনমান আগতে নিৰ্মলা সীতাৰমণজী আহোতে

মই ১০০০ মেগাৱাটৰ solar power বনোৱাৰ কথা কৈছিলো। যিহেতু ইয়াত সূৰ্য্যৰ direct ৰশ্মি নপৰে গতিকে ইয়াত solar power বনাব নোৱাৰিম বুলি তেখেতে ক'লে। তেতিয়া মই ক'ত বনাব পাৰো বুলি সোধাত তেওঁ বালমাৰত বনোৱাৰ কথা ক'লে। তাৰ পিছত, APDCL ৰ লগত কথা পাতি বালমাৰত solar power plan বনাম বুলি ক'লো। তাৰ পৰা আমি Grid ৰ জৰিয়তে lift কৰিম। Grid ত lift কৰাৰ বাবে আজিকালি কেৱল ভাড়াহে দিব লাগে। গতিকে, এনে ধৰণৰ এক নতুন পৰ্যায়লৈকে অসম যাব বিচাৰিছে। আমি যাতে সময়মতে দৰমহা, দৰিদ্ৰতা নিবাৰণ, সৰ্বাধিক পৰ্যায়ত অৰুণোদয়ৰ প্ৰসাৰণ কৰিব পাৰো তাৰ বাবে আমি কাম কৰি আছো। এটা সময় আহক যাতে প্ৰত্যেকজন মানুহৰ ঘৰতে অৰুণোদয় যাব পাৰে। চৰকাৰখনৰ বোজা নোহোৱা কৰা, Digital Governance কৰিবলৈ প্ৰচেষ্টা হাত লোৱা হৈছে। আজি আমি ১১ হাজাৰ কোটি টকা NIDA ৰ পৰা লৈছো। মই বিচাৰো, প্ৰত্যেকখন জিলাতে এখন ষ্টেডিয়াম হওক। মোৰ বেয়া লাগে যে গুৱাহাটীত সৰুসজাই ষ্টেডিয়াম আছে, কিন্তু তেজপুৰ, বৰপেটা, বঙাইগাওঁ, হাইলাকান্দি, কৰিমগঞ্জত নাই। তেওঁলোকতো second class citizen নহয়। অসম সমানে develop হ'ব লাগিব। সেইকাৰণে মই টকা বিচাৰিছো যাতে যিবোৰ জিলাত ষ্টেডিয়াম নাই সকলোতে মই এখন ষ্টেডিয়াম বনাব পাৰো। Circuit House বোৰৰ অৱস্থা দেখিলে দুখ লাগে। মোৰ এনে লাগে যে একেদিনাই সকলো Circuit House ভাঙি, একেদিনাই নতুনকৈ বনাম। এইবোৰৰ ক্ষেত্ৰত আমি কাম কৰি আছো। আপোনালোকে কাইলৈ বাইদেউৰ বাজেটত দেখিব- অসমত ২৪ খন মেডিকেল কলেজ হ'ব। আপোনালোকে কয় সংখ্যালঘুক আমি বেয়া পাওঁ, কিন্তু আপোনালোকে খবৰ কৰক- ধুবুৰীত মেডিকেল কলেজ স্থাপন কৰাৰ বাবে inspection চলি আছে। ধুবুৰীত MCI আছে আৰু যোৱাকালি আমি ধুবুৰীৰ বাবে ১১০০ টা পোষ্ট create কৰিছো। ধুবুৰীততো বিজেপি কেতিয়াও জিকিব নোৱাৰে, কিন্তু তাৰ পিছতো আমি ধুবুৰীৰ বাবে কাম কৰি আছো। কিয়নো আমাৰ প্ৰধান মন্ত্ৰীয়ে কৈছে- 'সবকা সাথ, সবকা প্ৰয়াস, সবকা বিশ্বাস'। প্ৰধান মন্ত্ৰীয়ে এইবাৰ ৭ লাখ ঘৰ দিছে। ৭ লাখ ঘৰৰ আটাইতকৈ বেছি ঘৰ কোনে পাব আপোনালোকে জানে। তাৰ পিছতো, আপোনালোকে আমাক anti-minority বুলি কয়। আজি অৰুণোদয় আমি পোৱাৰ লগে লগে আপোনালোকেও সমানে পোৱা নাই জানো? আমি ক'ৰবাত discrimination কৰিছো নেকি? কিন্তু, আপোনালোকে এটাই উদাহৰণ দি আছে। সেই ড্ৰাগ্‌ছ বেপাৰীজনে গুলী খাওঁতে তেওঁ মুছলমান ধৰ্মৰ লোক হ'ল বুলি আপোনালোকে দুখ নকৰিব। আমি হিন্দু ধৰ্মৰ মানুহকো সমানে ব্যৱহাৰ কৰিছো। অসমত ড্ৰাগ্‌ছ নিৰ্মূল হ'ব লাগে। হিন্দু-মুছলমান ইছ্যু হ'ব নালাগে। আপোনালোকে দেখিব লাহে লাহে মানুহৰ মানসিকতা সলনি হৈ আছে। আপোনালোকে গৰুখুটিৰ কথা কৈছে। গৰুখুটিলৈ মই দুই-তিনিবাৰ গৈছো। তাৰ স্থানীয় মানুহে বিশেষ একো আপত্তি কৰা নাই, তেওঁলোকে কেৱল এইটো কৈছ যে - আমি এনেধৰণে থাকিব নিবিচাৰো, আমাক বেলেগ এঠাইত থিতাপি দিয়ক। আপোনালোকে কওক যে গৰুখুটিৰ দহ হাজাৰ বিঘা মাটিত এক হাজাৰ পৰিয়ালক আজিৰ দিনত ৰাখিব পৰা যায় নেকি? ইমান ভূমিহীন লোক আছে। আজি আমি যি কৰি আছো তেওঁলোকৰ বাবেই কৰি আছো। লামডিঙত মই গোটেইখিনি মানুহৰ ওচৰলৈ গৈ কথা হোৱাত তেওঁলোকে কয় যে নজৰুলে আদাৰ খেতি কৰিবৰ বাবে লৈ আহিছে। গতিকে, এজন মানুহক ধনী কৰিবৰ কাৰণে বন ধ্বংস কৰাৰ অধিকাৰ আমাৰ আছে নেকি? তাৰ পিছত, সেই মানুহখিনিক নিজৰ নিজৰ ঘৰলৈ পঠিয়াই দিয়া হ'ল। এতিয়া আকৌ মোক কৈছে, আদা খেতি খিনি যাতে আমি পাওঁ, অৰ্থাৎ সেই দুৰ্ভগীয়া মানুহখিনিক

বানপীড়িত বুলি সন্মুখত দেখুৱাই আচলতে নজৰুল নামৰ লোকজনেহে ব্যৱসায় কৰি আছিল। কিন্তু, আমি উচ্ছেদ কৰোতে আপোনালোকে বানপীড়িত মানুহক খেদা বুলি কান্দিছে। পিছত, আমি তদন্ত কৰিহে জানিব পাৰিলো যে সেই লোকসকল বানপীড়িত নাছিল, আদা খেতি কৰাবলৈ মধ্যভোগীয়ে তেওঁলোকক লৈ আহিছিল। তাত বানৰ কোনো সমস্যাই নাই। তাৰ আধা মানুহে বানপানীয়েই দেখা নাই। গতিকে, প্ৰত্যেকটো বিষয়ৰ ভিতৰত একোটা কাহিনী জড়িত হৈ আছে। আমি সেই কাহিনীটো লাহে লাহে বুজি তাক settle কৰি আছো। লাহৰীজানতো উচ্ছেদ হৈছে। সেইখিনি সংখ্যালঘূ মানুহ হ'ব পাৰে, কিন্তু সকলোৰে বিল্ডিং ঘৰ আছে। তেন্তে তেওঁলোকে কিয় চৰকাৰী ঘৰ ল'ব? আবেদন কৰক। That is a sixth schedule area, tribal area. Tribal areaত কিয় বহিব লাগে? তেওঁলোকৰ যদি টকা আছেই তেন্তে মৰিগাওঁ, নগাঁৱত মাটি কিনিক। কিন্তু, জনজাতীয় লোকসকলৰ বাবে গোপীনাথ বৰদলৈয়ে চিহ্নিত কৰি থৈ যোৱা ঠাইত আমিওতো নবহো। মোৰো সাহস নাই। যিটো কাম বৰা, কলিতা, দাসেও কৰিবলৈ সাহস কৰা নাই, সেই কামটো কৰিবলৈ ইছলাম আৰু ৰহমানৰো সাহস থাকিব নালাগে। আমি ট্ৰাইবেল লোকসকলৰ অস্তিত্বক স্বীকাৰ কৰিব লাগে। এতিয়া আপোনালোক অসমত minority নহয়, আপোনালোক almost majority. All the minorities are actually majority. গতিকে যদি আপোনালোকে অসমৰ খিলঞ্জীয়া লোক সকলৰ কথা চিন্তা নকৰে তেতিয়াহ'লে কোনে চিন্তা কৰিব? Today you are equally in the power. বিৰোধীৰ বেছিভাগ আসন আপোনালোকে দখল কৰি আছে। Power comes with responsibility. অসমৰ জনজাতীয় লোকসকলক সংৰক্ষণ কৰা, অসমৰ কৃষ্টি- সংস্কৃতি ৰক্ষা কৰা আপোনালোকৰ দায়িত্ব, কাৰণ এইখন আমাৰ মাতৃভূমি। We are getting it through generation. আজি যদি আপোনালোকে ইয়াত বহে আৰু আপোনালোকৰ যদি জনজাতীয় লোকসকলৰ প্ৰতি মৰম নাথাকে সেইটো হ'ব নোৱাৰে। কাৰ্বি আংলঙত যাতে কেতিয়াও কোনো দাস, কলিতা, গগৈ, চুতীয়া লোকসকলে মাটি দখল কৰিব যাব নোৱাৰে গতিকে ৰহমান , ইছলাম সকলো যাব নালাগে। তেওঁলোক নিজেও নাযায়, তেওঁলোকক কোনোবাই লৈ যায়। আমি তেওঁলোকক বুজাব লাগে যে হাফলং, ডিফু, বি টি আৰ এইবিলাক sixth schedule area, আপোনালোক তালৈ নাযাব। আপোনালোকৰ বহুতেই ভাষণত কৈছে যে সদভাৰ থাকিব লাগিব। এখন তাল বাজিব নেকি? আজি আমাৰ সন্মানীয় বিধায়ক শ্বেৰমান আলী ডাঙৰীয়াই মিঞা সংস্কৃতিৰ ঠাইত সত্ৰীয়া আৰু শংকৰী সংস্কৃতিৰ কথা ক'লে অসমত লগে লগে সংহতি আহিব। মিঞা সংস্কৃতিৰ কথা কৈ থাকিলে বিভাজন আহিব। সেইদিনা আপুনি বৈশিষ্ট দেৱ শৰ্মাৰি ওচৰলৈ গৈ ক্ষমা বিচাৰিছে, মই ভাল পাইছো। কিন্তু তাৰ আগদিনাখন যিটো বক্তব্য আছিল সেইটো ভুল আছিল।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াৰ ওপৰত এটা স্পষ্টীকৰণ দিব লাগিব। মোৰ বক্তব্যটো ভুলকৈ মিডিয়াত প্ৰচাৰ হৈছিল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** হয়, মই এইটো কোৱা নাই। মই আপোনাক সংহতিৰ কথাটো কৈছো। Muslim is the largest majority community in the state today, we are minority. অসমত বামুন মানুহৰ সংখ্যা ২ বা ৩ শতাংশ,কলিতা মানুহৰ সংখ্যা ১০ শতাংশ বুলিয়েই কওঁ, আহোম মানুহৰ সংখ্যা প্ৰায় ৫০ লাখ, জনজাতীয় মানুহৰ সংখ্যা প্ৰায় ৪০ লাখ, কিন্তু অসমত মুছলমান মানুহৰ সংখ্যা ১ কোটিতকৈও বেছি। গতিকে আপোনালোকৰ দায়িত্ব সম্প্ৰীতিৰ সৃষ্টি কৰা। গতিকে আপোনালোকে আৰম্ভ কৰক ভৱিষ্যতে অসমত দৰিদ্ৰতা

নির্মূল কৰিবৰ কাৰণে জনসংখ্যা নিয়ন্ত্ৰণ কৰিব লাগিব। অসমত যদি ইমান অশিক্ষিত দৰিদ্ৰ মানুহ থাকে আমি অসমখনক কেনেকৈ আগবঢ়াই লৈ যাম? আজি আপোনালোকে যদি চুকাফাৰ কথা কয়, লাচিতৰ কথা কয়, তেতিয়া সংহতি এক মিনিটত আহিব। আজি মানুহৰ অশান্তিৰ কাৰণ হৈছে যে অসমত মাটি নাই, infant mortality, maternal mortality. তেওঁলোকে কিয় নিজৰ দায়িত্ব পালন কৰা নাই? তেওঁলোকে কিয় অসমত সমস্যাৰ সৃষ্টি কৰিছে? তেওঁলোকে কিয় সম্পদ হ'বলৈ চেষ্টা কৰা নাই, কিয় মাদ্ৰাছা শিক্ষা লাগে, কিয় তেওঁলোকক আমি ডাক্তৰ, ইঞ্জিনিয়াৰ নবনাওঁ? অসমৰ আটাইতকৈ ডাঙৰ community, মুছলমান সম্প্ৰদায়ৰ পৰা যেতিয়া প্ৰগতিশীল কথাবিলাক আৰম্ভ হ'ব, তেতিয়া দেখিব অসমত কোনো গণ্ডগোল নাথাকে। আমি যিহেতু minority, আমাৰ মনত ভয় আছে যে আপোনালোকে আমাৰ মাটি লৈ যাব। মইতো ভয় আৰু শঙ্কাত থকা মানুহ। আজি যদি আপোনালোকে অসমৰ dianemics টো বুজি পায়, অসমীয়া মানুহবিলাক থৰহৰি কম্পমান হৈ আছে যে ১০ বছৰ পিছত আমাৰ কি হ'ব? মোক সকলোৱে Whatsup কৰি আছে যে কাশ্মীৰি ফাইল চাব যাব লাগে। মই যেতিয়া সুধিলো যে কিয় চাব লাগে তেতিয়া ক'লে যে ১০ বছৰ পিছত আমাৰ অসমৰো সেই কাশ্মীৰি পণ্ডিতৰ অৱস্থাই হ'ব। সেইটো নহ'ব বুলি বিশ্বাস জন্মোৱাৰ কাম আপোনালোকৰ। আজিৰ পৰা ১০ বছৰ পিছত যেতিয়া আপোনালোক সংখ্যালঘু আছিলে তেতিয়া সংখ্যালঘুৰ দৰেই ব্যৱহাৰ কৰিছিলে। এতিয়া আমি সংখ্যালঘু, গতিকে আমিও সংখ্যালঘুৰ দৰেই ব্যৱহাৰ কৰিম। আমাৰ সদায় ভয় থাকিব যে বৰপেটা সত্ৰখনৰ কি হ'ব, মৈইনবৰী সত্ৰখনৰ কি হ'ব, বিলাসীপাৰা মহামায়া মন্দিৰটোৰ কি হ'ব। গতিকে ভয়ত থকা মানুহবিলাকে protection cycle এটা গঠন কৰিবলৈ চেষ্টা কৰে। আজি যে ট্ৰাইবেল মানুহবিলাকে কৈ থাকে আমাৰ অধিকাৰ লাগে, আমাৰ মাটি লাগে, তেওঁলোকে ভয় কৰে। ৰাভা সকলৰ যিটো হ'ল সেইটো যাতে তেওঁলোকৰ নহয়। আমি এই বিলাক আপোনালোকক বেয়া পাই নকওঁ। আমি এইবিলাক কথা কওঁ ভয়ত। যদি এতিয়া আপোনালোকে আৰম্ভ কৰি দিয়ে যে আপোনালোকৰ দুটাই সন্তান হ'ব তেতিয়া কোনো অসমীয়া মানুহে আপোনালোকক ভয় নাখায়। অসমত যদি সঁচাকৈ communal harmony ৰ কথা ক'ব খোজে তেতিয়াহ'লে এদিন আমি ভালকৈ বহিম। ক'ৰ পৰা communal harmony ৰ আৰম্ভণি হ'ব, যিদিনাখন আপোনালোকে বিশ্বাস দিব পাৰিব যে বৰপেটা সত্ৰ অক্ষুন্ন থাকিব, বৰদোৱা সত্ৰ অক্ষুন্ন থাকিব, শ্বেৰমান ডাঙৰীয়াই মিঞা সংস্কৃতিৰ কথা নকৈ সত্ৰীয়া আৰু শঙ্কৰীৰ সংস্কৃতিৰ কথা ক'ব, তেতিয়া দেখিব অসম super speed ত আগবাঢ়িছে। আজি সমস্যা হৈছে যে ৩০-৩৫ শতাংশ হোৱাৰ পিছতো অসমত আপোনালোকে নিজকে সংখ্যালঘু বুলি ভাবে। যিহেতু এতিয়া আপোনালোক সংখ্যা গৰিষ্ঠ please behave like a majority community. তেতিয়া আপোনালোকে আমাৰ পৰা মৰমৰ কোনো অভাৱ নাপাব। আজি যদি আপোনালোকে বিহু বা সত্ৰৰ লগত competition কৰিব খোজে তেতিয়া সকলোৱে ভাৱিব যে এতিয়াই এনেকুৱা কৰিছে, অহাকালি বা কি কৰিব। So, these are the real pain of us. এই পেইনখিনিকে যোৱা ৯ মাহে মই গুচাবলৈ চেষ্টা কৰি আছো। কোনোবা community ৰ লগত কোনোবা এজন ব্যক্তিয়ে যুঁজিব পাৰে নেকি? আমাৰ intension হৈছে যে অসমত এটা প্ৰকৃত sprit এটা আৰম্ভ কৰক। মই এটা উদাহৰণ কৈ সামৰিম। পানবাৰী মছজিদত দেশী মুছলমানসকেল আহি কয় যে যেনে তেনে আমাক সমিতিত অন্তৰ্ভুক্ত কৰক। তেওঁলোকে কৈছে যে দেশী মুছলমান সকলক সমিতিত ৰখা নাই। গতিকে তাত মুখ্য মন্ত্ৰীয়ে সমিতিখন বনাই দিব লগা হৈছে। তাৰমানে আজি দেশী মুছলমান

সকলেও হিমন্ত বিশ্ব শৰ্মাক বিচাৰি আছে। আজি indegenous মুছলমান মানুহখিনিৰ কথাই সুকীয়া। নেকিবুৰ জামান ডাঙৰীয়াই টি ভিত তো কৈয়েই থাকে যে আমাৰতো একোৱে নাই। আমিতো political leader ও হ'ব নোৱাৰো। গতিকে আজি আপোনালোকৰ political system টো অকল আমি ভয় খাই থকা নাই, দেশী আৰু indegenous মুছলমান মানুহখিনিৰ মনতো ক'ৰবাত নহয় ক'ৰবাত ভয় সোমাইছে। পানবাৰী মছজিদটো তাৰে এটা উদাহৰণ। গতিকে এই ৫ বছৰত এই কথাবিলাক যাতে নতুনকৈ চিন্তা কৰো। মই শ্বেৰমান ডাঙৰীয়াক অনুৰোধ কৰিম যে আপুনি যেনেকৈ বৰপেটা সত্ৰৰ সত্ৰাধিকাৰৰ ওচৰলৈ গ'ল তেনেকৈ কেতিয়াবা শংকৰদেৱ কলাক্ষেত্ৰলৈও যাব আৰু তাৰ পৰা ওলাই আহি ক'ব যে মই ইয়াত মিঞা সংস্কৃতিৰ কথা কোৱাটো ভুল হৈছে, সেইটো আমি withdraw কৰিলো। মিঞা সংস্কৃতিৰ মিঞা মিউজিয়াম যেতিয়া হ'ব লাগে তেতিয়া হ'ব। এতিয়া তাৰ সময় আছে। সময়তকৈ আগত কৰাৰ কোনো প্ৰয়োজন নাই। এই ধৰণে সাম্প্ৰদায়িক সম্প্ৰীতিৰ নতুন এটা ইতিহাস অসমত ৰচনা হ'ব। As a politician do not stand with alleged criminals like drugs, rapist etc. পুলিচে কিবা ভুল কৰিলে আইনে ব্যৱস্থা ল'ব। গতিকে মই বিশেষ বক্তব্য ৰাখিব বিচৰা নাই। সদৌ শেষত পুনৰবাৰ বিৰোধী দলক ধন্যবাদ জনাই ৰাজ্যপাল মহোদয়ৰ ভাষণত আমাক যি সহযোগীতা কৰিলে, আপোনালোকে যিখিনি আপোনালোকৰ অভাৱ অভিযোগৰ বিষয়ে বক্তব্যত কৈছে সেইখিনি মই নোট কৰিছো। বিৰোধী দলৰ সদস্যৰ উফৰি অহা প্ৰশ্ন ঃ চাৰ, গোৱালপাৰাত মেডিকেল কলেজ হ'বনে ? আপুনি কালিলৈকে ৰখকছোন- ধুবুৰীত যদি মেডিকেল কলেজ হ'ব পাৰে, গোৱালপাৰাতো হ'ব পাৰে। তাত আমি নিজিকো বুলি যে, তাত মেডিকেল কলেজ নহ'ব এনেকুৱা কথা হ'ব নোৱাৰে গতিকে যি নহওঁক - আপোনালোকৰ যিখিনি সত্য অভিযোগ, যিখিনি কোনো পলিটিকেল কাৰণত কোৱা নাই, অন্তৰৰ পৰা কৈছে that we will take considerd. food procurement ৰ ক্ষেত্ৰত paddy procurement ৰ ক্ষেত্ৰত মই আপোনালোকৰ সহযোগীতা বিচাৰিছো। and let us work together for the development of the State. শেষত, আজি আমি এটা সিদ্ধান্ত লৈছিলো যে বিধান সভা শেষ কৰি আমি kashmir File চিনেমাখন চাবলৈ যাম। টিকট বুক কৰি থোৱা আছে মই বিৰোধী দলৰ সদস্যসকলকো নিমন্ত্ৰণ জনাইছো। আমি সকলোৱে একেলগে চিনেমাখন চালে একো বেয়া নহয়। গতিকে যিসকল ইচ্ছুক আৰু চাবলৈ সময় আছে মই তেখেত সকলোকে নিমন্ত্ৰণ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ..... আমি ৬.৩০ বজাত শেষ কৰাৰ কথা আছিল কিন্তু ১০ মিনিট সময় বঢ়াই লৈছো। সন্মানীয় সদন, আমাৰ মাননীয় সদস্য তেৰছ গোৱালাই উত্থাপন কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ সম্পৰ্কে সংশোধনীৰ বাবে ৫ খন সংশোধনী প্ৰস্তাৱ জাননী পাইছিলে আৰু এই জাননী কেইখন উত্থাপন হ'ল। প্ৰথমতে আছে , মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া, শ্ৰীৰকিবুল হুছেইন, শ্ৰীৰাজেদ আলী চৌধুৰী, শ্ৰীজাকিৰ হুছেইন সিক্দাৰ, শ্ৰীভৰত চন্দ্ৰ নৰহ, শ্ৰীমতী নন্দিতা দাস, শ্ৰীআব্দুৰ ৰছিদ মণ্ডল, শ্ৰীমতী শিবামনি বৰা, শ্ৰীআবুল কালাম ৰছিদ আলম, শ্ৰীৰেকিবুদ্দিন আহমেদ, শ্ৰীবসন্ত দাস, শ্ৰীচিদ্দেক আহমেদ, শ্ৰীআব্দুল চৌহান আলী, শ্ৰীআব্দুল বাতিন খন্দকাৰ, ডঃ আছিফ মহম্মদ নাজাৰ, শ্ৰী প্ৰদীপ সৰকাৰ, শ্ৰীআব্দুৰ ৰহিম আহমেদ, শ্ৰীআফতাব উদ্দিন মোল্লা, শ্ৰীযাদব স্বৰ্গীয়াৰী আৰু শ্ৰীখলিল উদ্দিন মজুমদাৰ । তেখেতসকলক মই প্ৰশ্ন উত্থাপন কৰিব খুজিছো যে তেখেতসকলৰ সংশোধনী প্ৰস্তাৱ উইড্ৰ কৰিবনে ?

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী

মহোদয়ে যিখিনি ক'লে তাত নিশ্চিতভাবে আমি কিছু আশ্বাস পাইছো। দুটামান কথাত অলপ আপত্তি আছে, কথাখিনি কৈ উইড্ৰ কৰিম। অধ্যক্ষ মহোদয়, তেখেতসকলে ' ইছ অৱ ডুইং বিজিনেছ 'ৰ কথা কৈছে, এইটো ভাল কথা। কাৰণ এইটো যোৱা চৰকাৰৰ দিনতে আছিলে আৰু প্ৰথম বি জে পি চৰকাৰ অহাৰ পিচত লগে লগে কৰিব পাৰিছিলে, কাৰণ কংগ্ৰেছ চৰকাৰৰ দিনতেই তৈয়াৰ কৰা হৈছিল কেৱল আমাৰ এক্টখন কৰা নহ'ল। খুব সোনকালে কাম হৈছিল- আমাৰ চৰকাৰ অহাৰ ১০ দিন পিচতে শ্বিলংঙৰ আসাম হাউচটো কৰিব পাৰিছিল। তেনেধৰণে কিছু কাম হৈছিল পূৰ্ব্বতে। দ্বিতীয় কথাটো হ'ল অধ্যক্ষ মহোদয়, আমি ক্ৰিমিনেলৰ পক্ষত কেতিয়াও নাই, আইনৰ পক্ষত আছো। দেশৰ সংবিধানৰ পক্ষত আছো সদায়। যেনেকৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল "আপোনালোকে আইনৰ পক্ষ ল'বনে ক্ৰিমিনেলৰ পক্ষ ল'ব।" পুলিছে যদি সকলো ভাল কাম কৰে ' পুলিছ একাউন্টেব্লিটি কমিশ্যন, নেশ্যনেল হিউমেন ৰাইট কমিশ্যন এইবিলাক সৃষ্টি নহ'লহেঁতেন। সেই কাৰণে মই অনুগ্ৰহ কৰি এইখিনিৰ শুধৰণি বিচাৰিম। এমপ্লইমেন্টৰ ক্ষেত্ৰত মই ৰেজিষ্ট্ৰেশ্যনৰ কথা কোৱা নাছিলো কেৱল ' অইল'ত ৫৩৭ টা পোষ্টত বাহিৰা নিয়োগ যাতে নহয়। থাৰ্ড গ্ৰেড আৰু ফোৰ্থ গ্ৰেড পোষ্টৰ নিয়োগৰ ক্ষেত্ৰত আমাৰ আইন কৰা হৈছে। ' এমপ্লইমেন্ট ৰিভিউ কমিটিয়ে আগতে ৰিক'মেণ্ডেশ্যন দিছিলে। এইখিনি যাতে হয় কাৰণ অসমীয়া মাধ্যমৰ স্কুলত হিন্দীভাষী শিক্ষকে শিক্ষা দান কৰিবলৈ নিযুক্তি পাইছে বুলি বাতৰি ওলাইছিল সেই প্ৰসংগতহে মই কথাখিনি উল্লেখ কৰিছিলো। ঠিক তেনেকৈ মহোদয়, পৰিবেশৰ কথাটো খুব লাগতিয়াল। মই যোৱা ৫ বছৰৰ অধিক কাল ধৰি এই সদনত বহুবাৰ উত্থাপন কৰিছো। কেনেকৈ বন ধ্বংস কৰি পৰিবেশ ধ্বংস কৰা হৈছে তাৰ ফলত চিণ্ডিকেটো সৃষ্টি হৈছে। সেয়ে মই ভাবো যে চৰকাৰে এই বিষয়ে অলপ মনোযোগ দিব লাগে। এডভান্টেজ আসামৰ কথা বোধ কৰো এইবাৰ ইমান কোৱা হোৱা নাই। কিন্তু যিকেইটা হৈছে , ব্যৱসায়িক স্বাৰ্থত এন আৰ এল হওক, অইল ইণ্ডিয়া হওক, ও এন ডি চি হওঁক তেওঁলোকে কৰিবই লাগিব, তেওঁলোক ব্যৱসায়িক প্ৰতিষ্ঠান । তেওলোকক এডভান্টেজ আসামৰ লগত লিংক কৰিব নালাগে। মুখ্যমন্ত্ৰী মহোদয়ে ' হুনাৰ হাট'ত মুছলমান সকল অসমৰ সম্পদ হ'ব পাৰে বুলি বক্তব্য দিয়াৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ পূৰ্ব্বে মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা অলপ বেলেগ ধৰণৰ বক্তব্য আহিছিল। যি কি নহওঁক শেষত, চোচিয়েল ৱৰ্কাৰ হিচাপে যিটো কৈছে- পলিটিচিয়েনক যদি তেখেতে কনষ্ট্ৰাকশ্যন কমিটি বিলাকত দিয়ে সেইটো উল্লেখ থাকিলে ভাল। কিন্তু যিটো কোৱা হ'ল যে চোচিয়েল ৱৰ্কাৰ কিছুমানক যদি নিযুক্তিৰ নামত পলিটিকেল অফাৰ দিয়া হয় , সমাজত বহু প্ৰতিষ্ঠিত চোচিয়েল ৱৰ্কাৰ আছে তেখেতসকলক কিয় বঞ্চিত কৰা হ'ল। এই কথাটোহে আমি অৱজেকশ্যন দিছো। এই চোচিয়েল ৱেলফেয়াৰৰ কামখিনিৰ । বাকী কথাখিনি তেখেতে উল্লেখ কৰা কাৰণে চৰকাৰখনৰ পৰা আমি আশা কৰো যিখিনি মহোদয়ে কৈছে সেইখিনি সফলভাবে ৰূপায়ণ হওক । এই আশা কৰি আমাৰ সংশোধনীখিনি উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... এতিয়া ডঃ ৰফিকুল ইছলাম , শ্ৰীআমিনুল ইছলাম, শ্ৰীআশ্ৰাফুল হুছেইন, শ্ৰীকৰিমুদ্দিন বৰভূঞা, শ্ৰীনিজানুৰ ৰহমান, শ্ৰীমজিবুৰ ৰহমান, শ্ৰীসুজামুদ্দিন লস্কৰ, শ্ৰীনিজামুদ্দিন চৌধুৰী, শ্ৰীচামচুল হুদা, শ্ৰীআব্দুল আজিজ, শ্ৰীনজৰুল হক, শ্ৰীজাকিৰ হুছেইন, শ্ৰীচিৰাজুদ্দিন আজমল তেখেতসকলোৰ নামতো সংশোধনী আছে , আপোনালোকে উইড্ৰ' কৰিবনে ?

**হাফিজ বছিৰ আহমেদ, (বিলাসীপাৰা পূব) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী

ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত অংশ গ্ৰহণ কৰি তেখেতে যিটো উত্থাপন কৰিলে আৰু তাত মাইনোৰিটি সম্পৰ্কে যিটো পৰামৰ্শ আগবঢ়াইছে আৰু যিখিনি সংস্কাৰ বিচাৰিছে, মই ভাবো , আমাৰ দলে ভাবে যে এই গোটেইখিনি কথা শিক্ষাৰ ওপৰত নিৰ্ভৰশীল। সেই কাৰণে আমাৰ এই সংশোধনী প্ৰস্তাৱ উইড্ৰ কৰাৰ আগতে মই তেখেতক অনুৰোধ জনাব বিচাৰিছো যে তেওঁ এই মুছলিম সম্প্ৰদায় অধ্যুষিত অঞ্চলবিলাকত বেছিত কৈ বেছি আধুনিক বিদ্যালয় স্থাপন কৰাৰ ব্যৱস্থা কৰিব। এই খিনি কৈ আমাৰ সংশোধনী প্ৰস্তাৱ উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া ৩ নং সংশোধনী প্ৰস্তাৱ মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ আছে। আপুনি উইড্ৰ কৰিবনে ?

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ বক্তব্যত তেখেতে মডেল অংগনবাড়ী চেন্টাৰ বিধায়কসকলৰ মাজত বিতৰণৰ ওপৰত গুৰুত্ব দিছে। মই এইটো আদৰণি জনাইছো। অধ্যক্ষ মহোদয়, আদৰ্শ মডেল আংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ সমিতি গঠনৰ সম্পৰ্কত তেখেতৰ লগত মোৰ অলপ ডিফাৰেন্স আছে । অভিভাৱক মন্ত্ৰীয়ে যদি বিধায়কসকলৰ লগত কিছু হ'লেও যদি একচেঞ্জ কৰে, নিশ্চিত ভাবে ৰুলিং পাৰ্টিয়ে এডভান্টেজ পাব। কিন্তু একেবাৰে আন্ধাৰত ৰাখি ৰাজনৈতিক কৰ্মীসকলক নিৰ্মাণ কমিটিত সোমোৱাই দিলে অসুবিধা হয়। সেইটো যাতে অলপ ৰেক্টি ফাই হয়। বাকী বিষয়বিলাক ঠিকে আছে ধানৰ প্ৰস্তাৱটো ক্লিয়েৰ কৰিছে। মই এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ যাতে হয় কামনা কৰিছো। জল জীৱনৰ ক্ষেত্ৰত বৰপেটা জিলাত মই সদন কমিটি বিচাৰিছিলো যদিও মই আশা কৰিম বৰপেটা জিলাত যাতে এটা বিভাগীয় ভাবেও তদন্তৰ ব্যৱস্থা কৰা হয় সেইটো আশা কৰি মই মোৰ সংশোধনী প্ৰস্তাৱ উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, চতুৰ্থ জাননীখন অখিল গগৈৰ আছিলে , তেখেত অনুপস্থিত । এতিয়া আছে পঞ্চমখন জাননী- শ্ৰীশ্বেৰমান আলী আহমেদ আপুনি উইড্ৰ কৰিব ?

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই উইড্ৰ কৰাৰ আগতে দুটা মান কথা কৈছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয় এটা কথাত একমত যে আজি অসমৰ মূল সুঁতিৰ মানুহৰ মূল ভয় সেইটো হ'ল - মুছলিম মানুহৰ জনসংখ্যা বৃদ্ধি। বাল্য বিবাহ। যদিও Rate of decclined is much faster সেই কথাটো উপলব্ধি কৰিয়েই দুয়োখন সমাজলৈ মূল সুঁতিৰ মানুহ আৰু সংখ্যালঘু সমাজলৈ এটা বাৰ্ত্তা দিয়াৰ কাৰণে এই পবিত্ৰ সদনত মুছলমানৰ জনসংখ্যা নিয়ন্ত্ৰণৰ কাৰণে এখন বিল আনিছিলো আৰু ছাৰ সেইদিনাখন এই কথাও উল্লেখ কৰিছিলো যে, হয় এফালেদি আমি সংখ্যালঘু বিধায়কসকলে যেনেকৈ লীড ল'ব লাগে , যাতে আমাৰ জনসংখ্যা নিয়ন্ত্ৰণ হয়, বাল্য বিৱাহ ৰোধ হয় ঠিক তেনেদৰে চৰকাৰৰ খনৰো কিছু কৰণীয় আছে। আজিও চৰ অঞ্চলৰ প্ৰায় ১৫-১৬ লাখ মানুহ নিৰক্ষৰ, শিক্ষানুষ্ঠানৰ অভাৱ , শিক্ষকৰ অভাৱ, যাতায়তৰ অভাৱ - মুখ্যমন্ত্ৰী মহোদয়ে এই কথাখিনি সেইদিনা স্বীকাৰ কৰিছিল। গতিকে অনাগত দিনত দুয়োখন সমাজৰ মাজত ভাতৃত্ববোধ গঢ়ি তুলিবলৈ সংখ্যালঘু সমাজে সংখ্যাবহুল সমাজলৈ এটা বাৰ্ত্তা দিব লাগিব যে, Brother, please don't worry, we are concerned about birth control in our Society and at the same time চৰকাৰ খনেও এই সমাজখনক আগুৱাই নিবলৈ শিক্ষা- দীক্ষা, বাল্য বিৱাহ ৰোধ আদিৰ ক্ষেত্ৰত উপযুক্ত পদক্ষেপ ল'ব লাগিব। চাৰ দ্বিতীয়তে শংকৰদেৱ কলা ক্ষেত্ৰ বা মিঞা মিউজিয়াম- আচল কথাটো হ'ল চাৰ অসমৰ এই ২৫ শতাং মুছলমান আজি ডেৰ শতিকা জুৰি নিজকে অসমীয়া বুলি পৰিচয় দি

আহিছে তত স্বত্বেও অসমৰ বিভিন্ন প্ৰান্তত বিভিন্ন সংগঠনে এই জনগোষ্ঠীৰ মানুহক সন্দেহৰ চকুৰে চোৱা , অসমীয়া বুলি স্বীকৃতি নিদিয়া এই কথাবোৰে জনগোষ্ঠীটোৰ মনত গভীৰ আঘাত দিয়ে। So it was a kind of rebellion by demanding that. আৰু এটা মেচেজ দিব খুজিছিলোঁ যে আৰে ভাই আমিও অসমীয়া।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, চমুকৈ কওঁক।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** আমাক আপোনালোকে গ্ৰহণ কৰক অসমীয়া বুলি, তেতিয়া এই সংখ্যালঘুৰ মনত থকা ঘাঁ খিনি বহু পৰিমাণে শুকাব আৰু আমাৰ যিটো দুয়োটা সমাজৰ মাজত যিটো ভাতৃত্বৰ বান্ধোন এইটো আৰু কট্‌কটীয়া হ'ব। অসমৰ উন্নয়নৰ ক্ষেত্ৰত এই ১০০ শতাংশ মানুহে আৰু বেছি মনযোগেৰে আত্মনিয়োগ কৰিব। এই খিনি কথা কৈ মই আজি মোৰ যিটো প্ৰস্তাৱ আছিল সেই প্ৰস্তাৱ withdraw কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মুখ্যমন্ত্ৰী মহোদয়ে দিয়া বক্তব্য অনাগত দিনত যাতে আখৰে আখৰে পালন কৰে সেই আহ্বান কৰি শেষ কৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই এতিয়া মাননীয় সদস্য শ্ৰীতেৰচ গোৱালা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা মূল প্ৰস্তাৱটোলৈ আহো, মূল প্ৰস্তাৱটো হৈছে যে - এই অধিবেশনত মিলিত হোৱা অসম বিধান সভাৰ সদস্য-সদস্যা সকলে ১৪ মাৰ্চ, ২০২২ তাৰিখে ৰাজ্যপালে সদনত আগবঢ়োৱা ভাষণৰ বাবে তেখেতৰ ওচৰত ধন্যাবাদ জ্ঞাপন কৰে। প্ৰস্তাৱৰ সপক্ষে থকা সকলে কওক হয়, প্ৰস্তাৱৰ বিপক্ষে থকা সকলে কওক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিতকৰণ হ'ল, প্ৰস্তাৱটো সদনত গৃহীত হ'ল।

সদন ২০২২ চনৰ ১৬ মাৰ্চৰ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।